# নিৰ্বাচনী ব্যয় নিৰীক্ষণ সম্পৰ্কীয় নিৰ্দেশাৱলী

আগষ্ট, ২০২০

ডকুমেণ্ট ৬- সংস্কৰণ ৬

ভাৰতৰ নিৰ্বাচন আয়োগ
নিৰ্বাচন সদন, অশোকা ৰোড, নতুন দিল্লী - ১১০০০১

" কোনো ভোটাৰ যাতে বাদ নপৰে"

# সূচীৰ তালিকা


| | বিষয় আৰু পৰিশিষ্টৰ চমু বিবৰণ | পৰিশিষ্ট নং | পৃষ্ঠা নং |
|---|---|---|---|
| ক) | **নিৰ্বাচনী ব্যয় নিৰীক্ষণ পাতনি আৰু এই সম্পৰ্কীয় আইনী ব্যৱস্থা সমূহ।** | | ২ |
| | আইনী ব্যৱস্থাসমূহ ( ভাৰতীয় দণ্ডবিধি, ১৮৬০, জনপ্ৰতিনিধিত্ব আইন, ১৯৫১ আৰু নিৰ্বাচন পৰিচালনা বিধি, ১৯৬১ ৰ প্ৰাসংগিক উদ্ধৃতি) | এ১ | ৪ |
| খ) | **নিৰ্বাচনী ব্যয় নিৰীক্ষণৰ গাঁথনি আৰু ইয়াৰ বিভিন্ন শাখাৰ কাম-কাজ** | | ১৩ |
| | ব্যয় পৰ্যবেক্ষকৰ উপস্থিতি / প্ৰস্থানৰ প্ৰতিবেদন | বি ১ | ২৪ |
| | ব্যয় পৰ্যবেক্ষকৰ প্ৰতিবেদন-I | বি ২ | ২৪ |
| | ব্যয় পৰ্যবেক্ষকৰ প্ৰতিবেদন-II | বি ৩ | ২৭ |
| | ব্যয় পৰ্যবেক্ষকৰ প্ৰতিবেদন-III | বি ৪ | ২৯ |
| | ব্যয় পৰ্যবেক্ষকৰ চূড়ান্ত প্ৰতিবেদন (প্ৰতিবেদন-IV) | বি ৫ | ৩১ |
| | সহকাৰী ব্যয় পৰ্যবেক্ষকৰ দৈনিক প্ৰতিবেদন। | বি ৬ | ৩৩ |
| | ভিডিঅ' তদাৰকী দলৰ কিউ শ্বিট (Cue-Sheet)। | বি ৭ | ৩৪ |
| | নগদ ধন / অন্যান্য সামগ্ৰী বাজেয়াপ্তকৰণ তথা এই সম্পৰ্কীয় অভিযোগৰ ওপৰত ফ্লায়িং স্কোৱাডৰ দৈনিক কাম - কাজৰ প্ৰতিবেদন। | বি ৮ | ৩৫ |
| | নিৰ্বাচনী আচৰণ বিধি সম্পৰ্কীয় অভিযোগৰ ওপৰত ফ্লায়িং স্কোৱাডৰ দৈনিক কাম-কাজৰ প্ৰতিবেদন। | বি ৯ | ৩৬ |
| | ষ্টেটিক ছাৰভিলেঞ্চ টীমৰ দৈনিক কাম-কাজৰ প্ৰতিবেদন | বি ১০ | ৩৭ |
| | **প্ৰতিদ্বন্দী প্ৰাৰ্থীসকলৰ দৈনিক ব্যয়ৰ হিচাপ ৰখাৰ বাবে শ্বেড' অবজাৰ্ভেশ্বন ৰেজিষ্টাৰ।** | **বি ১১** | ৩৮ |
| | ছপা মাধ্যম / বৈদ্যুতিন মাধ্যমত প্ৰকাশিত পেইড নিউজ / বিজ্ঞাপনৰ বিৱৰণ। | বি ১২ | ৩৯ |
| | কল চেণ্টাৰ তথ্যৰ ওপৰত ৰিটাৰ্নিং বিষয়াই দৈনিক হাতত লোৱা ব্যৱস্থাৰ প্ৰতিবেদন। | বি ১৩ | ৪১ |
| | ৰাজ্যিক / জিলা পৰ্যায়ৰ ন'ডেল বিষয়াৰ দ্বাৰা এদিন বাদে এদিন আই এম এফ এল / বিয়েৰ / দেশীয় সুৰাৰ ওপৰত প্ৰতিবেদনৰ প্ৰ-পত্ৰ। | বি ১৪ | ৪২ |
| | অনুসন্ধান সঞ্চালকালয়ৰ দ্বাৰা কাম-কাজ সম্বন্ধীয় প্ৰতিবেদন প্ৰ-পত্ৰ। | বি ১৫ | ৪৩ |
| | ব্যয় পৰ্যবেক্ষক আৰু নিৰ্বাচনী ব্যয় নিৰীক্ষণৰ দায়িত্বত থকা সকলো বলবৎকাৰী সংস্থাৰ মাজত তথ্য বিনিময় আৰু সমন্বয় ৰক্ষা তথ্য সম্পৰ্কীয় আয়োগৰ চিঠি নং ৭৬/নিৰ্দেশনা/ইইপিএছ/২০১৬/ খণ্ড-II, তাং ২২ মাৰ্চ, ২০১৬ | বি ১৬ | ৪৪ |

| | | | |
|---|---|---|---|
| গ) | **ব্যয় নিৰীক্ষণৰ ক্ষেত্ৰত আৰ অ', ডি ই অ' আৰু চি ই অ'ৰ ভূমিকা।** | | ৪৫ |
| | নিৰ্বাচনী বিষয়াসকলৰ দ্বাৰা পৰ্যবেক্ষণ কৰা অনুসৰি সাধাৰণ দলীয় প্ৰচাৰৰ বাবে ৰাজনৈতিক দল বিলাকৰ প্ৰচাৰ ব্যয়ৰ বিতং বিৰৰণ সম্বন্ধীয় প্ৰ-পত্ৰ (নিৰ্বাচন ঘোষণা কৰা তাৰিখৰ পৰা সম্পূৰ্ণ হোৱা তাৰিখলৈ)। | চি ১ | ৫৪ |
| | ডি ই অ'- ই প্ৰদান কৰিবলগীয়া মাহেকীয়া প্ৰতিবেদন।(খণ্ড এ আৰু বি) | চি ২ | ৫৫ |
| | ডি ই অ'- ৰ পৰীক্ষা প্ৰতিবেদনৰ সংশোধিত প্ৰ-পত্ৰ (আয়োগৰ চিঠি নং ৭৬/ নিৰ্দেশাৱলী/ ২০১৫/ ই ই পি এছ / খণ্ড XIV, তাং ২ জুন, ২০১৬। | চি ৩ | ৫৭ |
| | নিৰ্বাচনী ব্যয়ৰ হিচাপ উপস্থাপন-নিৰিখৰ তালিকা প্ৰস্তুতকৰণ সম্পৰ্কীয় আয়োগৰ চিঠি নং ৭৬/২০০৪/ জে এছ II তাং ১৭/৩/২০০৪। | চি ৪ | ৬২ |
| | ডি ই অ' / চি ই অ' ৱেবচাইটত প্ৰাৰ্থীসকলৰ দৈনিক একাউন্ট ৰেজিষ্টাৰ আপলোডকৰণ সম্পৰ্কীয় আয়োগৰ চিঠি নং ৭৬/নিৰ্দেশাৱলী/২০১৩/ ইইপিএছ/খণ্ড VIII, তাং ২৫ অক্টোবৰ, ২০১৩। | চি ৫ | ৬৪ |
| | ভোটদান শেষ হোৱাৰ পিছত চি ই অ'-ই দাখিল কৰিবলগীয়া বিতং বাজেয়াপ্তৰ প্ৰতিবেদন। | চি ৬ | ৬৫ |
| | আয়োগৰ চিঠি নং ৭৬/নিৰ্দেশাৱলী/২০১৫/ই ই পি এছ/ খণ্ড XIV, তাং -২জুন, ২০১৬ - প্ৰাৰ্থীসকলৰ নিৰ্বাচনী ব্যয়ৰ হিচাপৰ পৰীক্ষণ আৰু সংক্ষিপ্ত প্ৰতিবেদনৰ প্ৰস্তুতি প্ৰক্ৰিয়া। | চি ৭ | ৬৭ |
| | ভোটগ্ৰহণৰ দিন পৰ্যন্ত আবকাৰী বিভাগে কৰা বাজেয়াপ্ত আৰু তালাচী / সম্পত্তি সম্পৰ্কীয় প্ৰতিবেদনৰ আৰ্হি । | চি ৮ | ৭০ |
| | ভোটগ্ৰহণ দিন পৰ্যন্ত তথ্য-প্ৰযুক্তি বিভাগৰ দ্বাৰা কৰা বাজেয়াপ্তকৰণৰ বাবে প্ৰতিবেদন প্ৰ-পত্ৰ। | চি ৯ | ৭১ |
| | ভোটগ্ৰহণৰ দিন পৰ্যন্ত আৰক্ষী বিভাগৰ দ্বাৰ কৰা বাজেয়াপ্তকৰণৰ বাবে প্ৰতিবেদনৰ আৰ্হি। | চি১০ | ৭২ |
| | আয়োগৰ চিঠি নং -৭৬ / নিৰ্দেশাৱলী/ই ই পি এছ/২০১৫/ খণ্ড-II তাং-২৯ মে', ২০১৫ - জিলা ব্যয় নিৰীক্ষণ সমিতি আৰু প্ৰাৰ্থী/নিৰ্বাচন এজেণ্টৰ মাজত ব্যয়ৰ হিচাপ সম্পৰ্কীয় বৈঠক-সম্পৰ্কীয়। | চি১১ | ৭৪ |
| | **প্ৰ-পত্ৰ-২৬ ত সংশোধন সম্পৰ্কে আয়োগৰ চিঠি নং ৩/৪/২০১৯/এছ ডি আৰ/খণ্ড I তাং ২৮ ফেব্ৰুৱাৰী, ২০১৯ (প্ৰাৰ্থীয়ে দিবলগীয়া শপত নামাৰ আৰ্হি)।** | **চি১২** | ৭৮ |
| | শপত নামাৰ ই-ফাইলিং (প্ৰ-পত্ৰ-২৬) চিঠি নং ৩/ ই আৰ/ ২০১৪/ এছ ডি আৰ/ খণ্ড-I তাং-১৯ মাৰ্চ,২০১৪। | চি১৩ | ৯১ |

| | | | |
|---|---|---|---|
| | প'লিং/ কাউটিং এজেণ্টৰ লঘু আহাৰ তথা কিঅ'স্ক ইত্যাদিত হোৱা ব্যয় সম্পৰ্কীয় আয়োগৰ চিঠি নং ৭৬/ নিৰ্দেশনা/ই ই পি এছ/ খণ্ড-XIX, তাং-৩০ ডিচেম্বৰ, ২০১৪ ঃ- প্ৰাৰ্থীৰ নিৰ্বাচনী ব্যয়ৰ একাউণ্ট আনুমানিক ব্যয়ৰ হিচাপ- এই সম্পৰ্কীয়। | চি১৪ | ৯৫ |
| | আয়োগৰ চিঠি নং ৭৬/নিৰ্দেশনা/২০১৫/ ই ই পি এছ/ খণ্ডII তাং ১১ অক্টোবৰ, ২০১৫- শেষ মূহুৰ্তত প্ৰাৰ্থী/ ৰাজনৈতিক দলৰ দ্বাৰা হেলিকপ্টাৰ সলনি-ডি ই অ'ৰ দ্বাৰা অগ্ৰাধিকাৰ ভিত্তিত অনুমতি প্ৰদান- এই সম্পৰ্কীয়। | চি১৫ | ৯৬ |
| | **সুবিধা মডিউলত ডি ই অ'-ৰ পৰীক্ষা প্ৰতিবেদনৰ ফাইলিং সম্পৰ্কীয় আয়োগৰ চিঠি নং ৭৬/ ই চি আই/ আই এন এছ টি / এফ ইউ এন চি / ই ই এম / ই ই পি এছ/২০১৯ খণ্ড-III তাৰিখ ১৯ জুন, ২০১৯।** | **চি১৬** | ৯৮ |
| ঘ) | **নিৰ্বাচনী প্ৰচাৰ অভিযান সম্পৰ্কীয় ব্যয়ৰ নিৰীক্ষণ।** | | ১০১ |
| | ৰাজহুৱা সভা/সমাৰেশ ইত্যাদিত হোৱা ব্যয়ৰ বিতং বিৰৰণ। | ডি ১ | ১১৫ |
| | পুস্তিকা, পোষ্টাৰ ছপাৰ ওপৰত থকা বাধা-নিষেধ সম্পৰ্কে আয়োগৰ চিঠি নং ৩/৯ (ই এছ ০০৮)৯৪ জে এছ II তাৰিখ-২/৯/১৯৯৪। | ডি ২ | ১১৭ |
| | সুৰা বিক্ৰীৰ দৈনিক প্ৰতিবেদনৰ বাবে ডি ই অ' সকললৈ আয়োগৰ চিঠি - চিঠি নং ৭৬/নিৰ্দেশনা/ ই ই পি এছ / ২০১৩/খণ্ড VIII তাং-১৪ নৱেম্বৰ, ২০১৩- নিৰ্বাচনৰ সময়ছোৱাত সুৰাৰ মজুতকৰণ তথা অবৈধ বিতৰণত বাধা-নিষেধ। | ডি ৩ | ১২৩ |
| | মুখ্য প্ৰচাৰকে কৰা ভ্ৰমণত হোৱা নিৰ্বাচনী ব্যয়- নিৰ্বাচনী প্ৰচাৰ ইত্যাদিৰ বাবে হেলিকপ্টাৰৰ ব্যৱহাৰ (আয়োগৰ চিঠি নং ৪৩৭/৬/১/২০০৮- চি চি এণ্ড বি ই- তাৰিখ ২৪ অক্টোবৰ, ২০০৮)। | ডি ৪ | ১২৮ |
| | ৰাজনৈতিক দল আৰু প্ৰাৰ্থীৰ দ্বাৰা নিৰ্বাচনী প্ৰচাৰ- প্ৰাৰ্থীসকলৰ নিৰ্বাচনী ব্যয়- এই সম্পৰ্কীয় (আয়োগৰ চিঠি নং ৫৭৬/৩/২০০৫/ জে এছ- II তাং ২৯/১২/ ২০০৫। | ডি ৫ | ১২৯ |
| | বেৰিকেড আৰু মঞ্চ ইত্যাদিত হ'বলগীয়া ব্যয় (আয়োগৰ চিঠি নং ৭৬/২০০৪/জে এছ II, তাং ১০/৪/২০০৪)। | ডি ৬ | ১৩১ |
| | ৰাজনৈতিক দলৰ তাৰকা প্ৰচাৰকৰ সৈতে ভ্ৰমণ কৰা শুশ্ৰুষাকাৰী ৰখীয়া, নিৰাপত্তাৰক্ষী, সংবাদ মাধ্যমৰ প্ৰতিনিধিৰ লেখীয়া লোকসকলৰ বাবে হোৱা ব্যয়ৰ হিচাপ সম্পৰ্কীয় আয়োগৰ চিঠি নং ৭৬/নিৰ্দেশনা/ ২০১২/ই ই পি এছ/ খণ্ড I তাং ২২ জানুৱাৰী,২০১৪। | ডি ৭ | ১৩৩ |

| | | | |
|---|---|---|---|
| | প্ৰতিদ্বন্দী প্ৰাৰ্থীসকলৰ প্ৰচাৰকৰ দ্বাৰা হোৱা ব্যয়ৰ উপস্থাপনৰ ক্ষেত্ৰত স্পষ্টীকৰণ সম্বন্ধীয় আয়োগৰ চিঠি নং 464/AP-HP &AP-LA/BE/2011/ EEM, তাং ৩ জুন, ২০১১। | ডি৮ | ১৩৫ |
| | নিৰ্বাচনী ব্যয় নিৰীক্ষণৰ ওপৰত নিৰ্দেশনা প্ৰাৰ্থী সম্পৰ্কীয় ব্যয়- নগদ ধনৰ দ্বাৰা কৰা পৰিশোধ সম্পৰ্কীয় আয়োগৰ চিঠি নং ৭৬/নিৰ্দেশনা/২০১১/ই ই এম, তাৰিখ ৭ এপ্ৰিল, ২০১১। | ডি৯ | ১৩৬ |
| | আৰ পি আইন,১৯৫১ ৰ ধাৰা ৭৭(১) ৰ বাখ্যা (২) ৰ অধীনত দলীয় নেতা (তাৰকা প্ৰচাৰক)ৰ নিৰ্বাচনী ব্যয় সম্পৰ্কীয় আয়োগৰ চিঠি নং ৭৬/নিৰ্দেশনা/২০১২/ই ই পি এছ, তাং- ২০ জানুৱাৰী, ২০১২। | ডি১০ | ১৩৮ |
| | সমূহীয়া পাকঘৰ (লংগৰ, ভোজ ইত্যাদি)-ৰ ক্ষেত্ৰত হোৱা ব্যয় - প্ৰাৰ্থীসকলৰ নিৰ্বাচনী ব্যয়ৰ একাউন্টৰ অন্তৰ্ভূক্তকৰণ সম্বন্ধীয় আয়োগৰ চিঠি নং ৭৬/নিৰ্দেশনা/২০১১/ই ই এম তাং- ৫ ডিচেম্বৰ, ২০১১। | ডি১১ | ১৪০ |
| | উত্তৰ প্ৰদেশ, পঞ্জাব, উত্তৰাখণ্ড, মণিপুৰ আৰু গোৱা-২০১২-ৰ বিধানসভা নিৰ্বাচন- প্ৰতিদ্বন্দী প্ৰাৰ্থী আৰু ৰাজনৈতিক দলৰ দ্বাৰা নিৰ্বাচনৰ সময়ছোৱাত ভিডিঅ' ভান ব্যৱহাৰৰ ওপৰত স্পষ্টীকৰণ সম্পৰ্কীয় আয়োগৰ চিঠি নং ৭৬/নিৰ্দেশনা/২০১২ /ই ই পি এছ/খণ্ড I, তাৰিখ ৯ ফেব্ৰুৱাৰী, ২০১২। | ডি১২ | ১৪২ |
| | সংবিধানৰ দফা-৩২৪-ৰ অধীনত নিৰ্বাচনী প্ৰচাৰৰ সময়ছোৱাত সন্দেহজনক লেনদেন সম্পৰ্কে বেংকৰ পৰা তথ্য সংগ্ৰহ সম্পৰ্কীয় আয়োগৰ চিঠি নং 61/Complaints/AP-LS/ EEPS, তাৰিখ ১৯ জুলাই, ২০১২। | ডি১৩ | ১৪৩ |
| | আয়োগৰ চিঠি নং 491/SM/2013/Communication তাৰিখ ২৫ অক্টোবৰ, ২০১৩- নিৰ্বাচনী প্ৰচাৰৰ সময়ত ছ'চিয়েল মিডিয়া ব্যৱহাৰৰ ক্ষেত্ৰত আয়োগৰ নিৰ্দেশনা। | ডি১৪ | ১৪৪ |
| | আয়োগৰ চিঠি নং ৭৬/Instructions/2014/EEPS/ Vol.VII, dated 9th April, 2014 - মন্ত্ৰী/ প্ৰাৰ্থীক দিয়া সুৰক্ষাৰ ওপৰত হোৱা ব্যয় সম্পৰ্কে আয়োগৰ নিৰ্দেশনা। | ডি১৫ | ১৪৭ |
| | আয়োগৰ চিঠি নং ৭৬/নিৰ্দেশনা/২০১৪/ই ই পি এছ/খণ্ড I, তাং ৯ মে', ২০১৪ - ভোটগ্ৰহনৰ পিছত আৰু ফলাফল ঘোষনাৰ আগতে প্ৰাৰ্থী/ তাৰকা প্ৰচাৰকে কৰা ভ্ৰমণ সম্পৰ্কে আয়োগৰ নিৰ্দেশনা। | ডি১৬ | ১৪৯ |
| | বিমান / হেলিকপ্টাৰৰ পাৰ্কিং মাচুলৰ হিচাপ সম্পৰ্কীয় আয়োগৰ চিঠি নং ৬১/অভিযোগ/২০১৪/ ই ই পি এছ /খণ্ড VI, তাং ৯ জুন, ২০১৪। | ডি১৭ | ১৫০ |
| | আয়োগৰ চিঠি নং ৭৬/নিৰ্দেশনা/ই ই পি এছ/২০১৫/ খণ্ড-II, তাং ২৯ মে, ২০১৫- প্ৰতিদ্বন্দিতা কৰা প্ৰাৰ্থীলৈ বাহনৰ অনুমতি প্ৰদান আৰু নিৰ্বাচনী ব্যয়ৰ হিচাপত হোৱা খৰছ এই সম্পৰ্কীয়। | ডি১৮ | ১৫১ |

| | | | |
|---|---|---|---|
| | প্ৰাৰ্থী আৰু ৰাজনৈতিক দলসমূহে প্ৰচাৰ অভিযানৰ উদ্দেশ্যে বিদেশ ভ্ৰমনলৈ যোৱাৰ ক্ষেত্ৰত হোৱা নিৰ্বাচনী ব্যয় সম্পৰ্কীয় আয়োগৰ চিঠি নং ৭৬/২০১৬ /এছ ডি আৰ, তাং-৩০ এপ্ৰিল, ২০১৬। | ডি১৯ | ১৫২ |
| | স্বীকৃতিপ্ৰাপ্ত ৰাজনৈতিক দলৰ জিলা কাৰ্যালয়ৰ কৰ্মকৰ্তাৰ বাবে বাহনৰ অনুমতি- আয়োগৰ চিঠি নং ৪৬৪/আই এন এছ টি/২০১১ ই পি এছ, তাং ২৮/০৩/২০১১। | ডি২০ | ১৫৪ |
| | হেলিপেড নিৰ্মান আৰু পাৰ্কিং মাচুলৰ ক্ষেত্ৰত হোৱা ব্যয়ৰ হিচাপ সম্পৰ্কীয় আয়োগৰ চিঠি নং ৭৬/ই চি আই/ আই এন এছ টি/ এফ ইউ এন চি/ ই ই এম/ ই ই পি এছ/২০১৯/ খণ্ড-XVIII, তাং- ১৯ মে, ২০১৯- স্পষ্টীকৰণ। | ডি২১ | ১৫৫ |
| ঙ) | প্ৰাৰ্থীসকলৰ দ্বাৰা নিৰ্বাচনী ব্যয়ৰ হিচাপ পৰিচালনা। | | ১৫৬ |
| | প্ৰতিদ্বন্দিতা কৰা প্ৰাৰ্থীসকলৰ দ্বাৰা নিৰ্বাচনী ব্যয়ৰ দৈনন্দিন হিচাপ পৰিচালনাৰ বাবে পঞ্জীয়ন বহী। | ই ১ | ১৬৪ |
| | নিৰ্বাচনী ব্যয়ৰ সংক্ষিপ্ত বিৱৰণ | ই ২ | ১৭০ |
| | সেইটো ভাষা যাৰ জৰিয়তে প্ৰতিদ্বন্দিতা আগবঢ়োৱা প্ৰাৰ্থীসকলে কৰা নিৰ্বাচনী ব্যয়ৰ হিচাপ দাখিল কৰিব পাৰে (আয়োগৰ আদেশ নং-৭৬/৯৫/জে এচ-II, তাং- ১০/০৪/১৯৯৫) | ই ৩ | ১৮১ |
| | জনপ্ৰতিনিধিত্ব আইন, ১৯৫১ ৰ ধাৰা ৭৭ (১)ৰ মৰ্মে ৰাজনৈতিক দলসমূহৰ নেতাৰ নাম সম্পৰ্কীয় আয়োগ -ৰ চিঠি নং ৩/১/২০০৪/ জে এছ-II, তাং-০৩/০৪/ ২০০৪। | ই ৪ | ১৮২ |
| | জনপ্ৰতিনিধিত্ব আইন, ১৯৫১ ৰ ধাৰা ৭৭ (১)ৰ অধীনত বাখ্যা কৰা দফা (ক) ৰ লাভালাভ গ্ৰহণ কৰি দলৰ প্ৰচাৰক সকলে কৰা পথ পৰিবহনৰ ব্যৱহাৰ সম্পৰ্কীয় আয়োগৰ চিঠি নং ৪৩৭/৬/আই এন এছ টি/২০০৮-চি চি এণ্ড বি ই তাৰিখ - ৩১ অক্টোবৰ, ২০০৮। | ই ৫ | ১৮৩ |
| | ব্যয় সম্বন্ধীয় বিষয়সমূহৰ অতিৰিক্ত এজেণ্ট নিযুক্তিৰ বাবে প্ৰ-পত্ৰ। | ই ৬ | ১৮৪ |
| | প্ৰাৰ্থীসকলৰ দ্বাৰা নিৰ্বাচনী ব্যয়ৰ বাবে পৃথক বেংক একাউণ্ট খোলা সম্বন্ধীয় আয়োগৰ চিঠি নং ৭৬/নিৰ্দেশনা/২০১৩/ই ই পি এছ/খণ্ড IV, তাং- ১৫ অক্টোবৰ, ২০১৩। | ই ৭ | ১৮৫ |
| | নিৰ্বাচনৰ সময়ত প্ৰচাৰ অভিযানৰ বাবে কোনো ব্যক্তি, অনুষ্ঠান নাইবা ৰাজনৈতিক দলৰ পৰা লাভ কৰা বৰঙণি ইত্যাদি সম্পৰ্কীয় আয়োগৰ চিঠি নং ৭৬/নিৰ্দেশনা/ ই ই পি এছ/২০১৫/খণ্ড-II, তাৰিখ-৯ জুন, ২০১৫। | ই ৮ | ১৮৭ |

| | | | |
|---|---|---|---|
| | প্ৰাৰ্থী/ৰাজনৈতিক দলবোৰ চেক, ডি ডি, আৰ টি জি এছ/ এন ই এফ টি অথবা অন্যান্য বৈদ্যুতিন মাধ্যম আদিৰ যোগেদি এটা দিনত ১০,০০০ টকাৰ ওপৰত নগদ লেন-দেনৰ জৰিয়তে কৰা নিৰ্বাচনী ব্যয়। বৰঙণিৰ পুনৰীক্ষণ সম্পৰ্কীয় আয়োগৰ চিঠি নং-৭৬/নিৰ্দেশনা/২০১৮/ই ই পি এছ, তাৰিখ-১২ নৱেম্বৰ, ২০১৮। | ই ৯ | ১৮৮ |
| | প্ৰাৰ্থী/ৰাজনৈতিক দলবোৰ চেক, ডি ডি/আৰ টি জি এছ/ এন ই এফ টি অথবা অন্যান্য বৈদ্যুতিন মাধ্যম আদিৰ যোগেদি এটা দিনত ১০,০০০ টকাৰ ওপৰত নগদ লেন-দেনৰ জৰিয়তে কৰা নিৰ্বাচনী ব্যয়। বৰঙণিৰ পুনৰীক্ষণ সম্পৰ্কীয় আয়োগৰ চিঠি নং-৭৬/নিৰ্দেশনা/২০১৮/ই ই পি এছ, তাৰিখ-১২ নৱেম্বৰ, ২০১৮- স্পষ্টীকৰণ। | ই ১০ | ১৮৯ |
| চ) | ৰাজনৈতিক দলসমূহৰ দ্বাৰা নিৰ্বাচনী ব্যয় সম্বন্ধীয় হিচাপৰ পৰিচালনা | | ১৯০ |
| | আয়োগৰ চিঠি নং ৭৬ / নিৰ্দেশনা/২০১২/ ই ই পি এছ, তাৰিখ ৯ ফেব্ৰুৱাৰী, ২০১২ - পঞ্জাব, উত্তৰ প্ৰদেশ, উত্তৰাখণ্ড, মনিপুৰ আৰু গোৱাৰ বিধানসভা নিৰ্বাচন -২০১২- ভোটগ্ৰহণৰ পিছত প্ৰতিদ্বন্দিতা কৰা প্ৰাৰ্থী আৰু তাৰকা প্ৰচাৰক সকলে বিমান / হেলিকপ্টাৰেৰে কৰা ভ্ৰমণৰ ক্ষেত্ৰত হোৱা ব্যয়ৰ সংযোজন। | এফ ১ | ১৯৫ |
| | ৰাজনৈতিক দলসমূহৰ দ্বাৰা "নিৰ্বাচনী ব্যয়ৰ বিৱৰণ" দাখিল কৰাৰ বাবে প্ৰ-পত্ৰৰ সংশোধন। বিধানসভা নিৰ্বাচনৰ ৭৫ দিন / লোকসভা নিৰ্বাচনৰ ৯০ দিনৰ ভিতৰত এই প্ৰ-পত্ৰ দাখিল কৰিব লাগিব (ই চি আই চিঠি নং ৭৬/ই ই/ ২০১২- পি পি ই এম এছ, তাৰিখ ২১/০১/২০১৩)। | এফ ২ | ১৯৬ |
| | নিৰ্বাচনৰ সময়ত নগদ ধন লৈ নুফুৰিবলৈ ৰাজনৈতিক দলসমূহক প্ৰদান কৰা পৰামৰ্শ সম্পৰ্কীয় আয়োগৰ চিঠি নং ৭৬ / নিৰ্দেশনা/২০১০, তাং ২০ আক্টোবৰ, ২০১০। | এফ ৩ | ২০৯ |
| | দলীয় পুঁজিৰ ক্ষেত্ৰত স্বচ্ছতা বিষয়ক ৰীত নিৰ্দেশনা আৰু দায়বদ্ধতা সম্পৰ্কীয় আয়োগৰ চিঠি নং ৭৬/ পি পি ই এম এছ/ স্বচ্ছতা/২০১৩, তাং-২৯ আগষ্ট, ২০১৪। | এফ ৪ | ২১১ |
| | দলীয় পুঁজি আৰু নিৰ্বাচনী ব্যয়ৰ ক্ষেত্ৰত স্বচ্ছতা আৰু দায়-বদ্ধতাৰ ওপৰত নীতি নিৰ্দেশনা সম্পৰ্কীয় আয়োগৰ চিঠি নং ৭৬/ পি পি ই এম এছ/স্বচ্ছতা/২০১৪, তাং-১৪ অক্টোবৰ, ২০১৪- অস্বীকৃতিপ্ৰাপ্ত ৰাজনৈতিক দলসমূহৰ দ্বাৰা প্ৰতিবেদন দাখিল । | এফ ৫ | ২১৩ |
| | ভাৰতৰ নিৰ্বাচন আয়োগে ৰাজনৈতিক দলসমূহৰ বাবে ২৯/০৮/২০১৪ ত জাৰিকৰা স্বচ্ছতাৰ নীতি নিৰ্দেশনা বিষয়ক স্পষ্টীকৰণ সম্পৰ্কীয় আয়োগৰ চিঠি নং ৭৬/ পি পি এম এছ/ স্বচ্ছাতা/২০১৩ তাং-১৯ নৱেম্বৰ, ২০১৪। | এফ ৬ | ২১৮ |

| | | | |
|---|---|---|---|
| | আয়োগৰ চিঠি নং ৭৬/নিৰ্দেশনা/২০১৫/ ই ই পি এছ/ খণ্ড-II, তাং-৮ চেপ্তেম্বৰ, ২০১৫- নিৰ্বাচনৰ ফলাফল ঘোষনাৰ ৩০ দিনৰ ভিতৰত ৰাজনৈতিক দলসমূহৰ দ্বাৰা থিয় কৰোৱা প্ৰাৰ্থীৰ আংশিক নিৰ্বাচনী ব্যয়ৰ বিৱৰণ দাখিল। | এফ ৭ | ২২০ |
| ছ) | ফ্লায়িং স্কোৱাড, স্থিতিশীল তদাৰকী দল, এ টি এম ভান, হেলিকপ্টাৰ পৰীক্ষা ইত্যাদিৰ কাৰণে আৰু আয়কৰ বিভাগৰ দ্বাৰা কৰা নিৰীক্ষণৰ বাবে মানসম্পন্ন কাৰ্য পৰিচালনা বিধি। | | ২২৩ |
| | নিৰ্বাচন প্ৰক্ৰিয়াৰ সময়ত বিমান বন্দৰৰ জৰিয়তে সন্দেহজনক টকা-পইছা/ সোন-ৰূপৰ পৰিবহন ৰোধ কৰাৰ অৰ্থে মানসম্পন্ন কাৰ্য পৰিচালনা বিধি সম্পৰ্কীয় কাৰ্যালয় স্মাৰক নং CAS-7 (15) / 2012 / Div-I (Election) Dated: 03/ 07/ 2013 Govt. of India, Bureau of Civil Aviation Security (Ministry of Civil Aviation) 'A' wing, Janapath Bhawan, Janapath, New Delhi-110001. | জি ১ | ২২৭ |
| | ভাৰত চৰকাৰ, অসামৰিক বিমান সুৰক্ষা ব্যুৰ' (অসামৰিক বিমান পৰিবহন মন্ত্ৰালয়) 'A' উইঙ, জনপথ ভৱন,জনপথ, নতুন দিল্লী-১১০০০১-ৰ দ্বাৰা জাৰি কৰা ০৪/১০/২০১৩ তাৰিখৰ কাৰ্যালয় স্মাৰকৰ সংযোজন সম্পৰ্কীয় কাৰ্যালয় স্মাৰক নং চি এ এছ-৭ (১৫)/২০১২/ডিআইভি-I (নিৰ্বাচন), তাৰিখ ১১/১০/২০১৩। | জি ২ | ২৩০ |
| | আই জি, চি আই এছ এফ, নতুন দিল্লীক প্ৰদান কৰা বি চি এ এছ চিঠি নং চি এ এছ-৭ (১৫) ২০১২/ ডিভিজন (নিৰ্বাচন) ভাৰত চৰকাৰ, অসামৰিক বিমান পৰিবহন সুৰক্ষা ব্যুৰ' (অসামৰিক বিমান পৰিবহন মন্ত্ৰালয়) 'A' উইঙ, জনপথ ভৱন, জনপথ, নতুন দিল্লী-১১০০০১, তাং- ১২/১১/২০১৩। | জি ৩ | ২৩২ |
| | খাদ্য আগবঢ়োৱা, গণ সন্মিলন (Mass Marriages), বজেয়াপ্ত হোৱা নগদ ধন আৰু অন্যান্য ক্ষেত্ৰত হোৱা নিৰ্বাচনী ব্যয়ৰ ওপৰত স্পষ্টীকৰণ সম্পৰ্কীয় আয়োগৰ চিঠি নং ৭৬/নিৰ্দেশনা/২০১৩/ ই ই পি এছ/ খণ্ড-V তাং- ১৮ এপ্ৰিল, ২০১৩। | জি ৪ | ২৩৩ |
| | আয়কৰ বিভাগে কৰা নিৰীক্ষণ সম্পৰ্কীয় আয়োগৰ চিঠি নং ৭৬/নিৰ্দেশনা/ই ই পি এছ/২০১৩/ খণ্ড-II, তাং- ১৬ জানুৱাৰী, ২০১৩। | জি ৫ | ২৩৫ |
| | নিৰ্বাচনৰ সময়ত বেংকসমূহৰ দ্বাৰা অনানিয়া কৰা যথাৰ্থ আৰু উচিত ধন সম্পৰ্কীয় ভাৰত চৰকাৰৰ বিত্ত মন্ত্ৰালয়ৰ চিঠি নং এফ.নং. ৬০(২)/২০০৮ - বি অ'.II. তাৰিখ- ২০/০২/২০১৩। | জি ৬ | ২৩৭ |
| | নগদ ধন আৰু অন্যান্য সামগ্ৰী বাজেয়াপ্তকৰণ আৰু মুকলি কৰি দিয়াৰ বাবে মানসম্পন্ন কাৰ্য পৰিচালনা বিধি সম্পৰ্কীয় আয়োগৰ চিঠি নং ৭৬/নিৰ্দেশনা/ই ই পি এছ/২০১৫/খণ্ড-II, তাং ২৯ মে', ২০১৫। | জি ৭ | ২৩৯ |

| | | | |
|---|---|---|---|
| | অনুসূচী বহিৰ্ভূত অপাৰেটৰৰ অনুজ্ঞাপত্ৰ থকা লোকৰ (Non-Scheduled Operators Permit Holders)তালিকা সম্পৰ্কীয় আয়োগৰ চিঠি নং ৭৬/নিৰ্দেশনা/ইইপিএছ/২০১৫ /খণ্ড-V, তাং ২০ জানুৱাৰী, ২০১৬ (কেৱল ফৰৱাৰ্ডিং চিঠি)। | জি ৮ | ২৪৭ |
| | যিকোনো চৌহদত নগদ ধন তথা অন্যান্য মূল্যবান সামগ্ৰী ইত্যাদি মজুতকৰণ সম্পৰ্কীয় অভিযোগ লাভ কৰাৰ ক্ষেত্ৰত ফ্লায়িং স্কোৱাডে গ্ৰহণ কৰা কাৰ্যব্যৱস্থাৰ বাবে আদৰ্শ সঞ্চালন পদ্ধতি (এছ অ' পি) সম্বন্ধীয় আয়োগৰ চিঠি নং ৭৬/ নিৰ্দেশনা/ ইইপিএছ/২০১৬/খণ্ড-II, তাং ৪ এপ্ৰিল,২০১৬। | জি ৯ | ২৪৮ |
| জ) | **ৰিটাৰ্নিং বিষয়া, জিলা নিৰ্বাচনী বিষয়া, মুখ্য নিৰ্বাচনী বিষয়া, প্ৰাৰ্থী আৰু ৰাজনৈতিক দলসমূহৰ বাবে চেকলিষ্ট।** | | ২৫০ |
| ঝ) | **প্ৰাৰ্থী আৰু ৰাজনৈতিক দলসমূহৰ দ্বাৰা সংঘটিত অপৰাধজনিত পূৰ্বৱৰ্তী ঘটনা সম্পৰ্কে বাতৰি কাকত আৰু দূৰদৰ্শনত প্ৰচাৰ।** | | ২৬২ |
| | অপৰাধজনিত পূৰ্বৱৰ্তী ঘটনাৰ ইতিহাস থকা নিৰ্বাচনত প্ৰতিদ্বন্দিতা কৰা লোকসকলৰ বিৰুদ্ধে মাননীয় উচ্চতম ন্যায়্যলয়ত দাখিল কৰা আবেদনৰ ওপৰত মাননীয় ন্যায়ালয়ে দিয়া ৰায় সম্পৰ্কীয় আয়োগৰ চিঠি নং ৩/৪/২০১৭/এছ ডি আৰ/ খণ্ড-II, তাং- ১০ আক্টোবৰ, ২০১৮। | আই ১ | ২৬৫ |
| | ২০১১ চনৰ WP (C) NO-536 ত থকা ২৫/০৯/২০১৮ তাৰিখৰ মাননীয় উচ্চতম ন্যায়ালয়ে প্ৰদান কৰা ৰায় মৰ্মে এজন প্ৰাৰ্থীৰ অপৰাধ-জনিত পূৰ্বৱৰ্তী ঘটনা (যদিহে আছে) আৰু ইয়াৰ প্ৰচাৰৰ ওপৰত সঘনাই সোধা প্ৰশ্ন সম্পৰ্কে আয়োগৰ চিঠি নং ৩/৪/২০১৯/এছ ডি আৰ/ খণ্ড-I, তাং- ১৯ মাৰ্চ, ২০১৯। | আই ২ | ২৬৯ |
| | অপৰাধজনিত পূৰ্বৱৰ্তী ঘটনাৰ ইতিহাস থকা নিৰ্বাচনত প্ৰতিদ্বন্দিতা কৰা লোকসকলৰ বিৰুদ্ধে মাননীয় উচ্চতম ন্যায়্যলয়ত দাখিল কৰা আবেদনৰ ওপৰত মাননীয় ন্যায়ালয়ে দিয়া ৰায় সম্পৰ্কীয় আয়োগৰ চিঠি নং ৩/৪/২০১৯/এছ ডি আৰ/ খণ্ড-III, তাং- ৩০ আগষ্ট, ২০১৯। | আই ৩ | ২৭৩ |
| | প্ৰাৰ্থীৰ বাবে নিৰ্বাচনী ব্যয়ৰ সংক্ষিপ্ত বিৱৰণ আৰু ৰাজনৈতিক দলৰ নিৰ্বাচনী ব্যয়ৰ বিৱৰণৰ সংশোধিত প্ৰ-পত্ৰ সম্পৰ্কীয় আয়োগৰ চিঠি নং ৭৬/ই চি আই/ আই এন এছ টি/ এফ ইউ এন চি/ ই ই এম/ ই ই পি এছ/ ২০১৯/ খণ্ড- XVII, তাং- ৮ মে', ২০১৯। | আই ৪ | ২৭৫ |
| | ২০১১ চনৰ WP(C) NO.536-ত ২০১৮ চনৰ আৱমাননাৰ আবেদন (C) নং ২১৯২ - ত থকা মাননীয় উচ্চতম ন্যায়ালয়ৰ ১৩ ফেব্ৰুৱাৰী, ২০২০ তাৰিখৰ আদেশ সম্পৰ্কীয় আয়োগৰ চিঠি নং ৩/৪/২০২০/এছ ডি আৰ/খণ্ড-III, তাং- ৬ মাৰ্চ, ২০২০ - অপৰাধ জনিত গোচৰ চলি থকা প্ৰাৰ্থীসকলৰ বিষয়ে বিতং বিৱৰণ প্ৰচাৰৰ আৱশ্যকতা। | আই ৫ | ২৭৭ |
| | ২০১১ চনৰ WP(C) NO.536-ত ২০১৮ চনৰ আৱমাননাৰ আবেদন (C) নং ২১৯২ -ত থকা মাননীয় উচ্চতম ন্যায়ালয়ৰ ১৩ ফেব্ৰুৱাৰী, ২০২০ তাৰিখৰ আদেশ সম্পৰ্কীয় আয়োগৰ চিঠি নং ৩/৪/২০২০/ এছ ডি আৰ/খণ্ড-III, তাং- ১৯ মাৰ্চ, ২০২০ - অপৰাধ জনিত গোচৰ চলি থকা প্ৰাৰ্থীসকলৰ বিষয়ে বিতং বিৱৰণ প্ৰচাৰৰ আৱশ্যকতা। | আই ৬ | ২৮৩ |

| | | | |
|---|---|---|---|
| ঞ) | ELECTION COMMISSION RETURN PREPARERS SCHEME (ECRPs) | | ২৮৫ |
| | মুখ্য নিৰ্বাচনী বিষয়াসকললৈ প্ৰদান কৰা ECRP ন ামৰ নতুন আঁচনিখন সম্পৰ্কীয় আয়োগৰ চিঠি নং 485/Comp/e-filing/2014/EEPS, তাং- ২৮ অক্টোবৰ, ২০১৪ - ইয়াৰ নীতি নিৰ্দেশনা। | জে ১ | ২৮৭ |
| | ৰাজনৈতিক দলসমূহলৈ প্ৰদান কৰা ECRP নামৰ নতুন আঁচনিখন সম্পৰ্কীয় আয়োগৰ চিঠি নং 485/Comp/e-filing/2014/EEPS, তাং- ২৮ অক্টোবৰ, ২০১৪ - ইয়াৰ নীতি নিৰ্দেশনা। | জে ২ | ২৮৮ |
| | Election Commission Return Preparers - ৰ নীতি নিৰ্দেশনা সম্পৰ্কীয় আয়োগৰ চিঠি নং 485/Comp/e-filing/2014/EEPS, তাং- ২৮ অক্টোবৰ, ২০১৪। | জে ৩ | ২৮৯ |
| | প্ৰাৰ্থীসকলৰ দ্বাৰা সংক্ষিপ্ত বিৰৰণৰ ই-ফাইলিঙৰ বাবে অতিৰিক্ত সুবিধা সম্পৰ্কীয় আয়োগৰ চিঠি নং 485/Comp/e-filing/2014/EEP-S, তাং- ২৮ অক্টোবৰ, ২০১৪। | জে ৪ | ২৯২ |
| | ৰাজনৈতিক দলৰ দ্বাৰা নিৰ্বাচনী ব্যয় বিৰৰণৰ ই-ফাইলিঙৰ বাবে অতিৰিক্ত সুবিধা সম্পৰ্কীয় আয়োগৰ চিঠি নং 485/Comp/e-filing/2014/EEPS, তাং- ২০ নবেম্বৰ, ২০১৪। | জে ৫ | ২৯৫ |
| ট) | সঘনাই সোধা প্ৰশ্নসমূহ (FAQ) | | ২৯৮ |

# এ.

# নিৰ্বাচনী ব্যয় নিৰীক্ষণ

# পাতনি

# আৰু

# এই সম্পৰ্কীয় আইনী ব্যৱস্থাৱলী

## পাতনি

ভাৰতীয় সংবিধানৰ দফা ৩২৪ অনুসৰি ৰাজ্য সমূহৰ/কেন্দ্ৰীয় শাসিত অঞ্চলসমূহত সংসদীয় নিৰ্বাচন আৰু বিধানসভা নিৰ্বাচন পৰিচালনা, নিৰ্দেশনা আৰু নিয়ন্ত্ৰণৰ দায়িত্ব ভাৰতৰ নিৰ্বাচন আয়োগৰ ওপৰত ন্যস্ত কৰা হৈছে। সেয়েহে প্ৰতিটো নিৰ্বাচন মুক্ত, নিকা, স্বচ্ছ আৰু শান্তিপূৰ্ণভাৱে অনুষ্ঠিত হোৱাটো সুনিশ্চিত কৰাটো ভাৰতৰ নিৰ্বাচন আয়োগৰ দায়িত্ব আৰু কৰ্তব্য। ভাৰতৰ নিৰ্বাচন আয়োগৰ দায়িত্ব হৈছে প্ৰাৰ্থী আৰু ৰাজনৈতিক দলকে ধৰি সংশ্লিষ্ট সকলো পক্ষৰে কাম-কাজ ব্যাহত নোহোৱাটো নিশ্চিত কৰা আৰু ধন বলৰ অপপ্ৰয়োগকে ধৰি কোনো প্ৰকাৰে যাতে সমগ্ৰ নিৰ্বাচন প্ৰক্ৰিয়াটো বাধাগ্ৰস্ত নহয় সেইটোও সুনিশ্চিত কৰা।

ভোটাৰৰ জনাদেশক অৱমাননা কৰি এক শ্ৰেণীৰ লোকে সমগ্ৰ নিৰ্বাচন পৰিচালন ব্যৱস্থাত সৃষ্টি কৰা প্ৰত্যাহ্বানৰ মুখামুখি হ'বলৈ নিৰ্বাচন আয়োগ প্ৰতিজ্ঞাবদ্ধ আৰু সেয়েহে ২০১০ চনত অনুষ্ঠিত হৈ যোৱা বিহাৰৰ বিধানসভা নিৰ্বাচনৰ সময়ৰে পৰা নিৰ্বাচন আয়োগে নিৰ্বাচনী ব্যয় নিৰীক্ষণৰ বাবে এক সু-শৃংখলিত ব্যৱস্থা গ্ৰহণ কৰিছে। ধনবল আৰু বাহুবলক প্ৰতিৰোধ কৰি ভাৰতৰ নিৰ্বাচন আয়োগে এই কথা সুনিশ্চিত কৰিছে যে সাধাৰণ ৰাইজে যাতে কোনো অসুবিধাৰ সন্মুখীন হ'ব লগা নহয়। দৰাচলতে, নিৰ্বাচন ব্যৱস্থাটোক কলুষিত কৰা ভোটাৰক দিয়া উপঢৌকন তথা অন্যান্য অসাধু কাম-কাজক প্ৰতিৰোধ কৰাত ভাৰতৰ নিৰ্বাচন আয়োগক সহায় কৰাৰ ক্ষেত্ৰত তৃণমূল পৰ্যায়ৰ লোক এগৰাকীও যাতে অংশীদাৰ হ'ব পাৰে সেই সম্বন্ধে তেওঁলোকক সজাগ কৰিবলৈ সকলো ধৰণৰ প্ৰচেষ্টা গ্ৰহণ কৰিছো।

## নিৰ্বাচনী ব্যয় নিৰীক্ষণৰ উদ্দেশ্য

নিৰ্বাচনী ব্যয়ক মুখ্যত দুটা শ্ৰেণীত ভাগ কৰিব পাৰি। প্ৰথমটো হৈছে আইনী ব্যয়, যিটো এক নিৰ্দ্দিষ্ট অনুমতিযোগ্য সীমাৰ ভিতৰত নিৰ্বাচন অনুষ্ঠিত কৰাৰ বাবে থকা আইনৰ অধীনত অনুমোদিত। প্ৰচাৰ অভিযানৰ লগত জড়িত ব্যয়, যেনে- ৰাজহুৱা সভা, ৰাজহুৱা সমাবেশ, পোষ্টাৰ, বেনাৰ, যানবাহন, ছপা আৰু বৈদ্যুতিন মাধ্যমত প্ৰকাশিত বিজ্ঞাপন ইত্যাদিত হোৱা ব্যয়ক সামৰি লয়। দ্বিতীয় শ্ৰেণীৰ নিৰ্বাচনী ব্যয় যিবোৰ আইনৰ দ্বাৰা অনুমোদিত নহয়। সেইবোৰ হ'ল ভোটাৰক প্ৰলোভিত কৰিবলৈ ভোটাৰৰ মাজত বিতৰণ কৰা ধন, সুৰা নাইবা অন্যান্য সামগ্ৰীৰ বাবে হোৱা ব্যয়। এই ব্যয় হৈছে উপঢৌকন হিচাপে সংজ্ঞাকৃত ব্যয় যিটো ভাৰতীয় দণ্ডবিধি আৰু ১৯৫১ চনৰ জনপ্ৰতিনিধিত্ব আইনৰ অধীনত এক অপৰাধ। এনে ধৰণৰ ব্যয় অবৈধ। তথাপিও শেহতীয়াকৈ আহি পৰা আন এক ধৰণৰ ব্যয় হৈছে বিকল্প (Surrogate) বিজ্ঞাপন, ধনৰ বিনিময়ত প্ৰচাৰ কৰা বাতৰি আৰু ছ'চিয়েল মিডিয়া আদিৰ বাবে হোৱা ব্যয়। সেয়েহে নিৰ্বাচনী ব্যয় নিৰীক্ষণৰ উদ্দেশ্য দুটা। প্ৰথম শ্ৰেণীৰ ব্যয়ৰ বাবে এইটো নিশ্চিত কৰিব লাগিব যে প্ৰাৰ্থীসকলে দাখিল কৰা ব্যয়ৰ হিচাপ পৰীক্ষা কৰোতে সকলো অনুমোদিত সামগ্ৰীৰ ওপৰত হোৱা নিৰ্বাচনী ব্যয় যাতে সত্যভাৱে দাখিল কৰা হয় আৰু বিবেচনা কৰা হয়। বিজ্ঞাপন, ধনৰ বিনিময়ত বাতৰি পৰিৱেশন ইত্যাদিকে ধৰি দ্বিতীয় শ্ৰেণীৰ ব্যয়ৰ ক্ষেত্ৰত এই কথা স্পষ্ট যে ৰাজনৈতিক দল / প্ৰাৰ্থীসকলে এইটো ৰিপ'ৰ্ট কৰিব নোৱাৰিব। ছ'চিয়েল মিডিয়াৰ জৰিয়তে কৰা নিৰ্বাচনী প্ৰচাৰৰ ওপৰত হোৱা ব্যয় বিশেষকৈ প্ৰাৰ্থীসকলে কৰা এনে ব্যয় ৰিপ'ৰ্ট নোহোৱাকৈ ৰৈ যোৱাৰ থল আছে। এনেধৰণৰ ব্যয়ক সামৰি ল'বলৈ হ'লে ব্যয় নিৰীক্ষণ ব্যৱস্থাটো যথেষ্ট শক্তিশালী হোৱা প্ৰয়োজন, যিয়ে কেৱল নিৰ্বাচনী ব্যয়তেই যে ইয়াক সামৰি ল'ব তেনে নহয়, লগতে আইনৰ সংশ্লিষ্ট ধাৰাৰ অধীনত এনে অপৰাধীসকলৰ বিৰুদ্ধে কাৰ্যব্যৱস্থা হাতত ল'ব, যেনে সংশ্লিষ্ট আইনী ধাৰাৰ অধীনত তেনে লোকৰ বিৰুদ্ধে যদি প্ৰয়োজন হয় আৰক্ষী / দণ্ডাধীশৰ ওচৰত অভিযোগ দাখিল কৰিব লাগিব।

জন প্ৰতিনিধিত্ব আইন, ১৯৫১ ৰ দফা ৭৭ (১) ত লোকসভা আৰু বিধানসভাৰ প্ৰতিজন প্ৰাৰ্থীৰ বাবে এইটো বাধ্যতামূলক কৰা হৈছে যে তেওঁক মনোনীত কৰা তাৰিখ আৰু নিৰ্বাচনৰ ফলাফল ঘোষণা কৰা তাৰিখৰ মাজৰ এই সময়ছোৱাত প্ৰাৰ্থীজনে কৰা বা প্ৰাৰ্থীজনে কৰ্তৃত্ব দিয়া বা তেওঁৰ নিৰ্বাচনী এজেণ্টৰ দ্বাৰা কৰা সকলো ব্যয়ৰ এটা পৃথক আৰু শুদ্ধ একাউণ্ট ৰাখিব লাগিব। ওপৰত উল্লেখিত মুঠ ব্যয়ে জন প্ৰতিনিধিত্ব আইন, ১৯৫১ ৰ দফা ৭৭ (৩) ত নিৰ্দ্ধাৰণ কৰি দিয়া পৰিমানতকৈ অধিক হ'ব নোৱাৰিব। এই আইনৰ ধাৰা ৭৭ (২) ৰ অধীনত একাউণ্টত নিৰ্দ্ধাৰিত কৰি দিয়া তথ্য সমূহ থাকিব লাগিব। নিৰ্বাচন পৰিচালনা বিধি, ১৯৬১ ৰ বিধি ৯০ ত প্ৰতিখন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলত লোকসভা আৰু বিধানসভা সমষ্টিৰ বাবে নিৰ্বাচনী ব্যয়ৰ বিভিন্ন সীমা নিৰ্ধাৰণ কৰি দিয়া হৈছে। প্ৰাৰ্থীসকলৰ নিৰ্বাচনী একাউণ্টত দেখুৱাবলগীয়া তথ্যখিনি নিয়মাৱলীৰ বিধি ৮৬ ত নিৰ্দ্ধাৰণ কৰি দিয়া হৈছে। নিৰ্দ্ধাৰিত ব্যয়ৰ উৰ্ধতম সীমা পৰিশিষ্ট A1- ত সংলগ্ন কৰি দিয়া হৈছে। এই একাউণ্ট পৰিচালনা নকৰিলে ভাৰতীয় দণ্ড বিধিৰ ধাৰা ১৭১-I ৰ অধীনত ই এটা নিৰ্বাচনী অপৰাধ হিচাপে বিবেচিত হ'ব (পৰিশিষ্ট A1-ত প্ৰাথমিক

আইনী ব্যৱস্থাসমূহ উল্লেখ কৰা হৈছে)।

প্ৰাৰ্থীগৰাকীয়ে কৰা ব্যয় বা তেখেতৰ কৰ্তৃত্বত কৰা ব্যয়ে ১৯৫১ চনৰ জনপ্ৰতিনিধিত্ব আইনৰ ধাৰা ৭৭ (৩) ত নিৰ্ধাৰিত কৰি দিয়া সীমা অতিক্ৰম কৰি গলে সেই একেখন আইনৰ ধাৰা ১২৩ (৬) ৰ অধীনত এটা দুৰ্নীতিমূলক কাৰ্য হিচাপে গণ্য কৰা হ'ব। এগৰাকী প্ৰাৰ্থীৰ নিৰ্বাচনী ব্যয়ে নাইবা তেওঁৰ কৰ্তৃত্বত হোৱা ব্যয়ে নিৰ্ধাৰিত সীমা অতিক্ৰম কৰি যোৱাটো এক দুৰ্নীতিমূলক কাৰ্য হিচাপে গণ্য কৰাৰ বিষয়টো কানৱাৰলাল গুপ্তা বনাম অমৰ নাথ চাওলা (AIR 1975 SC 308) গোচৰত মাননীয় উচ্চতম ন্যায়ালয়ে তলত দিয়া ধৰণে ৱাখ্যা কৰিছে ঃ-

*"... ব্যয়ৰ সীমা নিৰ্ধাৰণ কৰা ব্যৱস্থাটোৰ দুটা উদ্দেশ্য আছে। প্ৰথমটো হ'ল এগৰাকী ব্যক্তি নাইবা এটা ৰাজনৈতিক দল যিমানেই সৰু নহওক কিয় ইয়াক এগৰাকী চহকী তথা বিত্তশীল লোক অথবা ৰাজনৈতিক দলৰ সৈতে সমমৰ্যদাৰে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰাৰ বাবে সমৰ্থবান কৰি তুলিব লাগিব আৰু লগতে কোনো ব্যক্তি বা কোনো ৰাজনৈতিক দলকে অন্যান্যৰ ওপৰত তেওঁলোকৰ সবল বিত্তীয় অৱস্থাৰ সুযোগ গ্ৰহণ কৰিবলৈ দিয়া উচিত নহয়....*

*নিৰ্বাচনী ব্যয়ৰ ক্ষেত্ৰত সীমা নিদ্ধাৰ্ৰণ কৰি দিয়াৰ আন এটা উদ্দেশ্য হৈছে নিৰ্বাচনী প্ৰক্ৰিয়াটোত ধনবলৰ প্ৰভাৱ যিমান দূৰ সম্ভৱ নোহোৱা কৰা। যদি নিৰ্বাচনী ব্যয়ৰ এই সীমা নাথাকিলহেতেন, তেতিয়া ৰাজনৈতিক দলবোৰে বৰঙণি সংগ্ৰহত লাগি গ'লহেতেন................। ধনবলৰ এনে হানিকাৰক প্ৰভাৱে তেতিয়া দেশৰ গণতান্ত্ৰিক প্ৰক্ৰিয়াটো নিয়ন্ত্ৰণত নিৰ্ণায়ক ভূমিকা গ্ৰহণ কৰিলেহেতেন...."*

১৯৫১ চনৰ জনপ্ৰতিনিধিত্ব আইনৰ ধাৰা ৭৮ অনুসৰি প্ৰতিগৰাকী প্ৰতিদ্বন্দ্বী প্ৰাৰ্থীয়ে নিৰ্বাচনী ফলাফল ঘোষণাৰ ৩০ দিনৰ ভিতৰত জিলা নিৰ্বাচনী বিষয়াৰ ওচৰত তেওঁৰ নিৰ্বাচনী ব্যয়ৰ একাউণ্টৰ এটা প্ৰকৃত প্ৰতিলিপি দাখিল কৰিব লাগিব। এই নিৰ্ধাৰিত সময়ৰ ভিতৰত নিৰ্বাচনী ব্যয়ৰ একাউণ্টৰ প্ৰতিলিপি দাখিল কৰিবলৈ ব্যৰ্থ হ'লে আৰু উপযুক্ত কাৰণ অথবা যুক্তি অবিহনে আইনসন্মত ভাৱে এনে নকৰিলে এই আইনৰ ধাৰা ১০ ক- ৰ অধীনত ভাৰতৰ নিৰ্বাচন আয়োগে সংশ্লিষ্ট প্ৰাৰ্থীগৰাকীক অৰ্হতাহীন বুলি গণ্য কৰিব।

***মাননীয় উচ্চতম ন্যায়ালয়ে এল আৰ শিৱৰামগোৱাড়ে বনাম টি এম চন্দ্ৰশেখৰ- এ আই আৰ ১৯৯৯ এচ চি ২৫২- গোচৰত ৱাখ্যা কৰিছে যে আয়োগে এগৰাকী প্ৰাৰ্থীয়ে দাখিল কৰা নিৰ্বাচনী ব্যয়ৰ একাউণ্ট শুধৰণি কৰিব পাৰে আৰু যদি এই একাউণ্টটো অশুদ্ধ বা অসত্য বুলি ধৰা পৰে তেতিয়া ১৯৫১ ৰ জনপ্ৰতিনিধিত্ব আইনৰ ধাৰা ১০ ক-ৰ অধীনত এগৰাকী প্ৰাৰ্থীক অৰ্হতাহীন হিচাপে ঘোষণা কৰিব পাৰিব।*** এইদৰে এগৰাকী প্ৰাৰ্থীয়ে আইনৰ অধীনত নিৰ্ধাৰণ কৰা সৰ্বোচ্চ সীমাৰ ভিতৰতেই যে নিৰ্বাচনী ব্যয় সীমাবদ্ধ কৰি ৰাখিব লাগিব তেনে নহয় লগতে তেওঁ নিৰ্ধাৰিত নিয়মত তেওঁৰ নিৰ্বাচনী ব্যয়ৰ দৈনন্দিন আৰু সঁচা একাউণ্ট এটা পৰিচালনা কৰি ৰাখিব লাগিব। লগতে তেওঁ এই একাউণ্টটো পৰ্যবেক্ষক, ৰিটানিং বিষয়া নাইবা কৰ্তৃত্বপ্ৰাপ্ত ব্যক্তিৰ পৰিদৰ্শনৰ বাবে সাজু ৰাখিব লাগিব আৰু নিৰ্বাচনী ফলাফল ঘোষণা কৰাৰ ৩০ দিনৰ ভিতৰত সংশ্লিষ্ট জিলা নিৰ্বাচনী বিষয়াৰ ওচৰত দাখিল কৰিব লাগিব। নিৰ্বাচনী ব্যয়ৰ নিৰ্ধাৰিত সৰ্বোচ্চ সীমা অতিক্ৰম কৰি যোৱাটো এগৰাকী বিজয়ী প্ৰাৰ্থীৰ বিৰুদ্ধে দাখিল কৰা নিৰ্বাচনী আবেদনৰ কাৰণ হ'ব পাৰে। নিৰ্বাচনী ব্যয় সম্পৰ্কীয় আইনী ব্যৱস্থাৱলীৰ এক চমু আভাস পুথিখন (Compendium) ৰ এই অধ্যায়ত প্ৰদান কৰা হৈছে। নিৰ্বাচনী ব্যয়ৰ কঠোৰ নিৰীক্ষণৰ বাবে হাতত লোৱা কাম-কাজৰ এক সামগ্ৰিক আৰু স্পষ্ট ধাৰণা প্ৰদান কৰিবলৈ নিৰ্দ্দিষ্ট দিশসমূহক উন্নীত কৰি আয়োগৰ দ্বাৰা সময়ে সময়ে জাৰি কৰা নিৰ্দেশনাসমূহ প্ৰতিটো অধ্যায়ত সংলগ্ন কৰি দিয়া হৈছে। নিৰ্বাচনী ব্যয়ৰ ফলপ্ৰসূ নিৰীক্ষণ আৰু পৰীক্ষণৰ বাবে নিৰ্বাচনী বিষয়া, পৰ্যবেক্ষক, প্ৰাৰ্থী আৰু ৰাজনৈতিক দলসমূহে ন্যায়নিষ্ঠভাৱে মানিব লগীয়া আইন আৰু নিৰ্দেশনাৰ সংশ্লিষ্ট ধাৰাসমূহ এই পুঁথিখনত উল্লেখ কৰা হৈছে।

## আইনী ব্যৱস্থাৱলী

**১) ভাৰতীয় দণ্ড বিধি, ১৮৬০**

**১৭১ বি. উৎকোচ (1)** যেতিয়া কোনো এগৰাকী লোকে

(i) নিৰ্বাচনী অধিকাৰ সাব্যস্ত কৰিবলৈ কোনো এগৰাকী লোকক বা আন কোনো লোকক প্ৰৰোচিত কৰাৰ লক্ষ্যৰে উপহাৰ প্ৰদান কৰে নাইবা যেতিয়া এনে কোনো অধিকাৰ সাব্যস্ত কৰাৰ বাবে কোনো লোকক উপহাৰ দিয়ে, অথবা

(ii) এনে অধিকাৰ সাব্যস্ত কৰাৰ বাবে উপহাৰ হিচাপে তেওঁৰ বাবে নাইবা আন কোনো লোকৰ বাবে উপহাৰ গ্ৰহণ কৰে নাইবা এনে অধিকাৰ সাব্যস্ত কৰিবলৈ আন কোনো লোকক প্ৰৰোচিত কৰাৰ বাবে এনে উৎকোচ গ্ৰহণ কৰে, তেতিয়া তেনে লোকে উৎকোচৰ অপৰাধ সংঘটিত কৰা বুলি প্ৰতিপন্ন হ'ব।

কিন্তু ৰাজহুৱা নীতিৰ ঘোষণা অথবা ৰাজহুৱা কামৰ প্ৰতিশ্ৰুতি এই আইনৰ অধীনত অপৰাধ হিচাপে বিবেচিত নহ'ব।

২) এজন ব্যক্তিয়ে উপহাৰ যাচিলে, নাইবা ইয়াক প্ৰদান কৰিবলৈ সন্মতি প্ৰদান কৰিলে নাইবা ইয়াক সংগ্ৰহ কৰিবলৈ প্ৰচেষ্টা হাতত ললে সেইটোক লোকগৰাকীয়ে এটা উপহাৰ দিয়া বুলি গণ্য কৰা হ'ব।

৩) যেতিয়া এজন লোকে এটা উপহাৰ লাভ কৰে বা ইয়াক গ্ৰহণ কৰিবলৈ সন্মতি প্ৰদান কৰে নাইবা ইয়াক লাভ কৰাৰ বাবে প্ৰচেষ্টা হাতত লয় তেতিয়া সেইটোক এটা উপহাৰ গ্ৰহণ কৰা বুলিয়েই গণ্য কৰা হ'ব আৰু যেতিয়া কোনো এগৰাকী ব্যক্তিয়ে তেওঁ কৰিবলৈ নিবিচৰা কামৰ বাবে অভিপ্ৰায়েৰে এটা উপহাৰ গ্ৰহণ কৰে নাইবা যেতিয়া তেওঁ ইতিমধ্যে নকৰা কামটো কৰাৰ বাবে উৎকোচ হিচাপে এটা উপহাৰ গ্ৰহণ কৰে, তেতিয়া উৎকোচ হিচাপে তেওঁ উপহাৰ গ্ৰহণ কৰা বুলিয়েই গণ্য কৰা হ'ব।

১৭১. **এফ.) এটা নিৰ্বাচনত অযুক্তিকৰ প্ৰভাৱ নাইবা প্ৰতিৰূপনৰ বাবে শাস্তি ঃ** এটা নিৰ্বাচনত যেতিয়া কোনো এজন লোকে অযুক্তিকৰ প্ৰভাৱ খটুৱায় নাইবা প্ৰতিৰূপনৰ অপৰাধ সংঘটিত কৰে, তেতিয়া তেনে লোকক এবছৰ পৰ্যন্ত কাৰাবাস বা জৰিমনা বা এই দুয়োটাই শাস্তি হিচাপে প্ৰদান কৰা হ'ব।

**১৭১. এইচ.) নিৰ্বাচন সংক্ৰান্তত বে-আইনী ধন প্ৰদান ঃ** এগৰাকী প্ৰাৰ্থীৰ সাধাৰণভাৱে বা বিশেষ লিখিত কৰ্তৃত্ব অবিহনে যেতিয়া কোনো এগৰাকী লোকে ৰাজহুৱা সভা অনুষ্ঠিত কৰাৰ বাবে ধন ব্যয় কৰে অথবা এনে ব্যয়ৰ কৰ্তৃত্ব প্ৰদান কৰে নাইবা যেতিয়া এনে ব্যক্তিয়ে কোনো প্ৰাৰ্থীৰ নিৰ্বাচনত তেওঁৰ প্ৰচাৰ নাইবা ভোট ক্ৰয়ৰ উদ্দেশ্যে বিজ্ঞাপন, চাৰ্কুলাৰ অথবা পুস্তিকা প্ৰকাশৰ বাবে বা আন কোনো কাৰণত ধন ব্যয় কৰে তেতিয়া তেনে ব্যক্তিক ৫০০ টকা পৰ্যন্ত জৰিমনা বিহা হ'ব।

অৱশ্যে কোনো এগৰাকী ব্যক্তিয়ে ১০ টকাতকৈ কম পৰিমানৰ ধন অকৰ্তৃত্বশীলভাৱে ব্যয় কৰাৰ ক্ষেত্ৰত যদিহে তেওঁ দহ দিনৰ ভিতৰত সংশ্লিষ্ট প্ৰাৰ্থীগৰাকীৰ পৰা ইয়াৰ বাবে লিখিত সন্মতি আদায় কৰিব পাৰে, তেতিয়া উক্ত ব্যক্তিগৰাকীৰ এই ব্যয়ক উক্ত প্ৰাৰ্থীগৰাকীৰ অনুমোদন সাপেক্ষে কৰা ব্যয় বুলি গণ্য কৰা হ'ব।

**১৭১. আই.) নিৰ্বাচনী হিচাপ ৰখাৰ ক্ষেত্ৰত ব্যৰ্থতা ঃ** কোনো ব্যক্তিক যদি সাময়িক ভাৱে বলবৎ হোৱা কোনো আইনৰ দ্বাৰা বা আইনৰ কোনো নিয়মৰ অধীনত নিৰ্বাচন অথবা নিৰ্বাচন সন্দৰ্ভত হোৱা ব্যয়ৰ হিচাপ ৰখাৰ বাবে নিয়োগ কৰা হয়, আৰু এই হিচাপ ৰখাত যদি উক্ত ব্যক্তিজন ব্যৰ্থ হয়, তেনে ক্ষেত্ৰত ব্যক্তিজনক শাস্তিৰূপে জৰিমনা বিহা হ'ব আৰু এই জৰিমনাৰ পৰিমান ৫০০ টকা পৰ্যন্ত হ'ব পাৰে।

**১) জন প্ৰতিনিধিত্ব আইন, ১৯৫১**

**৭৭) নিৰ্বাচনী ব্যয়ৰ হিচাপ আৰু ইয়াৰ সৰ্বোচ্চ সীমা-** (১) এটা নিৰ্বাচনত প্ৰতিগৰাকী প্ৰাৰ্থীয়ে তেওঁক মনোনীত কৰা তাৰিখ আৰু ফলাফল ঘোষণাৰ তাৰিখকে ধৰি তাৰ মাজৰ সময়খিনিত প্ৰাৰ্থীগৰাকীয়ে নিজে কৰা ব্যয় বা তেওঁ কৰ্তৃত্ব প্ৰদান কৰা লোকে কৰা ব্যয় বা তেওঁৰ নিৰ্বাচন এজেণ্টে কৰা ব্যয়, এই সকলো ব্যয়ৰ এটা পৃথক আৰু শুদ্ধ একাউণ্ট ৰাখিব লাগিব।

[ বাখ্যা - ১- সন্দেহ দূৰ কৰিবৰ বাবে, এইটো ঘোষণা কৰা হৈছে যে.................................

ক) এটা ৰাজনৈতিক দলৰ নেতাসকলে দলটোৰ প্ৰচাৰ কাৰ্যসূচীত অংশগ্ৰহনৰ অৰ্থে বিমান অথবা আন পৰিবহন ব্যৱস্থাত কৰা ব্যয় এই উপ-ধাৰা মৰ্মে নিৰ্বাচনৰ সম্বন্ধত প্ৰাৰ্থীজনে কৰা ব্যয় বা প্ৰাৰ্থীজনে কৰ্তৃত্ব দিয়া লোকে কৰা ব্যয় বা প্ৰাৰ্থীজনৰ নিৰ্বাচনী এজেণ্টে কৰা ব্যয় বুলি বিবেচনা কৰা নহ'ব।

খ) চৰকাৰৰ সেৱাত যিকোনো ব্যৱস্থা, সা-সুবিধা প্ৰদান বা কোনো লোকে আন যিকোনো কাম বা বিষয়ৰ ক্ষেত্ৰত কৰা কোনো ব্যয় আৰু ধাৰা ১২৩ ৰ দফা (৭) ত উল্লেখিত শ্ৰেণীৰ লোকে সেই দফাৰ ব্যৱস্থাৱলী অনুসৰি নিজৰ কাৰ্যালয়ৰ কৰ্তব্য পালন বা কৰ্তব্য পালন কৰা বুলি ধৰি লোৱা কাম-কাজৰ ক্ষেত্ৰত হোৱা ব্যয়ক এই উপধাৰা মৰ্মে এগৰাকী প্ৰাৰ্থীয়ে নিৰ্বাচনৰ সন্দৰ্ভত কৰা ব্যয় বা তেওঁ কৰ্তৃত্ব প্ৰদান কৰা লোকে কৰা ব্যয় বা তেওঁৰ নিৰ্বাচনী এজেণ্টে কৰা ব্যয় বুলি গণ্য কৰা নহ'ব।

বাখ্যা ২ - বাখ্যা I ৰ দফা (ক) ৰ মৰ্মে, যিকোনো নিৰ্বাচনৰ ক্ষেত্ৰত "এটা ৰাজনৈতিক দলৰ নেতা" মানে হ'ল -

i) য'ত এনে ৰাজনৈতিক দল যিটো এটা স্বীকৃতিপ্ৰাপ্ত ৰাজনৈতিক দল আৰু এনে লোকৰ সংখ্যা চল্লিশতকৈ অধিক নহয়।

ii) য'ত এনে এটা ৰাজনৈতিক দল যিটো এটা স্বীকৃতিপ্ৰাপ্ত ৰাজনৈতিক দলতকৈ ভিন্ন আৰু ইয়াত এনে লোকৰ সংখ্যা বিশ গৰাকীতকৈ অধিক নহয়।

এই আইনৰ অধীনত এনেধৰণৰ নিৰ্বাচনৰ বাবে ভাৰতীয় ৰাজপত্ৰ বা ৰাজ্যৰ চৰকাৰী ৰাজপত্ৰত অধিসূচনা প্ৰকাশৰ তাৰিখৰ পৰা সাত দিনৰ ভিতৰত এনে নিৰ্বাচনৰ উদ্দেশ্যে ৰাজনৈতিক দলটোৰ দ্বাৰা নেতা হিচাপে যাৰ নাম নিৰ্বাচন আয়োগ আৰু ৰাজ্যসমূহৰ মুখ্য নিৰ্বাচনী বিষয়ালৈ প্ৰেৰণ কৰা হৈছে।

কিন্তু যদিহে দফা (i) আৰু দফা (ii) ত উল্লেখ থকা কোনো লোকৰ মৃত্যু ঘটে বা এনে ব্যক্তিয়ে এনে ধৰণৰ ৰাজনৈতিক দলৰ সদস্যৰ পৰা অব্যাহতি লয়, তেনে ক্ষেত্ৰত এটা ৰাজনৈতিক দলে নিৰ্বাচন আয়োগ আৰু ৰাজ্যসমূহৰ মুখ্য নিৰ্বাচনী আয়ুক্তসকললৈ এনে নিৰ্বাচনৰ শেষৰ ভোটগ্ৰহণ সমাপ্তিৰ বাবে নিৰ্দ্ধাৰিণ কৰা সময়ৰ ৪৮ ঘণ্টা আগতে তাৎক্ষণিকভাৱে মৃত বা অব্যাহতি লোৱা ব্যক্তি জনৰ ঠাইত নতুন নেতা মনোনীত কৰাৰ বাবে নাম প্ৰেৰণ কৰিব পাৰিব।

(২) এনে একাউণ্টত নিৰ্ধাৰিত কৰা ধৰণে এনে ধৰণৰ সমস্ত বিৱৰণ থাকিব লাগিব।

(৩) ওপৰোক্ত ব্যয়ৰ মুঠ পৰিমাণ নিৰ্ধাৰিত কৰি দিয়া হিচাপতকৈ অধিক হ'ব নালাগিব।
(জনপ্ৰতিনিধিত্ব আইন, ১৯৫১ ৰ ধাৰা ৭৭ ৰ উপধাৰা (১) ৰ অধীনত বাখ্যা-২ সহ বাখ্যা ১ (ক) অনুসৰি নিৰ্বাচনত দলৰ প্ৰচাৰ কাৰ্যসূচীৰ বাবে কৰা ভ্ৰমণৰ অৰ্থে ৰাজনৈতিক দলৰ নেতাই কৰা ব্যয় সেই নিৰ্বাচনত প্ৰাৰ্থীয়ে কৰা ব্যয় বা প্ৰাৰ্থীয়ে কৰ্তৃত্ব দিয়া লোকে কৰা ব্যয় বা তেওঁৰ এজেণ্টে কৰা ব্যয় বুলি গণ্য কৰা নহব।

**৭৮) জিলা নিৰ্বাচনী বিষয়াৰ ওচৰত একাউণ্ট দাখিল ঃ** (১) ধাৰা ৭৭ ৰ অধীনত এটা নিৰ্বাচনত প্ৰতিদ্বন্দিতা কৰা প্ৰতিগৰাকী প্ৰাৰ্থীয়ে, যদিহে এটা নিৰ্বাচনত এজনতকৈ অধিক বিজয়ী প্ৰাৰ্থী আছে আৰু তেওঁলোকৰ নিৰ্বাচনৰ দিন বেলেগ বেলেগ তেনেক্ষেত্ৰত বিজয়ী প্ৰাৰ্থীসকলৰ নিৰ্বাচনৰ তাৰিখ সমূহৰ দুয়োটাৰ পিছৰ তাৰিখৰ পৰা ৩০ দিনৰ ভিতৰত জিলা নিৰ্বাচনী বিষয়াৰ ওচৰত তেওঁৰ নিৰ্বাচনৰ হিচাপ দাখিল কৰিব লাগিব যিটো ধাৰা ৭৭ ৰ অধীনত প্ৰাৰ্থী গৰাকীয়ে ৰখা বা তেওঁৰ নিৰ্বাচনী এজেণ্টে ৰখা হিচাপৰ প্ৰকৃত প্ৰতিলিপি হ'ব।

**১০ ক) নিৰ্বাচনী ব্যয়ৰ হিচাপ দাখিল কৰাত ব্যৰ্থ হোৱাৰ বাবে অৰ্হতাহীন ঃ** যদি নিৰ্বাচন আয়োগ জ্ঞাত হয় যে এজন ব্যক্তিয়ে-

ক) এই আইনৰ অধীনত প্ৰয়োজন অনুসৰি নিৰ্দিষ্ট সময়ৰ ভিতৰত নিৰ্বাচনী ব্যয়ৰ হিচাপ দাখিল কৰাত ব্যৰ্থ হৈছে আৰু

খ) এই হিচাপ দাখিলৰ ব্যৰ্থতাৰ বাবে ব্যক্তিগৰাকীৰ হাতত কোনো উপযুক্ত কাৰণ বা যুক্তি নাই, তেনে ক্ষেত্ৰত নিৰ্বাচন আয়োগে চৰকাৰী ৰাজপত্ৰত প্ৰকাশিত আদেশ অনুসৰি তেওঁক অৰ্হতাহীন বুলি ঘোষণা কৰিব আৰু এনে লোকক আদেশ জাৰি কৰাৰ পৰা তিনি বছৰৰ বাবে অৰ্থতাহীন কৰা হ'ব।

**১২৩) দুৰ্নীতিমূলক কাম-কাজ** - এই আইনৰ অধীনত তলত উল্লেখিত কাম-কাজসমূহ দুৰ্নীতিমূলক কাম-কাজ বুলি গণ্য কৰা হ'বঃ

(৩) (1) "উৎকোচ", যিটো হ'ল -

(ক) প্ৰত্যক্ষভাৱে বা পৰোক্ষভাৱে কোনো ব্যক্তিক প্ৰৰোচিত কৰাৰ উদ্দেশ্যে ব্যক্তিজনক এগৰাকী প্ৰাৰ্থীয়ে বা তেওঁৰ এজেণ্টে বা এগৰাকী প্ৰাৰ্থীৰ অথবা তেওঁৰ নিৰ্বাচনী এজেণ্টৰ সন্মতি সাপেক্ষে আন ব্যক্তিৰ দ্বাৰা উপঢৌকন হিচাপে উপহাৰ প্ৰদান কৰিলে বা প্ৰদানৰ প্ৰতিশ্ৰুতি দিলে -

ক) কোনো ব্যক্তিক এটা নিৰ্বাচনত প্ৰাৰ্থী হিচাপে প্ৰতিদ্বন্দিতা কৰাৰ বাবে নাইবা নকৰাৰ বাবে (প্ৰাৰ্থীত্ব প্ৰত্যাহাৰ কৰাৰ বাবে বা নকৰাৰ বাবে) অথবা

খ) এগৰাকী ভোটাৰক ভোট প্ৰদান কৰিবলৈ বা ভোটদানৰ পৰা বিৰত থাকিবলৈ বা উপঢৌকন হিচাপে

(i) এজন ব্যক্তিক এইদৰে নিৰ্বাচনত প্ৰতিদ্বন্দিতা কৰাৰ বাবে বা নকৰাৰ বাবে নাইবা তেওঁ তেওঁৰ প্ৰাৰ্থীত্ব প্ৰত্যাহাৰ কৰাৰ বাবে বা নকৰাৰ বাবে নাইবা-

(ii) এগৰাকী ভোটাৰে ভোটদান কৰাৰ বাবে নাইবা ভোটদানৰ পৰা বিৰত থকাৰ বাবে যদি উপঢৌকন হিচাপে কোনো উপহাৰ প্ৰদান কৰা হয়।

খ) এটা অভিপ্ৰায় হিচাপে নাইবা উপহাৰ হিচাপে কোনো উপঢৌকন গ্ৰহণ কৰাৰ ক্ষেত্ৰত বা গ্ৰহণ কৰিবলৈ সন্মতি প্ৰদান কৰাৰ ক্ষেত্ৰত-

ক) এজন ব্যক্তিয়ে এগৰাকী প্ৰাৰ্থী হিচাপে প্ৰতিদ্বন্দিতা কৰা বা নকৰা বা প্ৰাৰ্থীত্বৰ পৰা নাম প্ৰত্যাহাৰ কৰা বা নকৰাৰ ক্ষেত্ৰত।

খ) কোনো ব্যক্তিয়ে নিজৰ বাবে বা আন ব্যক্তিৰ বাবে অন্য লোকক ভোটদান কৰাৰ বাবে বা ভোটদানৰ পৰা বিৰত ৰখাৰ বাবে নাইবা কোনো ভোটাৰক ভোটদান কৰিবলৈ বা ভোটদানৰ পৰা বিৰত ৰাখিবলৈ প্ৰৰোচিত কৰিলে বা প্ৰৰোচিত কৰাৰ চেষ্টা কৰিলে নাইবা কোনো প্ৰাৰ্থীক প্ৰাৰ্থীত্ব প্ৰত্যাহাৰ কৰিবলৈ নাইবা প্ৰাৰ্থীত্ব প্ৰত্যাহাৰ নকৰিবলৈ প্ৰদান কৰা উপঢৌকনৰে ক্ষেত্ৰত।

বাখ্যা ঃ- এই দফা মৰ্মে " উপঢৌকন শব্দটোৱে অৰ্থ প্ৰদানৰ দিশটোতেই সীমাবদ্ধ থকা নুবুজায় আৰু ই উপহাৰ হিচাপে সকলো ধৰণৰ আমোদ-প্ৰমোদ আৰু নিযুক্তিকো সামৰি ল'য়। কিন্তু ই নিৰ্বাচনত যথাৰ্থভাৱে হোৱা ব্যয় আৰু ধাৰা ৭৮ ত উল্লেখিত নিৰ্বাচনী ব্যয়ৰ একাউণ্টত নিয়মমাফিকভাৱে ভৰ্তি কৰা ব্যয় সমূহক সামৰি নলয়।

(২) অযুক্তিকৰ প্ৰভাৱ, ইয়াৰ অৰ্থ হৈছে কোনো এগৰাকী প্ৰাৰ্থীয়ে বা তেওঁৰ এজেণ্টে বা তেওঁৰ বা তেওঁৰ নিৰ্বাচনী এজেণ্টৰ সন্মতি সাপেক্ষে আন কোনো ব্যক্তিয়ে প্ৰত্যক্ষ বা পৰোক্ষভাৱে মুক্তভাৱে ভোটাধিকাৰ সাব্যস্ত কৰা প্ৰক্ৰিয়াটোত হস্তক্ষেপ কৰাটো বা হস্তক্ষেপ কৰিবলৈ প্ৰচেষ্টা হাতত লোৱাটো।

চৰ্ত সাপেক্ষ যে, (ক) এই দফাৰ সাধাৰণ ব্যৱস্থাৱলীত উল্লেখিত কোনো লোকে যেতিয়া উক্ত ব্যৱস্থাৱলীৰ পক্ষপাতমূলক বিচাৰ অবিহনে-

i) কোনো প্ৰাৰ্থী বা ভোটাৰ বা এনে প্ৰাৰ্থী বা ভোটাৰৰ প্ৰিয় ব্যক্তিক সমাজচ্যুত কৰা তথা যিকোনো সমাজৰ পৰা সমাজচ্যুত কৰা বা বহিষ্কাৰ কৰাকে আদি কৰি যিকোনো ধৰনৰ হানি কৰাৰ ভাবুকি দিয়াৰ ক্ষেত্ৰত নাইবা

ii) এগৰাকী প্ৰাৰ্থী নাইবা এগৰাকী ভোটাৰক প্ৰৰোচিত কৰি নাইবা প্ৰৰোচিত কৰাৰ চেষ্টা কৰি যদি বিশ্বাস জন্মায় যে তেওঁ বা তেওঁৰ কোনো প্ৰিয় ব্যক্তি স্বৰ্গীয় বা ঐশ্বৰিক ৰোষৰ সন্মুখীন হ'ব, তেতিয়া ইয়াক এই দফাৰ আওতাত এনে প্ৰাৰ্থী নাইবা ভোটাৰ গৰাকীৰ মুক্ত ভোটাধিকাৰ সাব্যস্তকৰণত হস্তক্ষেপ হিচাপে গণ্য কৰা হ'ব।

খ) ৰাজহুৱা নীতিৰ এটা ঘোষণা নাইবা ৰাজহুৱা কাম-কাজৰ এক প্ৰতিশ্ৰুতি নাইবা ভোটাধিকাৰক হস্তক্ষেপ কৰাৰ কোনো অভিপ্ৰায় নোহোৱাকৈ কেৱল আইনী অধিকাৰ সাব্যস্তকৰণক এই দফাৰ মতে হস্তক্ষেপ বুলি গণ্য কৰা নহ'ব।

I [(৩)] ঃ এগৰাকী প্ৰাৰ্থীয়ে নাইবা তেওঁৰ এজেণ্টে নাইবা প্ৰাৰ্থীগৰাকীৰ বা নিৰ্বাচনী এজেণ্টগৰাকীৰ সন্মতি সাপেক্ষে কোনো ব্যক্তিয়ে আন কোনো ব্যক্তিক তেওঁৰ ধৰ্ম, বৰ্ণ, জাতি, সম্প্ৰদায় বা ভাষা বা ধৰ্মীয় চিহ্ন নাইবা ৰাষ্ট্ৰীয় পতাকা বা ৰাষ্ট্ৰীয় প্ৰতীকৰ লেখীয়া ৰাষ্ট্ৰীয় চিহ্নক দোহাই দি উক্ত প্ৰাৰ্থীগৰাকীৰ নিৰ্বাচনী সম্ভাৱনীয়তাৰ হকে আবেদন কৰাৰ ক্ষেত্ৰত নাইবা কোনো প্ৰাৰ্থীৰ নিৰ্বাচনত অনিষ্ঠ সাধন কৰাৰ ক্ষেত্ৰত ঃ

(২) [ চৰ্তসাপেক্ষ যে এই আইনৰ অধীনত এগৰাকী প্ৰাৰ্থীলৈ আবণ্টন দিয়া কোনো চিহ্নকে এই ধাৰাৰ অধীনত এটা ধৰ্মীয় চিহ্ন নাইবা এটা ৰাষ্ট্ৰীয় চিহ্ন হিচাপে গণ্য কৰিব নোৱাৰিব।

(৩ক) এগৰাকী প্ৰাৰ্থীৰ নিৰ্বাচনী সম্ভাৱনীয়তা বৃদ্ধিৰ বাবে নাইবা কোনো এগৰাকী প্ৰাৰ্থীৰ নিৰ্বাচনী সম্ভাৱনীয়তাক অন্যায় সাধন কৰি এগৰাকী প্ৰাৰ্থী নাইবা তেওঁৰ এজেণ্ট নাইবা প্ৰাৰ্থী বা নিৰ্বাচনী এজেণ্টগৰাকীৰ সন্মতি সাপেক্ষে কোনো ব্যক্তিয়ে ধৰ্ম, বৰ্ণ, জাতি, সম্প্ৰদায় নাইবা ভাষাক দোহাই দি বিভিন্ন শ্ৰেণীৰ ভাৰতীয় নাগৰিকৰ মাজত শত্ৰুতা নাইবা ঘৃণাৰ ভাব সৃষ্টি কৰিলে বা সৃষ্টি কৰাৰ প্ৰচেষ্টা হাতত ল'লে, তেনে ক্ষেত্ৰত ]

৪) এগৰাকী প্ৰাৰ্থীয়ে বা তেওঁৰ এজেণ্টে নাইবা প্ৰাৰ্থীগৰাকী বা তেওঁৰ নিৰ্বাচনী এজেণ্টগৰাকীৰ সন্মতি সাপেক্ষে আন এগৰাকী ব্যক্তিয়ে কোনো প্ৰাৰ্থীৰ ব্যক্তিগত চৰিত্ৰ নাইবা আচৰণ নাইবা প্ৰাৰ্থীত্ব নাইবা প্ৰাৰ্থীত্ব প্ৰত্যাহাৰ সম্পৰ্কে কোনো বিবৃতি প্ৰকাশ কৰিলে, আৰু এই বিবৃতিটো মিছা বা মিছা বুলি বা সঁচা নহয় বুলি বিশ্বাস জন্মালে সেই প্ৰাৰ্থীগৰাকীৰ নিৰ্বাচনী সম্ভাৱনীয়তাক ক্ষতি কৰি প্ৰকাশ কৰা বিবৃতি বুলি গণ্য কৰা হ'ব।

৫) এগৰাকী প্ৰাৰ্থীয়ে বা তেওঁৰ এজেণ্টে নাইবা প্ৰাৰ্থীগৰাকী বা নিৰ্বাচনী এজেণ্টগৰাকীৰ সন্মতি সাপেক্ষে কোনো ব্যক্তিয়ে ধাৰা ২৫ ত উল্লেখিত ভোটকেন্দ্ৰলৈ বা ভোট কেন্দ্ৰৰ পৰা নাইবা নিৰ্বাচনৰ বাবে ধাৰা ২৯-ৰ উপধাৰা (I) ৰ অধীনত স্থিৰ কৰা স্থানলৈ বা স্থানৰ পৰা ভোটাৰক (উক্ত প্ৰাৰ্থীগৰাকী, তেওঁৰ পৰিয়ালৰ সদস্য নাইবা তেওঁৰ এজেণ্ট ব্যতিৰেকে) বিনামূলীয়াকৈ অহা যোৱাৰ বাবে কোনো যানবাহন বা নাওঁ ধনৰ বিনিময়ত নাইবা আন ধৰণে ভাড়া ল'লে বা ক্ৰয় কৰিলে, তেনে ক্ষেত্ৰত ঃ চৰ্ত সাপেক্ষ যে নিৰ্বাচনৰ বাবে স্থিৰ কৰা ভোটগ্ৰহণ কেন্দ্ৰ নাইবা স্থানলৈ আৰু এনে ভোটকেন্দ্ৰ বা স্থানৰ পৰা কোনো ভোটাৰ বা কেইবাজনো ভোটাৰৰ অহাযোৱাৰ বাবে সেই ভোটাৰ নাইবা ভোটাৰ কেইগৰাকীয়ে তেওঁলোকৰ যৌথ খৰচত কোনো যান-বাহন নাইবা নাওঁ ভাৰালৈ ললে তাক এই দফাৰ অধীনত দুৰ্নীতিমূলক কাম-কাজ বুলি গণ্য কৰা নহ'ব, যদিহে এই দৰে ভাড়ালৈ লোৱা যানবাহন বা নাওঁখন যন্ত্ৰচালিত শক্তিৰ দ্বাৰা পৰিচালিত নহয়।

আকৌ চৰ্ত সাপেক্ষ যে নিৰ্বাচনৰ বাবে স্থিৰ কৰা ভোটগ্ৰহণ কেন্দ্ৰ নাইবা স্থানলৈ অহাযোৱা কৰাৰ উদ্দেশ্যৰে কোনো ভোটাৰে তেওঁৰ নিজা খৰছত ৰাজহুৱা পৰিবহণৰ যানবাহন নাইবা নাওঁ নাইবা ট্ৰাম গাড়ী নাইবা ৰে'লৰ ডবা ব্যৱহাৰ কৰিলে তাক এই দফাৰ অধীনত দুৰ্নীতিমূলক কাম-কাজ বুলি গণ্য কৰা নহ'ব।

বাখ্যা- এই দফাত "যানবাহন"- ৰ অৰ্থ হৈছে - পথ পৰিবহণৰ বাবে ব্যৱহাৰ কৰা নাইবা ব্যৱহাৰৰ উপযোগী বুলি ভবা কোনো যানবাহন, লাগিলে ই যন্ত্ৰচালিতই হওঁক বা অন্য ধৰনৰেই হওঁক আৰু অন্যান্য যানবাহন টানি অনাৰ বাবেই হওঁক নাইবা আন উদ্দেশ্যৰেই হওঁক।

৬) ধাৰা ৭৭ ৰ উলংঘনৰ ক্ষেত্ৰত হোৱা ব্যয় বা কৰ্তৃত্ব প্ৰদান কৰা ব্যয়।

৭) নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰা প্ৰাৰ্থী এজনৰ নিৰ্বাচনী সম্ভাৱনীয়তাৰ হকে প্ৰাৰ্থীগৰাকীয়ে বা তেওঁৰ এজেণ্ট নাইবা প্ৰাৰ্থীগৰাকী বা তেওঁৰ নিৰ্বাচনী এজেণ্টৰ সন্মতিসাপেক্ষে আন যিকোনো লোকে চৰকাৰী সেৱা আগবঢ়াই থকা কোনো ব্যক্তি আৰু নিম্নোক্ত শ্ৰেণীৰ লোক, যেনেঃ-

(ক) ৰাজপত্ৰিত বিষয়া

(খ) বেতনভোগী ন্যায়াধীশ আৰু দণ্ডাধীশ

(গ) কেন্দ্ৰীয় সশস্ত্ৰ বাহিনীৰ সদস্য

(ঘ) আৰক্ষী বাহিনীৰ সদস্য

(ঙ) আবকাৰী বিষয়াৰ পৰা সহায় লাভ কৰা বা ক্ৰয় কৰা বা উচতনি দিয়া অথবা লাভ কৰিবলৈ বা ক্ৰয় কৰিবলৈ প্ৰচেষ্টা লোৱাৰ ক্ষেত্ৰত। সেইদৰে,

২ [(এফ) ঃ- গ্ৰাম্য ৰাজহ বিষয়া ব্যতিৰেকে ৰাজহ বিষয়াসকলক লম্বাৰদাৰ, মালগুজাৰ, পেটেল, দেশমুখ বা অন্য নামেৰে জনা যায়, যাৰ কাম হ'ল ভূমি ৰাজহ সংগ্ৰহ কৰা আৰু যি সকলক তেওঁলোকে সংগ্ৰহ কৰা ৰাজহৰ পৰা লাভ কৰা এটা অংশ বা কমিচনৰ পৰা পাৰিতোষিক প্ৰদান কৰা হয়, কিন্তু যিসকল লোকে কোনো ধৰণে আৰক্ষীৰ কাম-কাজৰ সেৱা আগনবঢ়ায়, আৰু (জি) চৰকাৰী সেৱাত থকা আন কিছুমান এনে শ্ৰেণীৰ লোকৰ পৰা কোনো ধৰণৰ সহায় লাভ কৰা বা ক্ৰয় কৰা বা উচতনি দিয়া বা লাভ কৰিবলৈ বা ক্ৰয় কৰিবলৈ প্ৰচেষ্টা লোৱাৰ ক্ষেত্ৰত।

[ চৰ্ত সাপেক্ষ যে যদি চৰকাৰী সেৱাত থকা কোনো ব্যক্তি আৰু ওপৰত উল্লেখিত শ্ৰেণীৰ যিকোনো লোকে তেওঁৰ চৰকাৰী কৰ্তব্য সম্পাদন বা কৰ্তব্য পালন কৰা বুলি ধৰি লোৱা কাম-কাজৰ ক্ষেত্ৰত কোনো প্ৰাৰ্থী বা তেওঁৰ এজেণ্ট বা প্ৰাৰ্থী অথবা তেওঁৰ নিৰ্বাচনী এজেণ্টৰ সন্মতি সাপেক্ষে কাম কৰা আন কোনো ব্যক্তিৰ বাবে বা সম্বন্ধত কোনো ধৰনৰ ব্যৱস্থা কৰে বা কোনো ধৰণৰ সা-সুবিধা প্ৰদান কৰে নাইবা আন কোনো ধৰণৰ কাম কৰে ( চৰকাৰী পদবীত থকা প্ৰাৰ্থী গৰাকীৰ নিজৰ মানুহ হোৱা হেতুকে বা আন কোনো কাৰণত) তেতিয়া এনে ধৰণৰ ব্যৱস্থা, সা-সুবিধা নাইবা কাম বা বিষয়ক প্ৰাৰ্থীগৰাকীৰ নিৰ্বাচনী সম্ভাৱনীয়তাৰ হকে সহায় আগবঢ়োৱা বুলি গণ্য কৰা নহ'ব।]

৪[(৮) এগৰাকী প্ৰাৰ্থী অথবা তেওঁৰ এজেণ্ট বা অন্য ব্যক্তিৰ দ্বাৰা ভোটকেন্দ্ৰ বলপূৰ্বক ভাৱে দখল ]

বাখ্যা - (১) এই ধাৰাটোত 'এজেণ্ট' শব্দটোৱে এগৰাকী নিৰ্বাচনী এজেণ্ট, এগৰাকী প'লিং এজেণ্ট আৰু প্ৰাৰ্থীগৰাকীৰ সন্মতি সাপেক্ষে নিৰ্বাচন সংক্ৰান্তত এগৰাকী এজেণ্ট হিচাপে কাম কৰা যিকোনো লোকক সামৰি লৈছে।

(২) দফা (৭) মৰ্মে এগৰাকী ব্যক্তিয়ে নিৰ্বাচনত প্ৰতিদ্বন্দিতা কৰা প্ৰাৰ্থী এজনৰ নিৰ্বাচনী এজেণ্ট হিচাপে কাম কৰিলে সেই কাৰ্যক প্ৰাৰ্থীগৰাকীৰ নিৰ্বাচনী সম্ভাৱনীয়তাৰ হকে সহায় আগবঢ়োৱা বুলি গণ্য কৰা হ'ব।

২[(৩) দফা (৭) মৰ্মে আন কোনো আইনত সন্নিবিষ্ট হৈ থকা সত্বেও কেন্দ্ৰীয় চৰকাৰৰ সেৱাত (এটা কেন্দ্ৰীয় শাসিত অঞ্চলৰ প্ৰশাসনীয় সেৱাত জড়িত এগৰাকী ব্যক্তিকে ধৰি) অথবা ৰাজ্য চৰকাৰৰ সেৱাত কাম কৰি থকা এজন লোকৰ নিযুক্তি, ইস্তফা, চাকৰিৰ পৰা অপসাৰণ, চাকৰিৰ পৰা বৰ্খাস্ত বা অপসাৰণ সম্পৰ্কে চৰকাৰী ৰাজপত্ৰত প্ৰকাশ পোৱাটোক নিম্নোক্ত বিষয় সমূহৰ ক্ষেত্ৰত এক নিশ্চায়ক প্ৰমাণ হিচাপে গণ্য কৰা হ'ব।

(i) এনেধৰণৰ নিযুক্তি, ইস্তফা, চাকৰিৰ পৰা অপসাৰণ, চাকৰিৰ পৰা বৰ্খাস্ত বা অপসাৰণ, যিটো হয়, আৰু

(ii) যদি এনেধৰণৰ নিযুক্তি, ইস্তফা, চাকৰিৰ পৰা অপসাৰণ, চাকৰিৰ পৰা বৰ্খাস্ত বা অপসাৰণ কাৰ্যকৰী হোৱাৰ তাৰিখ, চৰকাৰী ৰাজপত্ৰত প্ৰকাশ পায় আৰু লগতে যদি এই লোকজনক উল্লেখিত তাৰিখৰ পৰা কাৰ্যকৰী হোৱাকৈ নিযুক্তি দিয়া হয় নাইবা চাকৰিৰ পৰা ইস্তফা, অপসাৰণ, বৰ্খাস্ত নাইবা অপসাৰণৰ ক্ষেত্ৰত এনেধৰণৰ ব্যক্তিক উল্লেখিত তাৰিখৰ পৰা কাৰ্যকৰী হোৱাকৈ চৰকাৰী সেৱাত নথকা বুলি গণ্য কৰা হয়।]

৩[(৪) দফা (৮) মৰ্মে 'ভোট কেন্দ্ৰৰ বলপূৰ্বক দখল'- ৰ অৰ্থটো ধাৰা ১৩৫(ক) ত থকাৰ নিচিনা একে।

**১২৭ ক, পুস্তিকা, পোষ্টাৰ আদি ছপাৰ ক্ষেত্ৰত বাধা নিষেধ ঃ (i)** কোনো লোকে তেনেধৰণৰ নিৰ্বাচনী পুস্তিকা নাইবা প'ষ্টাৰ ছপা কৰিব নাইবা প্ৰচাৰ কৰিব নাইবা ছপা কৰোৱাৰ বা প্ৰচাৰ কৰোৱাব নোৱাৰিব যিবোৰত ছপা কৰোতা আৰু প্ৰকাশকৰ নাম আৰু ঠিকনা নাথাকে।

(২) কোনো লোকে নিৰ্বাচনী পুস্তিকা নাইবা প'ষ্টাৰ ছপা কৰিব বা ছপা কৰোৱাব নোৱাৰিব।

ক) যদি প্ৰকাশকৰ পৰিচয় সম্পৰ্কে তেওঁৰ দ্বাৰা স্বাক্ষৰিত আৰু তেওঁৰ ব্যক্তিগত ভাৱে চিনাকি থকা দুজন ব্যক্তিয়ে প্ৰত্যায়িত কৰি দিয়া এটা ঘোষণাৰ দুটা প্ৰতিলিপি ছপা কৰোতা ব্যক্তিজনৰ ওচৰত দাখিল নকৰে।

খ) যদি, নথিখন ছপা কৰা সময়ৰ পৰা নিৰ্ধাৰিত সময়ৰ ভিতৰত ছপা কৰোতা ব্যক্তিজনে নথিখনৰ এটা প্ৰতিলিপিসহ উক্ত ঘোষণাৰ এটা প্ৰতিলিপি পঠিয়াই নিদিয়ে-

(i) ৰাজ্যখনৰ ৰাজধানীৰ য'ত এইখন ছপা কৰা হৈছে, মুখ্য নিৰ্বাচনী বিষয়ালৈ, আৰু

(ii) আন ক্ষেত্ৰত, য'ত এইখন ছপা কৰা হৈছে, জিলাখনৰ জিলা দণ্ডাধীশলৈ

(৩) এই ধাৰা মৰ্মে-

ক) এটা নথিৰ হাতত থকা প্ৰতিলিপিক বাদ দি অন্যান্য প্ৰতিলিপিৰ বাবে কৰা কোনো প্ৰক্ৰিয়াক ছপা কৰা বুলি গণ্য কৰা হ'ব আৰু "ছপাকৰোতা ব্যক্তি" শব্দটো সেইমৰ্মে বিশ্লেষণ কৰা হ'ব; আৰু

খ) নিৰ্বাচনী পুস্তিকা বা পোষ্টাৰৰ অৰ্থ হ'ল এগৰাকী প্ৰাৰ্থী নাইবা কেইবাগৰাকী প্ৰাৰ্থীৰ নিৰ্বাচনী প্ৰচাৰৰ বাবে বা একাংশ প্ৰাৰ্থীক হেয় প্ৰতিপন্ন কৰি বিতৰণ কৰা কোনো ছপাকৃত পুস্তিকা, প্ৰচাৰ-পত্ৰ নাইবা আন কোনো নথি অথবা নিৰ্বাচনৰ উল্লেখ থকা কোনো বিজ্ঞপ্তি ফলক নাইবা প'ষ্টাৰ, কিন্তু ই এখন নিৰ্বাচনী সভাৰ তাৰিখ, সময়, স্থান আৰু অন্যান্য তথ্য সম্বলিত প্ৰচাৰ পত্ৰ, বিজ্ঞপ্তি ফলক নাইবা প'ষ্টাৰ অথবা নিৰ্বাচনী এজেণ্ট বা কৰ্মীসকললৈ প্ৰদান কৰা নিয়মমাফিক নিৰ্দেশনাসমূহক সামৰি নলয়।

(৪) কোনো এগৰাকী ব্যক্তি যিগৰাকীয়ে উপধাৰা (১) নাইবা উপধাৰা (২) ৰ ব্যৱস্থাৱলী উলংঘা কৰে, তেনে ব্যক্তিক ৬ মাহ পৰ্যন্ত কাৰাবাস বা ২০০০ টকা পৰ্যন্ত জৰিমনা নাইবা এই দুয়োটাই শাস্তি হিচাপে প্ৰদান কৰা হ'ব।

## (২) নিৰ্বাচন পৰিচালনা বিধি, ১৯৬১

**(৮৬) নিৰ্বাচনী ব্যয়ৰ একাউণ্টৰ তথ্যসমূহ** (i) ধাৰা ৭৭ৰ অধীনত এগৰাকী প্ৰাৰ্থী নাইবা তেওঁৰ নিৰ্বাচনী এজেণ্টে ৰাখিবলগীয়া নিৰ্বাচনী ব্যয়ৰ একাউণ্টত প্ৰতি দিনে প্ৰতিটো ব্যয় সম্পৰ্কীয় বিষয়ৰ ক্ষেত্ৰত নিম্নোক্ত তথ্যসমূহ থাকিব লাগিব-

ক) ব্যয় কৰা বা ব্যয় কৰাৰ কৰ্তৃত্ব প্ৰদান কৰা তাৰিখ

খ) ব্যয়ৰ ধৰণ (উদাহৰণ স্বৰূপে ভ্ৰমণ, ডাক মাচুল বা ছপা ব্যয় আৰু তেনেধৰণৰ ব্যয়)

গ) ব্যয়ৰ পৰিমাণ-

(i) প্ৰদান কৰা ধন

(ii) প্ৰদান কৰিবলৈ বাকী থকা ধন

ঘ) ধন প্ৰদানৰ তাৰিখ

ঙ) ধন পাবলৈ বাকী থকা লোকৰ নাম আৰু ঠিকনা

চ) প্ৰদান কৰা ধনৰ ক্ষেত্ৰত ভাউচাৰৰ ক্ৰমিক নং

ছ) প্ৰদান কৰিবলৈ বাকী থকা ধনৰ ক্ষেত্ৰত বিলৰ ক্ৰমিক নং (যদি আছে)

জ) পৰিশোধ কৰিবলৈ বাকী থকা লোকৰ নাম আৰু ঠিকনা

(২) ব্যয়ৰ প্ৰত্যেকতো বিষয়ৰ বাবে এখন ভাউচাৰ লাভ কৰিব। অৱশ্যে ডাক মাচুল, ৰেলেৰে কৰা ভ্ৰমণ আৰু তেনে ধৰণৰ বিষয়ৰ ক্ষেত্ৰত এখন ভাউচাৰ লাভ কৰাটো বাস্তৱসন্মত নহ'ব।

(৩) ধন প্ৰদান কৰা তাৰিখ আৰু প্ৰাৰ্থীৰ বা তেওঁৰ এজেণ্টৰ দ্বাৰা প্ৰদান কৰা ক্ৰমিক নং অনুসৰি নিৰ্বাচনী ব্যয় একাউণ্টৰ সৈতে সকলো ভাউচাৰ গাঁঠি দিব লাগিব আৰু উপ বিধি (1) ৰ বিষয় (এফ) ৰ অধীনত একাউণ্টত ক্ৰমিক নম্বৰ সমূহ ভৰ্তি কৰিব লাগিব।

(৪) উপ বিধি- (২) ৰ অধীনত ভাউচাৰ লাভ নকৰা ব্যয় বিষয়সমূহৰ ক্ষেত্ৰত উপ-বিধি (১) ৰ বিষয় (ই) ত উল্লেখিত তথ্যসমূহ প্ৰদান কৰাৰ প্ৰয়োজনীয়তা নাই।

**(৮৭) ব্যয়ৰ একাউণ্ট পৰিদৰ্শনৰ বাবে জিলা নিৰ্বাচনী বিষয়াৰ দ্বাৰা জাননী ঃ-** ধাৰা ৭৮-ৰ অধীনত এগৰাকী প্ৰাৰ্থীয়ে নিৰ্বাচনী ব্যয়ৰ একাউণ্ট দাখিল কৰা তাৰিখৰ পৰা দুদিনৰ ভিতৰত জিলা নিৰ্বাচনী বিষয়াগৰাকীয়ে তেওঁৰ কাৰ্যালয়ৰ জাননী ফলকত জাননীখন আৰিব লাগিব। এই জাননীত নিম্নোক্ত তথ্যখিনি সন্নিবিষ্ট হৈ থাকিব।

ক) একাউণ্ট দাখিল কৰা তাৰিখ

খ) প্ৰাৰ্থীৰ নাম

গ) এই একাউণ্ট পৰিদৰ্শন কৰা সময় আৰু স্থান

**৮৮) একাউণ্ট পৰিদৰ্শন আৰু ইয়াৰ প্ৰতিলিপি লাভ-** যিকোনো ব্যক্তিয়ে ১ টকা মাচুল পৰিশোধ কৰি এনে একাউণ্ট পৰিদৰ্শন কৰিবলৈ যোগ্য বিবেচিত হ'ব আৰু নিৰ্বাচন আয়োগে নিৰ্ধাৰণ কৰি দিয়া মাচুল পৰিশোধ কৰি তেওঁ এনে একাউণ্টৰ

নাইবা তাৰ কোনো অংশৰ প্ৰত্যায়িত প্ৰতিলিপিসমূহ লাভ কৰিবলৈ যোগ্য বিবেচিত হ'ব।

**৮৯) নিৰ্বাচনী ব্যয়ৰ একাউণ্ট দাখিল আৰু এই সম্পৰ্কে নিৰ্বাচন আয়োগৰ সিদ্ধান্তৰ বিষয়ে জিলা নিৰ্বাচনী বিষয়াৰ দ্বাৰা প্ৰতিবেদন -** (১) ধাৰা ৭৮ ত উল্লেখ কৰা অনুসৰি যিকোনো নিৰ্বাচনত নিৰ্বাচনী ব্যয়ৰ একাউণ্ট দাখিল কৰাৰ বাবে থকা সময় উকলি যোৱাৰ ঠিক পিছতে জিলা নিৰ্বাচনী বিষয়াগৰাকীয়ে নিৰ্বাচন আয়োগৰ ওচৰত নিম্নোক্ত তথ্য খিনি জনাব লাগিব -

(ক) প্ৰতিগৰাকী প্ৰতিদ্বন্দ্বী প্ৰাৰ্থীৰ নাম

(খ) এনে প্ৰাৰ্থীয়ে তেওঁৰ নিৰ্বাচনী ব্যয়ৰ একাউণ্ট দাখিল কৰিছে নে নাই আৰু যদি কৰিছে এনে একাউণ্ট দাখিল কৰা তাৰিখ, আৰু

(গ) তেওঁৰ মতে নিৰ্ধাৰিত সময়ত একাউণ্ট দাখিল কৰিছেনে নাই আৰু আইন আৰু বিধিসমূহৰ অধীনত কৰিব লগা ধৰণেৰে কৰিছেনে নাই।

(২) য'ত জিলা নিৰ্বাচনী বিষয়াই এই ধৰণে মত পোষণ কৰে যে কোনো প্ৰাৰ্থীৰ নিৰ্বাচনী ব্যয়ৰ একাউণ্ট আইন তথা এই বিধি অনুসৰি দাখিল কৰা হোৱা নাই, তেতিয়া জিলা নিৰ্বাচনী বিষয়াগৰাকীয়ে প্ৰাৰ্থীগৰাকীৰ নিৰ্বাচনী ব্যয়ৰ একাউণ্ট আৰু ইয়াৰ সৈতে দাখিল কৰা ভাউচাৰসমূহ এনে প্ৰতিটো ৰিপোৰ্টসহ নিৰ্বাচন আয়োগলৈ দাখিল কৰিব লাগিব।

(৩) উপবিধি (১) ত উল্লেখিত ৰিপোৰ্ট দাখিল কৰাৰ ঠিক পিছত জিলা নিৰ্বাচনী বিষয়া গৰাকীয়ে ইয়াৰ এটা প্ৰতিলিপি তেওঁৰ জাননী ফলকত আৰি দিব লাগিব।

(৪) উপবিধি-(১) ত উল্লেখিত ৰিপোৰ্ট লাভ কৰাৰ ঠিক পিছতেই নিৰ্বাচন আয়োগে ইয়াক বিবেচনা কৰি চাব আৰু আইন তথা নিয়মাৱলীৰ অধীনত আৰু নিৰ্ধাৰিত সময়ত কোনো প্ৰতিদ্বন্দী প্ৰাৰ্থীয়ে নিৰ্বাচনী ব্যয়ৰ একাউণ্ট দাখিল কৰাত ব্যৰ্থ হৈছে নেকি, সেই বিষয়ে সিদ্ধান্ত গ্ৰহণ কৰিব।

(৫) যেতিয়া নিৰ্বাচন আয়োগে এই বুলি সিদ্ধান্ত গ্ৰহণ কৰে যে এগৰাকী প্ৰতিদ্বন্দ্বী প্ৰাৰ্থীয়ে নিৰ্ধাৰিত সময়ত আৰু আইন তথা নিয়মাৱলীৰ অধীনত নিৰ্বাচনী ব্যয়ৰ একাউণ্ট দাখিল কৰিবলৈ ব্যৰ্থ হৈছে, তেতিয়া নিৰ্বাচন আয়োগে এই ব্যৰ্থতাৰ বাবে ধাৰা ১০ক-ৰ অধীনত কিয় উক্ত প্ৰাৰ্থীগৰাকীক অৰ্হতাহীন বুলি গণ্য কৰা নহব, সেই-কথা জনাই তেওঁক লিখিত জাননীৰ জৰিয়তে কাৰণ দৰ্শাবলৈ কব।

(৬) উপ বিধি (৫) ৰ অধীনত এগৰাকী প্ৰতিদ্বন্দ্বী প্ৰাৰ্থীক আয়োগে কাৰণ দৰ্শোৱাৰ জাননী প্ৰেৰণ কৰাৰ পিছত উক্ত প্ৰাৰ্থীগৰাকীয়ে জাননী লাভ কৰাৰ বিশ দিনৰ ভিতৰত এই সম্পৰ্কে নিৰ্বাচন আয়োগৰ ওচৰত লিখিত আবেদন দাখিল কৰিব লাগিব আৰু তেওঁ একেসময়তে জিলা নিৰ্বাচনী বিষয়াৰ ওচৰত ইয়াৰ এটা প্ৰতিলিপি নিৰ্বাচনী ব্যয়ৰ সম্পূৰ্ণ বিৱৰণসহ দাখিল কৰিব লাগিব, যদি তেওঁ ইতিমধ্যে এই একাউণ্ট দাখিল কৰা নাই।

(৭) জিলা নিৰ্বাচনী বিষয়াগৰাকীয়ে প্ৰাৰ্থীগৰাকীৰ আবেদনপত্ৰ লাভ কৰাৰ ৫ দিনৰ ভিতৰত ইয়াৰ এটা প্ৰতিলিপি আৰু একাউণ্ট (যদি আছে) তেখেতৰ নিজা অভিমতসহ নিৰ্বাচন আয়োগৰ ওচৰত দাখিল কৰিব লাগিব।

(৮) প্ৰাৰ্থীগৰাকীয়ে দাখিল কৰা আবেদন পত্ৰ, জিলা নিৰ্বাচনী বিষয়াই দিয়া, অভিমত বিবেচনা কৰি চোৱাৰ পিছত আৰু ইয়াৰ প্ৰয়োজনীয় তদন্ত কৰাৰ পিছত যদি নিৰ্বাচন আয়োগে এইবুলি পতিয়ন যায় যে নিৰ্বাচনী ব্যয়ৰ একাউণ্ট দাখিল কৰাত ব্যৰ্থ হোৱা বাবে প্ৰাৰ্থীগৰাকীৰ কোনো যুক্তিসংগত কাৰণ নাছিল তেতিয়া আয়োগে ধাৰা ১০ ক -ৰ অধীনত আদেশ জাৰি কৰা তাৰিখৰ পৰা তিনিবছৰলৈ প্ৰাৰ্থীগৰাকীক অৰ্হতাহীন বুলি ঘোষণা কৰিব পাৰিব আৰু এই আদেশ চৰকাৰী ৰাজপত্ৰত প্ৰকাশ কৰিব লাগিব।

**(৯০) সৰ্বোচ্চ নিৰ্বাচনী ব্যয়** - জন প্ৰতিনিধিত্ব আইন, ১৯৫১- ৰ ধাৰা ৭৭ ৰ অধীনত ৰাখিবলগীয়া একাউণ্টৰ মুঠ ব্যয় আৰু যিখিনি নিম্নোক্ত তালিকাৰ স্তম্ভ ১-ত উল্লেখিত ৰাজ্য নাইবা কেন্দ্ৰীয় শাসিত অঞ্চলৰ নিৰ্বাচনত ব্যয় কৰা হয় বা ব্যয় কৰাৰ কৰ্তৃত্ব প্ৰদান কৰা হয় সেই পৰিমাণে তলত উল্লেখিত সীমা অতিক্ৰম কৰিব নোৱাৰিব -

(ক) ৰাজ্যখনৰ নাইবা কেন্দ্ৰীয় শাসিত অঞ্চলৰ যিকোনো সংসদীয় সমষ্টিৰ ক্ষেত্ৰত উক্ত তালিকাৰ সংশ্লিষ্ট স্তম্ভ-২ ত উল্লেখিত ধনৰ পৰিমাণ আৰু

(খ) ৰাজ্যখনৰ নাইবা কেন্দ্ৰীয় শাসিত অঞ্চলৰ যিকোনো বিধানসভা সমষ্টিৰ ক্ষেত্ৰত উক্ত তালিকাৰ সংশ্লিষ্ট স্তম্ভ-৩- ত উল্লেখিত ধনৰ পৰিমাণ -

# তালিকা

| ক্ৰমিক নম্বৰ | ৰাজ্যৰ নাম অথবা কেন্দ্ৰীয়শাসিত অঞ্চল | যিকোনো এটাৰ ক্ষেত্ৰত নিৰ্বাচনী ব্যয়ৰ (টকা হিচাপত) সৰ্বোচ্চ সীমা | |
|---|---|---|---|
| | | সংসদীয় সমষ্টি | বিধানসভা সমষ্টি |
| | ১ | ২ | ৩ |
| | ১. ৰাজ্যসমূহ | | |
| ১ | অন্ধ্ৰপ্ৰদেশ | ৭০,০০,০০০ | ২৮,০০,০০০ |
| ২ | অৰুণাচল প্ৰদেশ | ৫৪,০০,০০০ | ২০,০০,০০০ |
| ৩ | অসম | ৭০,০০,০০০ | ২৮,০০,০০০ |
| ৪ | বিহাৰ | ৭০,০০,০০০ | ২৮,০০,০০০ |
| ৫ | গোৱা | ৫৪,০০,০০০ | ২০,০০,০০০ |
| ৬ | গুজৰাট | ৭০,০০,০০০ | ২৮,০০,০০০ |
| ৭ | হাৰিয়ানা | ৭০,০০,০০০ | ২৮,০০,০০০ |
| ৮ | হিমাচল প্ৰদেশ | ৭০,০০,০০০ | ২৮,০০,০০০ |
| ৯ | জন্মু আৰু কাশ্মীৰ | ৭০,০০,০০০ | ...... |
| ১০ | কৰ্ণাটক | ৭০,০০,০০০ | ২৮,০০,০০০ |
| ১১ | কেৰেলা | ৭০,০০,০০০ | ২৮,০০,০০০ |
| ১২ | মধ্যপ্ৰদেশ | ৭০,০০,০০০ | ২৮,০০,০০০ |
| ১৩ | মহাৰাষ্ট্ৰ | ৭০,০০,০০০ | ২৮,০০,০০০ |
| ১৪ | মণিপুৰ | ৭০,০০,০০০ | ২০,০০,০০০ |
| ১৫ | মেঘালয় | ৭০,০০,০০০ | ২০,০০,০০০ |
| ১৬ | মিজোৰাম | ৭০,০০,০০০ | ২০,০০,০০০ |
| ১৭ | নাগালেণ্ড | ৭০,০০,০০০ | ২০,০০,০০০ |
| ১৮ | উৰিষ্যা | ৭০,০০,০০০ | ২৮,০০,০০০ |

| ক্ৰমিক নম্বৰ | ৰাজ্যৰ নাম অথবা কেন্দ্ৰীয়শাসিত অঞ্চল | নিৰ্বাচনী ব্যয়ত (টকা হিচাপত) সৰ্বোচ্চ সীমা | |
|---|---|---|---|
| | | সংসদীয় সমষ্টি | বিধানসভা সমষ্টি |
| | ১ | ২ | ৩ |
| ১৯ | পঞ্জাৱ | ৭০,০০,০০০ | ২৮,০০,০০০ |
| ২০ | ৰাজস্থান | ৭০,০০,০০০ | ২৮,০০,০০০ |
| ২১ | ছিক্কিম | ৫৪,০০,০০০ | ২০,০০,০০০ |
| ২২ | তামিলনাডু | ৭০,০০,০০০ | ২৮,০০,০০০ |
| ২৩ | ত্ৰিপুৰা | ৭০,০০,০০০ | ২০,০০,০০০ |
| ২৪ | উত্তৰ প্ৰদেশ | ৭০,০০,০০০ | ২৮,০০,০০০ |
| ২৫ | পশ্চিমবংগ | ৭০,০০,০০০ | ২৮,০০,০০০ |
| ২৬ | চণ্ডীচগড় | ৭০,০০,০০০ | ২৮,০০,০০০ |
| ২৭ | উত্তৰাখণ্ড | ৭০,০০,০০০ | ২৮,০০,০০০ |
| ২৮ | ঝাৰখণ্ড | ৭০,০০,০০০ | ২৮,০০,০০০ |
| ২৯ | তেলেংগানা | ৭০,০০,০০০ | ২৮,০০,০০০ |
| II. কেন্দ্ৰীয় শাসিত অঞ্চল | | | |
| ১ | আন্দামান আৰু নিকোবৰ দ্বীপপুঞ্জ | ৫৪,০০,০০০ | ... |
| ২ | চণ্ডীগড় | ৫৪,০০,০০০ | ... |
| ৩ | দাদৰা আৰু নগৰ হাভেলী | ৫৪,০০,০০০ | ... |
| ৪ | দমন আৰু ডিউ | ৫৪,০০,০০০ | ... |
| ৫ | দিল্লী | ৭০,০০,০০০ | ২৮,০০,০০০ |
| ৬ | লক্ষ্যদ্বীপ | ৫৪,০০,০০০ | ... |
| ৭ | পডুচেৰী | ৫৪,০০,০০০ | ২০,০০,০০০ |

এম/ও আইনী জাননী নং এইচ- ১১,০১৯ (৩)/২০১৪- এল ই জি- II, তাৰিখ ২৮ ফেব্ৰুৱাৰী, ২০১৪ আৰু নং এইচ ১১,০১৯/০৪/২০১৮ এল ই জি-II, তাৰিখ ১০ অক্টোবৰ, ২০১৮

# বি

# নিৰ্বাচনী ব্যয় নিৰীক্ষণৰ গাঁথনি

# আৰু

# বিভিন্ন শাখাৰ কাৰ্যপ্ৰণালী

# ‘খ’ অংশত থকা বিষয়


| ক্ৰমিক নং | বিষয় | পৃষ্ঠা নং |
|---|---|---|
| ১ | ব্যয় পৰ্যবেক্ষক | ১৫ |
| ২ | সহায়কাৰী ব্যয় পৰ্যবেক্ষক | ১৬ |
| ৩ | ভিডিঅ’ তদাৰকী দল | ১৭ |
| ৪ | ভিডিঅ’ নিৰীক্ষকৰ দল | ১৮ |
| ৫ | গাণনিকৰ দল | ১৯ |
| ৬ | অভিযোগ নিৰীক্ষণ নিয়ন্ত্ৰণ কক্ষ আৰু কল চেণ্টাৰ | ১৯ |
| ৭ | মিডিয়া প্ৰমাণপত্ৰ আৰু নিৰীক্ষণ সমিতি আৰু পেইড নিউজৰ সমিতি | ১৯ |
| ৮ | ফ্লাইং স্কোৱাড আৰু স্থায়ী তদাৰকী দল | ২০ |
| ৯ | ব্যয় নিৰীক্ষণ কোষ | ২১ |
| ১০ | স্পৰ্শকাতৰ সমষ্টিৰ ব্যয় আৰু স্পৰ্শকাতৰ পকেটৰে ব্যয় | ২১ |
| ১১ | মুখ্য নিৰ্বাচনী কাৰ্যালয়ৰ নডেল বিষয়া, আৰক্ষী, আয়কৰ আৰু আবকাৰী আৰু নিৰীক্ষণ কোষ | ২১ |

প্ৰাৰ্থীসকলৰ দ্বাৰা কৰা নিৰ্বাচনী ব্যয় প্ৰতিদিনে নিৰীক্ষণ কৰিবলৈ প্ৰত্যেক সমষ্টিতে নিৰ্বাচনী ব্যয় ব্যৱস্থা গঠন কৰা হৈছে। প্ৰতিদিনে প্ৰাৰ্থীয়ে কৰা নিৰ্বাচনী ব্যয়ৰ হিচাপ ৰখাটো বাধ্যতামূলক।

যদিও ফলাফল ঘোষণা কৰাৰ দিনৰ পৰা ৩০ দিনৰ ভিতৰত নিৰ্বাচনী ব্যয়ৰ হিচাপ দাখিল কৰাটো বাধ্যতামূলক, এই সময়ছোৱাত প্ৰাৰ্থী আৰু ৰাজনৈতিক দলবোৰে প্ৰতিদিনে কৰা নিৰ্বাচনী ব্যয়ৰ হিচাপে সঠিক আৰু শুদ্ধভাৱে কৰিবলৈ নিৰ্বাচনী প্ৰচাৰৰ সময়ত নিয়মীয়া ভিত্তিত নিৰীক্ষণ কৰিব লাগিব। নিৰ্বাচনী প্ৰচাৰ অভিযান সমাপ্ত হোৱাৰ পিছত প্ৰাৰ্থী আৰু ৰাজনৈতিক দলবোৰে বিভিন্ন সমদল/সভা সম্বন্ধীয় নিৰ্বাচনী ব্যয়ৰ প্ৰমাণ সংগ্ৰহ কৰাটো বৰ কঠিন। আইনৰ অধীনত যিহেতু জিলা নিৰ্বাচনী বিষয়াই নিৰ্বাচনৰ পিছতে আয়োগক পৰীক্ষা কৰা এক প্ৰতিবেদন দাখিল কৰাটো একান্ত প্ৰয়োজনীয় সেয়েহে, নিৰ্বাচনৰ সময়ত তেওঁ যথাযথ প্ৰমাণ নিশ্চিত কৰাটো অত্যন্ত প্ৰয়োজনীয় যাতে, নিৰ্বাচনৰ প্ৰাৰ্থীসকলে ব্যয়ৰ হিচাপ দাখিল কৰোতে কোনোধৰণৰ ব্যয় বাদ পৰি নাযায়। ব্যয় নিৰীক্ষণ ব্যৱস্থাৰ গাঁথনি তলত দিয়া ধৰণৰ হ'ব।

**১) ব্যয় পৰ্যবেক্ষক (ই অ') ঃ**

নিৰ্দ্ধাৰিত সমষ্টিবোৰত প্ৰাৰ্থীয়ে কৰা নিৰ্বাচনী ব্যয়ৰ পৰ্যবেক্ষণ কৰিবলৈ আয়োগৰ দ্বাৰা ব্যয় পৰ্যবেক্ষক নিযুক্তি দিয়া হয়। প্ৰত্যেক জিলাৰ বাবে কমেও এজনকৈ ব্যয় পৰ্যবেক্ষক থাকিব। কিন্তু এইটো সুনিশ্চিত কৰিব লাগিব যে প্ৰত্যেক ব্যয় পৰ্যবেক্ষকৰ অধীনত সাধাৰণতে ৫ টাতকৈ অধিক বিধান সভা সমষ্টি থাকিব নোৱাৰিব।

**ব্যয় পৰ্যবেক্ষকৰ পৰিদৰ্শন ঃ**

নিৰ্বাচনী অধিসূচনা জাৰি কৰাৰ দিনাই তিনিদিনৰ বাবে ব্যয় পৰ্যবেক্ষকগৰাকী সমষ্টি পাব লাগিব। এই পৰিদৰ্শনৰ সময়ত নিৰ্বাচনী ব্যয়ৰ নিৰীক্ষণত নিয়োজিত সকলো দলক তেওঁ লগ কৰিব লাগিব। যদি ব্যয় পৰ্যবেক্ষকগৰাকীয়ে সহায়কাৰী ব্যয় পৰ্যবেক্ষকৰ পাৰদৰ্শিতাত সন্তুষ্ট নহয় তেতিয়া তেওঁ বিষয়াগৰাকীক সলনি কৰিবলৈ ক'ব আৰু জিলা নিৰ্বাচনী বিষয়াই অতিৰিক্ত বিষয়াৰ এখন তালিকা প্ৰদান কৰিব। তেওঁলোকৰ পাৰদৰ্শিতাৰ ভিত্তিত তেখেতে সহায়কাৰী ব্যয় পৰ্যবেক্ষকক সলনি কৰিব। তেওঁ সকলো বিষয়াক ব্যয় নিৰীক্ষণ প্ৰক্ৰিয়াৰ ওপৰত প্ৰশিক্ষণ দিব আৰু এইটো নিশ্চিত কৰিব যে দলকেইটা যথাযথভাৱে কাৰ্যদক্ষ। তেওঁ জিলা নিৰ্বাচনী বিষয়া, আৰক্ষী অধীক্ষক, আৰক্ষীৰ নডেল বিষয়া, আয়কৰ আৰু ৰাজ্যিক আবকাৰী আৰু অন্যান্য বলবৎকাৰী সংস্থাসমূহৰ সৈতে সমন্বয় ৰক্ষা কৰিব। নিৰ্বাচনৰ সম্পূৰ্ণ প্ৰস্তুতিৰ প্ৰতিবেদন দাখিল কৰাৰ পিছতহে তেওঁ সমষ্টি এৰিব পাৰিব।

প্ৰাৰ্থীসকলে মনোনয়ন উঠাই লোৱা তাৰিখৰ ঠিক পিছতে তেওঁ দ্বিতীয়বাৰৰ বাবে সমষ্টি পৰিদৰ্শন কৰিব আৰু সমগ্ৰ প্ৰচাৰ অভিযানৰ সময়ত তেওঁ সমষ্টিত থাকিব লাগিব। ভোট গ্ৰহণ সমাপ্ত হোৱাৰ পিছতহে তেওঁ সমষ্টি এৰিব পাৰিব। যদিহে তেখেতে সাধাৰণ পৰ্যবেক্ষকৰ দায়িত্বটো থাকে, তেতিয়াহ'লে তেওঁ ১৭- ক প্ৰ-পত্ৰ পৰীক্ষা, প্ৰিজাইডিং বিষয়াৰ ডাইৰী সম্পূৰ্ণ আৰু ষ্ট্ৰংৰুম ছীল কৰাটো নিশ্চিত কৰাৰ পিছতহে তেওঁ সমষ্টি এৰিব পাৰিব। ভোট গণনা সম্পূৰ্ণ নোহোৱালৈকে তেওঁ তাত থকাটো প্ৰয়োজন হ'ব পাৰে।

নিৰ্বাচনী ফলাফল ঘোষণা হোৱাৰ ২৫ দিনৰ পিছত ব্যয় পৰ্যবেক্ষকে পুনৰবাৰ জিলাখন পৰিদৰ্শন কৰিব লাগিব আৰু ফলাফল ঘোষণা হোৱাৰ পিছত প্ৰাৰ্থীৰ দ্বাৰা নিৰ্বাচনী ব্যয়ৰ হিচাপৰ পৰীক্ষাত জিলা নিৰ্বাচনী বিষয়াক সহায় কৰিবলৈ ৮ দিন জিলাখনত থাকিব লাগিব। ফলাফল ঘোষণা হোৱাৰ ২৬ দিন পিছত জিলা নিৰ্বাচনী বিষয়াৰ দ্বাৰা অনুষ্ঠিত কৰা হিচাপ মিলোৱা সভাত তেওঁ উপস্থিত থাকিব লাগিব। ফলাফল ঘোষণা হোৱাৰ ৩০ দিনৰ ভিতৰত জিলা নিৰ্বাচনী বিষয়াই নিৰ্বাচনী ব্যয়ৰ উত্থাপন কৰিব লাগিব।

**ব্যয় পৰ্যবেক্ষকৰ ভূমিকা ঃ**

নিৰ্বাচনী ব্যয় নিৰীক্ষণ কৰাৰ দিশত ব্যয় পৰ্যবেক্ষকসকল হৈছে আয়োগৰ চকু আৰু কাণ সদৃশ। সমষ্টিত নিয়োজিত হৈ থকা ব্যয় নিৰীক্ষণৰ বিষয়া-কৰ্মচাৰীসকলক তেওঁ নিৰীক্ষণ কৰাৰ উপৰি প্ৰয়োজনীয় পথ নিৰ্দেশনা প্ৰদান কৰিব। ব্যয় নিৰীক্ষণৰ কৰ্মচাৰীসকলক চূড়ান্ত প্ৰশিক্ষণ প্ৰদান কৰাৰ দিশত তেওঁ জিলা নিৰ্বাচনী বিষয়াক পৰামৰ্শ প্ৰদান কৰিব।

সহায়কাৰী ব্যয় পৰ্যবেক্ষকৰ কাৰ্যবোৰ তেওঁ তদাৰক কৰিব। তেওঁ সহায়কাৰী ব্যয় পৰ্যবেক্ষকসকলক চূড়ান্ত প্ৰশিক্ষণ দিব আৰু এই ভূমিকাত নিয়োজিত বিষয়াসকলৰ উপযুক্ত প্ৰশিক্ষণ নিশ্চিত কৰিব। প্ৰয়োজন অনুসৰি সমষ্টিত এজনতকৈ বেছি সহায়কাৰী ব্যয় পৰ্যবেক্ষক থাকিব পাৰে। ব্যয় নিৰীক্ষণত নিয়োজিত সকলো দলৰ কাম তেওঁ নিৰ্দিষ্ট সময়ৰ মূৰে মূৰে পৰিদৰ্শন কৰিব আৰু তাত যদি কোনো দলৰ কামত অৱহেলা আৰু অনিয়মীয়া দেখে তেওঁ সেইটো জিলা নিৰ্বাচনী বিষয়াৰ দৃষ্টিগোচৰ কৰিব। জিলা নিৰ্বাচনী বিষয়াই ব্যয় পৰ্যবেক্ষকৰ উপদেশমৰ্মে সংশোধনমূলক পদক্ষেপ গ্ৰহণ কৰিব।

তেওঁ প্ৰচাৰ অভিযানৰ সময়ত প্ৰত্যেক প্ৰাৰ্থীৰ ব্যয়ৰ ৰেজিষ্টাৰ বহী কমেও তিনিবাৰ পৰীক্ষা কৰিব আৰু কিবা বিসংগতি থাকিলে তেওঁ মতামত দিব। পৰিদৰ্শনৰ তাৰিখসমূহ এনেধৰণে নিৰ্দ্ধাৰণ কৰিব লাগে যাতে দুটা পৰিদৰ্শনৰ দিনাংকৰ মাজত তিনিদিনতকৈ কম ব্যৱধান হ'ব নালাগে আৰু শেষৰবাৰ পৰিদৰ্শনৰ দিনাংক ভোটগ্ৰহণৰ দিনৰ তিনিদিনৰ আগতে হ'ব নালাগে যাতে প্ৰচাৰ অভিযানত মুখ্য ব্যয় সামৰি ল'ব পৰা যায়।

প্ৰাৰ্থীৰ ৰেজিষ্টাৰ বহীত যিকোনো ব্যয়ৰ বিৰৰণত ব্যয় পৰ্যবেক্ষকে পৰিদৰ্শনৰ সময়ত মতামত দিব লাগিব আৰু স্বাক্ষৰ কৰিব লাগিব। এই তথ্যসমূহ শ্বেড’ অবজাৰভেছন ৰেজিষ্টাৰতো লিপিবদ্ধ কৰিব লাগিব আৰু নিৰ্বাচন এজেণ্ট/প্ৰাৰ্থীৰ স্বাক্ষৰ ইয়াৰ ওপৰত প্ৰদান কৰিব লাগিব। তেনেধৰণৰ বিসংগতি সেইদিনাখনে ৰিটানিং বিষয়ালৈ প্ৰেৰণ কৰিব লাগিব যিয়ে আয়োগৰ ২৯ মে’ ২০১৫ ৰ (পৰিশিষ্ট গ ১১) ৰ নিৰ্দেশনা অনুসৰি সেইদিনাখনে প্ৰাৰ্থীলৈ জাননী জাৰি কৰিব লাগিব। কিবা জটিলতা থাকিলে ব্যয় পৰ্যবেক্ষকগৰাকীয়ে আয়োগক এই সম্পৰ্কে জনাব আৰু পৰামৰ্শ বিচাৰিব।

ব্যয় পৰ্যবেক্ষকে আয়কৰ বিভাগৰ তদান্তকাৰী সঞ্চালক, আৰক্ষীৰ নডেল বিষয়া, ৰাজ্যিক আবকাৰী বিভাগৰ নডেল বিষয়াৰ সৈতে সমন্বয় স্থাপন কৰিব আৰু সকলোবোৰ সংস্থাৰ মাজত যাতে তথ্যৰ সৰবৰাহ সূচল আৰু তথ্যৰ বিনিময় হয় সেইটো সুনিশ্চিত কৰিব। যিকোনো সংস্থাৰ পৰা তথ্য লাভ কৰাৰ মাত্ৰে সংশ্লিষ্ট আইন বলবৎকাৰী সংস্থাসমূহে ক্ষীপ্ৰ কাৰ্যব্যৱস্থা গ্ৰহণ কৰিব লাগিব। যদিহে কোনো সংস্থাই যথাসময়ত কাৰ্যব্যৱস্থা গ্ৰহণ নকৰে তেনেক্ষেত্ৰত তেওঁ মুখ্য নিৰ্বাচনী বিষয়াই এক প্ৰতিলিপি সহ আয়োগক এই সম্পৰ্কত তাৎক্ষণিকভাৱে দৃষ্টিগোচৰ কৰিব লাগিব।

পূৰ্বতে কিছুসংখ্যক বিষয় আয়োগৰ দৃষ্টিগোচৰ কৰা হৈছিল যে ব্যয় পৰ্যবেক্ষকে তেওঁৰ ক্ষমতাৰ আওঁতাৰ বাহিৰলৈ গৈ বলবৎকাৰী গোটৰ দ্বাৰা গ্ৰহণ কৰা কাৰ্যব্যৱস্থাত প্ৰত্যক্ষভাৱে জড়িত হৈছিল। সেয়েহে আয়োগে এইটো স্পষ্ট কৰি দিব বিচাৰিছে যে সংক্ষিপ্ত বিৰৰণীৰ ওপৰুক্ত ধাৰাত উল্লেখিত নিৰ্দেশাৱলীসমূহ সকলো ব্যয় পৰ্যবেক্ষকে কঠোৰভাৱে মানি চলিব লাগিব আৰু আইন অনুসৰি তেওঁলোকে বলবৎকাৰী সংস্থাসমূহে গ্ৰহণ কৰা কাৰ্যব্যৱস্থাত জড়িত হ’ব নোৱাৰিব (পৰিশিষ্ট-খ-১৬)

যদিহে নিৰীক্ষণ গোট, ফ্লাইং স্কোৱাড, আয়কৰ তদাৰকী সঞ্চালক অথবা আৰক্ষী নাইবা ৰাজ্যিক আবকাৰী বিভাগে কিবা জব্দ কৰে, তেওঁ মুখ্য নিৰ্বাচনী বিষয়ালৈ প্ৰতিলিপিসহ আয়োগক সেইদিনাখনে এই সম্পৰ্কে জনাব লাগিব।

প্ৰাৰ্থীসকলৰ দৈনন্দিন ব্যয়ৰ পৰীক্ষা কৰোতে প্ৰচাৰ ব্যয় অথবা শ্বেড’ অবজাৰভেছন ৰেজিষ্টাৰৰ কিবা তথ্য গাপ দিব বিচাৰিলে তেওঁ সেইটো উল্লেখ কৰিব। এই সম্পৰ্কে আয়োগৰ ২৯ মে’, ২০১৫ (পৰিশিষ্ট গ-১১) ৰ নিৰ্দেশ অনুসৰি জিলা ব্যয় নিৰীক্ষণ সমিতিৰ গঠন আৰু প্ৰাৰ্থীসকলৰ উত্তৰৰ সিদ্ধান্তসমূহ ল’ব লাগিব। এই নিৰ্দেশৰ এটা প্ৰতিলিপ সকলোবোৰ প্ৰাৰ্থীক প্ৰদান কৰাটো তেওঁ নিশ্চিত কৰিব লাগিব। তেখেতৰ শেষ পৰিদৰ্শনৰ সময়ত তেওঁ পৰীক্ষা কৰা প্ৰতিবেদন সঠিকভাৱে দাখিলৰ দিশত জিলা নিৰ্বাচনী বিষয়াক সহায় কৰিব লাগিব। যদিহে তেখেতে জিলা নিৰ্বাচনী বিষয়াৰ সৈতে সহমত পোষণ নকৰে তেতিয়াহ’লে জিলা নিৰ্বাচনী বিষয়াৰ পৰীক্ষাৰ প্ৰতিবেদনৰ তেওঁৰ মতামতৰ বাবে ৰখা স্থানত উপযুক্ত উদাহৰণ বৰ্ণনাৰে তেওঁ সকলোবোৰ কাৰণ উল্লেখ কৰিব লাগিব—

**ব্যয় পৰ্যবেক্ষকৰ প্ৰতিবেদন ঃ** ব্যয় পৰ্যবেক্ষকে নিম্নোক্ত প্ৰতিবেদনসমূহ দাখিল কৰিব লাগিব ঃ-

i) ২৪ ঘণ্টাৰ ভিতৰত তেখেতৰ আগমন আৰু প্ৰস্থান (পৰিশিষ্ট- খ ১)

ii) তেওঁৰ প্ৰথম পৰিদৰ্শনৰ তৃতীয় দিনত প্ৰথম প্ৰতিবেদন অৰ্থাৎ অধিসূচনাৰ দিনাংকৰ পিছত (পৰিশিষ্ট- খ ২)

iii) দ্বিতীয় পৰিদৰ্শনত প্ৰাৰ্থীৰ মনোনয়ন প্ৰত্যাহাৰৰ দিনাংকৰ ২৪ ঘণ্টাৰ ভিতৰত দ্বিতীয় প্ৰতিবেদন।

iv) ভোটগ্ৰহণৰ পিছত তৃতীয় প্ৰতিবেদন (পৰিশিষ্ট খ-৪) আৰু

v) তৃতীয় পৰিদৰ্শনৰ পিছত চতুৰ্থ আৰু চূড়ান্ত প্ৰতিবেদন (পৰিশিষ্ট খ-৫)।

তেওঁক নিৰপেক্ষভাৱে অথবা কোনো সূত্ৰই পেইড নিউজৰ সন্দেহজনক বিষয় অৱগত কৰালে সেইদিনাখনেই তেওঁ মিডিয়া মনিটৰিং কমিতিক যাৱতীয় ব্যৱস্থা গ্ৰহণৰ বাবে জনাব লাগিব। ইয়াৰ উপৰি মিডিয়া মণিটৰিং কমিতিয়ে সিদ্ধান্ত লোৱা সকলোবোৰ পেইড নিউজৰ উদাহৰণ তেওঁ প্ৰতিবেদনত সন্নিবিষ্ট কৰি আয়োগক প্ৰতিবেদন দাখিল কৰিব লাগিব আৰু মুখ্য নিৰ্বাচনী বিষয়াৰ এটা প্ৰতিলিপি সহঃ আয়োগক পেইড নিউজ/ বিজ্ঞাপনৰ চি ডি/ ডি ভি ডি অথবা ফটোকপি প্ৰেৰণ কৰিব লাগিব।

**২) সহায়কাৰী ব্যয় পৰ্যবেক্ষক (এ ই অ’) ঃ**

প্ৰত্যেক সমষ্টিৰ বাবে জিলা নিৰ্বাচনী বিষয়াৰ জৰিয়তে নিৰ্বাচনী অধিসূচনা জাৰি কৰা তাৰিখৰ দিনাই সহায়কাৰী ব্যয় পৰ্যবেক্ষক নিযুক্তি দিয়া হ’ব যদিহে ব্যয় পৰ্যবেক্ষকৰ দ্বাৰা কিবা সলনি কৰাৰ পৰামৰ্শ আগবঢ়োৱা হয় তেতিয়াহ’ল তেনেধৰণে ব্যৱস্থা ল’ব লাগিব। সহায়কাৰী ব্যয় পৰ্যবেক্ষকজন গ্ৰুপ বি বিষয়া পদবী অথবা আন কেন্দ্ৰীয় চৰকাৰৰ বিষয়াৰ সমপৰ্যায়ৰ হ’ব লাগিব। যদি আয়কৰ বিভাগৰ বিষয়াক নগদধন আৰু সামগ্ৰী বাজেয়াপ্তকৰণৰ বাবে তদন্তকাৰী সঞ্চালকালয়ৰ জৰিয়তে নিয়োজিত কৰা হৈ আছে তেতিয়া তেওঁৰ নামটো সহায়কাৰী ব্যয় পৰ্যবেক্ষকৰ কামৰ বাবে মনোনীত কৰিব নালাগে। যদি জিলাখনত তেনেধৰণৰ বিষয়া নাথাকে তেতিয়া ৰাজ্যিক কোষাগাৰ অথবা বিত্ত বিভাগৰ বিষয়াক মনোনীত কৰিব পাৰে। তেওঁ সাধাৰণতে স্থানীয় বিষয়া হোৱা উচিত আৰু একোখন জিলা অথবা ওচৰৰ জিলাৰ হোৱা উচিত কিন্তু তেওঁৰ কামৰ স্থান আৰু গৃহ চহৰ একে সমষ্টিৰ হ’ব নোৱাৰিব। সহায়কাৰী ব্যয় পৰ্যবেক্ষকজনক এখন বাহন, এজন নিৰাপত্তাৰক্ষী বিষয়া আৰু স্থানীয় ছিমকাৰ্ড তথা ৰিটাৰ্ণিং বিষয়াজনৰ কাৰ্যালয়ৰ চৌহদত তেওঁৰ কাৰ্যালয়ত ব্যৱস্থা কৰা হ’ব যিহেতু তেওঁ সকলো গোট, নডেল বিষয়া আৰু ব্যয় পৰ্যবেক্ষকৰ লগত সমন্বয় ৰাখিব লাগিব। যদি সহায়কাৰী ব্যয় পৰ্যবেক্ষকজনৰ মুখ্য কাৰ্যালয়ৰ

সমষ্টিৰ পৰা পৃথক হয় তেতিয়াহ'লে তেওঁক সেই সমষ্টিতে থকা খোৱাৰ সুবিধা প্ৰদান কৰা হ'ব।

অধিসূচনা জাৰি হোৱা তাৰিখৰ পৰা সমষ্টিত তেওঁক কামত নিযুক্ত কৰিব লাগিব আৰু ব্যয় পৰ্যবেক্ষকৰ অনুমতি অবিহনে সমষ্টি এৰিব নোৱাৰিব। প্ৰত্যেক বিধান সভা সমষ্টিৰ বাবে তাত কমেও এজন সহায়কাৰী ব্যয় পৰ্যবেক্ষক থাকিব লাগিব। কিন্তু ব্যয় স্পৰ্শকাতৰ সমষ্টিবোৰত দুজন বা তাতোধিক সহায়কাৰী ব্যয় পৰ্যবেক্ষক থাকিব। ইয়াৰে এজনে বাহিৰৰ ঘটনাবোৰ নিৰীক্ষণ কৰিব আৰু আনজনে সকলো দলৰ সৈতে সমন্বয় ৰক্ষা কৰিব।

সহায়কাৰী ব্যয় পৰ্যবেক্ষকজনে চি ডি, ভিডিঅ' আৰু প্ৰতিগৰাকী প্ৰাৰ্থীৰ বিপৰীতে উত্থাপিত অভিযোগ আৰু ৰিপ'ৰ্ট নিৰীক্ষণ কৰিব লাগিব। ইয়াৰ উপৰি তেওঁ শ্বেড' অবজাৰভেছন ৰেজিষ্টাৰ বহীৰ প্ৰাৰ্থীজনৰ ব্যয় ৰেজিষ্টাৰ অধ্যয়ন কৰিব লাগিব। তেওঁ শ্বেড' অবজাৰভেছন ৰেজিষ্টাৰ আৰু সাক্ষৰ ফ'লডাৰ পৰিচালনা আৰু তদাৰক কৰিব লাগিব। ব্যয় পৰ্যবেক্ষক উপস্থিত হোৱাৰ আগতে জিলা নিৰ্বাচনী বিষয়াৰ জৰিয়তে সহায়কাৰী ব্যয় পৰ্যবেক্ষকজনক প্ৰশিক্ষণ প্ৰদান কৰিব আৰু তেওঁ ব্যয় পৰ্যবেক্ষকগৰাকীৰ পৰিচালনা তথা পৰামৰ্শৰ ভিত্তিত তেওঁ কাম কৰিব লাগিব। ব্যয় নিৰীক্ষণত নিয়োজিত সকলো গোটৰ পৰা প্ৰতিগৰাকী প্ৰাৰ্থীৰ ব্যয় সম্বন্ধীয় প্ৰতিবেদন/আদেশপ্ৰাপ্তি তেওঁ নিশ্চিত কৰিব লাগিব আৰু প্ৰাৰ্থীৰ নিৰ্বাচনী ব্যয়ৰ হিচাপ শিতানত এইটো যথাযথভাৱে প্ৰতিফলিত হৈছে নে নাই সেইটো নিশ্চিত কৰিব লাগিব। যদি দুৰ্নীতি কাৰ্যত লিপ্ত হোৱাৰ অভিযোগ উত্থাপিত হয় তেতিয়াহ'ল তেওঁ তাৎক্ষণিক ব্যৱস্থা লোৱাৰ বাবে ফ্লাইং স্কোৱাডক জনাব পাৰে আৰু তৎক্ষণাত ব্যয় পৰ্যবেক্ষকক জনাব পাৰে। প্ৰতিটো অভিযোগৰ ওপৰত কি ব্যৱস্থা গ্ৰহণ কৰা হ'ল সেই সম্বন্ধে ফ্লাইং স্কোৱাডে তেওঁক জনাব। যদি ফ্লাইং স্কোৱাডে কোনো ব্যৱস্থা নলয় আৰু ব্যৱস্থা লোৱাত বিলম্ব কৰে তেতিয়া তেওঁ বিষয়টো ব্যয় পৰ্যবেক্ষকৰ দৃষ্টিগোচৰ কৰিব, যিয়ে জিলা নিৰ্বাচনী বিষয়া আৰু মুখ্য নিৰ্বাচনী বিষয়াক এক প্ৰতিলিপিসহ বিষয়টো আয়োগক জনাব। যদি তেওঁ ভাবে যে SST য়ে সঠিকভাৱে কাম কৰা নাই অথবা যথাযথভাৱে নিয়োজিত হোৱা নাই তেতিয়াহ'লে তেওঁ ইয়াৰ পৰিৱৰ্তনৰ বাবে পৰামৰ্শ আগবঢ়াব পাৰে যাতে গুৰুত্বপূৰ্ণ পথসমূহ SST ৰ দ্বাৰা সামৰি লোৱাটো নিশ্চিত কৰিব পৰা যায়।

পৰিশিষ্ট-বি ৬ মৰ্মে তেওঁৰ সকলো কাম-কাজৰ বিষয়ে প্ৰতিদিনে ব্যয় পৰ্যবেক্ষকৰ ওচৰত ৰিপ'ৰ্ট দাখিল কৰিব লাগিব। ব্যয় পৰ্য্যবেক্ষকজন সমষ্টিলৈ নহা পৰ্যন্ত সহায়কাৰী ব্যয় পৰ্যবেক্ষকজনে তেওঁৰ প্ৰতিবেদন জিলা নিৰ্বাচনী বিষয়া/ৰিটাৰ্ণিং বিষয়াৰ ওচৰত দাখিল কৰিব লাগিব যিটো পৰৱৰ্তী সময়ত ব্যয় পৰ্যবেক্ষকৰ দৃষ্টিগোচৰ কৰিব লাগিব। প্ৰচাৰ অভিযানৰ সময়ত সংগ্ৰহ কৰা সাক্ষ্যৰ সকলোবোৰ নথি সাক্ষ্য ফ'লডাৰত সন্নিবিষ্ট কৰিব লাগিব। প্ৰাৰ্থীৰ নিৰ্বাচনী ব্যয়ৰ ৰেজিষ্টাৰ পৰীক্ষণৰ সময়ত তেওঁ ব্যয় পৰ্যবেক্ষকৰ ওচৰত এইটো উত্থাপন কৰিব লাগিব। যদি ব্যয়ৰ যিকোনো অৱদমিত সাক্ষ্য অথবা বিৱৰণত প্ৰকাশ নকৰা সাক্ষ্য প্ৰাৰ্থীজনৰ ৰেজিষ্টাৰত পৰিলক্ষিত হয়, সহায়কাৰী ব্যয় পৰ্যবেক্ষকে এই বিষয়টো ব্যয় পৰ্যবেক্ষকৰ দৃষ্টিগোচৰ কৰিব লাগিব আৰু তেওঁৰ জৰিয়তে পৰিদৰ্শনৰ সময়ত প্ৰাৰ্থীগৰাকীক জনাব লাগিব।

প্ৰাৰ্থীজনৰ ৰেজিষ্টাৰ পৰিদৰ্শনৰ বাবে নিৰ্ধাৰিত দিনত সেই সমষ্টিৰ বাবে নিয়োজিত সহায়কাৰী ব্যয় পৰ্যবেক্ষকগৰাকী ছেদো অৱজাৰভেছন ৰেজিষ্টাৰত আৰু সাক্ষ্যৰ ফ'লডাৰৰ সৈতে উপস্থিত থাকিব লাগিব।

আয়োগক পৰীক্ষা কৰা ৰিপ'ৰ্ট দাখিলৰ ক্ষেত্ৰত সহায়কাৰী ব্যয় পৰ্যবেক্ষকগৰাকীয়ে ব্যয় পৰ্যবেক্ষক আৰু জিলা নিৰ্বাচনী বিষয়াক সহায় কৰিব লাগিব। জিলাত ব্যয় পৰ্যবেক্ষকে তৃতীয়বাৰ পৰিদৰ্শন কৰা সময়ত তেওঁৰ উপস্থিত থাকি সহায়কাৰী ব্যয় পৰ্যবেক্ষকজনক সহায় কৰিব লাগিব।

জিলা পৰ্যায়ত মিডিয়া প্ৰমাণপত্ৰ আৰু নিৰীক্ষণ সমিতিৰ সৈতে সহায়কাৰী ব্যয় পৰ্যবেক্ষকে সমন্বয় স্থাপন কৰিব আৰু ফলপ্ৰসূ কাম-কাজৰ ব্যয় পৰ্যবেক্ষকলৈ ৰিপ'ৰ্ট দিব লাগিব। যদি সকলো কেব'ল/চেনেল/বাতৰি কাকতত এই সমিতিৰ দ্বাৰা নজৰ ৰখা নহয় এইটো জিলা নিৰ্বাচনী বিষয়া আৰু মুখ্য নিৰ্বাচনী বিষয়াক এক প্ৰতিলিপি সহ তাৎক্ষণিকভাৱে ব্যয় পৰ্যবেক্ষক/আয়োগৰ দৃষ্টিগোচৰ কৰিব লাগিব।

যদি ভিডিঅ'গ্ৰাফাৰে সামৰি লোৱাৰ বাবে প্ৰচাৰ সম্বন্ধীয় জনসভা/সমদল/ঘটনা ভিডিঅ' কৰিব পৰা নাযায়, সহায়কাৰী ব্যয় পৰ্যবেক্ষকে সেই বিষয়টো শ্বেড' অৱজাৰভেছন ৰেজিষ্টাৰত উল্লেখ কৰিব লাগিব। যদি মিডিয়া সমিতিয়ে ছপা অথবা বৈদ্যুতিন মাধ্যমত প্ৰচাৰিত কোনো বিজ্ঞাপন সম্বন্ধে অৱগত নকৰে তেতিয়াহ'লে সহায়কাৰী ব্যয় পৰ্যবেক্ষকগৰাকীয়ে ইয়াৰ এক প্ৰতিলিপি সংগ্ৰহ কৰি শ্বেড' অবজাৰভেছন ৰেজিষ্টাৰ বহীত উল্লেখ কৰিব।

**৩) ভিডিঅ' তদাৰকী দল (ভি এচ টি) ঃ**

কমেও এজন বিষয়া আৰু এজন ভিডিঅ' গ্ৰাফাৰসহ প্ৰতিটো বিধানসভা সমষ্টিতে এটা বা তাতোধিক ভিডিঅ' তদাৰকী গোট নিয়োগ কৰিব লাগিব। যদিহে প্ৰয়োজন বুলি ভবা হয় তেতিয়াহ'লে ব্যয় পৰ্যবেক্ষকৰ অনুমোদন সাপেক্ষে আৰু অধিক গোট নিয়োগ কৰিব পাৰে। সহায়কাৰী ব্যয় পৰ্যবেক্ষকে সমষ্টিত ব্যক্তিগতভাৱে স্পৰ্শকাতৰ ঘটনা আৰু বৃহৎ ৰাজহুৱা সভাৰ ভিডিঅ'গ্ৰাফী নিৰীক্ষণ কৰিব লাগিব। একেটা দিনতে এখন ৰাজহুৱা সভাতকৈ অধিক সভা অনুষ্ঠিত হ'লে সমদল আৰু সভাৰ ৰেকৰ্ড কৰিবলৈ এটাতকৈ অধিক ভিডিঅ'গ্ৰাফী দল নিয়োগ কৰিব লাগিব।

ব্যয় সম্বন্ধীয় সকলো ঘটনা, সাক্ষ্য সংগ্ৰহৰ দিশত ভিডিঅ' তদাৰকী গোটক ভালদৰে প্ৰশিক্ষণ প্ৰদান কৰিব লাগিব। ভিডিঅ' তদাৰকী গোটে প্ৰতিটো অনুষ্ঠানৰ ভিডিঅ' শ্যুটিঙৰ প্ৰাৰম্ভণিতে ভিডিঅ' মোদত অনুষ্ঠানৰ শিৰোনাম অথবা ধৰণ, তাৰিখ, স্থান আৰু অনুষ্ঠান অনুষ্ঠিত কৰা দল আৰু প্ৰাৰ্থীজনৰ নাম তথ্যায়ন কৰিব লাগিব। এই গোটটোৱে বাহন/অনুষ্ঠান/পোষ্টাৰ/কাট আউট ইত্যাদিৰ ভিডিঅ'গ্ৰাফী এইধৰণে সংগ্ৰহ কৰিব লাগিব যাতে ইয়াৰ আৰ্হি, পঞ্জীয়ন নম্বৰ, আচবাবৰ শিতান, সভাঘৰৰ আকাৰ, বেনাৰ আৰু কাট আউট ইত্যাদিৰ স্পষ্টভাৱে ধৰা পৰে আৰু ইয়াৰ জৰিয়তে সামগ্ৰীক ব্যয়ৰ হিচাপ কৰিব পৰা যায়। যদি সম্ভৱ হয় যান বাহনত অহা যাত্ৰী আৰু চালকৰ ভাষ্য সংগ্ৰহ কৰাটো উচিত যাতে প্ৰমাণ কৰিব পৰা যায় যে এই বাহনসমূহ নিৰ্বাচনৰ বাবে ব্যৱহাৰ কৰা হৈছে।

যিকোনো অনুষ্ঠানৰ শ্যুটিং গ্ৰহণৰ সময়ত ভিডিঅ' গোটে এই অনুষ্ঠানত ব্যক্তিগত বাহনৰ আকাৰ তথা সংখ্যা চকী/আচবাব/বিজুলীবাতি/অনুভাষ যন্ত্ৰ, সভাগৃহৰ/আকাৰ/ বেনাৰ/ পোষ্টাৰ/কাট আউট ইত্যাদিৰ বিৱৰণ ভইচ আকাৰত ৰেকৰ্ড কৰিব লাগিব। এনেধৰণে কৰিলে ভিডিঅ' দৰ্শনকাৰী গোটে ভিডিঅ'ৰ দৃশ্যাৱলী আৰু ইয়াৰ প্ৰাসংগিকতাৰ সৈতে ৰিজাই চোৱাটো সহজ হ'ব আৰু অনুষ্ঠানৰ সঠিক ব্যয় নিৰ্দ্ধাৰণ কৰাটো সহজ হৈ পৰিব। তেওঁলোকে বক্তৃতা তথা অন্যান্য ঘটনাও ৰেকৰ্ড কৰিব যাতে নিৰ্বাচন আচৰণ বিধি ভংগ হৈছে নে নাই সেইটো নিৰীক্ষণ কৰিব পৰা যায়।

পৰিশিষ্ট-বি ৭ ত উল্লেখিত প্ৰ-পত্ৰৰ আৰ্হিৰে ভিডিঅ' তদাৰকী গোটে এক কিউছিট (Cue Sheet) প্ৰস্তুত কৰিব। ৰেকৰ্ড চি ডি ৰ সৈতে এই কিউছিটটো ভিউইং গোটক জমা দিব লাগিব। ভিডিঅ' চি ডিৰ এটা একক চিনাক্তকৰণ নম্বৰ, তাৰিখ আৰু কৰ্মচাৰী/বিষয়াৰ নাম থাকিব  লাগিব আৰু এইটো কিউছিটৰ সৈতে সদায় সংলগ্ন কৰি ৰাখিব লাগিব। কিউ ছিটখন পৰিচালনাৰ উদ্দেশ্য হৈছে চিডিখনত উপলব্ধ সাক্ষ্যৰ ওপৰত নজৰ দিয়া আৰু কম সময়ৰ ভিতৰত সাক্ষ্যৰ লগত প্ৰাসংগিকতা থকা অংশটো দেখুওৱা।

যদি একেদিনাই এটাতকৈ বেছি ঘটনা অথবা জনসভা অথবা সমদল অনুষ্ঠিত হয় তেতিয়াহ'লে সঠিক সংখ্যক ভিডিঅ' গোট নিয়োজিত কৰিব লাগিব আৰু সহায়কাৰী ব্যয় পৰ্যবেক্ষকৰ দ্বাৰা প্ৰয়োজন হোৱা গোট নিয়োজিতকৰণৰ দিশত জিলা নিৰ্বাচনী বিষয়াই সকলোধৰণৰ সহায় সহযোগিতা আগবঢ়াব লাগিব।

**৪) ভিডিঅ' ভিউইং টিম (ভি ভি টি) ঃ**

প্ৰতিটো সমষ্টিতে এজন বিষয়া আৰু দুজন কেৰাণীৰে সৈতে এটা ভিডিঅ' ভিউইং টিম থাকিব।

ভিডিঅ' তদাৰকী কৰা গোটে ৰেকৰ্ড অথবা সংগ্ৰহ কৰা দৃশ্যাৱলীৰ পৰা ভিডিঅ' ভিউইং টিমে চিডি প্ৰস্তুত কৰিব। কোনো বহিৰালোকে যাতে এই ভিডিঅ'গ্ৰাফীৰ সাক্ষ্য প্ৰমাণ বিনষ্ট কৰিব নোৱাৰে তাৰ বাবে ভিডিঅ' ৰেকৰ্ডিং এডিট অথবা অন্যান্য কাৰণত বাহিৰৰ সংস্থাৰ দ্বাৰা কৰিব নোৱাৰিব।

ব্যয় আৰু এম চি চি সম্পৰ্কীয় বিষয়বোৰ চিনাক্ত কৰাৰ বাবে ভিডিঅ' নিৰীক্ষণ দলৰ দ্বাৰা প্ৰস্তুত দিনৰ ভিতৰতে ভিডিঅ' চি ডি বোৰ ভিডিঅ' প্ৰত্যক্ষকাৰী দলে প্ৰতিদিনে চাব। তেখেতসকলে সেই দিনাই বা বিশেষ কোনো ক্ষেত্ৰত পৰৱৰ্তী দিনতকৈ পলমকৈ তেওঁলোকৰ প্ৰতিবেদন গাণনিক দল/সহকাৰী ব্যয় পৰ্যবেক্ষকলৈ প্ৰেৰণ কৰিব লাগিব। ব্যয় সম্পৰ্কীয় প্ৰতিবেদনত দলে ভিডিঅ'ত থকা সকলো যান-বাহনৰ পঞ্জীয়ন নম্বৰ আৰু সেইবোৰৰ নিৰ্মাতা কোম্পানী, মঞ্চৰ আকাৰ, আসনৰ সংখ্যা, বেনাৰ/পোষ্টাৰত আখৰৰ আকাৰ, কাট-আউটৰ আকাৰ আৰু সংখ্যা আৰু ব্যয়জনিত সকলো বস্তুৰ উল্লেখ কৰিব লাগিব। এই দলে এম চি চি ৰ লগত জড়িত প্ৰতিবেদন/পৰ্যবেক্ষন সাধাৰণ পৰ্যবেক্ষক/ৰিটাৰ্নিং বিষয়াৰ ওচৰত দাখিল কৰিব। গাণনিক দল আৰু সহকাৰী ব্যয় পৰ্যবেক্ষকে ভিডিঅ' সাক্ষ্যৰ ভিত্তিত প্ৰাসংগিক বস্তুবোৰৰ অধিসূচিত নিৰিখ অনুসৰি মুঠ ব্যয় গণনা কৰিব আৰু জড়িত প্ৰাৰ্থীৰ বিপৰীতে প্ৰাসংগিক তথ্য শ্বেড' অবজাৰভেশ্যন ৰেজিষ্টাৰত অন্তৰ্ভুক্ত কৰিব। যেতিয়া এই তথ্য সত্যাসত্য নিৰূপনৰ বাবে ব্যয় পৰ্যবেক্ষকৰ ওচৰত দাখিল কৰা হ'ব তেতিয়া ইয়াক প্ৰাৰ্থীৰ ৰেজিষ্টাৰৰ লগত তুলনা কৰা হ'ব। পূৰ্বতে উল্লেখ কৰা ধৰণে, যিকোনো ধৰণৰ ব্যয় গোপনে ৰখা বা উল্লেখ নকৰাৰ বিষয়ে ৰিটাৰ্নিং বিষয়াই তৎকালীনভাৱে ২৪ ঘণ্টাৰ ভিতৰত সংশোধনৰ বাবে লিখিত ৰূপত দেখুৱাই দিব লাগিব।

**৫. গাণনিক দল (এ টী) ঃ-**

প্ৰত্যেক বিধানসভা সমষ্টি/খণ্ডৰ বাবে অতিকমেও এটা গাণনিক দল থাকিব যি দলত এগৰাকী বিষয়া আৰু এগৰাকী সহায়ক/নকল-নবিচ থাকিব। গাণনিক দলৰ কৰ্মচাৰীসকলক বিভিন্ন চৰকাৰী বিভাগ বা ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানৰ গাণনিক বিভাগৰ পৰা লোৱা হ'ব।

গাণনিক দলবোৰে বিধানসভা সমষ্টি/খণ্ডৰ প্ৰত্যেক প্ৰাৰ্থীৰ শ্বেড' অবজাৰভেশ্যন ৰেজিষ্টাৰ আৰু সাক্ষ্যৰ ফল্ডাৰৰ চোৱা-চিতা কৰিবলৈ সহকাৰী ব্যয় পৰ্যবেক্ষকৰ নিৰ্দেশনাত কাম কৰিব। দলবোৰে তেওঁলোকক যেনেদৰে প্ৰতিবেদন দিয়া হৈছে তেনেকৈয়ে ব্যয় সম্বন্ধীয় বস্তুবোৰ উল্লেখ কৰাৰ লগতে প্ৰতিটো বস্তুৰ বিপৰীতে জাৰি কৰা নিৰিখ উল্লেখ কৰিব আৰু প্ৰত্যেক প্ৰাৰ্থীৰ বিপৰীতে বস্তুবোৰৰ বাবে হোৱা মুঠ ব্যয় হিচাপ কৰিব। পৰিশিষ্ট খ -১১ ত শ্বেড' অবজাৰভেশ্যন ৰেজিষ্টাৰৰ আৰ্হি দিয়া হৈছে।

এনেকুৱাও হয় যেতিয়া নিৰ্বাচন প্ৰচাৰজনিত সামগ্ৰী মনোনয়ন দাখিল কৰাৰ পিছত ব্যৱহাৰ কৰা হয়, যদিও ইয়াৰ বাবে কৰা পৰিশোধ মনোনয়ন দাখিলৰ পূৰ্বৰে হ'ব পাৰে। দলটোৱে নিশ্চিত কৰিব যে এনেকুৱা সকলো নিৰ্বাচনী প্ৰচাৰজনিত সামগ্ৰীৰ বাবে হোৱা ব্যয় শ্বেড' অবজাৰভেশ্যন ৰেজিষ্টাৰত অন্তৰ্ভুক্ত কৰা হৈছে যিবোৰ সামগ্ৰীৰ ব্যৱহাৰ মনোনয়ন দাখিল কৰাৰ পিছত কৰা হৈছে যদিও তাৰ বাবে পৰিশোধ মনোনয়ন দাখিল কৰাৰ পূৰ্বতে কৰা হ'ব পাৰে। একেদৰে, মনোনয়ন দাখিল কৰা সম্পৰ্কীয় সমাৱেশ বা শোভাযাত্ৰাজনিত ব্যয় নিৰ্বাচনী ব্যয়ৰ অংশৰ ৰূপত দেখুওৱা উচিত।

**৬. অভিযোগ নিৰীক্ষণকাৰী নিয়ন্ত্ৰন কক্ষ আৰু কল্ চেণ্টাৰ ঃ-**

জিলা পৰ্যায়ৰ নিয়ন্ত্ৰণ কক্ষত ২৪x৭ ভিত্তিত সক্ৰিয় এটা কল চেণ্টাৰ স্থাপন কৰা হ'ব যি নিৰ্বাচনৰ দিন ঘোষনা কৰাৰ তাৰিখৰ পৰাই ইয়াৰ কাম-কাজ আৰম্ভ কৰিব। এই কল চেণ্টাৰটোক ৩ বা ৪ টা 'হাণ্টিং লাইনে' ৰে সংযুক্ত এক টোল-ফ্ৰী টেলিফোন নম্বৰ দিয়া হ'ব আৰু লগতে নিৰ্বাচনজনিত অসাধু আচৰণৰ বিষয়ে নিৰ্বাচনী নিৰীক্ষণ ব্যৱস্থাক অৱগত কৰিব পৰা এই নম্বৰটোৰ বিষয়ে ৰাইজৰ মাজত ব্যাপক প্ৰচাৰ চলোৱা হ'ব। এজন জ্যেষ্ঠ বিষয়াক নিয়ন্ত্ৰণ কক্ষ আৰু কল চেণ্টাৰৰ দায়িত্বত ৰখা হ'ব আৰু তেওঁ অভিযোগ গ্ৰহণ কৰা আৰু লিপিবদ্ধ কৰাৰ লগতে সেইবোৰ প্ৰাসংগিক বিষয়া বা ফ্লায়িং স্কোয়াডলৈ পঠিওৱাৰ বাবে দায়বদ্ধ হ'ব যাতে পলম নোহোৱাকৈ ব্যৱস্থা গ্ৰহণ কৰিব পাৰি। সকলো সময়তে টেলিফোন লাইনত থাকিবলৈ কল্ চেণ্টাৰত পৰ্যাপ্ত সংখ্যক কৰ্মচাৰীৰ ব্যৱস্থা কৰা হ'ব।

ৰাইজ/'হুইছেল ব্লৱাৰ'ৰ দ্বাৰা কৰা সকলো মৌখিক অভিযোগ ৰেজিষ্টাৰত নথিভুক্ত হ'ব লাগিব আৰু প্ৰত্যেক অভিযোগৰ বিপৰীতে সময়ৰ উল্লেখ থাকিব লাগিব আৰু সেইবোৰ পৰিশিষ্ট - বি ১৩ ত দিয়া আৰ্হি অনুযায়ী বনোৱা এখন ৰেজিষ্টাৰত অন্তৰ্ভুক্ত কৰিব লাগিব। ব্যয় সম্বন্ধীয় অভিযোগবোৰৰ বিষয়ে ব্যয় পৰ্যবেক্ষকক অৱগত কৰি শীঘ্ৰে ফ্লায়িং স্কোৱাডৰ প্ৰাসংগিক বিষয়ালৈ পঠাই দিব লাগিব আৰু এম ডি চি সম্পৰ্কীয় অভিযোগৰ ক্ষেত্ৰত সাধাৰণ পৰ্যবেক্ষকক ইয়াৰ এক প্ৰতিলিপি পঠাই দিব লাগিব। নিয়ন্ত্ৰণ কক্ষই সুচাৰুৰূপে কাম কৰা আৰু প্ৰয়োজনীয় ব্যৱস্থা লোৱাৰ বাবে অভিযোগসমূহ তুৰন্তে পঠাই দিয়াটো নিশ্চিত কৰিবলৈ ব্যয় পৰ্যবেক্ষক আৰু সাধাৰণ পৰ্যবেক্ষকে সময়ে সময়ে এই ৰেজিষ্টাৰখন পৰীক্ষা কৰি চাব।

**৭. মিডিয়া চাৰ্টিফিকেশ্বন আৰু নিৰীক্ষন কমিটি (এম চি এম চি) আৰু পেইড নিউজ ঃ-**

প্ৰত্যেক জিলাত এখন মিডিয়া চাৰ্টিফিকেশ্বন আৰু মণিটৰিং কমিটি থাকিব। বিশদ নিৰ্দেশ আৰু নীতি-নিৰ্দেশনাৰ বাবে "সংবাদ মাধ্যম সম্পৰ্কীয় বিষয়ত নিৰ্দেশনাৰ সাৰ-সংগ্ৰহ, মাৰ্চ, ২০১৯" চাব পাৰিব।

যদিহে মিডিয়া চাৰ্টিফিকেশ্বন আৰু মনিটৰিং কমিটিয়ে ছপা মাধ্যমত প্ৰকাশ পোৱা কোনো বিজ্ঞাপন বা বিজ্ঞাপনমূলক লিখনিৰ বিষয়ে জানিব পাৰে তেনে ক্ষেত্ৰত এই কমিটিয়ে ইয়াৰ বিষয়ে ব্যয় পৰ্যবেক্ষকৰ দৃষ্টিগোচৰ কৰিব আৰু ইয়াৰ এক প্ৰতিলিপি সাক্ষ্যৰ ফল্ডাৰত অন্তৰ্ভুক্ত কৰিব। এই বিজ্ঞাপনৰ বাবে কৰা হোৱা ব্যয় শ্বেড' অবজাৰভেশ্যন ৰেজিষ্টাৰত উল্লেখ কৰা হ'ব আৰু প্ৰাৰ্থীগৰাকীৰ ৰেজিষ্টাৰ পৰীক্ষা কৰাৰ সময়ত তেওঁক এই বিষয়ে জনোৱা হ'ব। জনপ্ৰতিনিধিত্ব আইন, ১৯৫১ ৰ ১২৭ (এ) ধাৰাৰ অধীনত যিকোনো ব্যক্তিয়ে যিকোনো প্ৰকাৰৰ নিৰ্বাচনী পুস্তিকা বা প'ষ্টাৰ, হেণ্ডবিল বা অন্য নথি আদি প্ৰকাশক আৰু ছপাশালৰ নাম আৰু ঠিকনা উল্লেখ নকৰাকৈ আৰু দুজন ব্যক্তিৰ দ্বাৰা প্ৰত্যায়িত কৰা প্ৰকাশকৰ ঘোষনাপত্ৰ অবিহনে প্ৰকাশ বা ছপা কৰিব বা আনৰ দ্বাৰা প্ৰকাশ বা ছপা কৰাব নোৱাৰিব। নথি ছপা হোৱাৰ পিছত ঘোষণাপত্ৰৰ প্ৰতিলিপিৰ লগতে নথিখনৰ প্ৰতিলিপি যুক্তিসংগত সময়ৰ ভিতৰত জিলা নিৰ্বাচনী বিষয়া/মুখ্য নিৰ্বাচনী বিষয়াক জমা দিয়াটো এনেকুৱা ছপাশালৰ দায়বদ্ধতা হ'ব।

<u>পেইড নিউজ</u> ঃ-

ভাৰতীয় প্ৰেছ পৰিষদে 'পেইড নিউজ'ৰ সংজ্ঞা এনেদৰে দিছে 'যিকোনো খবৰ বা বিশ্লেষণ যি (ছপা আৰু বৈদ্যুতিন) মাধ্যমত নগদ মূল্য বা অন্য কোনো ৰূপত লাভালাভৰ বিনিময়ত প্ৰকাশিত হৈছে'। আয়োগে এই সংজ্ঞা গ্ৰহণ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। এম চি এম চি য়ে সকলো বাতৰি কাকত, ছপা মাধ্যম, বৈদ্যুতিন মাধ্যম, কেবল নেটৱৰ্ক, ম'বাইল নেটৱৰ্ক আৰু এছ এম এছ আদিৰ দৰে বিভিন্ন প্ৰকাৰৰ গণ মাধ্যম নিৰীক্ষণ কৰিব আৰু প্ৰাৰ্থী আৰু দল সম্বন্ধীয় বিজ্ঞাপনমূলক লিখনি, বাৰ্তা, আলোচনা আৰু সাক্ষাৎকাৰৰ লিখিত তথ্য ৰাখিব। এই কমিটিয়ে বিধান দিয়া আৰ্হি অনুসৰি প্ৰত্যেক প্ৰাৰ্থীৰ প্ৰাৰ্থী সম্বন্ধীয় দৈনিক প্ৰতিবেদন গাণনিক দলক জমা দিব আৰু তাৰ প্ৰতিলিপি ৰিটাৰ্নিং বিষয়া আৰু ব্যয় পৰ্যবেক্ষকক জমা দিব। এই ৰিপৰ্ট পেইড নিউজৰ নিৰূপিত গোচৰজনিত নথিৰ কাটিং/ক্লিপিং, প্ৰাসংগিক টি ভি আৰু ৰেডিঅ' বিজ্ঞাপনৰ ৰেকডিংকে সামৰি প্ৰাৰ্থীৰ দ্বাৰা নিৰ্বাচনজনিত বিজ্ঞাপনৰ বাবে কৰা ব্যয় সম্বন্ধীয় হ'ব লাগিব আৰু এইবোৰ শ্বেড' অবজাৰভেশ্যন ৰেজিষ্টাৰতো অন্তৰ্ভুক্ত কৰা হ'ব। এনেকুৱা প্ৰকাশনৰ বাবে হোৱা ব্যয় নেদেখুৱাৰ বাবে ৰিটাৰ্নিং বিষয়াই ব্যয় পৰ্যবেক্ষকৰ লগত পৰামৰ্শ কৰি প্ৰাৰ্থীক পেইড নিউজ সম্পৰ্কীয় জাননী জাৰি কৰিব পাৰে। ব্যয় পৰ্যবেক্ষকে ২৪ ঘণ্টাৰ ভিতৰত পেইড নিউজ সম্পৰ্কীয় প্ৰতিবেদন আৰু তাৰ প্ৰতিলিপি নিৰ্বাচন আয়োগক প্ৰেৰণ কৰিব।

মুখ্য নিৰ্বাচনী বিষয়াই লোকসভা/ৰাজ্য/স্বায়ত্তশাসিত অঞ্চলৰ বিধানসভাৰ কাৰ্যকাল শেষ হোৱাৰ ৬ মাহ পূৰ্বে ৰাজ্য/স্বায়ত্তশাসিত অঞ্চলত সম্প্ৰচাৰিত/প্ৰচাৰিত টি ভি চেনেল/ৰেডিঅ'চেনেল/বাতৰি কাকতৰ পৰা ৰেট কাৰ্ড সংগ্ৰহ কৰিব। বিজ্ঞাপনৰ নিৰিখৰ গণনাৰ বাবে গাণনিক দলক এনেকুৱা ৰেট কাৰ্ড দিয়া হ'ব। গাণনিক দলে সংশ্লিষ্ট ডি এ ভি পি/ডি পি আই আৰৰ নিৰিখৰ ভিতৰত যিটো ক'ম হ'ব, তাৰ গণনা কৰিব আৰু ইয়াক শ্বেড' অবজাৰভেশ্যন ৰেজিষ্টাৰত উল্লেখ কৰিব। পৰীক্ষা কৰাৰ সময়ত ব্যয় পৰ্যবেক্ষকে এনেকুৱা ধৰণৰ বিসংগতি প্ৰাৰ্থী/প্ৰাৰ্থীৰ নিৰ্বাচনী এজেণ্টৰ দৃষ্টিগোচৰ কৰিব আৰু পেইড নিউজৰ বাবে ব্যয়ৰ বিসংগতিসমূহ প্ৰাৰ্থীৰ নিৰ্বাচনী ব্যয়ৰ ৰেজিষ্টাৰৰ মন্তব্য কলমত উল্লেখ কৰিব।

এনেকুৱা ধৰণৰ জাননীৰ প্ৰতিলিপি ৰিটাৰ্নিং বিষয়াৰ নোটিচ ব'ৰ্ড আৰু জিলা নিৰ্বাচন ৱেবছাইট/মুখ্য নিৰ্বাচনী বিষয়াৰ ৱেবছাইটত পেইড নিউজৰে সৈতে প্ৰদৰ্শিত কৰা উচিত। ইয়াৰ এক প্ৰতিলিপি ৰাইজৰ যিকোনো সদস্যক প্ৰতি পৃষ্ঠাত ১ টকা মূল্যত দিব পৰা যাব।

**৮. ফ্লায়িং স্কোৱাড (এফ এছ) আৰু ষ্টেটিক নিৰীক্ষণ দল (এছ এছ টি) ঃ-**

নগদ টকাৰ অবৈধ লেন-দেন বা সুৰাৰ বিতৰণ বা এনেকুৱা সন্দেহজনক সামগ্ৰী যিবোৰৰ ব্যৱহাৰ ভোটদাতাক উৎকোচ দিয়াৰ বাবে কৰি থকা হৈছে সেইবোৰ বিচাৰি উলিওৱাৰ বাবে প্ৰত্যেক বিধানসভা সমষ্টি/খণ্ডত তিনি বা তাতোধিক ফ্লায়িং স্কোৱাড থাকিব। মুখ্য দায়িত্বত এগৰাকী কাৰ্যবাহী দণ্ডাধীশ থকাৰ লগতে ফ্লায়িং স্কোৱাডত এগৰাকী জ্যেষ্ঠ আৰক্ষী বিষয়া, এগৰাকী ভিডিঅ'গ্ৰাফাৰ আৰু ৩ ৰ পৰা ৪ গৰাকী সশস্ত্ৰ আৰক্ষী থাকিব। তেওঁলোকক নগদ টকা বা সা-সামগ্ৰী বাজেয়াপ্ত কৰাৰ বাবে নিজাকৈ এখন বাহন, ম'বাইল ফোন, এটা ভিডিঅ' কেমেৰা আৰু প্ৰয়োজনীয় পঞ্চনামাজনিত নথি-পত্ৰ দিয়া হ'ব।

প্ৰত্যেক বিধানসভা সমষ্টিত তিনি বা ততোধিক ষ্টেটিক নিৰীক্ষণ দল থাকিব। এগৰাকী দণ্ডাধীশ আৰু তিনি বা চাৰিগৰাকী আৰক্ষীৰে প্ৰতিটো দল গঠিত হ'ব। এই দলে তালাচী চকী স্থাপন কৰি নিজ অঞ্চলত বৃহৎ পৰিমাণৰ নগদ ধন, অবৈধ সুৰা,

যিকোনো সন্দেহজনক সামগ্ৰী বা অস্ত্ৰ-শস্ত্ৰ আদিৰ সৰবৰাহ নিৰীক্ষণ কৰিব। দলসমূহৰ স্থান সময়ে সময়ে সলনি কৰা হ'ব যাতে তালাচী কাৰ্য অপ্ৰত্যাশিতভাৱে কৰিব পৰা যায়।

**৯. ব্যয় নিৰীক্ষণ কোষ ঃ-**

এছ ডি এম/এ ডি এম পৰ্যায়তকৈ তলৰ নোহোৱা আৰু গাণনিক ক্ষেত্ৰত নিপুন এগৰাকী জ্যেষ্ঠ বিষয়াক জিলা নিৰ্বাচনী বিষয়াই ব্যয় নিৰীক্ষণ কোষৰ ন'ডেল বিষয়া হিচাপে নিয়োগ কৰিব। ওপৰত উল্লেখ কৰা সকলো দল আৰু ন'ডেল বিষয়াজনক লৈ ব্যয় নিৰীক্ষণ কোষ গঠিত হ'ব।

**১০. ব্যয় সংবেদনশীল সমষ্টি (ই চি এছ) আৰু ব্যয় সংবেদনশীল পকেট (ই এছ পি) ঃ-**

অতীতৰ ঘটনা, নিৰ্বাচন সমষ্টিৰ আলেখ্য আৰু পূৰ্বৰ ঘটনাক্ৰমৰ ভিত্তিত মুখ্য নিৰ্বাচনী বিষয়াই সেই নিৰ্বাচন সমষ্টিবোৰ চিনাক্ত কৰিব যিবোৰত অত্যাধিক ব্যয় আৰু দুৰ্নীতি সংঘটিত হোৱাৰ আশংকা আছে। এনেকুৱা সমষ্টিক 'ব্যয় সংবেদনশীল সমষ্টি' হিচাপে নামাকৰণ কৰা হ'ব। এনেকুৱা সমষ্টিৰ বাবে দুজন সহকাৰী ব্যয় পৰ্যবেক্ষকৰ লগতে বাকী সমষ্টিসমূহত নিয়োজিত সকলৰ ওপৰঞ্চি অতিৰিক্ত সংখ্যক ফ্লায়িং স্কোৱাড, ষ্টেটিক নিৰীক্ষণ দল আৰু ভিডিঅ' নিৰীক্ষণ দল থাকিব। মুখ্য নিৰ্বাচনী বিষয়াই ব্যয় নিৰীক্ষণ কাৰ্যৰ লগত জড়িত দলবোৰৰ সুচাৰুৰূপে কাৰ্য সম্পাদনৰ পথ সুগম কৰিব। এনেকুৱা সমষ্টিৰ সূচী আয়োগক সময় থাকোতেই আগতে পঠাই দিয়া উচিত।

সাক্ষৰতা বা আৰ্থিক বিকাশ বা শেহতীয়া নিৰ্বাচনত পোৱা অভিযোগৰ সংখ্যাৰ ওপৰত ভিত্তি কৰি ব্যয় সংবেদনশীল পকেটবোৰৰ চিনাক্তকৰণ ব্যয় পৰ্যবেক্ষকৰ (প্ৰথম ভ্ৰমণৰ সময়ছোৱাত) পৰামৰ্শ অনুসৰি কৰা হ'ব। নিৰ্বাচন আৰম্ভ হোৱাৰ তিনিদিন পূৰ্বৰ পৰা ষ্টেটিক নিৰীক্ষণ দল (এছ এছ টি) য়ে এনেকুৱা পকেটবোৰ সতৰ্কতাৰে নিৰীক্ষণ কৰিব।

(i) জিলা নিৰ্বাচনী বিষয়া আৰু আৰক্ষী অধীক্ষকে ব্যয় পৰ্যবেক্ষকৰ লগত হোৱা আলোচনা মৰ্মে সমষ্টিৰ ব্যয় সংবেদনশীল পকেটসমূহ চিনাক্ত কৰিব। ভোটদানৰ শেষ তিনি দিনৰ সময়ছোৱাত এনেকুৱা স্থানত ষ্টেটিক নিৰীক্ষণ দলে ২৪X ৭ ভিত্তিত সকলো সময়তে নিৰীক্ষণ কৰিব। এই সময়ছোৱাত এছ এছ টিত কেন্দ্ৰীয় আৰক্ষীৰ লোকো সন্মিলিত হ'ব।

(ii) যেতিয়াই এই তথ্য উপলব্ধ হ'ব যে এজন প্ৰাৰ্থীয়ে নিৰ্বাচনত মাত্ৰাধিক নিৰ্বাচনী ব্যয় কৰি আছে, তেনেকুৱা প্ৰাৰ্থীক সকলো সময়তে ভিডিঅ' নিৰীক্ষণত ৰখা উচিত।

**১১. ন'ডেল বিষয়া ঃ-**

**(এ) মুখ্য নিৰ্বাচনী বিষয়াৰ কাৰ্যালয়ৰ ন'ডেল বিষয়া ঃ** মুখ্য নিৰ্বাচনী বিষয়াই ব্যয় নিৰীক্ষণৰ ক্ষেত্ৰত আয়োগৰ লগত সমন্বয় ৰক্ষা কৰি চলা, ব্যয় সম্পৰ্কীয় নিৰীক্ষণৰ লগত জড়িত কৰ্মচাৰীবৃন্দ আৰু ৰাজনৈতিক দলৰ কৰ্মীক প্ৰশিক্ষণ প্ৰদান কৰা আৰু জিলা নিৰ্বাচনী বিষয়া, ৰাজ্যৰ অন্যান্য ন'ডেল বিষয়া, ব্যয় পৰ্যবেক্ষক, নিৰ্বাচনী ব্যয়ৰ লগত জড়িত সকলো বলবৎকাৰী এজেন্সী আৰু আয়োগৰ লগত সমন্বয় ৰক্ষা কৰি চলাৰ বাবে নিজ কাৰ্যালয়ৰ এনে এগৰাকী জ্যেষ্ঠ বিষয়াক নিয়োগ কৰিব যিগৰাকী বিষয়া যুটীয়া মুখ্য নিৰ্বাচনী বিষয়াতকৈ তলৰ পৰ্যায়ৰ নহয়। নিৰ্বাচনৰ সময়ছোৱাত কৰা বাজেয়াপ্তকৰণৰ সকলো তথ্য তেওঁ সংগ্ৰহ কৰাৰ লগতে আয়োগক দৈনিক ভিত্তিত প্ৰেৰণ কৰিব আৰু লগতে ভোটদানৰ দিনা সেয়া পৰিশিষ্ট- গ ৬ ত আয়োগক দুপৰীয়া ১ বজাৰ আগতে প্ৰেৰণ কৰিব।

**(বি) আৰক্ষীৰ ন'ডেল বিষয়া ঃ** আয়োগে বাছনি কৰা অনুসৰি ৰাজ্যৰ আৰক্ষী মুখ্য কাৰ্যালয়ৰ আৰক্ষী মহাপৰিদৰ্শক পৰ্যায়ৰ এগৰাকী বিষয়াক সকলো ফ্লায়িং স্কোৱাড, ষ্টেটিক নিৰীক্ষণ দল, আইন বলবৎকাৰী এজেন্সী আৰু আয়োগৰ লগত সমন্বয় ৰক্ষা কৰি চলাৰ উদ্দেশ্যে ন'ডেল বিষয়া হিচাপে নিয়োগ কৰিবলৈ জাননী জাৰি কৰা হ'ব। নিৰ্বাচনৰ সময়ছোৱাত তেখেতৰ কাৰ্যালয়ৰ টেলিফোন নং/ফেক্স নং আৰু ম'বাইল নং ব্যয় পৰ্যবেক্ষক, অনুসন্ধান সঞ্চালকালয়, শুল্ক বিভাগ আৰু আন আইন ৰূপায়ণকাৰী এজেন্সীক জনোৱা হ'ব। তেখেত জিলাবোৰৰ সকলো মাষ্টাৰ প্ৰশিক্ষকক প্ৰশিক্ষণ দিয়াৰ বাবে দায়বদ্ধ হ'ব আৰু যিসকলে পিছৰ পৰ্যায়ত ফ্লায়িং স্কোৱাড বা এছ এছ টিৰ লগত জড়িত কৰ্মচাৰীসকলক প্ৰশিক্ষণ প্ৰদান কৰিব। তেখেত নিৰ্বাচনী ব্যয় নিৰীক্ষণত জড়িত আন আইন বলবৎকাৰী এজেন্সীৰ লগত সমন্বয় ৰক্ষাৰ বাবে দায়বদ্ধ থাকিব।

জিলাৰ আৰক্ষী অধীক্ষকৰ দ্বাৰা পঠোৱা জিলাৰ ফ্লায়িং স্কোৱাড আৰু ষ্টেটিক নিৰীক্ষণ দলৰ বাজেয়াপ্তকৰণৰ প্ৰতিবেদনসমূহ তেখেতে সংগ্ৰহ কৰিব আৰু পৰিশিষ্ট- খ ৮, খ ৯ আৰু খ ১০ অনুসৰি সংগৃহীত দৈনিক কাৰ্যকলাপৰ প্ৰতিবেদন ফেক্সৰ জৰিয়তে প্ৰতিদিনে ব্যয় পৰ্যবেক্ষন কোষলৈ পঠিয়াব আৰু তাৰ এক প্ৰতিলিপি মুখ্য নিৰ্বাচনী বিষয়াক পঠিয়াব আৰু লগতে সেইবোৰ একত্ৰিত কৰি পৰিশিষ্ট গ-১০ ত আয়োগক দুপৰীয়া ১ বজাৰ আগতে গোটাব।

**(চি) আয়কৰৰ ন'ডেল বিষয়া ঃ-**

সাধাৰণ নিৰ্বাচন ঘোষণা কৰাৰ পূৰ্বে নিৰ্বাচন আদিত ব্যৱহাৰ কৰা বুলি সন্দেহ কৰা হিচাপহীন ধনৰাশি বাজেয়াপ্ত কৰাৰ জৰিয়তে নিৰ্বাচনী ব্যয় নিৰীক্ষণ ব্যৱস্থাৰ কাৰ্যকৰী ৰূপায়নৰ বাবে আয়োগ আৰু মুখ্য নিৰ্বাচনী বিষয়াৰ মাজত তথ্য আদান প্ৰদান কৰাৰ লগতে এদিনৰ মূৰে মূৰে বিধান দিয়া আৰ্হি (পৰিশিষ্ট-খ১৫)ত প্ৰতিবেদন প্ৰস্তুত কৰি সেইবোৰৰ সংকলন কৰি ভোটদানৰ দিনা দুপৰীয়া ১ বজাৰ ভিতৰত পৰিশিষ্ট গ-৯ ত আয়োগক জমা দিবৰ উদ্দেশ্যে ডি জি আই টি (অনুসন্ধান)ৰ কাৰ্যালয়ত আয়োগে এগৰাকী ন'ডেল বিষয়া নিযুক্তি কৰিব যিগৰাকী বিষয়া অতিৰিক্ত/ যুটীয়া ডি আই টি (অনুসন্ধান শাখা) তকৈ তলৰ পৰ্যায়ৰ নহয়।

**(ডি) আবকাৰী শুল্কৰ ন'ডেল বিষয়া ঃ-**

সাধাৰণ নিৰ্বাচন ঘোষণা কৰাৰ পূৰ্বে নিৰ্বাচন প্ৰচাৰৰ সময়ছোৱাত বাজেয়াপ্ত হোৱা অবৈধ সুৰা সম্পৰ্কীয় তথ্য জনোৱাৰ জৰিয়তে নিৰ্বাচনী ব্যয় নিৰীক্ষণ ব্যৱস্থাৰ কাৰ্যকৰী ৰূপায়ণৰ উদ্দেশ্যে আৰু লগতে আয়োগ আৰু ৰাজ্যৰ মুখ্য নিৰ্বাচনী বিষয়াক তথ্য সৰবৰাহ কৰা আৰু প্ৰাসংগিক পৰিসংখ্যা বিধান দিয়া আৰ্হি (পৰিশিষ্ট-খ১৪) ত জনোৱাৰ লগতে ভোটদানৰ দিনা দুপৰীয়া ১ বজাৰ ভিতৰত সেই তথ্য সংকলিত কৰি পৰিশিষ্ট-গ৮ ত আয়োগক জমা দিয়াৰ বাবে আয়োগে এনেকুৱা এগৰাকী ন'ডেল বিষয়া (আবকাৰী শুল্ক) নিয়োগ কৰিব যিগৰাকী বিষয়া আয়ুক্ত পৰ্যায়ৰ তলৰ নহয়।

**(ই) ব্যয় নিৰীক্ষণ কোষৰ ন'ডেল বিষয়া ঃ-**

(i) জিলাৰ মুখ্য কাৰ্যালয়ত ব্যয় নিৰীক্ষণ কোষৰ ন'ডেল বিষয়াই প্ৰয়োজনীয় কৰ্মী আৰু কাৰ্যালয়ৰ ক্ষেত্ৰ আৰু সা-সৰঞ্জামজনিত সা-সুবিধা আগবঢ়োৱাৰ বাবে জিলা নিৰ্বাচনী বিষয়াৰ লগত সমন্বয় ৰক্ষা কৰি চলিব। নিৰ্বাচনৰ জাননী জাৰি কৰাৰ বহু পূৰ্বেই ন'ডেল বিষয়া গৰাকীয়ে ব্যয় নিৰীক্ষণ কোষৰ বিভিন্ন দলত নিয়োজিতকৰ্মীসকলক প্ৰশিক্ষণ প্ৰদান কৰিব। ব্যয় নিৰীক্ষণৰ বাবে প্ৰয়োজন হ'ব বুলি ভবা আন যিকোনো বিষয়া বা কৰ্মচাৰী জিলা নিৰ্বাচনী বিষয়াই নিয়োগ কৰিব পাৰিব।

(ii) ভাৰতীয় নিৰ্বাচন আয়োগৰ দ্বাৰা নিৰ্বাচন ঘোষণা কৰা আৰু নিৰ্বাচনৰ জাননী জাৰি কৰাৰ মাজৰ সময়ছোৱাত ৰাজনৈতিক দল / সম্ভাৱনীয় প্ৰাৰ্থীৰ দ্বাৰা আয়োজিত সকলো জনসভা / সমাৰেশৰ ভিডিঅ' ৰেকডিং কৰাৰ বাবে ব্যয় নিৰীক্ষণ কোষ দায়বদ্ধ হ'ব। ভিডিঅ' চি ডি / ডি ভি ডি অনুসৰি ৰাজনৈতিক দলে কৰা এনে সকলো ব্যয় এই কোষে গণনা কৰিব আৰু তাৰ হিচাপ জিলা নিৰ্বাচনী বিষয়াক হস্তান্তৰ কৰিব যাতে তেখেতে এই সময়ছোৱাত ৰাজনৈতিক দলসমূহে কৰা ব্যয় নিৰ্ধাৰণ কৰিব পাৰে। যদিও এই ব্যয়ৰ হিচাপ প্ৰাৰ্থীৰ ৰেজিষ্টাৰত অন্তৰ্ভুক্ত কৰা নহ'ব তথাপিও ৰাজনৈতিক দলে এই ব্যয় বিধানসভা নিৰ্বাচনৰ ক্ষেত্ৰত ৭৫ দিনৰ ভিতৰত বা লোকসভা নিৰ্বাচনৰ ক্ষেত্ৰত ৯০ দিনৰ ভিতৰত আয়োগক দেখুৱাব লাগিব। এই সময়ছোৱাৰ লগতে ফলাফল ঘোষণা হোৱালৈ সময়ছোৱাত দলৰ দ্বাৰা হোৱা মুঠ ব্যয় মুখ্য নিৰ্বাচনী বিষয়াই জিলা ভিত্তিত সংগ্ৰহ কৰিব আৰু ফলাফল ঘোষণা হোৱা ৪৫ দিনৰ ভিতৰত আয়োগলৈ প্ৰেৰণ কৰিব।

ৰাইজক অভিযোগ দাখিল কৰাৰ বাবে উৎসাহিত কৰিবলৈ অভিযোগ নিৰীক্ষণ কোষৰ নিঃশুল্ক নম্বৰটোৰ বিষয়ে বহুলভাৱে প্ৰচাৰ চলোৱা হ'ব।

সহকাৰী ব্যয় পৰ্যবেক্ষক (এ ই অ'), এফ এছ, এছ এছ টি, ভিডিঅ' নিৰীক্ষণ দল (ভি এছ টি), ভিডিঅ' প্ৰত্যক্ষকাৰী দল (ভি ভি টি) আৰু গাণনিক দলবোৰে নিজ নিজ কৰ্তব্য মাত্ৰ ভোটগণনা / পুণঃভোটগণনা কৰা তাৰিখলৈহে পালন কৰিব। অৱশ্যে, ভোটগণনাৰ এদিন পূৰ্বে আৰু ফলাফল ঘোষণা হোৱাৰ পিছৰ ২৫তম দিনটোত এ ই অ' আৰু গাণনিক দলবোৰে পুনৰ ৰিপৰ্ট কৰিব আৰু নিৰ্বাচনী ব্যয়ৰ একাউণ্ট জমা কৰা সম্পৰ্কে প্ৰাৰ্থী / নিৰ্বাচনী এজেণ্টক প্ৰশিক্ষণ দিয়াৰ উদ্দেশ্যে আৰু জিলা নিৰ্বাচনী বিষয়াৰ বিশদ পৰীক্ষণ প্ৰতিবেদন আৰু ব্যয় পৰ্যবেক্ষণ প্ৰতিবেদন-IV প্ৰস্তুত কৰাত সহায় কৰিবলৈ ৮ দিন সময়ৰ বাবে থাকিব। ইয়াৰ অন্তত এ ই অ' আৰু গাণনিক দলবোৰক কৰ্তব্যৰ পৰা ৰেহাই দিয়া হ'ব।

## ব্যয় নিৰীক্ষণৰ লগত জড়িত টীমবোৰৰ ফ্ল’ চাৰ্ট

ই চি আই

ডি ই অ’

ব্যয় পৰ্যবেক্ষক

আৰ অ’

নিয়ন্ত্ৰণ কক্ষ আৰু
28x৭ কলচেণ্টাৰ

বি এ জি (বুথ পৰ্যায়ৰ
সজাগতা গোট)

গাণনিক
দল

এফ এছ (ফ্লায়িং স্কোৱাদ)
ভেটি/বিনামূলীয়াকৈ
দিয়া সামগ্ৰী/ অবৈধ ব্যয়ৰ
অভিযোগ

এম চি এম চি (মিডিয়া
চাৰ্টিফিকেশ্বন আৰু নিৰীক্ষণ
কমিটি)

এছ এছ টি (ষ্টেটিক নিৰীক্ষণ
দল) নগদ ধন বা সুৰা আদিৰ
সৰবৰাহ বাধা দিবলৈ

ভি এচ টি (ভিডিঅ’ নিৰীক্ষণ
দল)- জনসভা/সমাৰেশ
নিৰীক্ষণ কৰিব

ৰাজ্যিক আবকাৰী
বিভাগ

আয়কৰ
বিভাগ

**পৰিশিষ্ট- খ১**

## ব্যয় পৰ্যবেক্ষকৰ আগমন/প্ৰস্থানৰ প্ৰতিবেদন

(পৰ্যবেক্ষক প'ৰ্টেলত আপলোড কৰা হ'ব আৰু আগমন/প্ৰস্থানৰ পিছত স্বাক্ষৰিত প্ৰতিলিপি অবিলম্বে আয়োগলৈ ডাকযোগে প্ৰেৰণ কৰা হ'ব)

| | | |
|---|---|---|
| | ৰিপৰ্ট কৰাৰ তাৰিখ | |
| | পৰ্যবেক্ষকৰ নাম | |
| | পৰ্যবেক্ষকৰ কোড | |
| | সমষ্টি/ সমষ্টিসমূহৰ নং আৰু নাম | |
| | ৰাজ্যৰ নাম | |
| | সমষ্টিৰ ফেক্স নং | কাৰ্যালয়ৰ ফেক্স নং |
| | সমষ্টিৰ টেলিফোন নং | টেলিফোন নং |
| | সমষ্টিৰ ম'বাইল নং | ম'বাইল নং |
| | ই-মেইল আই ডি | |
| ১ | পৰ্যাবেক্ষকৰ আগমন/ প্ৰস্থানৰ তাৰিখ (অনুগ্ৰহ কৰি যি অংশ প্ৰযোজ্য নহয় সেয়া কাটি দিয়ক) | |
| ২ | কৰ্ত্তব্য পালনৰ সময়ছোৱাত পৰ্যবেক্ষকে কোনো ধৰণৰ বিৰতি লৈছিল নেকি | |
| ৩ | যদি হয়, বিৱৰণ দিয়ক | |
| ৪ | কৰ্ত্তব্যত পলমকৈ ৰিপৰ্ট কৰিছিল নেকি | |
| ৫ | যদি কৰিছিল, তেন্তে কিমান পলম কৰিছিল | |

স্থান ঃ পৰ্যবেক্ষকৰ স্বাক্ষৰ

তাৰিখ ঃ

**পৰিশিষ্ট- খ২**

## ব্যয় পৰ্যবেক্ষক প্ৰতিবেদন-I
## ব্যয় নিৰীক্ষণৰ বাবে প্ৰস্তুতি প্ৰতিবেদন

(পৰ্যবেক্ষক প'ৰ্টেলত আপলোড কৰা হ'ব আৰু বিধানসভা নিৰ্বাচনৰ ক্ষেত্ৰত স্বাক্ষৰিত প্ৰতিলিপি প্ৰত্যেক বিধানসভা খণ্ডলৈ পৃথককৈ আৰু লোকসভা নিৰ্বাচনৰ ক্ষেত্ৰত এটা পি চি লৈ মাত্ৰ এখন প্ৰতিবেদন জাননী জাৰি কৰা তাৰিখৰ তিনি দিনৰ ভিতৰত আয়োগলৈ ডাকযোগে প্ৰেৰণ কৰা হ'ব)

| | |
|---|---|
| ৰিপৰ্ট কৰাৰ তাৰিখ | |
| পৰ্যপেক্ষকৰ নাম | |
| পৰ্যবেক্ষকৰ কোড | |
| সমষ্টি/ সমষ্টিসমূহৰ নং আৰু নাম | |
| ৰাজ্যৰ নাম | |
| সমষ্টিৰ ফেক্স নং | কাৰ্যালয়ৰ ফেক্স নং |
| সমষ্টিৰ টেলিফোন নং | টেলিফোন নং |
| সমষ্টিৰ ম'বাইল নং | ম'বাইল নং |
| ই-মেইল আই ডি | |

| ক্রমিক নং | বিৱৰণ | হয় | নহয় |
|---|---|---|---|
| (এ) | প্ৰাৰ্থীৰ দ্বাৰা তদাৰক কৰিবলগীয়া দৈনিক ব্যয়ৰ একাউণ্ট পৰীক্ষা কৰাত সহায় কৰিবলৈ সহকাৰী ব্যয় পৰ্যবেক্ষকজনক মনোনীত বিষয়া হিচাপে নিযুক্ত কৰা হৈছে নেকি | | |
| (বি) | নিৰ্বাচনী ব্যয় নিৰীক্ষণৰ লগত জড়িত বিভিন্ন দল, যেনে- গাণনিক দল, ষ্টেটিক নিৰীক্ষণ দল, ফ্লায়িং স্কোৱাড আৰু ভিডিঅ’ নিৰীক্ষণ দল আদি গঠন কৰা হৈছেনে আৰু সেইবোৰ সঠিকভাৱে কাম কৰিছেনে | | |
| (চি) | ব্যয়ৰ সৰ্বাধিক সীমা সম্পৰ্কীয় নিৰ্বাচন আচৰণ বিধিৰ বিধি- ৯০ সম্পৰ্কে নিৰ্বাচনী ব্যৱস্থা সচেতন নে | | |
| (ডি) | দৈনিক একাউণ্ট ৰেজিষ্টাৰ (অংশ-ক), নগদ ৰেজিষ্টাৰ (অংশ-খ), বেংক ৰেজিষ্টাৰ (অংশ-গ), ১ ৰ পৰা ১০ অনুসূচীযুক্ত সাৰাংশ বিৱৰণী (অংশ-Iৰ পৰা অংশ- IV) আৰু প্ৰাৰ্থীক সম্বোধিত কৰি লিখা ব্যাখ্যামূলক পত্ৰ (কভাৰিং লেটাৰ)ৰ সৈতে প্ৰাপ্তিস্বীকাৰ প্ৰ-পত্ৰ সম্বলিত নিৰ্বাচনী ব্যয় ৰেজিষ্টাৰ ৰিটাৰ্নিং বিষয়াই যোগান ধৰিছেনে | | |
| (ই) | এনেকুৱা ৰেজিষ্টাৰসমূহত জিলা নিৰ্বাচনী বিষয়া/ৰিটাৰ্নিং বিষয়াই যথোচিত ভাৱে পৃষ্ঠা নং উল্লেখ কৰাৰ লগতে বিতৰণৰ সময়ত সেইবোৰৰ সত্যতা বিচাৰ কৰিছেনে | | |
| (এফ) | ব্যয়ৰ বিভিন্ন দিশ আৰু ৰিপৰ্টিঙৰ ব্যৱস্থা সম্বন্ধে পৰ্যবেক্ষকে সকলো ব্যয় নিৰীক্ষণ দল আৰু সহকাৰী ব্যয় পৰ্যবেক্ষকক বিস্তাৰিত নিৰ্দেশনা দিছেনে | | |
| (জি) | নগদ ধন, সুৰা আৰু অন্যান্য সামগ্ৰীৰ বিতৰণৰ ওপৰত দৃষ্টি ৰাখিবলৈ ব্যয় পৰ্যবেক্ষকে আৰক্ষী অধীক্ষক আৰু জিলা নিৰ্বাচনী বিষয়াৰ লগতে আয়কৰ বিভাগৰ অনুসন্ধান সঞ্চালকালয়, আৰক্ষী আৰু ৰাজ্যিক শুল্ক বিভাগৰ বিষয়াসকলৰ লগত বাৰ্তালাপ কৰিছেনে | | |
| (এইচ) | (i) প’ষ্টাৰ ছপা কৰা, যান-বাহনৰ আৰু লাউড স্পীকাৰ ভাড়া কৰা, পেণ্ডেল সজা আৰু আচবাব আৰু ফিক্সাৰৰ বাবে জিলাত চলি থকা নিৰিখ জিলা নিৰ্বাচনী বিষয়াই জনাইছেনে<br>(ii) সমষ্টিত প্ৰচলিত সকলো সংবাদ মাধ্যমৰ ৰেট কাৰ্ড প্ৰাপ্ত কৰা হৈছেনে | | |
| (আই) | নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰা প্ৰাৰ্থী আৰু সহকাৰী ব্যয় পৰ্যবেক্ষক আৰু ব্যয় নিৰীক্ষণ দলৰ সদস্যসকলক এই সম্বন্ধে সূচিত কৰা হৈছেনে | | |
| (জে) | প্ৰত্যেক আৰক্ষী চকীৰ অধীনৰ গাণনিক দল, ভিডিঅ’ প্ৰত্যক্ষকাৰী দল, ভিডিঅ’ নিৰীক্ষণ দল, মিডিয়া পৰ্যবেক্ষক দল আৰু নিৰীক্ষণ দলসমূহে নিৰ্বাচন ব্যয় নিৰীক্ষণ কৰাৰ বাবে সাজু হোৱাৰ লগতে প্ৰয়োজনীয় পঞ্জীয়ন বহী/ফৰ্মেট যেনে ভিডিঅ’ কিউ শ্বীট, শ্বেড’ ৰেজিষ্টাৰ, মিডিয়া ব্যয় পৰ্যবেক্ষণ প্ৰতিবেদন ইত্যাদিৰ ব্যৱস্থা কৰা হৈছেনে। | | |
| (কে) | সূচিত কৰে<br>(i) ফ্লায়িং স্কোৱাডৰ সংখ্যা<br>(ii) এছ এছ টি ৰ সংখ্যা<br>(iii) এ ই ও ৰ সংখ্যা<br>(iv) ভি এছ টি ৰ সংখ্যা<br>(v) ভি ভি টি ৰ সংখ্যা<br>(vi) গাণনিক দলৰ সংখ্যা | | |
| (এল) | সহকাৰী ব্যয় পৰ্যবেক্ষক তথা গাণনিক দলৰ সদস্য, ভিডিঅ’ | | |

| ক্ৰমিক নং | বিৱৰণ | হয় | নহয় |
|---|---|---|---|
| | প্ৰত্যক্ষকাৰী দল, ভিডিঅ’ নিৰীক্ষণ দল, মিডিয়া প্ৰতিবেদন আৰু পৰ্যবেক্ষক দলক প্ৰশিক্ষণ দিয়া হৈছেনে।<br>(এ) জিলা নিৰ্বাচনী বিষয়াৰ দ্বাৰা<br>(বি) ব্যয় পৰ্যবেক্ষকৰ দ্বাৰা<br>(চি) দলসমূহে উত্থাপন কৰা কাৰ্যপ্ৰণালী সম্বন্ধীয় যিকোনো সমস্যা (যদি হয়, তেতিয়া ভাৰতৰ নিৰ্বাচন আয়োগৰ অধীনত ইয়াক তাৎক্ষণিকভাৱে ৰিটাৰ্ণিং বিষয়া, জিলা নিৰ্বাচনী বিষয়া আৰু মুখ্য নিৰ্বাচনী বিষয়াৰ দৃষ্টিগোচৰ কৰিব) | | |
| (এম) | জিলা নিৰ্বাচনী বিষয়াই সকলো ৰাজনৈতিক দলৰ সৈতে বৈঠক অনুষ্ঠিত কৰাৰ লগতে দলসমূহক স্থানীয় ভাষাত ব্যয় নিৰ্দেশনাৰ প্ৰতিলিপি দিছেনে | | |

(যদি ওপৰৰ যিকোনো উত্তৰ নেতিবাচক হয়, তেতিয়া তাৎক্ষণিকভাৱে ইয়াক ভাৰতৰ নিৰ্বাচন আয়োগৰ অধীনত ৰিটাৰ্ণিং বিষয়া, জিলা নিৰ্বাচনী বিষয়া আৰু মুখ্য নিৰ্বাচনী বিষয়াৰ দৃষ্টিগোচৰ কৰিব লাগিব)

স্থান ঃ
তাৰিখ ঃ

ব্যয় পৰ্যবেক্ষকৰ স্বাক্ষৰ

## ব্যয় পৰ্যবেক্ষণ প্ৰতিবেদন -II

### ব্যয় নিৰীক্ষণৰ বাবে প্ৰস্তুতি প্ৰতিবেদন

[পৰ্যবেক্ষক প'ৰ্টেলত আপলোড কৰা হ'ব আৰু স্বাক্ষৰিত কপি ডাকৰ দ্বাৰা বিধানসভা নিৰ্বাচনৰ ক্ষেত্ৰত প্ৰত্যেক বিধানসভা ক্ষেত্ৰৰ বাবে বেলেগ বেলেগকৈ আৰু লোকসভা নিৰ্বাচনৰ ক্ষেত্ৰত প্ৰাৰ্থীত্ব প্ৰত্যাহাৰৰ ২৪ ঘণ্টাৰ ভিতৰত এটা লোকসভা সমষ্টিৰ বাবে কেবল এখন প্ৰতিবেদন আয়োগলৈ পঠিওৱা হ'ব]

| | |
|---|---|
| প্ৰতিবেদন দিয়া তাৰিখ | |
| পৰ্যবেক্ষকৰ নাম | |
| পৰ্যবেক্ষকৰ কোড | |
| সমষ্টিৰ নম্বৰ আৰু নাম | |
| ৰাজ্যৰ নাম | |
| সমষ্টিৰ ফেক্স নং | চৰকাৰী ফেক্স নং |
| সমষ্টিৰ টেলিফোন নং | টেলিফোন নং |
| সমষ্টিৰ ম'বাইল নং | ম'বাইল নং |
| ই-মেইল আই ডি | |

| ক্ৰমিক নং | বিৱৰণ | হয় | নহয় |
|---|---|---|---|
| (এ) | ব্যয় ৰেজিষ্টাৰ / ৰচিদৰ পৰীক্ষা কৰাৰ সময় নিৰ্ধাৰণ কৰা হৈছেনে | | |
| (বি) | যদি হৈছে, পৰীক্ষাৰ বাবে নিৰ্ধাৰিত তাৰিখ উল্লেখ কৰক | | |
| (চি) | পৰ্যবেক্ষকৰ দ্বাৰা বিভিন্ন ক্ষেত্ৰৰ ব্যয় আৰু প্ৰতিবেদন পদ্ধতিৰ বিষয়ে সকলো ব্যয় নিৰীক্ষণ দল আৰু সহকাৰী ব্যয় পৰ্যবেক্ষকসকলক অৱগত কৰা হৈছেনে | | |
| (ডি) | ব্যয় পৰ্যবেক্ষকে নগদ ধন বিতৰণ, সুৰা আৰু অন্যান্য সামগ্ৰীৰ ওপৰত নজৰ ৰখাৰ বাবে আৰক্ষী অধীক্ষক, জিলা ন্যায়াধীশ আৰু আয়কৰ সঞ্চালকালয়ৰ তদন্তকাৰী বিষয়াসকলৰ পৰা দৈনিক কাম-কাজৰ প্ৰতিবেদন/ফীডবেক পাই আছেনে। | | |
| (ই) | জিলা নিৰ্বাচনী বিষয়াৰ দ্বাৰা জিলাসমূহৰ পোষ্টাৰ মুদ্ৰন, যান-বাহনৰ ভাৰা, লাউড স্পিকাৰ, পেণ্ডেল বনোৱাৰ বাবে মূল্য তথা ফাৰ্নিচাৰৰ ভাৰা আৰু সজোৱাৰ বাবদ প্ৰচলিত নিৰিখৰ বাবে ব্যৱস্থা কৰা হৈছেনে | | |
| (এফ) | ৰিটাৰ্ণিং বিষয়া আৰু ব্যয় পৰ্যবেক্ষকৰ দ্বাৰা প্ৰাৰ্থীসকলক ব্যয় নিৰীক্ষণৰ ব্যৱস্থাসমূহৰ বিষয়ে অৱগত কৰা হৈছেনে আৰু ব্যয় নিৰ্দেশনাৰ কপিসমূহ প্ৰদান কৰা হৈছেনে? | | |
| (জি) | নেতাসমূহৰ নাম (অস্বীকৃতিপ্ৰাপ্ত ৰাজনৈতিক দলৰ ক্ষেত্ৰত সৰ্বাধিক ২০ গৰাকী আৰু স্বীকৃতিপ্ৰাপ্ত ৰাজনৈতিক দলৰ ৪০ গৰাকী) (যিসকলে বিধানসভা/লোকসভা সমষ্টিৰ ভিতৰত বিমান অথবা অন্যান্য যান-বাহনেৰে ভ্ৰমণ কৰিব) মুখ্য নিৰ্বাচনী বিষয়া/ভাৰতৰ নিৰ্বাচন আয়োগলৈ পঠোৱা হৈছেনে | | |
| (এইচ) | যদি হোৱা নাই, তেতিয়া নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰা প্ৰাৰ্থীসকলক এইটো অৱগত কৰা হৈছেনে যে দলৰ সকলো নেতাৰ ভ্ৰমণ ব্যয়ৰ সৈতে তেওঁলোকৰ ভ্ৰমণ সম্পৰ্কীয় সকলো ব্যয় নিশ্চিত ভাৱে প্ৰাৰ্থীসকলৰ নিৰ্বাচন ব্যয়ৰ একাউণ্টত দেখুৱাব লাগিব যে কোনটো নিৰ্বাচনৰ বাবে এই ভ্ৰমণ কৰা হৈছে। (যদি প্ৰাৰ্থীসকলৰ এটা গোটৰ এই ভ্ৰমণ যদি উমৈহতীয়া নিৰ্বাচন সম্বন্ধীয় হয় তেনেক্ষেত্ৰত এই ব্যয় তেনেকুৱা সকলো প্ৰাৰ্থীৰ মাজত সমানে ভগাই দিয়া হ'ব।) | | |
| (আই) | জিলা নিৰ্বাচনী বিষয়াক বেংকসমূহে সন্দেহযুক্ত নগদ ধন উলিওৱাৰ প্ৰতিবেদনসমূহ দি আছেনে | | |
| (জে) | ১০ লাখৰ ওপৰৰ তেনেকুৱা তথ্য আয়কৰ বিভাগৰ ন'ডেল বিষয়ালৈ প্ৰদান কৰা হৈ আছেনে | | |
| (কে) | সহকাৰী ব্যয় পৰ্যবেক্ষকে প্ৰাৰ্থীসকলৰ মনোনয়ন দাখিল সম্পৰ্কীয় ব্যয়ৰ হিচাপ শ্বেডো ৰেজিষ্টাৰত পঞ্জীভুক্ত কৰিছেনে | | |
| (এল) | নিৰ্বাচন সম্বন্ধীয় ৰাজহুৱা সভা, ৰেলী আৰু সমদলত ব্যৱহৃত যান-বাহনৰ অনুমতি প্ৰদান কৰা কতৃপক্ষই এনেকুৱা অনুমতিৰ প্ৰতিলিপি ভিডিঅ' নিৰীক্ষণ দল, গাণনিক দল আৰু মিডিয়া পৰ্যবেক্ষণ দললৈ পঠাইছেনে? | | |
| (এম) | এম চি এম চিক সকলো আন্তঃগাঁথনি সা-সুবিধা যেনে কেব'ল সংযোগৰ সৈতে টেলিভিছন আৰু বাতৰি কাকত প্ৰদান কৰা হৈছেনে? | | |
| (এন) | সমষ্টিটোক ব্যয়ৰ ক্ষেত্ৰত সংবেদনশীল ঘোষণা কৰা হৈছেনে? যদি হৈছে, আৰক্ষী পৰ্যবেক্ষক নিযুক্তি দিয়া হৈছেনে? | | |
| (অ') | ব্যয় নিৰীক্ষণ দল প্ৰস্তুত কৰাত সমগ্ৰ পৰ্যবেক্ষণ তথা যিকোনো প্ৰকাৰৰ উন্নয়ন সাধনৰ বাবে পৰামৰ্শ (অগ্ৰাধিকাৰৰ ভিত্তিত প্ৰয়োজনীয় অংশ চিহ্নিত কৰক) | | |

(যদি ওপৰৰ যিকোনো উত্তৰ নেতিবাচক হয়, তেতিয়া তাৎক্ষণিকভাৱে ইয়াক ভাৰতৰ নিৰ্বাচনী আয়োগৰ অধীনত জিলা নিৰ্বাচনী বিষয়া, ৰিটাৰ্ণিং বিষয়া আৰু মুখ্য নিৰ্বাচনী বিষয়াৰ দৃষ্টিগোচৰ কৰিব লাগিব)

স্থান ঃ

তাৰিখঃ

স্বাক্ষৰ

ব্যয় পৰ্যবেক্ষক

## ব্যয় পৰ্যবেক্ষণ প্ৰতিবেদন।

## ভোট গ্ৰহণ সম্পূৰ্ণ হোৱাৰ পিছত ব্যয় প্ৰতিবেদন

[ পৰ্যবেক্ষক প'ৰ্টেলত আপলোড কৰা হ'ব আৰু স্বাক্ষৰিত কপি বিধানসভা নিৰ্বাচনৰ ক্ষেত্ৰত ডাকৰ যোগেদি প্ৰত্যেক বিধানসভা ক্ষেত্ৰৰ বাবে বেলেগ বেলেগকৈ আৰু লোকসভা নিৰ্বাচনৰ ক্ষেত্ৰত ভোটগ্ৰহণ/পুনৰ-ভোটগ্ৰহণ সম্পূৰ্ণ হোৱাৰ ২৪ ঘন্টাৰ ভিতৰত এটা লোকসভা সমষ্টিৰ বাবে মাত্ৰ এখন প্ৰতিবেদন আয়োগলৈ পঠোৱা হ'ব।

| | |
|---|---|
| প্ৰতিবেদন দিয়া তাৰিখ | |
| পৰ্যবেক্ষকৰ নাম | |
| পৰ্যবেক্ষকৰ কোড | |
| সমষ্টিৰ নং আৰু নাম | |
| ৰাজ্যৰ নাম | |
| সমষ্টিৰ ফেক্স নং | চৰকাৰী ফেক্স নং |
| সমষ্টিৰ ফোন নং | ফোন নং |
| সমষ্টিৰ মোবাইল নং | মোবাইল নং |
| ই-মেইল আই ডি | |

| ক্ৰমিক নং | বিৱৰণ | | |
|---|---|---|---|
| (এ) | ব্যয় সম্পৰ্কীয় প্ৰাপ্ত অভিযোগৰ সংখ্যা | | |
| (বি) | তদন্ত আৰু কাৰ্যব্যৱস্থা গ্ৰহণ কৰা অভিযোগৰ সংখ্যা | | |
| (চি) | নিস্পত্তি নোহোৱা তদন্ত আৰু সঠিক কাৰ্যব্যৱস্থা গ্ৰহণ নকৰা গোচৰৰ সংখ্যা | | |
| (ডি) | বিলম্ব হোৱাৰ কাৰণ | | |
| (ই) | (i) তদন্তৰ বাবে ৰেজিষ্টাৰ দাখিল নকৰা প্ৰাৰ্থীৰ সংখ্যা<br>(ii) তদন্তৰ কাৰণে ৰেজিষ্টাৰ দাখিল নকৰা বাবে জাননী জাৰি কৰা প্ৰাৰ্থীৰ সংখ্যা<br>(iii) জাননী জাৰি কৰা সত্বেও ৰেজিষ্টাৰ দাখিল নকৰা প্ৰাৰ্থীৰ সংখ্যা<br>(iv) জাননী জাৰি কৰা সত্বেও ৰেজিষ্টাৰ দাখিল নকৰা প্ৰাৰ্থীৰ নাম উল্লেখ কৰক | (i)<br>(ii)<br>(iii) | |
| (এফ) | ৰিটাৰ্ণিং বিষয়া/জিলা নিৰ্বাচনী বিষয়াই জাননী জাৰি কৰা প্ৰাৰ্থী<br>(i)দৈনিক হিচাব ৰক্ষণ/নগদ ধন ৰেজিষ্টাৰ/ বেংক ৰেজিষ্টাৰৰ ফৰ্মেটত থকা বিসংগতিৰ বাবে | নং | নাম |

| | | |
|---|---|---|
| | (ii) শ্বেডো ৰেজিষ্টাৰত দেখুওৱা ধৰণে ব্যয়ৰ সঠিক হিচাব নেদেখুওৱাৰ বাবে | |
| | (iii) পৃথক বেংক একাউণ্ট নোখোলাৰ বাবে | |
| (জি) | সহকাৰী ব্যয় পৰ্যবেক্ষকে জিলা মুখ্য কাৰ্যালয়ত ৰিটাৰ্ণিং বিষয়া/ জিলা নিৰ্বাচনী বিষয়া আৰু প্ৰাৰ্থীৰ মাজত শ্বেডো পৰ্যবেক্ষণ ৰেজিষ্টাৰ, প্ৰমাণৰ তথ্যপাতি আৰু অন্যান্য প্ৰতিবেদন/পত্ৰাৱলী চোৱা-চিতা কৰি আছেনে। | |
| (এইচ) | মনোনয়ন দাখিল কৰাৰ পিছত বাজেয়াপ্ত হোৱা নগদ ধন, সুৰা, অন্যান্য সামগ্ৰী | |
| (আই) | যদি তেনেকুৱা হৈছে, ইয়াৰ বিৱৰণ দিয়ক আৰু বাজেয়াপ্তকাৰী কৃতপক্ষৰ নাম আৰু স্থান পৃথককৈ উল্লেখ কৰক | |
| (জে) | জব্দ কৰা নগদ ধন/সামগ্ৰী কোনো প্ৰাৰ্থীৰ নিৰ্বাচন ব্যয়ৰ সৈতে জড়িত নেকি | |
| (কে) | যদি তেনেকুৱা হয়, বিৱৰণ দিয়ক | |
| (এল) | কিবা সন্দেহযুক্ত পেইড নিউজ লক্ষ্য কৰিছে নেকি আৰু ইয়াক জিলাত গঠন হোৱা সমিতিক অৱগত কৰা হৈছেনে | |
| (এম) | যদি হৈছে, প্ৰাৰ্থীৰ নামৰ সৈতে বিৱৰণ, সংবাদ মাধ্যমৰ নাম আৰু অন্যান্য বিৱৰণ দিয়ক আৰু এম চি এম চি য়ে বিবেচনা কৰাৰ লগতে ৰিটাৰ্ণিং বিষয়াই জাননী জাৰি কৰিছেনে (তেনেকুৱা গোচৰৰ বিৱৰণ অন্তৰ্ভুক্ত কৰক) | |
| (এন) | প্ৰাৰ্থীৰ শ্বেডো অৱজাৰভেচন ৰেজিষ্টাৰত সকলো প্ৰধান ৰাজহুৱা সভা/ৰেলী/সমদলত হোৱা ব্যয় উল্লেখ কৰা হৈছেনে | |
| (ও) | প্ৰাৰ্থীসকলে তেনেকুৱা সকলো ব্যয় দৈনিক একাউণ্ট ৰেজিষ্টাৰত দেখুওৱাৰ লগতে দাখিল কৰিছেনে | |
| (পি) | যদি কৰা নাই, তেতিয়া ইয়াৰ বিৱৰণ দিয়ক | |
| (কিউ) | এই সময়ছোৱাত সুৰা উৎপাদন/বিতৰণৰ প্ৰতিবেদনসমূহ নিৰীক্ষণ কৰি আছেনে | |
| (আৰ) | সকলো আড়ম্বৰপূৰ্ণ ব্যয় যেনে মুণ্ডন অনুষ্ঠান, জন্মদিন অনুষ্ঠান ইত্যাদি, বিবাহ /সমূহীয়া বিবাহ অনুষ্ঠানসমূহৰ বিষয়ে জিলা নিৰ্বাচনী বিষয়া/আয়কৰৰ তদন্ত সঞ্চালকালয়ক আৱগত কৰা হৈছেনে | |
| (এছ) | যদি হৈছে, সঞ্চালকালয়/জিলা নিৰ্বাচনী বিষয়াৰ দ্বাৰা গ্ৰহণ কৰা কাৰ্যব্যৱস্থাৰ বিৱৰণ | |
| (টি) | তেনেকুৱা ব্যয়ৰ পৰিমান উল্লেখ কৰক আৰু ইয়াৰ লগত কোনো প্ৰাৰ্থীৰ কিবা সম্পৰ্ক থাকিব পাৰে নেকি (প্ৰাৰ্থীৰ নাম উল্লেখ কৰক) | |
| (ইউ) | প্ৰত্যেক ৰাজনৈতিক দলে তেওঁলোকৰ প্ৰাৰ্থীৰ হকে সমষ্টিত নগদ ধন অথবা তেনেকুৱা ধৰণৰ ব্যয় বহন কৰিছে(দলৰ নাম আৰু পৰিমান উল্লেখ কৰক) | |
| (ভি) | নিৰ্বাচনী ব্যয়ৰ তথ্য অন্য যিকোনো পদ্ধতিৰে গোপনে ৰাখি থোৱা লক্ষ্য কৰিছে(অনুগ্ৰহ কৰি ইয়াৰ বিৱৰণ দিয়ক) | |
| (ডব্লিউ) | অন্য যিকোনো মন্তব্য/পৰামৰ্শঃ(অনুগ্ৰহ কৰি অগ্ৰাধিকাৰ ভিত্তিত উল্লেখ কৰক) | |

স্থান ঃ                                                                                স্বাক্ষৰ

তাৰিখ ঃ                                                                          ব্যয় পৰ্যবেক্ষক

**ব্যয় পৰ্যবেক্ষকৰ চুড়ান্ত প্ৰতিবেদন (প্ৰতিবেদন-iv)** **পৰিশিষ্ট-বি৫**

পৰ্যবেক্ষক প'ৰ্টেলত আপলোড কৰা হ'ব আৰু স্বাক্ষৰিত কপি বিধানসভা নিৰ্বাচনৰ ক্ষেত্ৰত ডাকৰ যোগেদি প্ৰত্যেক বিধানসভা ক্ষেত্ৰৰ বাবে বেলেগ বেলেগকৈ আৰু লোকসভা নিৰ্বাচনৰ ক্ষেত্ৰত ফলাফল ঘোষণাৰ ৩০ দিন পিছত এটা লোকসভা সমষ্টিৰ বাবে মাত্ৰ এখন প্ৰতিবেদন আয়োগলৈ পঠোৱা হ'ব ]

| | |
|---|---|
| প্ৰতিবেদন দিয়া তাৰিখ | |
| পৰ্যবেক্ষকৰ নাম | |
| পৰ্যবেক্ষকৰ কোড | ই-মেইল আই দি<br>মোবাইল নং ঃ (ও) |
| সমষ্টি | |
| জিলা | ৰাজ্য |
| ফলাফল ঘোষণা কৰা তাৰিখ | |
| নিৰ্বাচনী ব্যয় একাউণ্টত উল্লেখ কৰা শেষ তাৰিখ | |
| হিচাব সামঞ্জস্য স্থাপন (Reconciliation) বৈঠকৰ তাৰিখ ঃ | |
| প্ৰতিদ্বন্দ্বিতা কৰা প্ৰাৰ্থীৰ মুঠ সংখ্যা | |
| বিজয়ী হোৱা প্ৰাৰ্থীৰ নাম/দলৰ সম্পৰ্ক, যদি কিবা আছে | |

**পৰ্যবেক্ষণৰ সাৰাংশ**

| | |
|---|---|
| ক্ৰমিক নং | ১ |
| প্ৰাৰ্থী আৰু দলৰ নাম | ২ |
| পৰিদৰ্শন অথবা চুড়ান্ত হিচাবৰ সময়ত পোৱা সকলো বিসংগতিৰ বিষয়ে প্ৰাৰ্থীসকলক জাননী জাৰি কৰাৰ লগতে প্ৰাৰ্থীসকলৰ উত্তৰবোৰ বিবেচনা কৰা হৈছেনে (৮নং টোকা চাওঁক) | ৩ |
| প্ৰাৰ্থীৰ নিৰ্বাচনী ব্যয়ৰ একাউণ্ট দাখিল কৰা তাৰিখ (অনুগ্ৰহ কৰি তলৰ টোকা ১ চাওক) | ৪ |
| সময়মতে একাউণ্ট দাখিল কৰা হৈছেনে (হয়/নহয়) | ৫ |
| প্ৰাৰ্থীৰ একাউণ্টত ব্যয়ৰ পৰিমাণ উল্লেখ কৰিছে | ৬ |
| সকলো আৱশ্যকীয় নথি-পত্ৰৰ সৈতে একাউণ্টসমূহ ফৰ্মেটত দাখিল কৰা হৈছেনে | ৭ |
| পৰ্যবেক্ষকে প্ৰাৰ্থীয়ে দাখিল কৰা তথ্যৰ লগত সংগ্ৰহ কৰা সাক্ষ্যৰ সৈতে সন্মত হৈছেনে(হয়/নহয়)। যদি হোৱা নাই, অনুগ্ৰহ কৰি তলৰ টোকা ২ অনুসৰি অন্তৰ্ভূক্ত কৰক | ৮ |
| জিলা নিৰ্বাচনী বিষয়াই অভিযানৰ সময়ত সংগ্ৰহ কৰা তথ্যৰ সৈতে প্ৰাৰ্থীসকলে দাখিল কৰা তথ্যসমূহ পুনৰ পৰীক্ষা কৰিছেনে (হয়/নহয়)। যদি কৰা নাই, অনুগ্ৰহ কৰি তলৰ টোকা ৩ অনুসৰি অন্তৰ্ভূক্ত কৰক। | ৯ |
| প্ৰাৰ্থীৰ আনুমানিক ব্যয়ে নিৰ্ধাৰিত চিলিঙক অতিক্ৰম কৰিছে নেকি (হয়/নহয়)। যদি হয়, অনুগ্ৰহ কৰি তলৰ টোকা ৪ অনুসৰি ইয়াৰ বিৱৰণ উল্লেখ কৰক। | ১০ |
| কোনো প্ৰাৰ্থীৰ বাবে যদি কোনো ৰাজনৈতিক দলে ব্যয় বহন কৰিছে/তলৰ ৫ নং টোকা অনুসৰি ৰাজনৈতিক দলটোৰ নাম উল্লেখ কৰক | ১১ |
| অন্যান্য উৎস/ব্যক্তিয়ে প্ৰাৰ্থীৰ হকে ব্যয়ৰ পৰিমাণ বহন কৰিছে | ১২ |
| মুখ্য নিৰ্বাচনী বিষয়াৰ ৱেবচাইটত হিচাবৰ সংক্ষিপ্ত খতিয়ান (খণ্ড ১ ৰ পৰা খণ্ড ৪ লৈ আৰু অনুসূচী ১ ৰ পৰা ১০ লৈ) আপলোড কৰা হৈছেনে (একাউণ্ট দাখিলৰ ৩ দিনৰ ভিতৰত) | ১৩ |
| নিৰ্বাচনৰ সময়ত বাজেয়াপ্ত হোৱা নগদ ধন আৰু অন্যান্য সামগ্ৰীসমূহ ৭ দিনৰ ভিতৰত ৰেহাই দিয়া হৈছে নেকি, তলত উল্লেখ কৰা গোচৰৰ বাদে——<br>(i) ক'ত এজাহাৰ দাখিল কৰা হৈছে<br>(ii) আয়কৰ বিভাগক ক'ত নগদ ধন হস্তান্তৰ কৰা হৈছিল, যদি হোৱা নাই ইয়াক তাৎক্ষণিক কাৰ্যব্যৱস্থাৰ বাবে ৰিটাৰ্ণিং বিষয়া, জিলা নিৰ্বাচনী বিষয়া আৰু আৰক্ষী অধীক্ষকৰ দৃষ্টিগোচৰ কৰা হৈছেনে। | ১৪ |

| | | | | | | | | | | | | | | |
|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|
| ১ | | | | | | | | | | | | | | |
| ২ | | | | | | | | | | | | | | |
| ৩ | | | | | | | | | | | | | | |
| ৪ | | | | | | | | | | | | | | |
| ৫ | | | | | | | | | | | | | | |

স্থান ঃ স্বাক্ষৰ

তাৰিখ ঃ ব্যয় পৰ্যবেক্ষণ

টোকা ঃ

১) ৪ নং স্তম্ভত, য'ত প্ৰাৰ্থীয়ে তেওঁৰ নিৰ্বাচনী ব্যয়ৰ হিচাব দাখিল কৰা নাই, ইয়াত 'দাখিল হোৱা নাই' বুলি উল্লেখ কৰিব লাগিব।

২) ৮ নং স্তম্ভত, যদি হোৱা নাই, তেতিয়া পৰ্যবেক্ষকৰ দ্বাৰা প্ৰত্যেক প্ৰাৰ্থীৰ বাবে সাক্ষ্য/ৰেফাৰেন্স নম্বৰসহ এখন পৃথক প্ৰতিবেদন দিয়া হ'ব, য'ত তেওঁ সন্মত নহয় বুলি উল্লেখ কৰিব লাগিব।

৩) ৯ নং স্তম্ভত, যদি পৰ্যবেক্ষকে জিলা নিৰ্বাচনী বিষয়াৰ সৈতে সন্মত নহয়, তেওঁ পৃথককৈ অসন্মতিৰ কাৰণ উল্লেখ কৰিব পাৰে।

৪) ১০ নং স্তম্ভত, সৰ্বোচ্চ সীমাতকৈ অধিক ব্যয় বহন কৰা প্ৰাৰ্থীসকলৰ বাবে ব্যয় পৰ্যবেক্ষকে এক সংক্ষিপ্ত খতিয়ান দিব আৰু মুঠ ব্যয়ৰ আনুমানিক পৰিমান উল্লেখ কৰিব লাগিব।

৫)১১ নং স্তম্ভত, এগৰাকী প্ৰাৰ্থীৰ বাবে যদি এটাতকৈ বেছি ৰাজনৈতিক দলে ব্যয় বহন কৰে তেতিয়া প্ৰতিটো দলৰ নাম আৰু পৰিমান পৃথককৈ দিব লাগিব। যদি পৰ্যবেক্ষকে তেওঁ দেখুওৱা পৰিমাণৰ সৈতে সন্মত নহয়, তেতিয়া তেওঁ সাক্ষ্যৰ সৈতে আনুমানিক পৰিমাণ পৃথককৈ উল্লেখ কৰিব।

৬)১২ নং স্তম্ভত, প্ৰাৰ্থীৰ হকে অন্যান্য উৎস/ব্যক্তিয়ে বহন কৰা মুঠ ব্যয়ৰ পৰিমাণ এই স্তম্ভত উল্লেখ কৰা হ'ব আৰু যদি পৰ্যবেক্ষকে তাত দেখুওৱা পৰিমানৰ লগত সন্মত নহয়, তেতিয়া তেওঁ সেই উৎস/ব্যক্তিৰ নামৰ লগতে সাক্ষ্যৰ সৈতে তাৰ আনুমানিক পৰিমাণ পৃথককৈ উল্লেখ কৰিব।

৭) কাৰ্যপ্ৰণালী উন্নীতকৰণৰ বাবে যদি ব্যয় পৰ্যবেক্ষকৰ কিবা পৰামৰ্শ আছে, তেওঁৰ পৰামৰ্শ 'এনেক্স এ' হিচাপে এই প্ৰতিবেদনৰ সৈতে পৃথককৈ সংলগ্ন কৰিব পাৰে।

৮) পৰিচ্ছেদত, য'ত 'শ্বেডো অৱজাৰভেচন ৰেজিষ্টাৰ' এ অধিক ব্যয় দেখুৱাইছে যিটো প্ৰাৰ্থীয়ে দেখুওৱা নাই, তেতিয়া ভাৰতৰ নিৰ্বাচন আয়োগৰ নিৰ্দেশনা নং ৭৬/ইনষ্ট্ৰাকচনচ/ই ই পিএছ/২০১৫/খণ্ড ।। তাৰিখ ২৯ মে', ২০১৫(পৰিশিষ্ট-চি।।) অনুসৰি একাউণ্ট পৰীক্ষা কৰাৰ পিছত প্ৰাৰ্থীৰ পৰা ৪৮ ঘন্টাৰ ভিতৰত উত্তৰ বিচাৰি এখন জাননী জাৰি কৰাটো প্ৰয়োজন। একেদৰে, চূড়ান্ত অনুসন্ধানৰ পিছত প্ৰাৰ্থীয়ে দাখিল কৰা সংক্ষিপ্ত খতিয়ানত যদি কিবা বিসংগতি ধৰা পৰে, প্ৰাৰ্থীক ৩ দিনৰ ভিতৰত উত্তৰ বিচাৰি ৪৮ ঘন্টাৰ ভিতৰত জাননী জাৰি কৰা হ'ব।

ওপৰৰ কাৰ্যপ্ৰণালীবোৰ মানি চলাৰ লগতে জিলা নিৰ্বাচনী বিষয়াৰ বিশদ পৰীক্ষণ প্ৰতিবেদনত প্ৰাৰ্থীৰ উত্তৰবোৰ বিবেচনা কৰা হৈছেনে, তাক ব্যয় পৰ্যবেক্ষকে উল্লেখ কৰাটো প্ৰয়োজন।

## সহকাৰী ব্যয় পৰ্যবেক্ষকৰ দৈনিক প্ৰতিবেদন

| | |
|---|---|
| **সমষ্টিৰ নং আৰু নাম ঃ-**<br>তাৰিখ ঃ- | |
| (এ) **ভিডিঅ' দল ঃ-**<br>(i) ভিডিঅ' দল নিয়োগ কৰা স্থানসমূহৰ তালিকা আৰু প্ৰাৰ্থীসকলৰ নাম। | |
| (ii) ভিডিঅ' নিৰীক্ষণ দলে কিউ শ্বীটৰ সৈতে চি ডি দাখিল কৰিছেনে? | |
| (iii) ভিডিঅ' প্ৰত্যক্ষ কৰা দলে ব্যয়ৰ বিষয় যেনে যান-বাহনৰ সংখ্যা/বক্তৃতা দিয়া মঞ্চৰ আকাৰ / কাট আউট ইত্যাদিসমূহ অন্তৰ্ভুক্ত কৰিছেনে? | |
| (বি) **গাণনিক দল ঃ-**<br>(i) প্ৰত্যেক প্ৰাৰ্থীৰ সকলোবোৰ ব্যয় শ্বেডো অৱজাৰভেচন ৰেজিষ্টাৰত অন্তৰ্ভূক্ত কৰিছেনে?<br>(ii) প্ৰত্যেক প্ৰাৰ্থীৰ সাক্ষ্যৰ ফ'ল্ডাৰ চোৱা-চিতা কৰি আছেনে। | |
| (চি) **মিডিয়া নিৰীক্ষণ দল ঃ-**<br>(i) এই দলে ছপা অথবা বৈদ্যুতিন মাধ্যমত সকলো বিজ্ঞাপন প্ৰত্যক্ষ কৰি থকাৰ লগতে বাণীবদ্ধ কৰি আছেনে? | |
| (ii) দলটোৱে গাণনিক দলক প্ৰতিবেদন পঠাই আছেনে? | |
| (iii) যিকোনো পেইড নিউজ প্ৰত্যক্ষ কৰিছে নেকি? | |
| (ডি) **নিয়ন্ত্ৰণ কক্ষ আৰু কল চেণ্টাৰ ঃ-**<br>(i) প্ৰাপ্ত অভিযোগৰ সংখ্যা -<br>(ii) অভিযোগবোৰ ততালিকে সংশ্লিষ্ট বিষয়াক অৱগত কৰা হৈছেনে?<br>(iii) কাৰ্যব্যৱস্থা লোৱা হৈছেনে ? যদি লোৱা হৈছে, কাৰ্যব্যৱস্থাৰ ধৰণ আৰু ইয়াৰ কি পোৱা গ'ল উল্লেখ কৰক। | |
| (ই) **ফ্লায়িং স্কোৱাড আৰু নিৰীক্ষণ দলসমূহ ঃ-**<br>(i) ফ্লায়িং স্কোৱাডলৈ ৰিপোৰ্ট কৰা গোচৰৰ সংখ্যা<br>(ii) স্কোৱাডে গ্ৰহণ কৰা কাৰ্যব্যৱস্থা<br>(iii) স্থাপন কৰা তালাচী চকীৰ সংখ্যা<br>(iv) বাজেয়াপ্ত সামগ্ৰী, যদি কিবা - | |

তাৰিখ ঃ-

স্বাক্ষৰ
সহকাৰী ব্যয় পৰ্যবেক্ষকৰ নাম

# ভিডিঅ' প্ৰত্যক্ষকাৰী দলৰ বাবে কিউ-চীট

**(ভিডিঅ' ৰেকৰ্ডিঙৰ সময়ত পূৰণ কৰক)**

জিলাৰ নাম -

ভিডিঅ' প্ৰত্যক্ষকাৰী দলৰ ভাৰপ্ৰাপ্ত বিষয়াৰ নাম -

ভিডিঅ'গ্ৰাফাৰৰ নাম -

তাৰিখ -

চি ডি নম্বৰ -

| ক্ৰমিক নং | সমষ্টিৰ সংখ্যা আৰু নাম | প্ৰাৰ্থীৰ নাম | অৱস্থান | ইভেণ্ট | দিনৰ কোন সময়ত ৰেকৰ্ডিং আৰম্ভ হৈছে | চি ডি-ত ৰেকৰ্ডিং আৰম্ভ হোৱাৰ সময় | চি ডি-ত ৰেকৰ্ডিং সমাপ্ত হোৱাৰ সময় | ৰেকৰ্ডিংৰ কাল | ৰেকৰ্ড কৰা সাক্ষ্যৰ সংক্ষিপ্ত বিৱৰণ |
|---|---|---|---|---|---|---|---|---|---|
| ১ | ২ | ৩ | ৪ | ৫ | ৬ | ৭ | ৮ | ৯ | ১০ |
| | | | | | | | | | |
| | | | | | | | | | |
| | | | | | | | | | |
| | | | | | | | | | |
| | | | | | | | | | |
| | | | | | | | | | |
| | | | | | | | | | |
| | | | | | | | | | |

ভিডিঅ' প্ৰত্যক্ষকাৰী দলৰ ভাৰপ্ৰাপ্ত বিষয়াৰ স্বাক্ষৰ

**পৰিশিষ্ট - বি ৮**

## ..............................তাৰিখৰ নগদ ধন / অন্য সামগ্ৰী সম্বন্ধীয় অভিযোগৰ ওপৰত ফ্লায়িং স্কোৱাডৰ দৈনিক কাৰ্যকলাপৰ প্ৰতিবেদন

প্ৰসঙ্গ নং.............................................. দণ্ডাধীশৰ নাম আৰু পদবী.......................................

মহকুমাৰ নাম........................................ আৰক্ষী বিষয়াৰ নাম..................................................

জিলা..................................................

১/ নিৰ্বাচনী প্ৰক্ৰিয়া চলি থকা সময়ত ব্যক্তি আৰু টালি-টোপোলাৰ তালাচী সম্পৰ্কীয় সকলো নীতি-নিয়ম কোনো ধৰণৰ ব্যতিক্ৰম নোহোৱাকৈ কঠোৰভাৱে বলৱৎ কৰিব লাগিব। বাণিজ্যিক/চাৰ্টাৰ্ড বিমানকে ধৰি যিকোনো বিমান/ হেলিকপ্টা ৰত হোৱা সকলো যাত্ৰী (নিয়মৰ অধীনত ৰেহাই লাভ কৰাসকলক বাদ দি) আৰু সকলো টালি-টোপোলা (নিয়মৰ অধীনত ৰেহাই লাভ কৰাবোৰক বাদ দি) নিৰ্বাচন চলি থকা ৰাজ্যখনৰ সক্ৰিয় বিমান বন্দৰসমূহৰ বিমানত উঠাৰ পূৰ্বে কৰা নিৰাপত্তাজনিত তালাচী এলেকাৰ মাজেৰে পাৰ হৈ যাব।

২/ বাণিজ্যিক বিমান বন্দৰত চাৰ্টাৰ্ড বিমানৰ (ডাঙৰ বিমানকে ধৰি) অৱতৰণ বা উৰণৰ বাবে জিলা নিৰ্বাচন বিষয়া (ডিইঅ') বা ৰিটাৰ্ণিং বিষয়াৰ (আৰঅ') পৰা আগতীয়া অনুমতি লোৱাৰ প্ৰয়োজন নহ'ব। বাণিজ্যিক বিমান বন্দৰত বিমান যাতায়াত নিয়ন্ত্ৰণ (এটিচি) বিভাগে যথাসম্ভৱ সোনকালে, অগ্ৰাধিকাৰমূলকভাৱে আধাঘণ্টা আগতে, চাৰ্টাৰ্ড বিমান বা হেলিকপ্টাৰৰ ভ্ৰমণসূচীৰ বিষয়ে ৰাজ্যখনৰ মুখ্য নিৰ্বাচনী বিষয়া (চিইঅ') আৰু বিমান বন্দৰটো অৱস্থিত এলেকাৰ জিলাখনৰ ডিইঅ'ক জনাব।

৩/ সি যি কি নহওক, নিৰ্বাচনী প্ৰক্ৰিয়া চলি থকা সময়ত এটিচিয়ে তেনে সকলো চাৰ্টাৰ্ড বিমান/হেলিকপ্টাৰ, বাণিজ্যিক বিমান বন্দৰৰ পৰা সেইবোৰৰ অৱতৰণ আৰু উৰণ, অৱতৰণৰ সময়, উৰণৰ সময় আৰু যাত্ৰীৰ তালিকা, যাত্ৰাপথৰ পৰিকল্পনা ইত্যাদিৰ অভিলেখ ৰাখিব। এটিচিয়ে সংশ্লিষ্ট ৰাজ্যখনৰ চিইঅ' আৰু বিমান বন্দৰ অৱস্থিত জিলাখনৰ ডিইঅ'ৰ ওচৰত এই তথ্যবোৰৰ একোটা প্ৰতিলিপি অৱতৰণ/উৰণৰ পিছৰ তিনিদিনৰ ভিতৰত উপলব্ধ কৰিব আৰু চিইঅ'/ডিইঅ'ৰে পৰিদৰ্শনৰ সময়ত প্ৰয়োজনীয় শুদ্ধা-শুদ্ধ নিৰূপণৰ বাবে ব্যয় পৰ্যবেক্ষকৰ ওচৰত তেনে তথ্যবোৰ উপলব্ধ কৰিব। এটিচিয়ে যেতিয়াই প্ৰয়োজন হয় তেতিয়াই ব্যয় পৰ্যবেক্ষকে পৰিদৰ্শন কৰিব পৰাকৈ এই অভিলেখ উপলব্ধ কৰিব।

৪/ ব্যক্তি/যাত্ৰীসকলৰ (নিয়মৰ অধীনত ৰেহাই নোপোৱা) হাতত লোৱা টোপোলাকে ধৰি সকলো টালি-টোপোলাকো কোনো ধৰণৰ সকাহ নিদিয়াকৈ চিআইএছএফ/ৰাজ্যিক/কেন্দ্ৰীয় শাসিত অঞ্চলৰ আৰক্ষীয়ে পৰীক্ষা কৰিব, কিন্তু বিমানলৈ যাবলৈ যান-বাহনৰ সেৱা লাভ কৰাৰ অনুমতি দিয়া হ'ব।

৫/ চিআইএছএফ অথবা ৰাজ্যিক বা কেন্দ্ৰীয় শাসিত অঞ্চলৰ আৰক্ষীয়ে দহ লাখতকৈ অধিক টকা, এক কেজি বা ততোধিক ওজনৰ সোণ-ৰূপৰ টুকুৰা নিৰ্বাচনমুখী ৰাজ্যখনৰ পৰা বা ৰাজ্যখনলৈ উৰা মৰা বিমানৰ টালি-টোপোলাত ধৰা পেলালে তাক তাৎক্ষণিকভাৱে আয় কৰ বিভাগক জনাব।

৬/ আয় কৰ বিভাগে এই তথ্য পোৱাৰ পিছত সন্তোষজনক ব্যাখ্যা লাভ নকৰিলে আয় কৰ আইন অনুসৰি প্ৰয়োজনীয় সত্যাসত্য নিৰূপণৰ ব্যৱস্থা কৰিব আৰু প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিব। তেনে যিকোনো নগদ ধন বা সোণ-ৰূপৰ টুকুৰা মুকলি কৰি দিয়াৰ পূৰ্বে তেওঁলোকে নিৰ্বাচন আয়োগ/মুখ্য নিৰ্বাচনী বিষয়া/সংশ্লিষ্ট নিৰ্বাচন বিষয়াকো জনাব।

৭/ চিআইএছএফ, ৰাজ্যিক আৰক্ষী আৰু আয় কৰ বিভাগৰ দৰে আইন বলৱৎকাৰী অভিকৰণসমূহে এনে এক উপায়েৰে তেওঁলোকৰ নিজা আদৰ্শ সঞ্চালন পদ্ধতি বিকশিত কৰিব, যাতে বিমান বন্দৰত ধৰা পেলোৱাৰ পৰা আৰম্ভ কৰি বাজেয়াপ্ত কৰা বা মুকলি কৰি দিয়ালৈকে সমস্ত ঘটনাক্ৰম ক্লোজ চাৰ্কিট টিভি/ভিডিঅ' কেমেৰাত বন্দী হয়। এই উদ্দেশ্যে চিচি টিভিসমূহ সকলো বাণিজ্যিক বিমান বন্দৰৰে এনেবোৰ ঠাইত সংস্থাপন কৰা হ'ব, য'ত নগদ ধন/ সোণ-ৰূপৰ টুকুৰা ধৰা পেলোৱা হৈছে, গণনা কৰা/বাজেয়াপ্ত কৰা হৈছে আৰু লগতে আয় কৰ বিভাগকে ধৰি আইন বলৱৎকাৰী সংস্থাসমূহৰ সোধা-পোছা কৰা কক্ষসমূহতো সংস্থাপন কৰা হ'ব। চিচি টিভি/ভিডিঅ' কেমেৰাৰে তেনে ৰেকৰ্ডিংসমূহ তিনি মাহৰ বাবে বিমান বন্দৰ অপাৰেটৰ/প্ৰাধিকাৰীৰ ওচৰত সংৰক্ষণ কৰিব লাগিব আৰু প্ৰয়োজন হ'লেই নিৰ্বাচন আয়োগ/চিইঅ'ৰ ওচৰত দাখিল কৰিব লাগিব।

**অবাণিজ্যিক বিমান বন্দৰ/হেলিপেডসমূহত তালাচী ঃ**

দূৰণিবটীয়া/অনিয়ন্ত্ৰিত বিমান বন্দৰ/হেলিপেডসমূহত বিমানৰ বৈমানিকৰ সৈতে সমন্বয়েৰে ৰাজ্য/ কেন্দ্ৰীয় শাসিত অঞ্চলৰ ফ্লায়িং স্কোৱাড বা আৰক্ষী কৰ্তৃপক্ষই বিমানৰ পৰা অহা সকলো টালি-টোপোলাৰ (যিকোনো যাত্ৰীয়ে হাতৰ মুঠিত

লোৱা সৰু হাচটিক বাদ দি) পৰীক্ষণ/কায়িক তালাচী চলাব। যিকোনো প্ৰাৰ্থী বা এজেণ্ট বা দলীয় কৰ্মীৰ হাতত থকা কৰ্তৃত্ববিহীন অস্ত্ৰ-শস্ত্ৰ, নিষিদ্ধ বা চোৰাং সামগ্ৰী, ৫০,০০০/- টকাতকৈ অধিক নগদ ধন সন্দৰ্ভত অনুসন্ধান চলোৱা হ'ব আৰু নিৰ্বাচন আয়োগ বনাম ভাগ্যোদয় জনপৰিষদ আৰু অন্যান্যসকল ডব্লিউ পি নং ২৩১/২০১২, দিনাংক ০৯/১১/২০১২ গোচৰত মহামান্য উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশ অনুসৰি বাজেয়াপ্ত কৰাৰ বাবে বিবেচনা কৰা হ'ব। সি যি কি নহওক, এই কথা স্পষ্ট কৰি দিয়া হৈছে যে তেনে দূৰণিবটীয়া অনিয়ন্ত্ৰিত বিমান বন্দৰ/হেলিপেডসমূহত বিমানৰ পৰা নামি অহাৰ সময়ত যিকোনো যাত্ৰীৰ দেহৰ খানাতালাচী কৰা নহ'ব, যেতিয়ালৈকে মানুহজনে কঢ়িয়াই অনা কৰ্তৃত্ববিহীন অস্ত্ৰ-শস্ত্ৰ বা নিষিদ্ধ সামগ্ৰী ইত্যাদি সম্পৰ্কত নিৰ্দিষ্ট তথ্য নাথাকে।

৯/ দূৰণিবটীয়া/অনিয়ন্ত্ৰিত বিমান বন্দৰ/হেলিপেডসমূহত প্ৰাৰ্থীগৰাকী বা ৰাজনৈতিক দলটোৱে সংশ্লিষ্ট ডিইঅ'ৰ ওচৰত ভ্ৰমণসূচীৰ বিশদ, জিলাখনত অৱতৰণৰ স্থান, বিমান/হেলিকপ্টাৰখনত থকা যাত্ৰীসকলৰ নাম উল্লেখ কৰি অৱতৰণৰ কমেও ২৪ ঘণ্টা পূৰ্বে আৱেদন জনাব লাগিব, যাতে ডিইঅ'গৰাকীয়ে নিৰাপত্তা, আইন-শৃংখলাজনিত বিষয়সমূহত পৰ্যাপ্ত আয়োজন কৰিব পাৰে আৰু হেলিপেডৰ সমন্বয় সাধন কৰিবও পাৰে। তেনে আৱেদন লাভ কৰিলে ডিইঅ'গৰাকীয়ে অগ্ৰাধিকাৰ ভিত্তিত সেইদিনাই অনুমতি প্ৰদান কৰিব।

১০/ প্ৰতিগৰাকী প্ৰাৰ্থীয়ে তেওঁৰ সমষ্টিত বিমান/হেলিকপ্টাৰ অৱতৰণৰ পিছৰ পাঁচ দিনৰ ভিতৰত সংশ্লিষ্ট ৰিটাৰ্ণিং বিষয়াগৰাকীকো বিমান/হেলিকপ্টাৰৰ মালিকী স্বত্ব থকা/লীজ দখল থকা কোম্পানীটোক পৰিশোধ কৰিবলগীয়া ভাড়াৰ ধন, যাত্ৰীসকলৰ নাম আৰু ৰাজনৈতিক দলটোৰ নামৰ (যদিহে দলটোৱে ভাড়াৰ ব্যয় বহন কৰে) বিষয়ে লিখিতভাৱে জনাব।

১১/ সাধাৰণ বিমান পৰিবহন/চাৰ্টাৰ্ড/ব্যক্তিগত বিমান আৰু ৰাজ্য চৰকাৰৰ মালিকানাধীন বা ৰাজ্য চৰকাৰে ভাড়ালৈ লোৱা বিমানত পৰিবহন কৰিবলগীয়া যাত্ৰীসকল, বিমানৰ কৰ্মচাৰীসকল আৰু টালি-টোপোলাবোৰ নিৰ্ধাৰিত বিমানত প্ৰযোজ্য হোৱাৰ দৰে বিমানত উঠাৰ পূৰ্বে সাধাৰণ নিৰাপত্তাজনিত তালাচী প্ৰক্ৰিয়াৰ জৰিয়তে বিমানত উঠোৱা হ'ব। একেদৰে বিমানৰ পৰা নমাৰ ক্ষেত্ৰতো সাধাৰণ পথ অনুসৰণ কৰা হ'ব তেনে যাত্ৰী তথা টালি-টোপোলাবোৰৰ প্ৰস্থানৰ ক্ষেত্ৰত বিমান বন্দৰৰ আন কোনো পথেৰে যোৱাৰ অনুমতি দিয়া নহ'ব। ৰেহাই লাভ কৰা বৰ্গৰ যাত্ৰীসকলে কোনো অসুবিধা নোপোৱাকৈ ওলাই যোৱাৰ বাবে আগতীয়াকৈ সমন্বয় সাধন কৰা হ'ব, কিন্তু তেওঁলোকৰ দখলত থকা টালি-টোপোলাবোৰ পৰীক্ষা কৰা হ'ব।

১২/ সাধাৰণ বিমান পৰিবহন/চাৰ্টাৰ্ড/ব্যক্তিগত বিমান আৰু ৰাজ্য চৰকাৰৰ মালিকানাধীন বা ৰাজ্য চৰকাৰে ভাড়ালৈ লোৱা বিমানৰ ক্ষেত্ৰত আহি উপস্থিত হোৱা যাত্ৰী, বিমানৰ কৰ্মচাৰীৰ টালি-টোপোলা (যিকোনো যাত্ৰীৰ হাতত থকা সৰু হাচটিবোৰৰ বাহিৰে) তাত মোতায়েন কৰা চিআইএছএফ/এএছজি বা ৰাজ্যিক আৰক্ষীয়ে যেনেদৰে মন যায় তেনেদৰে বিমান বন্দৰ অপাৰেটৰে এক্স-বিআইএছ আগবঢ়াব পাৰে। চিআইএছএফ/এএছজিয়ে এই কৰ্তব্য পালনত প্ৰয়োজন হ'লে অতিৰিক্ত মানৱ সম্পদ নিযুক্ত কৰাৰ ব্যৱস্থা কৰিব।

১৩/ একেশাৰীতে টালি-টোপোলা পৰীক্ষণ ব্যৱস্থাত (আইবিএছএছ) নিয়োজিত বিমান বন্দৰ অপাৰেটৰ আৰু অকলশৰীয়াকৈ থকা এক্স-বিআইএছৰ জৰিয়তে টালি-টোপোলাৰ পৰীক্ষাত নিযুক্ত বিমান অপাৰেটৰসকলে কোনো কৰ্তৃত্ববিহীন অস্ত্ৰ-শস্ত্ৰ ধৰা পেলালে কোনো বিলম্ব নকৰাকৈ আৰক্ষীক আৰু সন্দেহযুক্ত ধন/সোণ-ৰূপৰ টুকুৰা হ'লে নিৰ্বাচনমুখী ৰাজ্যখনৰ বিমান বন্দৰত নিযুক্ত আয়কৰ বিষয়া(সকল)ক জনাব। আৰু

১৪/ নিৰ্বাচনী প্ৰক্ৰিয়া চলি থকা সময়ত নিৰ্বাচনমুখী ৰাজ্যসমূহৰ দূৰণিবটীয়া/অনিয়ন্ত্ৰিত বিমানবন্দৰ/হেলিপেডসমূহলৈ/পৰা চলা সাধাৰণ বিমান পৰিবহন/চাৰ্টাৰ্ড/ব্যক্তিগত বিমান আৰু ৰাজ্য চৰকাৰৰ মালিকানাধীন বা ৰাজ্য চৰকাৰে ভাড়ালৈ লোৱা বিমানত কৰ্তৃত্ববিহীন অস্ত্ৰ-শস্ত্ৰ, নিষিদ্ধ সামগ্ৰী আৰু সন্দেহযুক্ত ধন/সোণ-ৰূপৰ টুকুৰাৰ সৰবৰাহত বাধা দিয়াটো জিলা দণ্ডাধীশ/এছপিৰ দায়িত্ব হ'ব।

তালিকাভুক্ত নোহোৱা অপাৰেটৰৰ অনুজ্ঞাধাৰীসকলে (এনএছঅ'পি) নিজাববীয়াকৈ ভাড়াৰ নিৰিখ নিৰ্ধাৰণ কৰিব পাৰিব আৰু তেনে নিৰিখসমূহ ডিজিচিএ(এনএছঅ'পি) কাৰ্যালয়ৰ দ্বাৰা নিয়ন্ত্ৰিত নহ'ব (সংলগ্নীপত্ৰ-ছ৮), ডিজিচিএৰ ৱেবছাইট www.dgca.nic.inৰ লিংক Operators-Non-scheduledত এনএছঅ'পিৰ তালিকা উপলব্ধ।

**চিএএছ-৭(১৫)২০১২/ডিভ-১(নিৰ্বাচন)**
**ভাৰতক চৰকাৰ**
**অসামৰিক বিমান পৰিবহন নিৰাপত্তা ব্যুৰ'**
**(অসামৰিক বিমান পৰিবহন মন্ত্ৰালয়), এ ৰিং, জনপথ ভৱন, জনপথ**
**নতুন দিল্লী-১১০০০১, দিনাংক ঃ ০৩/০৭/২০১৩**

**কাৰ্যালয় স্মাৰকপত্ৰ**

**বিষয় ঃ** নিৰ্বাচনী প্ৰক্ৰিয়া - বিষয় আঞ্চলিক চলি থকা সময়ছোৱাত বিমান বন্দৰৰ মাজেৰে কৰ্তৃত্ববিহীন অস্ত্ৰ-শস্ত্ৰ, নিষিদ্ধ সামগ্ৰী আৰু সন্দেহযুক্ত ধন/সোণ-ৰূপৰ টুকুৰাৰ পৰিবহন ৰোধ কৰিবলৈ সামান্য সাল-সলনি কৰা আদৰ্শ সঞ্চালন পদ্ধতি ঃ

প্ৰসংগ ঃ যুগ্ম সংখ্যা দিনাংক ০৮/০৪/২০১১ আৰু দিনাংক ১৪/০২/২০১২১ অ'এমবোৰ

খবৰ পোৱা গৈছে যে নিৰ্বাচনী প্ৰক্ৰিয়া চলি থকা সময়ত নিৰ্বাচনৰত ৰাজ্যসমূহলৈ চাৰ্টাৰ্ড বিমান/হেলিকপ্টাৰ/বাণিজ্যিক বিমান পথৰ যাত্ৰীসকলৰ জৰিয়তে কৰ্তৃত্ববিহীন অস্ত্ৰ-শস্ত্ৰ, নিষিদ্ধ সামগ্ৰী বা বিপুল পৰিমাণৰ নগদ ধন/সোণ-ৰূপৰ টুকুৰা প্ৰায়ে সৰবৰাহ হৈ আছে। ভাৰতৰ নিৰ্বাচন আয়োগে তেনে ঘটনাবোৰত উদ্বিগ্নতা প্ৰকাশ কৰিছে, যিয়ে নিৰ্বাচনী প্ৰক্ৰিয়া চলি থকা সময়ত ইয়াৰ নিকা চৰিত্ৰত ব্যাঘাত কৰিব পাৰে।

২/ সেইবাবে ভাৰতৰ নিৰ্বাচন আয়োগৰ অনুৰোধ মৰ্মে ইয়াৰ দ্বাৰা নিৰ্দেশ দিয়া হ'ল যে নিৰ্বাচন চলি থকা ৰাজ্যসমূহলৈ ভোটগ্ৰহণৰ বাবে যোৱা তেনে বিমানৰ আৰোহীৰ টালি-টোপোলা/যাত্ৰীসকলৰ ওপৰত ৰাজ্যসমূহৰ বাণিজ্যিক বিমান বন্দৰ আৰু অবাণিজ্যিক সৰু বিমানঘাটী/হেলিকপ্টাৰত চকু ৰাখোঁতে তলত দিয়া ব্যৱস্থাসমূহ ল'ব লাগিব ঃ

**বাণিজ্যিক বিমান বন্দৰত বিমানত উঠাৰ পূৰ্বে তালাচী ঃ**

১/ নিৰ্বাচনী প্ৰক্ৰিয়া চলি থকা সময়ত ব্যক্তি আৰু টালি-টোপোলাৰ কায়িক খানাতালাচী আৰু তালাচী সন্দৰ্ভত সকলো নিয়ম আৰু প্ৰণালী কোনো ব্যতিক্ৰম নোহোৱাকৈ কঠোৰভাৱে বলৱৎ কৰা উচিত। বাণিজ্যিক/চাৰ্টাৰ্ড বিমানকে ধৰি যিকোনো বিমান/হেলিকপ্টাৰত কঢ়িওৱা সকলো যাত্ৰী (নিয়মৰ অধীনত ৰেহাই লাভ কৰাসকলক বাদ দি) আৰু সকলো টালি-টোপোলা (নিয়মৰ অধীনত ৰেহাই লাভ কৰাবোৰক বাদ দি) ভোট গ্ৰহণ চলি থকা ৰাজ্যখনৰ সক্ৰিয় বিমান বন্দৰসমূহৰ বিমানত উঠাৰ পূৰ্বে নিৰাপত্তামূলক তালাচীৰ মাজেৰে পাৰ হৈ যাব।

২/ বাণিজ্যিক বিমান বন্দৰত চাৰ্টাৰ্ড বিমান (গধুৰ বিমানকে ধৰি) আৰু হেলিকপ্টাৰৰ অৱতৰণ বা উৰণৰ বাবে জিলা নিৰ্বাচন বিষয়া (ডিইঅ') বা ৰিটাৰ্ণিং বিষয়া (আৰঅ')ৰ পৰা আগতীয়া অনুমতি লোৱাৰ প্ৰয়োজন নাই। বাণিজ্যিক বিমান বন্দৰত আকাশী যান-বাহন নিয়ন্ত্ৰণ (এটিচি) বিভাগে চাৰ্টাৰ্ড বিমান বা হেলিকপ্টাৰসমূহৰ ভ্ৰমণ পৰিকল্পনাৰ বিষয়ে যথাসম্ভৱ সোনকালে, অগ্ৰাধিকাৰমূলকভাৱে আধা ঘণ্টা আগতীয়াকৈ ৰাজ্যখনৰ মুখ্য নিৰ্বাচনী বিষয়া (চিইঅ') আৰু বিমান বন্দৰ অৱস্থিত জিলাখনৰ ডিইঅ'ক জনাব।

৩/ সি যি কি নহওক, নিৰ্বাচন প্ৰক্ৰিয়া চলি থকা সময়ত এটিচিয়ে সকলো তেনে চাৰ্টাৰ্ড বিমান বা হেলিকপ্টাৰ, বাণিজ্যিক বিমান বন্দৰৰ পৰা উৰণ আৰু তাত অৱতৰণ, অৱতৰণৰ সময়, উৰণৰ সময়, যাত্ৰীৰ তালিকা, যাত্ৰাপথৰ পৰিকল্পনা আদিৰ অভিলেখ ৰাখিব। এটিচিয়ে এই তথ্যৰ এটা প্ৰতিলিপি সংশ্লিষ্ট ৰাজ্যখনৰ চিইঅ'ৰ ওচৰত আৰু বিমান বন্দৰ থকা জিলাখনৰ ডিইঅ'ৰ ওচৰত অৱতৰণ/উৰণৰ দিনাৰ পিছৰ তিনিদিনৰ ভিতৰত উপলব্ধ কৰিব আৰু চিইঅ'/ডিইঅ'ৰে এই তথ্যসমূহ পৰিদৰ্শনৰ সময়ত প্ৰয়োজনীয় সত্যাসত্য নিৰূপণৰ বাবে ব্যয় পৰ্যবেক্ষকৰ ওচৰত উপলব্ধ কৰিব। এটিচিয়ে যেতিয়াই প্ৰয়োজন হয় তেতিয়াই ব্যয় পৰ্যবেক্ষকৰ দ্বাৰা পৰিদৰ্শনৰ বাবে এই অভিলেখো উপলব্ধ কৰিব।

৪/ বিমানলৈ যোৱাৰ বাবে যান-বাহনৰ সুবিধা ল'বলৈ অনুমতিপ্ৰাপ্ত ব্যক্তি/যাত্ৰীসকলৰ (নিয়মৰ অধীনত ৰেহাই নোপোৱা) হাতত লোৱা টালি-টোপোলাকে ধৰি সকলো টালি-টোপোলা কোনো ধৰণৰ সকাহ নিদিয়াকৈ চিআইএছএফ/ৰাজ্যিক/কেন্দ্ৰীয় শাসিত অঞ্চলৰ আৰক্ষীৰ দ্বাৰাও পৰীক্ষা কৰা হ'ব।

৫/ ভোটগ্ৰহণ পৰ্ব চলি থকা ৰাজ্যখনৰ পৰা বা সেই ৰাজ্যখনলৈ উৰা মৰা বিমানৰ টালি-টোপোলাত দহ লাখ টকাতকৈ অধিক ধন, এক কেজি বা ততোধিক ওজনৰক সোণ-ৰূপৰ টুকুৰা ধৰা পেলালে চিআইএছএফ বা ৰাজ্য বা কেন্দ্ৰীয় শাসিত অঞ্চলটোৰ আৰক্ষী কৰ্তৃপক্ষই তাৎক্ষণিকভাৱে আয় কৰ বিভাগক জনাব।

৬/ তথ্য লা ভ কৰাৰ পিছত আয় কৰ বিভাগে আয় কৰ আইন অনুসৰি প্ৰয়োজনীয় সত্যাসত্য নিৰূপণ কৰিব আৰু সন্তোষজনক ব্যাখ্যা নিদিলে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিব। তেনে নগদ ধন বা সোণ-ৰূপৰ টুকুৰা মুকলি কৰি দিয়াৰ পূৰ্বে তেওঁলোকে নিৰ্বাচন আয়োগ/মুখ্য নিৰ্বাচন বিষয়া/সংশ্লিষ্ট জিলা নিৰ্বাচন বিষয়াকো জনাব।

৭/ চিআইএছএফ, ৰাজ্যিক আৰক্ষী আৰু আয় কৰ বিভাগৰ দৰে আইন বলৱৎকাৰী সংস্থাসমূহে তেওঁলোকৰ নিজা আদৰ্শ সঞ্চালন পদ্ধতি (এছঅ'পি) এনেদৰে বিকশিত কৰিব যাতে বিমান বন্দৰত ধৰা পেলোৱাৰ পৰা বাজেয়াপ্ত বা মুকলি কৰালৈকে সমস্ত ঘটনাৱলী ক্লোজ চাৰ্কিট টিভিসমূহ/ভিডিঅ' কেমেৰাই ধৰি ৰাখে। এই উদ্দেশ্যে সকলো বাণিজ্যিক বিমান বন্দৰৰ নগদ ধন/ সোণ-ৰূপৰ টুকুৰা ধৰা পেলোৱা, গণনা কৰা/বাজেয়াপ্ত কৰা ঠাইসমূহ আৰু আয় কৰ বিভাগকে ধৰি আইন বলৱৎকাৰী সংস্থাসমূহৰ সোধা-পোছা কক্ষতো চিচিটিভিসমূহ বহুওৱা হ'ব। চিচিটিভি/ভিডিঅ' কেমেৰাসমূহৰ তেনে ৰেকৰ্ডিংসমূহ বিমান বন্দৰ অপাৰেটৰ/কৰ্তৃপক্ষৰ ওচৰত তিনি মাহৰ বাবে সংৰক্ষণ কৰা হ'ব আৰু যেতিয়াই প্ৰয়োজন হয় নিৰ্বাচন আয়োগ/চিইঅ'ৰ ওচৰত দাখিল কৰা হ'ব।

**অবাণিজ্যিক বিমান বন্দৰ/ হেলিপেডসমূহত তালাচী ঃ**

৮/ দূৰণিবটীয়া/অনিয়ন্ত্ৰিত বিমান বন্দৰ/ হেলিপেডসমূহত ফ্লায়িং স্কোৱাড বা ৰাজ্যখন/ কেন্দ্ৰীয় শাসিত অঞ্চলটোৰ আৰক্ষী কৰ্তৃপক্ষই বিমানৰ বৈমানিকৰ সহযোগিতাত বিমানৰ পৰা অহা সকলো টালি-টোপোলাৰ (মহিলাসকলে হাতত লোৱা পাৰ্চক বাদ দি) পৰীক্ষা/কায়িক তালাচী চলাব। যিকোনো প্ৰাৰ্থী বা এজেণ্ট বা দলীয় কৰ্মীৰ জিম্মাত থকা যিকোনো কৰ্তৃত্ববিহীন অস্ত্ৰ-শস্ত্ৰ, নিষিদ্ধ সামগ্ৰী, ৫০,০০০ হাজাৰ তকাতকৈ অধিক নগদ ধনৰ তদন্ত কৰা হ'ব আৰু নিৰ্বাচন আয়োগ বনাম ভাগ্যোদয় জনপৰিষদ আৰু অন্যান্য ডব্লিউ পি নং ২৩১/২০১২ দিনাংক ১৯/১১/২০১২ গোচৰত মহামান্য উচ্চতম ন্যায়ালয়ে দিয়া নিৰ্দেশ অনুসৰি সেইবোৰ বাজেয়াপ্ত কৰাৰ কথা বিবেচনা কৰা হ'ব। সি যি কি নহওক, এইটো স্পষ্ট কৰি দিয়া হৈছে যে মানুহজনে কঢ়িয়াই অনা কৰ্তৃত্ববিহীন অস্ত্ৰ-শস্ত্ৰ বা নিষিদ্ধ সামগ্ৰী ইত্যাদি সন্দৰ্ভত কোনো নিৰ্দিষ্ট তথ্য নোপোৱালৈকে তেনে দূৰণিবটীয়া অনিয়ন্ত্ৰিত বিমান বন্দৰ/ হেলিপেডসমূহত বিমানৰ পৰা নামি অহাৰ সময়ত যিকোনো যাত্ৰীৰ দেহত তালাচী চলোৱা নহ'ব।

৯/ দূৰণিবটীয়া/অনিয়ন্ত্ৰিত বিমান বন্দৰ/ হেলিপেডসমূহত অৱতৰণৰ কমেও ২৪ ঘণ্টা পূৰ্বে প্ৰাৰ্থী নাইবা ৰাজনৈতিক দলটোৱে বিশদ ভ্ৰমণসূচী, জিলাখনত অৱতৰণৰ স্থান আৰু বিমান/ হেলিকপ্টাৰসমূহৰ যাত্ৰীসকলৰ নাম উল্লেখ কৰি সংশ্লিষ্ট ডিইঅ'গৰাকীৰ ওচৰত আৱেদন জনাব লাগিব, যাতে ডিইঅ'গৰাকীয়ে নিৰাপত্তা, আইন আৰু শৃংখলা বিষয়ত পৰ্যাপ্ত ব্যৱস্থা কৰাৰ লগতে হেলিপেডৰ সমন্বয়ৰো ব্যৱস্থা কৰিব পাৰে। তেনে আৱেদন লাভ কৰিলে ডিইঅ'গৰাকীয়ে একেদিনাই অগ্ৰাধিকাৰৰ ভিত্তিত অনুমতি প্ৰদান কৰিব।

১০/ প্ৰতিগৰাকী প্ৰাৰ্থীয়েও তেওঁৰ সমষ্টিত বিমান/ হেলিকপ্টাৰ অৱতৰণৰ পাঁচ দিনৰ ভিতৰত বিমান/ হেলিকপ্টাৰৰ মালিক/ভাড়ালৈ লোৱা কোম্পানীক প্ৰদান কৰা/প্ৰদান কৰিবলগীয়া ভাড়াৰ নিৰিখ, যাত্ৰীৰ নাম আৰু ৰাজনৈতিক দলৰ নাম (যদিহে দলটোৱে ভাড়াৰ ব্যয় বহন কৰিছে) সংশ্লিষ্ট ৰিটাৰ্ণিং বিষয়াগৰাকীক জনাব।

৩/ ওপৰত দিয়া নিৰ্দেশনাসমূহ এই কাৰ্যালয়ক জনাই থাকি কঠোৰভাৱে মানি চলাটো নিশ্চিত কৰিবলৈ সংশ্লিষ্ট আটাইকে অনুৰোধ জনোৱা হৈছে।

**স্বা/-**
**( আৰ এন ধোকে, আইপিএছ)**
**অতিৰিক্ত নিৰাপত্তা আয়ুক্ত (চিএ)**

**বিতৰণ ঃ**

১/ ৰাজ্যসমূহ/ কেন্দ্ৰীয় শাসিত অঞ্চলসমূহৰ সকলো মুখ্য সচিব।

২/ ডিজি, চিআইএছএফ, ১৩ চিজিঅ' চৌহদ, লোধী ৰোড, নতুন দিল্লী।

৩/ ৰাজ্যসমূহ/কেন্দ্ৰীয় শাসিত অঞ্চলসমূহৰ সকলো ডিজিপি/আইজিপি।

৪/ ডিজিচিএ, ছফদৰজং বিমান বন্দৰৰ বিপৰীতে, নতুন দিল্লী।

৫/ অধ্যক্ষ, এএআই, ছফদৰজং বিমান বন্দৰ, নতুন দিল্লী।

৬/ আৰডিচিঅ'এছ(চিএ), বিচিএএছ, দিল্লী, অমৃতসৰ, মুম্বাই, আহমেদাবাদ, চেন্নাই, হায়দৰাবাদ, কলকাতা আৰু গুৱাহাটী ঃ কঠোৰভাৱে পালনৰ বাবে ।

৭/ এমডি, ডিআইএএল, নতুন উড়ান ভৱন, টাৰ্মিনেল-৩১ বিপৰীতে, আইজিআই বিমানবন্দৰ, নতুন দিল্লী-৩৭

৮/ এমডি, এমআইএএল, চিএছআই বিমান বন্দৰ, প্ৰথম মহলা, টাৰ্মিনেল আইবি, ছাণ্টাক্ৰুজ(পূব), মুম্বাই - ৪০০০০৯

৯/ এমডি, চিআইএএল, কোচিন আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰ লিঃ, কোচিন বিমান বন্দৰ, কোচিন।

১০/ এমডি, এইছআইএএল, হায়দৰাবাদ আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰ লিঃ, চামচাবাদ - ৫০০৪০৯, ৰংগা ৰেড্ডি জিলা, এপি

১১/ এমডি, বিআইএএল, বাংগালোৰ আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰ লিঃ, প্ৰশাসনিক ভৱন, বাংগালুৰু আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰ দেৱনাহাল্লী, বাংগালোৰ - ৫৬০৩০০

১২/ এমডি, এমআইএইছএএন ইণ্ডিয়া প্ৰাইভেট লিমিটেড, ডঃ বাবা চাহেব আম্বেদকাৰ আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰ, নাগপুৰ।

**প্ৰতিলিপি ঃ**

১/ ভাৰতৰ নিৰ্বাচন আয়োগ (শ্ৰী অনুজ জয়পুৰীয়াৰ সচিব) নিৰ্বাচন সদন, অশোকা ৰোড, নতুন দিল্লী ঃ ডব্লিউ. আৰ. টি পত্ৰ নং ৭৬/নিৰ্দেশাৱলী/২০১৩/ইইপিএছ/ভল.১, দিনাংক ২৭ জুন, ২০১৩

২/ ভাৰত চৰকাৰৰ অসামৰিক বিমান পৰিবহন মন্ত্ৰালয়ৰ সচিব, ৰাজীৱ গান্ধী ভৱন, ছফদৰজং বিমান বন্দৰ, নতুন দিল্লী

৩/ অধ্যক্ষ, চিবিডিটি, নৰ্থ ব্লক, নতুন দিল্লী

৪/ যুটীয়া সচিব, আইবি, ৩৫ এছপি মাৰ্গ, নতুন দিল্লী।

**আভ্যন্তৰীণ ঃ**

১/ যুটীয়া চিঅ'এছচিএৰ পিপিএছ

২/ শ্ৰী আৰ এন ধোকে, অতিৰিক্ত চিঅ'এছ(ছিএ), ন'ডেল বিষয়া, দূৰভাষ নং ০১১-২৩৩১১৪৬৭, ভ্ৰাম্যভাষ নং +৯১৯০১৩৬২৬৫০৫, দূৰভাষ নং (০১১)২৩৩১১৪৬৭, ভ্ৰাম্যভাষ নং +৯১৯০১৩৬২৬৫০৫

৩/ শ্ৰী এম টি বেইগ, সহকাৰী নিৰাপত্তা আয়ুক্ত (চিএ), বিকল্প নডেল বিষয়া, দূৰভাষ নং (০১১) ২৩৭৩১৭২১

৪/ বিচিএএছ মুখ্য কাৰ্যালয়ৰ সকলো বিষয়া।

**স্বা/-**
**( আৰ এন ধোকে, আইপিএছ)**
অতিৰিক্ত নিৰাপত্তা আয়ুক্ত

**সংলগ্নীপত্ৰ - জি২**
সীমিত

নং চিএএছ-৭(১৫)/২০১২/ডিভ-১(নিৰ্বাচন)
ভাৰত চৰকাৰ
অসামৰিক বিমান পৰিবহন মন্ত্ৰালয়, অসামৰিক বিমান পৰিবহন নিৰাপত্তা ব্যুৰ'
'এ' ৱিং - ১, ২, ৩, জনপথ ভৱন, জনপথ
নতুন দিল্লী - ১১০০০১
১১/১০/২০১৩

কাৰ্যালয় স্মাৰকপত্ৰ দিনাংক ০৪/১০/২০১৩১ত সংযোজন

বিষয় ঃ দিল্লীৰ ৰাষ্ট্ৰীয় ৰাজধানী  ক্ষেত্ৰ, ছত্তিশগড়, ৰাজস্থান, মধ্যপ্ৰদেশ আৰু মিজোৰাম বিধানসভাৰ সাধাৰণ নিৰ্বাচন ২০১৩

ভোটগ্ৰহণ চলি থকা ৰাজ্যসমূহত চলিত নিৰ্বাচনী প্ৰক্ৰিয়াৰ সময়ছোৱাত স্থাপিত বিমান বন্দৰৰ যোগেদি কৰ্তৃত্ববিহীন অস্ত্ৰ-শস্ত্ৰ, নিষিদ্ধ সামগ্ৰী, সন্দেহযুক্ত ধন/ সোণ-ৰূপৰ টুকুৰাৰ সৰবৰাহ ৰোধ কৰিবলৈ সংশোধিত এছঅ'পিৰ ৰূপায়ণ সন্দৰ্ভত যুগ্ম সংখ্যাৰ এই কাৰ্যালয় এমঅ'লৈ তথ্যৰ উৎস আহ্বান কৰা হৈছে। অতিৰিক্তভাৱে তলত দিয়া নিৰ্দেশাৱলী মানি চলিব লাগিব ঃ

১১/ সাধাৰণ বিমান পৰিবহন/চাৰ্টাৰ্ড/ব্যক্তিগত বিমান আৰু ৰাজ্য চৰকাৰৰ মালিকানাধীন বা ৰাজ্য চৰকাৰে ভাড়ালৈ লোৱা বিমানত পৰিবহন কৰিবলগীয়া যাত্ৰীসকল, বিমানৰ কৰ্মচাৰীসকল আৰু টালি-টোপোলাবোৰ নিৰ্ধাৰিত বিমানত প্ৰযোজ্য হোৱাৰ দৰে বিমানত উঠাৰ পূৰ্বে সাধাৰণ নিৰাপত্তাজনিত তালাচী প্ৰক্ৰিয়াৰ জৰিয়তে বিমানত উঠোৱা হ'ব। একেদৰে বিমানৰ পৰা নমাৰ ক্ষেত্ৰতো সাধাৰণ পথ অনুসৰণ কৰা হ'ব আৰু তেনে যাত্ৰী তথা টালি-টোপোলাবোৰৰ প্ৰস্থানৰ ক্ষেত্ৰত বিমান বন্দৰৰ আন কোনো পথেৰে যোৱাৰ অনুমতি দিয়া নহ'ব। ৰেহাই লাভ কৰা বৰ্গৰ যাত্ৰীসকলে কোনো অসুবিধা নোপোৱাকৈ ওলাই যোৱাৰ বাবে আগতীয়াকৈ সমন্বয় সাধন কৰা হ'ব, কিন্তু তেওঁলোকৰ দখলত থকা টালি-টোপোলাবোৰ পৰীক্ষা কৰা হ'ব।

১৩/ সাধাৰণ বিমান পৰিবহন/চাৰ্টাৰ্ড/ব্যক্তিগত বিমান আৰু ৰাজ্য চৰকাৰৰ মালিকানাধীন বা ৰাজ্য চৰকাৰে ভাড়ালৈ লোৱা বিমানৰ ক্ষেত্ৰত আহি উপস্থিত হোৱা যাত্ৰী, বিমানৰ কৰ্মচাৰীৰ টালি-টোপোলা (যিকোনো যাত্ৰীৰ হাতত থকা সৰু হাচটিবোৰৰ বাহিৰে) তাত মোতায়েন কৰা চিআইএছএফ/এএছজি বা ৰাজ্যিক আৰক্ষীয়ে যেনেদৰে মন যায় তেনেদৰে বিমান বন্দৰ অপাৰেটৰে এক্স-বিআইএছ আগবঢ়াব পাৰে। চিআইএছএফ/এএছজিয়ে এই কৰ্তব্য পালনত প্ৰয়োজন হ'লে অতিৰিক্ত মানৱ সম্পদ নিযুক্ত কৰাৰ ব্যৱস্থা কৰিব।

১৪/ একেশাৰীতে টালি-টোপোলা পৰীক্ষণ ব্যৱস্থাত (আইবিএছএছ) নিয়োজিত বিমান বন্দৰ অপাৰেটৰ আৰু অকলশৰীয়াকৈ থকা এক্স-বিআইএছৰ জৰিয়তে টালি-টোপোলাৰ পৰীক্ষাত নিযুক্ত বিমান অপাৰেটৰসকলে কোনো কৰ্তৃত্ববিহীন অস্ত্ৰ-শস্ত্ৰ ধৰা পেলালে কোনো বিলম্ব নকৰাকৈ আৰক্ষীক আৰু সন্দেহযুক্ত ধন/ সোণ-ৰূপৰ টুকুৰা হ'লে নিৰ্বাচনমুখী ৰাজ্যখনৰ বিমান বন্দৰত নিযুক্ত আয়কৰ বিষয়া(সকল)ক জনাব। আৰু

১৫/ নিৰ্বাচনী প্ৰক্ৰিয়া চলি থকা সময়ত নিৰ্বাচনমুখী ৰাজ্যসমূহৰ দূৰণিবটীয়া/অনিয়ন্ত্ৰিত বিমানবন্দৰ/হেলিপেডসমূহলৈ/পৰা চলা সাধাৰণ বিমান পৰিবহন/চাৰ্টাৰ্ড/ব্যক্তিগত বিমান আৰু ৰাজ্য চৰকাৰৰ মালিকানাধীন বা ৰাজ্য চৰকাৰে ভাড়ালৈ লোৱা বিমানত কৰ্তৃত্ববিহীন অস্ত্ৰ-শস্ত্ৰ, নিষিদ্ধ সামগ্ৰী আৰু সন্দেহযুক্ত ধন/ সোণ-ৰূপৰ টুকুৰাৰ সৰবৰাহত বাধা দিয়াটো জিলা দণ্ডাধীশ/এছপিৰ দায়িত্ব হ'ব।

ৰাজ্যসমূহত ভোটগ্ৰহণ প্ৰক্ৰিয়া সমাপ্ত নোহোৱালৈকে এই নীতি-নিৰ্দেশনাসমূহ কঠোৰভাৱে পালন কৰিব লাগিব আৰু ওপৰত দিয়া নিৰ্দেশাৱলী বলৱৎ হৈ থাকিব।

স্বা/-
( আৰ এন ধোকে, আইপিএছ)
অতিৰিক্ত নিৰাপত্তা আয়ুক্ত (চিএ)

বিতৰণ ঃ

১/ ৰাজ্যসমূহ/ কেন্দ্ৰীয় শাসিত অঞ্চলসমূহৰ সকলো মুখ্য সচিব।

২/ ডিজি, চিআইএছএফ, ১৩ চিজিঅ' চৌহদ, লোধী ৰোড, নতুন দিল্লী।

৩/ ৰাজ্যসমূহ/কেন্দ্ৰীয় শাসিত অঞ্চলসমূহৰ সকলো ডিজিপি/আইজিপি।

৪/ ডিজিচিএ, ছফদৰজং বিমান বন্দৰৰ বিপৰীতে, নতুন দিল্লী।

৫/ অধ্যক্ষ, এএআই, ছফদৰজং বিমান বন্দৰ, নতুন দিল্লী।

৬/ আৰডিচিঅ'এছ(চিএ), বিচিএএছ, দিল্লী, অমৃতসৰ, মুম্বাই, আহমেদাবাদ, চেন্নাই, হায়দৰাবাদ, কলকাতা আৰু গুৱাহাটী ঃ কঠোৰভাৱে পালনৰ বাবে ।

৭/ এমডি, ডিআইএএল, নতুন উড়ান ভৱন, টাৰ্মিনেল-৩১ বিপৰীতে, আইজিআই বিমানবন্দৰ, নতুন দিল্লী-৩৭

৮/ এমডি, এমআইএএল, চিএছআই বিমান বন্দৰ, প্ৰথম মহলা, টাৰ্মিনেল আইবি, ছাণ্টাক্ৰুজ(পূব), মুম্বাই - ৪০০০০৯

৯/ এমডি, চিআইএএল, কোচিন আন্তঃৰাষ্ট্ৰীয় বিমান বন্দন লিঃ, কোচিন বিমান বন্দৰ, কোচিন।

১০/ এমডি, এইছআইএএল, হায়দৰাবাদ আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰ লিঃ, চামচাবাদ - ৫০০৪০৮

১১/ এমডি, বিআইএএল, বাংগালোৰ আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰ লিঃ, প্ৰশাসনিক ভৱন, বাংগালুৰু আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰ দেৱনাহাল্লী, বাংগালোৰ - ৫৬০৩০০

১২/ এমডি, এমআইএইছএএন ইণ্ডিয়া প্ৰাইভেট লিমিটেড, ডঃ বাবা চাহেব আম্বেদকাৰ আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰ, নাগপুৰ।

প্ৰতিলিপি ঃ

১/ ভাৰতৰ নিৰ্বাচন আয়ুক্ত (শ্ৰী এছ কে ৰুদোলা, সচিবৰ মনোযোগ আকৰ্ষণৰ বাবে), নিৰ্বাচন সদন, অশোকা ৰোড, নতুন দিল্লী ঃ ডব্লিউ. আৰ. টি পত্ৰ নং ৭৬/নিৰ্দেশাৱলী/২০১৩/ইইপিএছ/ভল.৬/৩৩০, দিনাংক ৩০/০৯/২০১৩

২/ ভাৰত চৰকাৰৰ অসামৰিক বিমান পৰিবহন মন্ত্ৰালয়ৰ সচিব, ৰাজীৱ গান্ধী ভৱন, ছফদৰজং বিমান বন্দৰ, নতুন দিল্লী

৩/ অধ্যক্ষ, চিবিডিটি, নৰ্থ ব্লক, নতুন দিল্লী

৪/ যুটীয়া সচিব, আইব, ৩৫ এছপি মাৰ্গ, নতুন দিল্লী।

**আভ্যন্তৰীণ ঃ**

১/ যুটীয়া চিঅ'এছচিএৰ পিপিএছ

২/ শ্ৰী আৰ এন ধোকে, অতিৰিক্ত চিঅ'এছ(ছিএ), ন'ডেল বিষয়া, দূৰভাষ নং ০১১-২৩৩১১৪৬৭, ভ্ৰাম্যভাষ নং +৯১৯০১৩৬২৬৬০৫

৩/ শ্ৰী এম টি বেইগ, সহকাৰী নিৰাপত্তা আয়ুক্ত (চিএ), বিকল্প নডেল বিষয়া, দূৰভাষ নং (০১১) ২৩৭৩১৭২১

৪/ বিচিএএছ মুখ্য কাৰ্যালয়ৰ সকলো বিষয়া।

**সংলগ্নীপত্ৰ-জি ৩**

অতি জৰুৰী

এফ নং চিএএছ-৭(১৫)২০১২/ডিভ (নিৰ্বাচন)
ভাৰত চৰকাৰ, অসামৰিক বিমান পৰিবহন মন্ত্ৰালয়
অসামৰিক বিমান পৰিহন নিৰাপত্তা ব্যুৰ'
এ ৰিং, ১-৩ মহলা, জনপথ ভৱন
জনপথ, নতুন দিল্লী - ১১০০০১
দিনাংক ঃ ১২/১১/২০১৩

প্ৰতি
মহাপৰিদৰ্শক,
চিআইএছএফ (বিমান বন্দৰ খণ্ড)
১৩, চিজিঅ' চৌহদ
নতুন দিল্লী

বিষয় ঃ ৰাষ্ট্ৰীয় ৰাজধানী ক্ষেত্ৰ দিল্লী, ছত্তিশগড়, ৰাজস্থান, মধ্যপ্ৰদেশ আৰু মিজোৰাম বিধানসভা নিৰ্বাচন

মহাশয়,

নিৰ্বাচন আয়োগৰ পত্ৰ নং ৭৩৯ দিনাংক ০১/১১/২০১৩ ৰ প্ৰতি সঁহাৰি জনাই ওপৰত উল্লেখ কৰা বিষয়টো সন্দৰ্ভত চিআইএছএফ পত্ৰ নং ১০৬৭৯ দিনাংক ৯/১১/২০১৩ লৈ তথ্য উৎস আহ্বান কৰা হৈছে।

২/ এই সম্পৰ্কত যুগ্ম সংখ্যা দিনাংক ১১/১০/২০১৩ (প্ৰতিলিপি গাঠি দিয়া হৈছে)ৰ বিচিএএছে আন কথাৰ সৈতে বুজায় যে সাধাৰণ বিমান পৰিবহন/চাৰ্টাৰ্ড/ব্যক্তিগত বিমান আৰু ৰাজ্য চৰকাৰৰ মালিকানাধীন বা ৰাজ্য চৰকাৰে ভাড়ালৈ লোৱা বিমানত পৰিবহন কৰিবলগীয়া যাত্ৰী, বিমানৰ কৰ্মচাৰী আৰু টালি-টোপোলাক তালিকাভুক্ত বিমান উৰণৰ ক্ষেত্ৰত প্ৰযোজ্য হোৱাৰ দৰে বিমানত উঠাৰ আগে আগে কৰা নিৰাপত্তামূলক তালাচী প্ৰণালীৰ জাৰিয়তে বিমানত উঠোৱা হ'ব। একেদৰে, বিমানৰ পৰা নমাৰ সাধাৰণ পথ অনুসৰণ কৰা হ'ব আৰু তেনে যাত্ৰী তথা টালি-টোপোলাৰ প্ৰস্থান বিমান বন্দৰৰ আন যিকোনো পথেৰে অনুমোদিত কৰা হ'ব। তদুপৰি এএআইয়ে তেওঁলোকৰ চিঠি নং ১৫৮৩ দিনাংক ৮/১১/২০১৩ (প্ৰতিলিপি গাঠি দিয়া হৈছে) যোগে যুগ্ম সংখ্যাৰ এই কাৰ্যালয় পত্ৰ, দিনাংক ০১/১১/২০১৩ ৰ প্ৰতি সঁহাৰি জনাই উপৰিউক্ত নিৰ্দেশাৱলীৰ ওপৰত জোৰ দি বিমান বন্দৰ সমূহলৈ নিৰ্দেশনা দিছে। ওপৰত কোৱা কৰ্তব্যসমূহ বৰ্তমানৰ মানৱশক্তিকে পুনৰ মোতায়েন কৰি সফল কৰিব পাৰি।

৩/ ওপৰত উল্লেখ কৰা দৃষ্টিকোণেৰে এই কাৰ্যালয়ৰ তথ্যৰ অধীনত ওপৰত দিয়া প্ৰণালীসমূহ বলৱৎ কৰিবলৈ আপোনাক অনুৰোধ জনোৱা হ'ল।

সংলংগ্ন বিষয় ঃ ওপৰত দিয়াৰ দৰে

আপোনাৰ বিশ্বাসী
স্বা/-
( আৰ এন ধোকে)
অতিৰিক্ত নিৰাপত্তা আয়ুক্ত (চিএ)

প্ৰতিলিপি ঃ

১/ মুখ্য সচিব, মধ্যপ্ৰদেশ
২/ ডিজিপি, মধ্য প্ৰদেশ আৰক্ষী
৩/ অধ্যক্ষ, এএআই, আৰজি ভৱন, নতুন দিল্লী

**অৱগতিৰ বাবে প্ৰতিলিপি ঃ**

১/ ভাৰতৰ নিৰ্বাচন আয়ুক্ত (শ্ৰী বি বি গাৰ্গ, যুটীয়া সচিব), নিৰ্বাচন সদন, অশোকা ৰোড, নতুন দিল্লী - ০১

**আভ্যন্তৰীণ ঃ** যুটীয়া চিঅ'এছচিএৰ পিএছ, এচিঅ'এছ (এছ)ৰ পিএছ, সকলো আৰডিচিঅ'এছ, বিচি

# ভাৰতৰ নিৰ্বাচন আয়োগ

## নিৰ্বাচন সদন, অশোকা ৰোড, নতুন দিল্লী - ১১০০০১

ফাইল নং ঃ ৭৬/আদেশাৱলী/ই ই পি এছ/২০১৫/খণ্ড -৫ দিনাংক ঃ ১৮ এপ্ৰিল, ২০১৩

প্ৰতি,

মুখ্য নিৰ্বাচন বিষয়া
কৰ্ণাটক, বাংগালোৰ

**বিষয় ঃ খাদ্য যোগান, গণ বিবাহ, জব্দকৃত নগদ ধন আৰু অন্যান্য বিষয় সন্দৰ্ভত নিৰ্বাচনী ব্যয় সংক্ৰান্তীয় স্পষ্টীকৰণ।**

মহাশয়,

আপোনাৰ নম্বৰ শূন্য, তাৰিখ ১৩-০৪-২০১৩ ই-মেইলযোগে প্ৰাপ্ত পত্ৰ সন্দৰ্ভত নিম্নোক্ত স্পষ্টীকৰণ আগবঢ়োৱা হ'ল—

১। **ৰাজনৈতিক দল অথবা প্ৰাৰ্থীয়ে সংগঠিত কৰা সমাৰেশলৈ অহা লোকসকলক খাদ্য, শীতল পানীয়, মাখনযুক্ত গাখীৰ আদি আগবঢ়োৱা সন্দৰ্ভত—**

(ক) জন প্ৰতিনিধিত্ব আইন, ১৯৫১-ৰ ৭৭ অনুচ্ছেদ অনুসৰি প্ৰাৰ্থী অথবা তেওঁৰ দ্বাৰা কৰ্তৃত্বপ্ৰাপ্ত নিৰ্বাচনী এজেণ্টে মনোনয়ন-পত্ৰ দাখিল আৰু নিৰ্বাচনৰ ফলাফল ঘোষণাৰ মাজৰ সময়ছোৱাত নিৰ্বাচন সংক্ৰান্তীয় সকলো ব্যয়ৰ হিচাপ পৃথকভাৱে আৰু শুদ্ধকৈ ৰাখিব লাগিব। এনে সমাৰেশ/সভাৰ ক্ষেত্ৰত উল্লিখিত শিতানত হোৱা খা-খৰচ প্ৰাৰ্থী (সকল)ৰ নিৰ্বাচনী ব্যয়ত সন্নিৱিষ্ট কৰিব লাগিব। যদি সমাৰেশ/সভা ৰাজনৈতিক দলে সংগঠিত কৰে, তেতিয়া এনেধৰণৰ শিতানত হোৱা ব্যয় কানৱাৰ লাল গুপ্তা বনাম অমৰনাথ চাওলা গোচৰ (এ আই আৰ ১৯৭৫ এছ চি ৩০৮, তাৰিখ ১০-০৪-১৯৭৪)-ত সন্মানীয় ভাৰতৰ উচ্চতম ন্যায়ালয়ে দিয়া নিৰ্বাচনী ব্যয় বিষয়ক নিৰ্দেশাৱলী মাৰ্চ, ২০১৩ৰ ১০.২ দফাত থকা চৰ্তাৱলীৰ সৈতে সংগতিপূৰ্ণ হ'ব লাগিব।

(খ) অৱশ্যে, সমাৰেশত যোগদান কৰা লোকসকলক পানী অথবা মাখনযুক্ত গাখীৰ যোগানৰ বিষয়টো ভাৰতীয় দণ্ডবিধিৰ ১৭১ বি ধাৰা অনুসৰি উপঢৌকনৰ শাৰীত নপৰে।

২। **গণ বিবাহ ঃ** এনে ধৰণৰ কাৰ্যত আয়োগৰ নিষেধাজ্ঞা নাই। যদিহে এনে অনুষ্ঠানক নিৰ্বাচনী প্ৰচাৰৰ উদ্দেশ্যে ব্যৱহাৰ কৰা বুলি কোনোধৰণৰ সন্দেহ হয়, তেতিয়া তেনে বিষয় নিৰীক্ষণ কৰা উচিত। অৱশ্যে, প্ৰাৰ্থীৰ ব্যয় নিৰ্বাচনী ব্যয় নিৰীক্ষণ— মাৰ্চ, ২০১৩ৰ নিৰ্দেশাৱলীৰ ৫.১০.২ আৰু ৫.১০.৩ দফাৰ আদেশ অনুসৰি নিয়ন্ত্ৰিত হ'ব লাগিব।

৩। **কনভয়/মটৰ চাইকেল সমদল ঃ** আয়োগে ৪৩৭/৬/নিৰ্দেশ/২০১০ চি চি এণ্ড বি ই, তাৰিখ ৫ অক্টোবৰ, ২০১০ যোগে সিদ্ধান্ত লৈছে যে নিৰ্বাচনী আচৰণ বিধি বলৱৎ হৈ থকা কালছোৱাত কোনো ৰাজনৈতিক দল আৰু প্ৰাৰ্থীৰ কনভয়ত প্ৰাৰ্থী, ৰাজনৈতিক দল আদিৰ নেতাসকলক কনভয়ৰ বাবে প্ৰদান কৰা সুৰক্ষাজনিত বাহনক বাদ দি দহখনতকৈ অধিক বাহন থাকিব নোৱাৰিব।

৪। **জব্দকৃত ধন অথবা অন্যান্য সামগ্ৰী ছায়া পৰ্যবেক্ষণৰ পঞ্জীয়নত নথিভুক্ত হ'ব লাগিব ঃ** বৰ্তমান বলৱৎ হৈ থকা নিৰ্দেশ অনুযায়ী, যদিহে জব্দকৃত ধন অথবা অন্যান্য সামগ্ৰী কোনো প্ৰাৰ্থীৰ সৈতে সম্পৰ্কিত বুলি জানিব পৰা হয়, তেতিয়া ৰিটাৰ্ণিং বিষয়া (আৰ অ') অথবা তেওঁৰ দ্বাৰা কৰ্তৃত্বপ্ৰাপ্ত কোনো অন্য বিষয়াই অভিযোগ দাখিল/এজাহাৰ দাখিল কৰাৰ পিছত তেনে অভিযোগ/এজাহাৰৰ প্ৰতিলিপি নিৰ্বাচনী ব্যয় পৰ্যবেক্ষক/সহকাৰী ব্যয় পৰ্যবেক্ষকলৈ প্ৰেৰণ কৰিব লাগিব আৰু তেওঁলোকে তাক ছায়া পৰ্যবেক্ষণ পঞ্জীয়নত

সেই বিষয়ে উল্লেখ কৰিব। আয়োগৰ আদেশ নং ৭৬/নির্দেশাৱলী/২০১৩/ই ই পি এছ/খণ্ড ১, তাৰিখ ২১ মার্চ, ২০১৩ (নির্বাচনী ব্যয় নিৰীক্ষণ, মার্চ, ২০১৩-ৰ নির্দেশাৱলীৰ সংলগ্নীকৰণ-৭৩)-ৰ ৬ নং দফাৰ আংশিক সংশোধনীত এই কথা স্পষ্ট কৰি দিয়া হৈছে যে জব্দকৃত ধনৰাশি প্ৰাৰ্থীৰ নির্বাচনী ব্যয়ৰূপে গণ্য কৰা নহ'ব, যেতিয়ালৈকে আদালতত দাখিল কৰা গোচৰ চূড়ান্তভাৱে নিষ্পত্তি নহয় আৰু সেই সময়লৈকে জব্দকৃত ধনৰাশি ছায়া পর্যবেক্ষণ পঞ্জীয়নত অন্তৰ্ভুক্ত কৰা নহ'ব। অভিযোগ/এজাহাৰৰ প্ৰতিলিপি সাক্ষ্যৰ নথিত সন্নিৱিষ্ট কৰি ৰাখিব লাগিব।

আপোনাৰ বিশ্বাসী
স্বাক্ষৰ
(এছ কে ৰুডোলা)
সচিব

# ভাৰতৰ নিৰ্বাচন আয়োগ

## নিৰ্বাচন সদন, অশোকা ৰোড, নতুন দিল্লী - ১১০০০১

নং ৭৬/আদেশাৱলী/ই ই পি এছ্/২০১৩/খণ্ড -২ দিনাংক ঃ ১৬ জানুৱাৰী, ২০১৩

প্ৰতি,

অধ্যক্ষ
কেন্দ্ৰীয় ব'ৰ্ড, প্ৰত্যক্ষ কৰ বিভাগ
বিত্ত মন্ত্ৰণালয়, নৰ্থ ব্লক,
নতুন দিল্লী

**বিষয় ঃ নগালেণ্ড, ত্ৰিপুৰা আৰু মেঘালয় বিধান সভাৰ নিৰ্বাচন - ২০১৩, নিৰ্বাচনী ব্যয় নিৰীক্ষণ-পঞ্জীয়ন সন্দৰ্ভত আয়োগৰ নিৰ্দেশাৱলীৰ সংশোধন।**

মহাশয়,

(১) আদেশানুযায়ী জনাবলৈ বিচাৰিছোঁ যে নগালেণ্ড, ত্ৰিপুৰা আৰু মেঘালয় বিধানসভাৰ সাধাৰণ নিৰ্বাচনৰ সূচী আয়োগে ১১-০১-২০১৩ তাৰিখৰ প্ৰেছ বিজ্ঞপ্তিযোগে ঘোষণা কৰিছে আৰু এই সন্দৰ্ভত উল্লিখিত ৰাজ্যকেইখনৰ মুখ্য নিৰ্বাচনী বিষয়া কেইগৰাকীলৈ নিৰ্বাচনৰ সময়ছোৱাত নিৰ্বাচনী ব্যয় সম্পৰ্কীয় নিৰীক্ষণ বিষয়ক আয়োগৰ পত্ৰ নং ৭৬/আদেশাৱলী/২০১২/ই ই পি এছ, তাৰিখ ২৭ জুলাই, ২০১২ আৰু একেদৰে ১৭-১২-২০১২ আৰু ১৫-০১-২০১৩ তাৰিখৰ সংশোধিত পত্ৰ (প্ৰতিলিপি সংলগ্ন কৰা হৈছে)ৰ প্ৰতি আপোনাৰ দৃষ্টি আকৰ্ষণ কৰিব বিচৰা হৈছে।

(২) যিহেতু ক'লাধনে নিৰ্বাচন প্ৰক্ৰিয়াৰ পৱিত্ৰতা বিনষ্ট কৰে, সেয়ে নিৰ্বাচনৰ সময়ছোৱাত ক'লা ধনৰ ব্যৱহাৰ ৰোধ কৰাৰ বাবে তলত উল্লেখ কৰা ধৰণে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিববৈলে আপোনাক অনুৰোধ জনোৱা হ'ল।

(ক) **আয়কৰ বিভাগৰ দ্বাৰা নিৰীক্ষণ ঃ**

নিৰ্বাচনত অঘোষিত নগদ ধনৰ সৰবৰাহ হ'ব পৰা ৰাজ্যৰ সকলো বিমান বন্দৰ, ৰে'ল ষ্টেচন, হোটেল, ফাৰ্ম হাউছ, হাৱালা এজেণ্ট, বিত্তীয় দালাল, নগদ ধন পৰিবাহক, দালাল আৰু অন্যান্য সন্দেহযুক্ত সংস্থা/ব্যক্তিৰ চালচলন সম্পৰ্কে আয়কৰ বিভাগে তীক্ষ্ণ দৃষ্টি ৰাখিব লাগিব। এই উদ্দেশ্য আয়োগে আয়কৰ বিভাগ (অনুসন্ধান)ৰ সঞ্চালক প্ৰধানৰ তত্ত্বাৱধানত বিষয়া আৰু কৰ্মীসকলৰ সেৱা অধিগ্ৰহণ কৰিছে। কোনো ৰাজ্যত নিৰ্বাচনৰ অধিসূচনা জাৰি হোৱাৰ ঠিক পিছতে আয়কৰ বিভাগৰ সিদ্ধান্ত অনুযায়ী অনুসন্ধান সঞ্চালকালয়ৰ বিষয়াসকলক সংশ্লিষ্ট ৰাজ্য, ৰাজ্যৰ ৰাজধানী অথবা স্পৰ্শকাতৰ স্থানসমূহত নিয়োগ কৰা হ'ব।

(খ) এই উদ্দেশ্যে আয়কৰ বিভাগ (অনুসন্ধান)ৰ সঞ্চালক প্ৰধানে ২৪×৭-ৰ সুবিধাযুক্ত এটা নিয়ন্ত্ৰণ কক্ষ আৰু অভিযোগ নিৰীক্ষণ কোষ স্থাপনৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিব, ৰাজ্যৰ ৰাজধানীক অগ্ৰাধিকাৰ দি, য'ত 'টোলফ্ৰী' টেলিফোন নম্বৰৰ জৰিয়তে নিৰ্বাচনত ভোটাৰক উপঢৌকন দিবৰ বাবে নগদ ধন অথবা অন্যান্য সামগ্ৰীৰ সৰবৰাহ সম্পৰ্কীয় অভিযোগ আৰু তথ্য গ্ৰহণৰ ব্যৱস্থা থাকিব। আয়কৰ বিভাগৰ অনুসন্ধান সঞ্চালকালয়ে প্ৰাপ্ত অভিযোগ আৰু তথ্যৰ ভিত্তিত স্বতন্ত্ৰভাৱে তদন্ত কৰিব আৰু তেওঁলোকে যাতে আৱশ্যকীয় ব্যৱস্থা গ্ৰহণ কৰিব পাৰে, তাৰ বাবে ডি ই অ'-ই তেওঁলোকক নিৰাপত্তা বাহিনীৰ লোক প্ৰদান কৰিব।

(গ) তদুপৰি, অনুসন্ধান সঞ্চালকালয় আৰু ভাৰত চৰকাৰৰ বিত্তীয় চোৰাংচোৱা গোট (এফ আই ইউ)-এ ভাৰতৰ নিৰ্বাচন আয়োগ (ই চি আই)ৰ ৱেবছাইটৰপৰা প্ৰাৰ্থীসকলে ঘোষণা কৰা নিজৰ সা-সম্পত্তি আৰু

দেনা বিষয়ক এফিডেভিট ডাউনলোড কৰিব। এছ আই ইউ-এ লগতে প্ৰাৰ্থী সম্পৰ্কে তেওঁলোকৰ ওচৰত থকা তথ্য পৰীক্ষা কৰিব আৰু সেয়া চি বি ডি টিযোগে ৰাজ্যৰ ডি জি আই টি (ইনভেষ্টিগেচন)লৈ প্ৰেৰণ কৰিব। অনুসন্ধান সঞ্চালকালয়েও আয়কৰ বিভাগৰ ওচৰত থকা তথ্য পৰীক্ষা কৰিব আৰু কোনো প্ৰাৰ্থীৰ সা-সম্পত্তি অথবা দেনা বিষয়ক কোনো তথ্য গাপ দিয়াৰ বিষয়ে দৃষ্টি আকৰ্ষণ হ'লেই সেয়া আয়োগলৈ প্ৰেৰণ কৰিব। প্ৰাৰ্থীৰ সা-সম্পত্তি বিষয়ক তদন্তৰ প্ৰতিবেদন যিকোনো ক্ষেত্ৰতে নিৰ্বাচনৰ দিনাৰপৰা ছমাহতকৈ আগেয়ে প্ৰেৰণ কৰিব লাগিব।

অনুসন্ধান সঞ্চালকালয়ে নিৰ্বাচনী প্ৰচাৰ অভিযানৰ অথবা তেওঁলোকৰ স্বতন্ত্ৰ অনুসন্ধানৰ সময়ত কোনো প্ৰাৰ্থী অথবা ৰাজনৈতিক দলৰ নিৰ্বাচনী ব্যয় সম্পৰ্কীয় কোনো তথ্য আহৰণ কৰিলে, কোনো ব্যক্তি অথবা প্ৰাৰ্থীৰ সৈতে জড়িত তেনে তথ্য নিৰ্বাচনৰ আগেয়ে অথবা পিছত আয়োগলৈ প্ৰেৰণ কৰিব লাগিব।

(ঙ) তদুপৰি, আয়কৰ বিভাগৰ অনুসন্ধান সঞ্চালকালয়ে নিৰ্বাচন অনুষ্ঠিত হ'বলগীয়া ৰাজ্যসমূহত বৰঙণি লোৱা আৰু বিধিসন্মতভাৱে ৰিটাৰ্ণ দাখিল নকৰাকৈ কৰ ৰেহাইৰ সুবিধা লোৱা ৰাজনৈতিক দলৰ বিষয়ে আয়োগৰ ওচৰত প্ৰতিবেদন দাখিল কৰিব আৰু নিৰ্বাচনৰ দিন ঘোষণাৰ দুসপ্তাহৰ ভিতৰত বিভাগটোৱে এই সম্পৰ্কত গ্ৰহণ কৰা ব্যৱস্থা সম্পৰ্কে আয়োগক অৱগত কৰাব।

**(চ) আয়কৰ বিভাগৰ বিষয়া-কৰ্মীক নিয়োগ ঃ**

(i) আয়কৰ বিভাগৰ বিষয়া-কৰ্মীৰ দলে সংশ্লিষ্ট ৰাজ্যত নিজস্বভাৱে চোৰাংচোৱাৰ তথ্য আহৰণ কৰাৰ উপৰি বিপুল পৰিমাণৰ অঘোষিত নগদ ধন আদিৰ সৰবৰাহ হ'ব পৰা স্পৰ্শকাতৰ স্থানবোৰত বাহৰ পাতিব আৰু আয়কৰ আইন অনুসৰি ব্যৱস্থা গ্ৰহণ কৰিব।

(ii) তদুপৰি, আয়কৰ বিভাগে নিৰ্বাচন হ'বলগা ৰাজ্যবিলাকৰ সকলো বিমানকোঠ আৰু নিৰ্বাচন অনুষ্ঠিত হ'বলগা ৰাজ্যৰ যিবিলাক বিমানকোঠত বাণিজ্যিক বিমান আছে, সেইবিলাকত আকাশী চোৰাংচোৱা গোট গঠন কৰি বিমানসমূহৰ (ব্যক্তিগত বিমানকে ধৰি) জৰিয়তে নগদ ধনৰ সৰবৰাহৰ প্ৰতি তীক্ষ্ণ নজৰ ৰাখিব। বিমান কোঠত যদিহে ১০ লাখ টকাতকৈ অধিক ধন পোৱা যায়, আয়কৰ বিভাগে আয়কৰ আইনৰ অধীনত প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিব। আয়কৰ আইনৰ অধীনত যদিহে তেনে ধন জব্দ কৰাটো সম্ভৱ নহয়, তেনেহ'লে আয়কৰ বিভাগে তেনে তথ্য সংশ্লিষ্ট ৰাজ্যৰ চি ই অ'লৈ প্ৰেৰণ কৰিব আৰু তেনে ক্ষেত্ৰত সেই ধন ভোটদাতাক উপঢৌকন দিবৰ বাবে সৰবৰাহ কৰা বুলি সন্দেহ হ'লে চি ই অ'ই তৎকালে ভাৰতীয় দণ্ডবিধিৰ অধীনত ব্যৱস্থা গ্ৰহণ কৰিব। এই বিষয়ত চি আই এছ এফ কৰ্তৃপক্ষই আৱশ্যকীয় তথ্য যোগান ধৰাৰ লগতে সহযোগিতা আগবঢ়াব।

(iii) কোনো লোকে দহ লাখ টকাৰ বেছি ধন বেংক একাউণ্টযোগে উলিওৱা বুলি বেংকে ডি ই অ'-ক জনালে ডি ই অ'-ই তাক আয়কৰ বিভাগৰ অনুসন্ধান সঞ্চালকালয়ৰ নোডেল বিষয়া অথবা জিলাৰ দায়িত্বত থকা আয়কৰ (অনুঃ)ৰ সহকাৰী সঞ্চালকলৈ প্ৰেৰণ কৰিব লাগিব আৰু তেওঁলোকে আয়কৰ আইনৰ অধীনত তৎকালে ব্যৱস্থা গ্ৰহণ কৰিব।

(৩) আয়কৰ বিভাগৰ সহকাৰী/উপ-সঞ্চালকে (অনুঃ) সংশোধিত আকাৰ (i) (সংলগ্নীকৰণ - ২৪) অনুসৰি কাৰ্যকলাপ সম্পৰ্কীয় প্ৰতিবেদন সংশ্লিষ্ট ডি জি আই টি (অনুঃ), ডি আই টি (অনুঃ)-ৰ কাৰ্যালয়লৈ প্ৰেৰণ কৰিব আৰু তেওঁলোকে সেই প্ৰতিবেদন চালি-জাৰি চাই এদিনৰ অন্তৰে অন্তৰে নিৰ্বাচন আয়োগলৈ প্ৰেৰণ কৰিব। সংলগ্নীকৰণ-২৪-ৰ সংশোধিত আকাৰ ইয়াৰ সৈতে গাঁথি দিয়া হৈছে।

আপোনাৰ বিশ্বাসী
স্বাক্ষৰ
(এছ কে ৰুডোলা)
সচিব

টোকা ঃ সংলগ্নীকৰণ-২৪ৰ বাবে সংলগ্নীকৰণ বি ১৫ চাওক, যিহেতু সংশ্লিষ্ট সংকলন সংশোধন কৰা হৈছে।

# ভাৰত চৰকাৰ

**বিত্ত মন্ত্ৰণালয়**

**বিত্তীয় সেৱা বিভাগ**

**তৃতীয় মহলা, জীৱন দীপ বিল্ডিং, পাৰ্লিয়ামেণ্ট ষ্ট্ৰীট, নতুন দিল্লী**

এফ নং ৬০(২)/২০০৮-বি অ' - ১১ দিনাংক ঃ ২০ ফেব্ৰুৱাৰী, ২০১৩

প্ৰতি,

ভাৰতৰ নিৰ্বাচন আয়োগ
নিৰ্বাচন সদন
অশোকা ৰোড, নতুন দিল্লী
(শ্ৰী এছ কে ৰুডোলা, সচিব-ৰ প্ৰতি দৃষ্টি আকৰ্ষণাৰ্থে)

**বিষয় ঃ নিৰ্বাচনৰ সময়ত বেংকসমূহৰ দ্বাৰা নিকা আৰু প্ৰকৃত নগদ ধন অনা-নিয়া কৰা ঃ পঞ্জীয়ন**

মহাশয়,

(১) ভাৰতৰ নিৰ্বাচন আয়োগৰ ৭৫/ই এল ই এক্স/আই টি ডি/২০১২/ই ই পি এছ/৬০৫, তাৰিখ ঃ ২৯ মে', ২০১২ নম্বৰৰ উল্লিখিত বিষয় সম্পৰ্কীয় পত্ৰ আৰু এই সন্দৰ্ভত এই বিভাগ ৬.১১.২০১২ তাৰিখৰ উত্তৰৰ প্ৰসংগলৈ দৃষ্টি আকৰ্ষণ কৰা হৈছে যে ভাৰতীয় বেংক সংস্থাই এক 'ষ্টেণ্ডাৰ্ড অপাৰেটিং' পদ্ধতি (এছ অ' পি) গ্ৰহণ কৰিব আৰু এই বিভাগে নিৰ্বাচন আয়োগৰ সৈতে সেই এছ অ' পি শ্বেয়াৰ কৰিব যাতে সেয়া নিৰ্বাচনী যন্ত্ৰ পৰীক্ষণ পদ্ধতিৰ এটা অংশ হয় আৰু যাতে নিৰ্বাচনৰ সময়ত বেংকসমূহে নিকা আৰু প্ৰকৃত নগদ ধন সুচাৰুৰূপে অনা-নিয়া কৰিব পাৰে।

(২) ভাৰতীয় বেংক সংস্থাই বাছনিকৃত বেংকৰ গোটৰ মত/মন্তব্য সংগ্ৰহ কৰি আৰু বিভিন্ন বেংকৰপৰা প্ৰাপ্ত প্ৰতিক্ৰিয়াৰ ভিত্তিত আৰু তাৰ ওপৰত হোৱা আলোচনা-বিলোচনা মৰ্মে আই বি এ-ৰ পৰিচালনা সমিতিয়ে নগদ ধনৰ সৰবৰাহৰ ক্ষেত্ৰত নিম্নোক্ত নিৰ্দেশিকা চূড়ান্ত কৰি প্ৰকাশ কৰিছে।

☆ বেংকে এই কথা নিশ্চিত কৰিব যে নগদ ধন কঢ়িওৱা কোনো বাহিৰা সংস্থা/প্ৰতিষ্ঠানৰ বাহনে বেংকত ধন সৰবৰাহ কৰোঁতে বেংকৰ বাহিৰে কোনো পৰিস্থিতিতে তৃতীয় পক্ষ/ব্যক্তিৰ ধন কঢ়িয়াব নোৱাৰিব। এই সন্দৰ্ভত বাহিৰা সংস্থা/ কোম্পানীয়ে বেংকে মুকলি কৰি দিয়া নগদ ধন সম্পৰ্কীয় পত্ৰ/নথি আদি লগত নিব লাগিব আৰু সেই মতেহে এ টি এম আৰু বেংকৰ অন্য শাখাত নগদ ধন জমা কৰিব পাৰিব।

☆ বাহিৰা সংস্থা/প্ৰতিষ্ঠানৰ কৰ্মীয়ে নগদ ধনৰ বাহন নিয়াৰ সময়ত সংশ্লিষ্ট সংস্থাই জাৰি কৰা পৰিচয়-পত্ৰ লগত নিব লাগিব।

☆ উল্লিখিত পদ্ধতি এইবাবে চুক্তিবদ্ধ কৰা হৈছে যে নিৰ্বাচনৰ সময়ত নিৰ্বাচন আয়োগৰ (জিলা নিৰ্বাচন বিষয়া অথবা আন কোনো কৰ্তৃত্বশীল বিষয়া) কৰ্তৃত্বশীল বিষয়াই নগদ ধন পৰিবহন কৰা বাহিৰা সংস্থা/প্ৰতিষ্ঠানৰ বাহন পৰীক্ষা কৰিব বিচাৰে; তেতিয়া তেনে সংস্থা অথবা প্ৰতিষ্ঠানে নিৰ্বাচন আয়োগক তেওঁলোকৰ যাৱতীয় নথি-পত্ৰ স্পষ্টকৈ দেখুওৱাৰ লগতে ধন পৰীক্ষা কৰিবলৈ দিব পৰা অৱস্থাত থাকিব লাগিব আৰু সেই ধন বেংকৰ এ টি এম-ত ভৰোৱা অথবা বেংকৰ আন শাখাত জমা কৰা সম্পৰ্কীয় যাৱতীয় তথ্য-পাতি তেওঁলোকৰ থাকিব লাগিব।

উল্লিখিত পদ্ধতিবিলাক বেংকৰ নগদ ধন পৰিবহন পদ্ধতি আৰু 'ষ্টেণ্ডাৰ্ড অপাৰেটিং' বিধিৰ অংশ হ'ব।

(৩) ইয়াৰ সৈতে আই বি এ-ই তেওঁলোকৰ সদস্যভুক্ত বেংকসমূহলৈ জাৰি কৰা জাননী (চাৰ্কুলাৰ) সংলগ্ন কৰা হ'ল। ইয়াৰ দ্বাৰা আপোনাক অনুৰোধ জনোৱা হ'ল— যাতে এই নিৰ্দেশনাবোৰ নিৰ্বাচন যন্ত্ৰৰ পৰীক্ষণ পদ্ধতিৰ অংশ হয় আৰু নিৰ্বাচনৰ সময়ত লগতে বেংকবোৰে নিকা আৰু প্ৰকৃত নগদ ধন নিয়াৰিকৈ পৰিবহন কৰিব পৰাটো সুনিশ্চিত কৰিব পাৰি।

আপোনাৰ বিশ্বাসী
স্বাক্ষৰ
(ডি ডি মহেশ্বৰ)
অবৰ সচিব, ভাৰত চৰকাৰ
টেলিফোন নং ঃ ০১১-২৩৭৪৮৭৫০
ই-মেইল ঃ usbo2-dfs@nic.in / bo2@nic.in

**সংলগ্নীকৰণ ঃ ওপৰোল্লিখিত**

# ভাৰতৰ নিৰ্বাচন আয়োগ

## নিৰ্বাচন সদন, অশোকা ৰোড, নতুন দিল্লী - ১১০০০১

নং ৭৬/আদেশাৱলী/ই ই পি এছ/২০১৫/খণ্ড -II                                    দিনাংক ঃ ২৯ মে’, ২০১৫

প্ৰতি,

মুখ্য নিৰ্বাচন বিষয়া
সকলো ৰাজ্য আৰু কেন্দ্ৰীয় শাসিক অঞ্চল

**বিষয় ঃ  নগদ ধন আৰু অন্যান্য সামগ্ৰী জব্দ কৰা আৰু মুকলি কৰি দিয়াৰ ‘ষ্টেণ্ডাৰ্ড অপাৰেটিং’ পদ্ধতি প্ৰসংগত।**

মহোদয়া/মহাশয়,

(১) নিৰ্বাচন আয়োগৰ আদেশ নং ৭৬/আদেশাৱলী/ই ই পি এছ/২০১৫/খণ্ড -XIX , তাৰিখ ৩০ ডিচেম্বৰ,২০১৪-ৰ সৈতে সংগতি ৰাখি নিৰ্বাচনৰ সময়ত নগদ ধন আৰু অন্যান্য সা-সামগ্ৰী জব্দ কৰা আৰু মুকলি কৰি দিয়া সম্পৰ্কত সংশোধিত ‘ষ্টেণ্ডাৰ্ড অপাৰেটিং’ পদ্ধতি (এছ অ’ পি) ইয়াৰ সৈতে সংলগ্ন কৰা হৈছে, যাতে ফ্লায়িং স্কোৱাড, Static Surveillance দল আদি নিয়োগ কৰি এই সন্দৰ্ভত প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণৰ লগতে ইয়াক বাধ্যতামূলক কৰিব পৰা যায়। (সাল-সলনিবোৰ Italics-ত)।

(২) এইবিলাক সকলো নিৰ্বাচনী বিষয়া তথা কৰ্মী, আয়কৰ বিভাগ, আৰক্ষী বিভাগ আৰু আবকাৰী বিভাগৰ দৃষ্টি আকৰ্ষণৰ বাবে আপোনাক অনুৰোধ জনোৱা হৈছে— যাতে ইয়াক কাৰ্যকৰী কৰা হয়।

(৩) অনুগ্ৰহ কৰি এই পত্ৰৰ প্ৰাপ্তি স্বীকাৰ কৰিব।

আপোনাৰ বিশ্বাসী
স্বাক্ষৰ
(এছ কে ৰুডোলা)
সচিব

# ভাৰতৰ নিৰ্বাচন আয়োগ

**নিৰ্বাচন সদন, অশোকা ৰোড, নতুন দিল্লী - ১১০০০১**

ফাইল নং ঃ ৭৬/আদেশাৱলী/ই ই পি এছ/২০১৫/খণ্ড -২ দিনাংক ঃ ২৯ মে', ২০১৫

# আদেশ

যিহেতুকে সংসদ আৰু প্ৰত্যেকখন ৰাজ্যৰ বিধানসভাৰ সকলো নিৰ্বাচন নিৰীক্ষণ, নিৰ্দেশনা আৰু নিয়ন্ত্ৰণৰ দায়িত্ব সংবিধানৰ ৩২৪ নং অনুচ্ছেদ অনুসৰি নিৰ্বাচন আয়োগৰ ওপৰত ন্যস্ত কৰা হৈছে; আৰু

যিহেতুকে মুক্ত আৰু অবাধ নিৰ্বাচন অনুষ্ঠিতকৰণৰ স্বাৰ্থত ভোটদাতাসকলক সকলো ধৰণৰ ভীতি প্ৰদৰ্শন, ভাবুকি, প্ৰভাৱ বিস্তাৰ আৰু উপঢৌকন দিয়াটো ৰোধ কৰা অত্যাৱশ্যকীয়; আৰু নিৰ্বাচনৰ সময়ত ভোটদাতাসকলৰ মাজত নগদ ধন, উপঢৌকন সামগ্ৰী, সূতা অথবা বিনামূলীয়া আহাৰ আদি বিতৰণৰ বাবে ধনবল আৰু বাহুবল প্ৰয়োগৰ বাতৰি পোৱাৰ লগতে ভাবুকি আৰু ভীতি প্ৰদৰ্শনেৰে ভোটদাতাসকলক প্ৰভাৱিত কৰাৰ বাতৰি পোৱা যায়; আৰু

যিহেতুকে ভাৰতীয় দণ্ডবিধিৰ *১৭১ বি আৰু ১৭১ চি* ধাৰা অনুসৰি ভোটদাতাসকলক প্ৰভাৱিত কৰাৰ বাবে নগদ ধন অথবা অন্যান্য উপঢৌকন সামগ্ৰী বিতৰণ অথবা বাহুবলৰ প্ৰয়োগ, অপৰাধ আৰু জন প্ৰতিনিধিত্ব আইন, ১৯৫১-ৰ অধীনতো এনে কাৰ্য দুৰ্নীতিমূলক আচৰণ—

সেয়ে, এতিয়া নিৰ্বাচনৰ পৱিত্ৰতা ৰক্ষাৰ বাবে ভাৰতৰ নিৰ্বাচন আয়োগে নিৰ্বাচনী প্ৰক্ৰিয়া চলি থকাৰ সময়ত সংশ্লিষ্ট সমষ্টিত নিৰ্বাচনী প্ৰচাৰত অতিমাত্ৰা ব্যয়, নগদ ধন অথবা উপঢৌকন সামগ্ৰী বিতৰণ, অবৈধ অস্ত্ৰ-শস্ত্ৰৰ সৰবৰাহ, সুৰা আৰু সমাজ বিৰোধী শক্তিৰ উপস্থিতিৰ প্ৰতি চোকা দৃষ্টি ৰখাৰ বাবে গঠিত 'ফ্লায়িং স্কোৱাড'ৰ কাৰণে গ্ৰহণ কৰা 'ষ্টেণ্ডাৰ্ড অপাৰেটিং' পদ্ধতি ইয়াৰ দ্বাৰা জাৰি কৰিছে।

**ফ্লায়িং স্কোৱাড (এফ এছ)**

১। প্ৰত্যেকটো বিধানসভা সমষ্টি, খণ্ডত তিনিটা অথবা তাতোকৈ বেছি 'ফ্লায়িং স্কোৱাড' (এফ এছ) থাকিব। নিৰ্বাচনৰ দিন ঘোষণাৰ দিনাৰে পৰা নিৰ্বাচন সম্পূৰ্ণ হোৱালৈকে ফ্লায়িং স্কোৱাডে কাম কৰিব।

২। ফ্লায়িং স্কোৱাডে (ক) আচৰণ বিধি উলংঘন আৰু সেই সম্পৰ্কীয় সকলো অভিযোগ চোৰা-চিতা কৰিব।

(খ) ভোটদাতাসকলক ভাবুকি, ভীতি প্ৰদৰ্শন, সমাজ বিৰোধী শক্তিৰ চলাচলৰ লগতে ভোটদাতাসকলক প্ৰভাৱিত কৰাৰ উদ্দেশ্যে সুৰা, ব্যাপক পৰিমানৰ নগদ ধন আৰু অস্ত্ৰ-শস্ত্ৰৰ সৰবৰাহ আদি সকলোধৰণৰ অভিযোগ চোৰা-চিতা কৰিব;

(গ) প্ৰাৰ্থী/ৰাজনৈতিক দলৰ দ্বাৰা কৰ্তৃত্বপ্ৰাপ্তসকলৰ নিৰ্বাচনী ব্যয় সম্পৰ্কীয় সকলো অভিযোগ চোৰা-চিতা কৰিব;

(ঘ) আয়োগে নিৰ্বাচনৰ দিন ঘোষণা কৰাৰ পিছত ৰাজনৈতিক দলসমূহৰ সকলো বৃহৎ সমাৰেশ, ৰাজহুৱা সভা আৰু বৃহৎ ব্যয়ৰ ভি ডি অ', ভি এছ টি অৰ্থাৎ Video Surveillance Team-ৰ সহযোগত সম্পন্ন কৰিব।

৩। ব্যয় স্পৰ্শকাতৰ সমষ্টিসমূহ (ই এছ চি)ত প্ৰয়োজন অনুসৰি অধিক সংখ্যক ফ্লায়িং স্কোৱাড থাকিব। সেই সময়ছোৱাত ফ্লায়িং স্কোৱাডক আন কোনো কাম দিয়া নহ'ব। ফ্লায়িং স্কোৱাডৰ মুৰব্বী হিচাপে দণ্ডাধীশসকলৰ নাম ম'বাইল নম্বৰ আৰু ফ্লায়িং স্কোৱাডৰ অন্য কৰ্মীসকলৰ নাম আৰু ম'বাইল নম্বৰ অভিযোগ নিৰীক্ষণ নিয়ন্ত্ৰণ কক্ষ আৰু টেলিফোন কেন্দ্ৰ, আৰ অ', ভি ই অ', সাধাৰণ পৰ্যবেক্ষক, আৰক্ষী পৰ্যবেক্ষক আৰু সহকাৰী ব্যয় পৰ্যবেক্ষকক দিব লাগিব। ই এছ চিৰ ক্ষেত্ৰত চি পি এফ অথবা ৰাজ্যিক সশস্ত্ৰ বাহিনীৰ লোককো ফ্লায়িং স্কোৱাডবোৰত সোমাই ল'ব পাৰিব পৰিস্থিতিৰ ওপৰত নিৰ্ভৰ কৰি। এই ক্ষেত্ৰত ভি ই অ'-ই প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিব। ভি ই অ'-ই একাগ্ৰতাৰ প্ৰমাণ দিয়া বিষয়াসকলক লৈ ফ্লায়িং স্কোৱাড গঠন কৰিব।

৪। যেতিয়াই নগদ ধন অথবা সুৰা নাইবা অন্যান্য উপঢৌকন সামগ্ৰীৰ বিতৰণ অথবা সমাজবিৰোধী শক্তিৰ চলাচল আৰু অস্ত্ৰ-শস্ত্ৰ সৰবৰাহ সম্পৰ্কে কোনো অভিযোগ আহিব, ফ্লায়িং স্কোৱাডৰ দল তৎকালে ঘটনাস্থলীত উপস্থিত হ'ব। কোনো অপৰাধমূলক ঘটনা সংঘটিত হোৱাৰ সন্দেহ হ'লে ফ্লায়িং স্কোৱাডৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়াই নগদ ধন অথবা অন্যান্য উপঢৌকনৰ সামগ্ৰী নাইবা অন্য সামগ্ৰী জব্দ কৰিব আৰু সাক্ষ্য সংগ্ৰহৰ লগতে সাক্ষী আৰু যাৰ পৰা তেনে সামগ্ৰী জব্দ কৰা হৈছে তেওঁলোকৰ জবানবন্দী ৰেকৰ্ড কৰিব আৰু CrPC-ত থকা ব্যৱস্থা অনুসৰি জব্দকৃত সামগ্ৰীৰ উপযুক্ত Panchnama যাৰপৰা জব্দ কৰা হৈছে, তেওঁক যোগান ধৰিব। ২৪ ঘণ্টাৰ ভিতৰত সেই সম্পৰ্কীয় গোচৰ যাতে উপযুক্ত আইনপ্ৰদত্ত কৰ্তৃপক্ষৰ আদালতত ৰুজু কৰা হয়, তেওঁ সেইটো নিশ্চিত কৰিব। ফ্লায়িং স্কোৱাডৰ দণ্ডাধীশে এই কথা নিশ্চিত কৰিব যাতে উপযুক্ত পদ্ধতি অনুসৰণ কৰা হয় আৰু লগতে কোনোধৰণৰ আইন-শৃংখলাজনিত পৰিস্থিতিৰ সৃষ্টি নহয়।

৫। উপঢৌকন সামগ্ৰী অথবা নগদ ধন জব্দকৰণ সম্পৰ্কত ফ্লায়িং স্কোৱাডে সংলগ্নীকৰণ 'ক'-ৰ নিৰ্দিষ্ট প্ৰ-পত্ৰ (ফৰমেট)-ত ডি ই অ'লৈ দৈনন্দিন কাৰ্য-কলাপৰ প্ৰতিবেদন প্ৰেৰণ কৰিব আৰু ইয়াৰ একোটাকৈ প্ৰতিলিপি আৰ অ', এছ পি আৰু ব্যয় পৰ্যবেক্ষকক প্ৰদান কৰাৰ লগতে আচৰণ বিধি উলংঘনৰ অভিযোগ সম্পৰ্কীয় দৈনন্দিন কাৰ্য-কলাপৰ প্ৰতিবেদন সংলগ্নীকৰণ 'খ'ত থকা প্ৰ-পত্ৰযোগে আৰ অ', ডি ই অ', এছ পি আৰু সাধাৰণ পৰ্যবেক্ষকক প্ৰদান কৰিব। এছ পিয়ে দৈনন্দিন কাৰ্য-কলাপৰ প্ৰতিবেদন আৰক্ষীৰ সদৰ কাৰ্যালয়ৰ ন'ডেল বিষয়ালৈ প্ৰেৰণ কৰিব আৰু তেওঁ জিলাখনৰ সকলো তেনেধৰণৰ ঘটনাৰ প্ৰতিবেদন সংকলিত কৰিব আৰু একে প্ৰ-পত্ৰ (যেনে সংলগ্নীকৰণ 'ক' আৰু 'খ') যোগে এখন একত্ৰিত প্ৰতিবেদন পিছদিনাখনেই ফেক্স/ই মেইলযোগে আয়োগলৈ প্ৰেৰণ কৰিব আৰু ইয়াৰ এটা প্ৰতিলিপি ৰাজ্যৰ চি ই অ'লৈও প্ৰেৰণ কৰিব।

৬। সমগ্ৰ প্ৰক্ৰিয়াটোৰ ভি ডি অ' ৰেকৰ্ডিং কৰিব লাগিব। ফ্লায়িং স্কোৱাডৰ ভাৰপ্ৰাপ্ত বিষয়াই তৎকালে (i) উপঢৌকন গ্ৰহণ কৰা আৰু দিয়া (ii) চোৰাং সামগ্ৰী জব্দ কৰা আন ব্যক্তি অথবা (iii) বে-আইনী কাম-কাজত জড়িত আন কোনো সমাজবিৰোধী শক্তিৰ বিৰুদ্ধে অভিযোগ/এজাহাৰ দাখিল কৰিব। তেনে অভিযোগ/এজাহাৰৰ প্ৰতিলিপি আৰ অ'-ৰ জাননী ফলকত আঁৰি থ'ব লাগিব ৰাজহুৱা বিজ্ঞপ্তিৰ অৰ্থে। তাৰ প্ৰতিলিপি ডি ই অ', সাধাৰণ পৰ্যবেক্ষক, ব্যয় পৰ্যবেক্ষক আৰু আৰক্ষী পৰ্যবেক্ষকলৈ প্ৰেৰণ কৰিব লাগিব। ব্যয় পৰ্যবেক্ষকে ইয়াক ছায়া পৰ্যবেক্ষক পঞ্জীয়নত উল্লেখ কৰিব, যদিহে সেয়া কোনো প্ৰাৰ্থীৰ নিৰ্বাচনী ব্যয়ৰ সৈতে সম্পৰ্কিত হয়।

৭। নগদ ধন, উপহাৰ সামগ্ৰী, সুৰা অথবা বিনামূলীয়া আহাৰ বিতৰণ অথবা ভোটদাতাক ভাবুকি/ভীতি প্ৰদৰ্শন নাইবা অস্ত্ৰ-শস্ত্ৰ/সমাজ বিৰোধী শক্তিৰ সৰবৰাহ আৰু চলাচল সম্পৰ্কীয় কোনো অভিযোগ পোৱাৰ পিছত যদিহে ফ্লায়িং স্কোৱাডৰ দল তৎকালে ঘটনাস্থলী পোৱাটো সম্ভৱপৰ নহয়, তেতিয়া সেই খবৰ ঘটনাস্থলীৰ সমীপৱৰ্তী Static Surveillance Team অথবা সেই এলেকাৰ আৰক্ষী থানালৈ প্ৰেৰণ কৰিব লাগিব, যি অভিযোগ সন্দৰ্ভত প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণৰ বাবে ঘটনাস্থলীলৈ দল প্ৰেৰণ কৰিব। আৰক্ষী কৰ্তৃপক্ষৰ দ্বাৰা জব্দকৃত নগদ ধন বা অন্যান্য সামগ্ৰী, সেয়া ফ্লায়িং স্কোৱাডৰপৰা পোৱা অভিযোগৰ ভিত্তিতে হওক অথবা স্বতন্ত্ৰভাৱে পোৱা অভিযোগৰ ভিত্তিতে হওক, সেই সম্পৰ্কে ফ্লায়িং স্কোৱাডক প্ৰতিবেদন দিব লাগিব আৰু ফ্লায়িং স্কোৱাডে তাক তেওঁলোকৰ দৈনিক কাৰ্য-কলাপৰ প্ৰতিবেদনত প্ৰাসংগিক নথি/কলমত অন্তৰ্ভুক্ত কৰিব যাতে জব্দকৃত সামগ্ৰী অথবা নগদ ধনৰ প্ৰতিবেদনৰ প্ৰতিৰূপ এৰাই চলিব পাৰি।

৮। প্ৰত্যেকটো ফ্লায়িং স্কোৱাডে তেওঁলোকৰ বাহনত সংলগ্ন কৰা ৰাজহুৱা ঘোষণাৰ ব্যৱস্থাৰ জৰিয়তে তেওঁলোকৰ পৰিসীমাৰ অধীনস্থ অঞ্চলত স্থানীয় ভাষাত এনেদৰে প্ৰচাৰৰ ব্যৱস্থা কৰিব ঃ 'ভাৰতীয় দণ্ডবিধিৰ ১৭১ 'খ' ধাৰা অনুসৰি কোনো লোকে নিৰ্বাচনী প্ৰক্ৰিয়া চলি থকাৰ সময়ত তেনে ব্যক্তিৰ ভোটাধিকাৰ সাব্যস্তকৰণত প্ৰভাৱ পেলাব পৰাকৈ নগদ ধন অথবা কোনো উপঢৌকনৰ সামগ্ৰী দিলে নাইবা গ্ৰহণ কৰিলে সেয়া এবছৰ পৰ্যন্ত জৰিমনাসহ কাৰাদণ্ড অথবা জৰিমনা, নাইবা দুয়োবিধ শাস্তিযোগ্য হ'ব। তদুপৰি, ভাৰতীয় দণ্ডবিধিৰ ১৭১ 'গ' ধাৰা অনুসৰি কোনো লোকে কোনো প্ৰাৰ্থী অথবা ভোটদাতা নাইবা আন কোনো লোকক ভাবুকি

দিলে অথবা তেনে ব্যক্তি কোনোধৰণে আহত হ'লে সেয়া এবছৰৰ কাৰাদণ্ড অথবা জৰিমনা নাইবা দুয়োবিধৰ শাস্তিযোগ্য হ'ব। তেনে ক্ষেত্ৰত উপঢৌকন দিওঁতা আৰু লওঁতা উভয়ৰে বিৰুদ্ধে গোচৰ ৰুজু কৰিবলৈ ফ্লায়িং স্কোৱাড গঠন কৰা হৈছে আৰু তেওঁলোকে ভোটদাতাক ভাবুকি আৰু ভীতি-প্ৰদৰ্শনত লিপ্তসকলৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰিব। সেয়েহে, ইয়াৰদ্বাৰা সকলো নাগৰিককে কোনোধৰণৰ উপহাৰ গ্ৰহণ নকৰিবলৈ অনুৰোধ জনোৱা হ'ল। এই ক্ষেত্ৰত কোনোবাই কোনোধৰণৰ উপঢৌকন যাচিলে অথবা উপঢৌকন দিয়া নাইবা ভোটদাতাসকলক ভাবুকি/ভীতি প্ৰদৰ্শনৰ খবৰ পালে, টোল-ফ্ৰী নম্বৰ ........................ত ২৪×৭ ঘণ্টাই অভিযোগ গ্ৰহণৰ বাবে মুকলি কৰা জিলাখনৰ অভিযোগ নিৰীক্ষণ কোষক জনোৱা উচিত।'

৯। আয়োগৰ আদেশ নং ২৩/১/২০১৫-ই আৰ এছ, তাৰিখ ২১.০২.২০১৫ অনুসৰি ভোটগ্ৰহণ কেন্দ্ৰৰ ভোটাৰ তালিকাৰ শুদ্ধিকৰণ আৰু সত্যতা নিৰূপণৰ বাবে গঠিত বুথ পৰ্যায়ৰ সজাগতা গোট (বি এ জি) বিলাক তেওঁলোকৰ এলেকাত হোৱা অনিয়মৰ সাক্ষ্য সংগ্ৰহৰ ক্ষেত্ৰত হয় আয়োগৰ দ্বাৰা প্ৰস্তুত কৰা ম'বাইল ছফটৱেৰযোগে অথবা অন্য প্ৰকাৰে যুক্ত হ'ব। বি এ জি-য়ে যেতিয়াই কোনো তথ্যৰ যোগান ধৰি, ফ্লায়িং স্কোৱাড সম্ভৱপৰ অতি কম সময়ৰ ভিতৰতে ঘটনাস্থলীত উপস্থিত হৈ প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰাৰ লগতে সত্যতা নিৰূপণ কৰিব পৰা সাক্ষ্য সংগ্ৰহ কৰিব।

১০। উল্লিখিত কথাখিনি ডি ই অ'-ই ইংৰাজী অথবা হিন্দী নাইবা স্থানীয় ভাষাত পুস্তিকা আকাৰে প্ৰকাশ কৰিব আৰু ফ্লায়িং স্কোৱাডৰ জৰিয়তে গুৰুত্বপূৰ্ণ স্থানবিলাকত বিতৰণ কৰিব। ডি ই অ'-ই নিৰ্বাচনী ব্যয় নিৰীক্ষণৰ ব্যৱস্থা হিচাপে প্ৰেছ বিজ্ঞপ্তিও জাৰি কৰিব পাৰে।

১১। নিৰ্বাচনৰ দিন ঘোষিত হোৱাৰ পিছত ডি ই অ'-ই ৮ নং দফাত উল্লেখ কৰা ধৰণে নিৰ্বাচনী প্ৰক্ৰিয়াৰ কালছোৱাৰ বাবে সৰ্বসাধাৰণৰ হিতাৰ্থে গ্ৰহণ কৰা নিৰীক্ষণ ব্যৱস্থাপনাৰ বিষয়ে ছপা আৰু বৈদ্যুতিন মাধ্যমযোগে ৰাইজক আবেদন জনাব।

১২। ফ্লায়িং স্কোৱাডে ব্যৱহাৰ কৰা সকলো বাহনত চি চি টি ভি কেমেৰা/ৱেবকেম অথবা ভি ডি অ' কেমেৰা (এইবিলাকৰ উপলব্ধতা আৰু অৰ্থনৈতিক সক্ষমতাৰ প্ৰেক্ষাপট অনুসৰি) সংযুক্ত থাকিব লাগিব, যাতে ফ্লায়িং স্কোৱাডৰ প্ৰতিৰোধৰ বিষয়টো ৰেকৰ্ডিং হৈ থাকে।

## স্থিতিশীল নিৰীক্ষণ দল (Static Surveillance Team) ঃ

১। প্ৰতিটো বিধানসভা সমষ্টিত তিনিটা অথবা ততোধিক স্থিতিশীল নিৰীক্ষণ দল (এছ এছ টি) থাকিব আৰু প্ৰতিটো দলতে এজনকৈ কাৰ্যবাহী দণ্ডাধীশ আৰু চাৰিজনকৈ আৰক্ষীৰ লোক থাকিব আৰু তেওঁলোকে তালাচী চকী পৰিচালনা কৰিব। অঞ্চলটোৰ স্পৰ্শকাতৰ দিশৰ ওপৰত নিৰ্ভৰ কৰি চি পি এফৰ সদস্যসকল এছ এছ টি-ৰ সৈতে সংযুক্ত হ'ব।

২। এই দলটোৱে ব্যয়ৰ ক্ষেত্ৰত স্পৰ্শকাতৰ স্থান/ক্ষুদ্ৰ গাঁও আদিত তালাচী চকী বহুৱাব আৰু অবৈধ সুৰা, উপঢৌকন সামগ্ৰী অথবা বৃহৎ পৰিমাণৰ ধন, অস্ত্ৰ-শস্ত্ৰৰ সৰবৰাহৰ লগতে সেই এলেকাত সমাজবিৰোধী শক্তিৰ আহ-যাহৰ প্ৰতি লক্ষ্য ৰাখিব। তালাচীৰ সমগ্ৰ প্ৰক্ৰিয়াটো *ভি ডি অ'*বা *চি চি টি ভি*-ত ধৰি ৰাখিব লাগিব।

৩। এছ এছ টি-ৰ দণ্ডাধীশে প্ৰত্যেক দিনাই ডি ই অ'-লৈ দৈনন্দিন কাম-কাজৰ প্ৰতিবেদন প্ৰেৰণ কৰিব আৰু একেদিনাই ইয়াৰ প্ৰতিলিপি সংলগ্নীকৰণ-'গ'ৰ প্ৰ-পত্ৰযোগে আৰ অ', এছ পি, ব্যয় পৰ্যবেক্ষক, সাধাৰণ পৰ্যবেক্ষক আৰু আৰক্ষী পৰ্যবেক্ষকলৈ প্ৰেৰণ কৰিব। এছ পিয়ে দৈনন্দিন কাৰ্য-কলাপৰ শেহতীয়া তথ্য আৰক্ষীৰ সদৰ কাৰ্যালয়ৰ নোডেল বিষয়ালৈ প্ৰেৰণ কৰিব আৰু তেওঁ তেনেধৰণৰ সকলো বা-বাতৰি জিলাৰপৰা লৈ এখন সংহত প্ৰতিবেদন একে প্ৰ-পত্ৰ (অৰ্থাৎ সংলগ্নীকৰণ 'গ')যোগে পিছদিনাই ফেক্স/ই-মেইলযোগে আয়োগলৈ প্ৰেৰণ কৰিব আৰু তাৰ এটা প্ৰতিলিপি ৰাজ্যৰ চি ই অ'-লৈ পঠিয়াব।

৪। এছ এছ টি-ৰ দ্বাৰা তালাচীৰ সময়ত এজন কাৰ্যবাহী দণ্ডাধীশ উপস্থিত থাকিব লাগিব আৰু তালাচীৰ

ভিডিঅ'-গ্ৰাফ কৰিব লাগিব। কাৰ্যবাহী দণ্ডাধীশৰ অনুপস্থিতিত কোনো তালাচী হ'ব নোৱাৰিব। ভিডিঅ'/চিচিটিভিৰ ৰেকৰ্ডিঙত তাৰিখ, স্থান আৰু দলটোৰ সদস্য সংখ্যাৰ চিনাক্তকৰণ চিহ্ন সন্নিৱিষ্ট হ'ব লাগিব আৰু ইয়াক পিছদিনাই আৰ অ'-ত জমা দিব লাগিব আৰু আৰ অ'-ৰে ইয়াক সংৰক্ষণ কৰি ৰাখিব, যাতে পৰৱৰ্তী সময়ত আয়োগে তাক পৰীক্ষা কৰিব পাৰে। ডি ই অ'-ই এই কথাও ব্যাপকভাৱে বিজ্ঞাপনযোগে প্ৰচাৰ কৰিব লাগিব নে কোনো লোকে তেনে ভি ডি অ'/চি চি টি ভিৰ ৰেকৰ্ডিং ৩০০ টকা জমা দি সংগ্ৰহ কৰিব পাৰিব।

৫। কোনো সংস্থাই যিকোনো উদ্দেশ্যত জিলা/ৰাজ্যখনৰ সীমান্তত অথবা আন কোনো ঠাইত তেনে তালাচী চকী স্থাপন কৰিলে তালাচীৰ দলটোত সমীপৱৰ্তী এছ এছ টি উপস্থিত থাকিব লাগিব, যাতে অঞ্চলটোত দ্বৈত তালাচী এৰাই চলিব পৰা হয়। নগদ ধন অথবা উপঢৌকনৰ সামগ্ৰী এছ এছ টিৰ দ্বাৰা জব্দকৃত হ'ব লাগিব।

৬। নিৰ্বাচনৰ দিন ঘোষণাৰ পৰাই প্ৰধান পথ অথবা গুৰুত্বপূৰ্ণ পথত এছ এছ টিৰ তালাচী আৰম্ভ হ'ব লাগিব। সাধাৰণ পৰ্যবেক্ষক আৰু ব্যয় পৰ্যবেক্ষকৰ সৈতে আলোচনামৰ্মে ডি ই অ'-ই এছ এছ টি-ক নিয়ন্ত্ৰণ কৰিব আৰু বিশেষকৈ ব্যয় বহুলতাৰে স্পৰ্শকাতৰ স্থানসমূহত নিৰ্বাচনৰ ৭২ ঘণ্টাৰ আগেয়ে তালাচীৰ প্ৰক্ৰিয়াটো শক্তিশালী কৰি তুলিব লাগিব আৰু সেই সময়ছোৱাত কোনো কাৰণতে এছ এছ টি ভাগ ভাগ হ'ব নোৱাৰিব।

৭। তালাচীৰ সময়ত প্ৰাৰ্থী, তেওঁৰ এজেণ্ট অথবা ৰাজনৈতিক দলৰ কৰ্মীয়ে ভ্ৰমণ কৰা বাহন, নাইবা পোষ্টাৰ অথবা নিৰ্বাচনী সামগ্ৰী নাইবা কোনোধৰণৰ ড্ৰাগছ, সুৰা, অস্ত্ৰ-শস্ত্ৰ অথবা ১০,০০০ টকাতকৈ অধিক মূল্যৰ উপহাৰ সামগ্ৰী কঢ়িওৱা বাহন ধৰা পৰে, যিবিলাক ভোটদাতাক প্ৰভাৱিত কৰিব পৰা ধৰণৰ হয় অথবা এখন বাহনত কোনো অবৈধ সামগ্ৰী পোৱা গ'লে সেইবিলাক জব্দ কৰিব লাগিব। তালাচী আৰু জব্দকৰণৰ গোটেই ঘটনা ভিডিঅ'/চিচিটিভি-ত ৰেকৰ্ডিং কৰি ৰাখিব লাগিব আৰু সেইবিলাক প্ৰত্যেকদিনাই ৰিটাৰ্ণিং অফিচাৰৰ ওচৰত জমা দিব লাগিব।

৮। কোনো তাৰকা প্ৰচাৰকে যদি একান্তভাৱে তেওঁৰ ব্যক্তিগত ব্যৱহাৰৰ বাবে এক লাখ টকা পৰ্যন্ত নিজৰ লগত নিয়ে অথবা কোনো দলৰ বিষয়ববীয়াই সেই দলটোৰ কোষাধ্যক্ষৰ পৰা প্ৰমাণ পত্ৰ লৈ লগত নগদ ধন দিয়ে, সেই প্ৰমাণ পত্ৰত নগদ ধনৰ পৰিমাণ আৰু ইয়াৰ ব্যৱহাৰ সম্পৰ্কে উল্লেখ থাকে, তেতিয়া এছ এছ টি-ৰ কৰ্তৃপক্ষই তেনে প্ৰমাণ পত্ৰৰ প্ৰতিলিপি তেওঁলোকৰপৰা ল'ব আৰু তেনে নগদ ধন জব্দ নকৰিব। কোনো বাহনত যদি ১০ লাখ টকাতকৈ বেছি নগদ ধন পোৱা যায় আৰু সেই ধন কোনো অপৰাধমূলক কাৰ্যত ব্যৱহাৰ কৰা হ'ব বুলি সন্দেহ নহয় অথবা তাৰ সৈতে কোনো প্ৰাৰ্থী নাইবা এজেণ্ট অথবা দলৰ বিষয়ববীয়াৰ সম্পৰ্ক থকা বুলি সন্দেহ নহয়, এছ এছ টিয়ে সেই নগদ ধন জব্দ নকৰিব আৰু আয়কৰ আইনৰ অধীনত যাৱতীয় ব্যৱস্থা গ্ৰহণৰ বাবে সেই তথ্য আয়কৰ কৰ্তৃপক্ষলৈ প্ৰেৰণ কৰিব।

৯। তালাচীৰ সময়ত কোনো অপৰাধ সংঘটিত কৰিব পৰাকৈ সন্দেহযুক্ত নগদ ধন আৰু অন্যান্য সামগ্ৰী এছ এছ টিৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়াই CrPC-ৰ অধীনত কাৰ্যবাহী দণ্ডাধীশৰ উপস্থিতিত জব্দ কৰিব। ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়াই ২৪ ঘণ্টাৰ ভিতৰত পৰিসীমাৰ ভিতৰত থকা আদালতত সেই সম্পৰ্কে অভিযোগ/এজাহাৰ দাখিল কৰিব।

১০। বেগ অথবা বাহনত তালাচী চলোৱাৰ সময়ত এফ এছ আৰু এছ এছ টিৰ আচৰণ অমায়িক, ভদ্ৰ আৰু শিষ্টাচাৰপূৰ্ণ হ'ব লাগিব। কোনো মহিলা বিষয়া নাথাকিলে কোনো মহিলাৰ লগত থকা বেগ পৰীক্ষা কৰিব নোৱাৰিব। এফ এছে তেওঁলোকৰ এলেকাত এছ এছ টিৰ কাম-কাজ যথোপযুক্তভাৱে তত্ত্বাৱধান কৰিব।

১১। আয়োগৰ নিৰ্দেশনা অনুসৰি এফ এছ আৰু এছ এছ টিক আগতীয়াকৈ প্ৰশিক্ষণ দিব লাগিব। জিলাৰ ডি ই অ' আৰু এছ পিয়ে তেনে দলবোৰৰ গঠন আৰু যথোপযুক্ত প্ৰশিক্ষণ সুনিশ্চিত কৰিব। আৰক্ষীৰ সদৰ কাৰ্যালয়ৰ নোডেল বিষয়াই এই সন্দৰ্ভত উপযুক্ত প্ৰশিক্ষণ আৰু আৰক্ষী বাহিনীক সংবেদনশীল কৰি তোলাটো সুনিশ্চিত কৰিব।

১২। এফ এছ্ আৰু এছ্ এছ্ টিৰ কাম-কাজ সম্পৰ্কত কোনো ওজৰ-আপত্তি থাকিলে কোনো লোকে তেনে ওজৰ-আপত্তি অথবা হাৰাশাস্তিৰ নিৰাময়ৰ বাবে জিলাখনৰ ডেপুটী ডি ই অ' (ব্যয় নিৰীক্ষণ কোষৰ তত্ত্বাৱধায়ক)ৰ ওচৰত আবেদন কৰিব পাৰিব।

১৩। নগদ ধন জব্দ কৰাৰ পিছত জব্দকৃত ধন আদালতে নিৰ্দেশ কৰা পদ্ধতিৰে জমা কৰিব লাগিব আৰু ১০ লাখ টকাতকৈ অধিক পৰিমাণৰ জব্দকৃত ধনৰ ক্ষেত্ৰত জব্দকৰণৰ এটা প্ৰতিলিপি এই সংক্ৰান্তত জড়িত আয়কৰ কৰ্তৃপক্ষলৈ প্ৰেৰণ কৰিব লাগিব। ডি ই অ'-ই জব্দকৃত ধন কাৰ্যালয়ৰ কাম-কাজৰ বাহিৰৰ সময়ত, অথবা প্ৰয়োজন সাপেক্ষে বন্ধৰ দিনতো জমা ৰখাৰ বাবে কোষাগাৰৰ শাখাবিলাকক প্ৰয়োজনীয় নিৰ্দেশ দিব।

১৪। এফ এছ্ অথবা এছ্ এছ্ টি নাইবা আৰক্ষী কৰ্তৃপক্ষই যেতিয়াই তেওঁলোকৰ এলেকাত কোনো সন্দেহজনক সামগ্ৰী আৰু বৃহৎ পৰিমাণৰ নগদ ধনৰ সৰবৰাহ বিষয়ক কোনো তথ্য লাভ কৰিব, তেওঁলোকে তেনেবোৰ ঘটনা সম্পৰ্কে সংশ্লিষ্ট আইন বলৱৎকাৰী সংস্থাসমূহক অৱগত কৰাব।

১৫। এছ্ এছ্ টি আৰু এফ এছ্‌সমূহে ব্যৱহাৰ কৰা সকলো বাহনত জি আৰ পি এছ্ সংলগ্ন থাকিব, যাতে সেইবিলাক দলে সময়োচিত ব্যৱস্থা গ্ৰহণ কৰিব পাৰে।

১৬। **নগদ ধন মোকলাই দিয়া কাৰ্য ঃ**

(ক) সৰ্বসাধাৰণ আৰু আচল (নিৰপৰাধী) লোক যাতে অসুবিধাৰ সন্মুখীন নহয় আৰু যদি কিবা ওজৰ-আপত্তি থাকে, সেইবিলাক নিষ্পত্তিৰ বাবে জিলাৰ তিনিজন বিষয়া যেনে— (i) চি ই অ', জিলা পৰিষদ/চি ডি অ'/পি ডি, ডি আৰ ডি এ (ii) জিলা নিৰ্বাচন কাৰ্যালয়ৰ ব্যয় নিৰীক্ষণ কোষৰ নোডেল বিষয়া (আহ্বায়ক) আৰু (iii) জিলা কোষাগাৰ বিষয়াক লৈ এখন কমিটী গঠন কৰিব। কমিটীয়ে আৰক্ষী অথবা এছ্ এছ্ টি নাইবা এফ এছ্‌ৰ দ্বাৰা জব্দকৃত প্ৰতিটো বিষয় নিজাববীয়াকৈ পৰীক্ষা কৰিব আৰু যি ক্ষেত্ৰত ধন অথবা সামগ্ৰী জব্দকৰণ সম্পৰ্কত এজাহাৰ/অভিযোগ দাখিল কৰা হোৱা নাই অথবা যি ক্ষেত্ৰত জব্দকৃত ধন অথবা সামগ্ৰীৰ সৈতে কোনো প্ৰাৰ্থী অথবা ৰাজনৈতিক দল নাইবা নিৰ্বাচনী প্ৰচাৰ আদি ষ্টেণ্ডাৰ্ড অপাৰেটিং পদ্ধতি অনুসৰি সম্পৰ্কিত নহয়, তেতিয়া যাৰ পৰা নগদ ধন জব্দ কৰা হৈছে তেনে ব্যক্তিক সেই নগদ ধন তৎকালে ওভতাই দিয়াৰ বাবে মৌখিক আদেশৰ জৰিয়তে মোকলাই দিয়াৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। কমিটীয়ে এনে সকলো বিষয় চোৱাচিতা কৰি জব্দকৃত সামগ্ৰী সম্পৰ্কত সিদ্ধান্ত ল'ব।

(খ) জব্দকৰণৰ নথিত জব্দকৰণৰ বিৰুদ্ধে আবেদন জনোৱাৰ পদ্ধতি সম্পৰ্কে উল্লেখ থাকিব লাগিব আৰু এই সম্পৰ্কে উল্লেখ থাকিব লাগিব আৰু এই সম্পৰ্কে নগদ ধন জব্দ কৰাৰ সময়ত তেনে ব্যক্তিক অৱগত কৰাব লাগিব। কমিটীৰ কাম-কাজ সম্পৰ্কত ব্যাপক প্ৰচাৰৰ দিহা কৰিব লাগিব আৰু কমিটীৰ আহ্বায়কৰ টেলিফোন নম্বৰো তাত উল্লেখ থাকিব।

(গ) নগদ ধন মোকলাই দিয়া বিষয়ক সকলো তথ্য ব্যয় নিৰীক্ষণৰ নোডেল বিষয়াই এখন পঞ্জীয়ন বহীত তাৰিখ অনুসৰি একাদিক্ৰমে লিপিবদ্ধ কৰিব আৰু তাত ধৰা পেলোৱা/জব্দ কৰা নগদ ধনৰ পৰিমাণ আৰু কাক মোকলাই দিয়া হৈছে, তাৰ সবিশেষ উল্লেখ থাকিব।

(ঘ) মোকলাই দিয়া ধনৰ পৰিমাণ যদি দহ লাখ টকাতকৈ বেছি হয়, তেতিয়া আয়কৰৰ নোডেল বিষয়াক ধন মোকলাই দিয়াৰ আগেয়ে অৱগত কৰাব লাগিব।

(ঙ) এফ এছ্, এছ্ এছ্ টি অথবা আৰক্ষী কৰ্তৃপক্ষই জব্দ কৰা নগদ ধন আদি সকলো বিষয় জিলাত গঠিত কমিটীৰ দৃষ্টি আকৰ্ষণ কৰিব লাগিব আৰু কমিটীয়ে ওপৰোক্ত দফা (i) অনুসৰি ব্যৱস্থা গ্ৰহণ কৰিব। কোনো ক্ষেত্ৰতে জব্দ কৰা নগদ ধন/মূল্যৱান সামগ্ৰী আদি 'মালখানা' অথবা কোষাগাৰত নিৰ্বাচনৰ পিছত সাত দিনতকৈ বেছি সময়ৰ বাবে ৰাখিব পৰা নহ'ব, যদিহে এজাহাৰ/অভিযোগ দাখিল কৰা নহয়। এনে ধৰণৰ সকলো বিষয় ওজৰ-আপত্তি নিষ্পত্তিৰ বাবে থকা কমিটীৰ ওচৰত উত্থাপন কৰাটো ৰিটাৰ্ণিং বিষয়াৰ দায়িত্ব। তেনে ক্ষেত্ৰত নগদ ধন/মূল্যৱান সামগ্ৰী মোকলাই দিয়াৰ বাবে যাৱতীয় নিৰ্দেশনা জাৰি কৰাটোও কমিটীৰে দায়িত্ব।

১৭। এই কথা পুনৰবাৰ অৱগত কৰোৱা হ’ল যে দৈনন্দিন কাম-কাজৰ খতিয়ান দাখিল কৰাৰ বাবে আয়োগৰ ৱেবছাইটত থকা ই ই এম এছ্ ছফট্ৱেৰ ব্যৱহাৰ কৰি আয়োগলৈ প্ৰতিবেদন প্ৰেৰণ কৰিব পাৰি।

আদেশানুযায়ী
স্বাক্ষৰ
(এছ্ কে ৰুডোলা)
সচিব

**টোকা ঃ** সংলগ্নীকৰণ ‘ক’, ‘খ’ আৰু ‘গ’ৰ বাবে সংলগ্নীকৰণ বি-৮, বি-৯ আৰু বি-১০ চাওক।

# যাৰপৰা নগদ ধন/সামগ্ৰী জব্দ কৰা হয়, তেওঁক দিবলগীয়া ৰছিদৰ প্ৰ-পত্ৰ

বহী নং .......................................

ৰছিদ নং .......................................

তাৰিখ .......................................

কাৰ্যবাহী দণ্ডাধীশৰ নাম .......................................................................................................

(ফ্লায়িং স্কোৱাড/Static Surveillance দলৰ মুৰব্বী)

১। নগদ ধন ........................................................ টকা (আখৰেৰে ................................................. টকা)

শ্ৰী.........................................................................................................................

ঠিকনা .......................................................................................................................

ম'বাইল নং ................................................................ ৰ পৰা স্থান ......................................................

(য'ত জব্দ কৰা হৈছে)

তাৰিখ ..........................................

(বিধানসভা/সংসদীয় সমষ্টি) ................................................. অন্তৰ্গত

(ৰাজ্য/কেন্দ্ৰীয় শাসিত অঞ্চলৰ নাম ........................................................... জিলা ............................................... আৰক্ষী থানা ....................................... জব্দ কৰা হৈছে।)

সমগ্ৰ ধন/অন্যান্য সামগ্ৰী ভোটদাতাক উপঢৌকন দিয়াৰ বাবে ব্যৱহাৰ কৰা হ'ব বুলি সন্দেহ কৰাৰ পৰিপ্ৰেক্ষিতত জব্দ কৰা হয়।

২। নগদ ধন ...................................................... টকা (আখৰেৰে) ................................... টকা আৰু ....................................... (অন্যান্য সামগ্ৰী) শ্ৰী.............................................................................লৈ (আয়কৰ বিভাগৰ বিষয়াৰ নাম) আয়কৰ আইনৰ অধীনত আৱশ্যকীয় ব্যৱস্থা গ্ৰহণৰ বাবে হস্তান্তৰ কৰা হৈছে। (প্ৰযোজ্য নহ'লে বাদ দিব)

**আবেদন পদ্ধতি**

কোনো ওজৰ-আপত্তি নিষ্পত্তিৰ বাবে আপুনি ৭ দিনৰ ভিতৰত শ্ৰী...........................................................ৰ (এ ডি এম/এছ ডি এম/ব্যয় নিৰীক্ষণ কোষৰ মুৰব্বীৰ নাম) ওচৰত আবেদন দাখিল কৰিব পাৰে অথবা আয়কৰ বিভাগৰ সৈতে জড়িত বিষয়ক ব্যৱস্থাৰপৰা সকাহৰ বাবে আয়কৰ বিভাগৰ যুটীয়া সঞ্চালক (অনুঃ)ৰ ওচৰত আবেদন দাখিল কৰিব পাৰে।

ষ্টাম্পসহ সাক্ষৰ

(নাম, পদবী আৰু দণ্ডাধীশৰ ঠিকনা)

তাৰিখ ঃ..................

# ভাৰতৰ নিৰ্বাচন আয়োগ

## নিৰ্বাচন সদন, অশোকা ৰোড, নতুন দিল্লী - ১১০০০১

নং ৭৬/আদেশাৱলী/ই ই পি এছ/২০১৫/খণ্ড -V দিনাংক ঃ ২০ জানুৱাৰী, ২০১৬

প্ৰতি,

সকলো ৰাজ্য/কেন্দ্ৰীয় শাসিত অঞ্চলৰ মুখ্য নিৰ্বাচন বিষয়া।

**বিষয় ঃ সূচী বহিৰ্ভূত 'অপাৰেটৰ'ৰ অনুজ্ঞা-পত্ৰ (এন এছ অ' পি)ৰ তালিকা প্ৰসংগ।**

মহাশয়/মহাশয়া,

সূচী বহিৰ্ভূত 'অপাৰেট'ৰ অনুজ্ঞা-পত্ৰ প্ৰাপ্তিৰ প্ৰসংগত সেৱা প্ৰদানকাৰীৰ এ ডি ১৪০১৫/জেনেৰেল/২০০৪-এ টি -১, তাৰিখ ঃ ০৫.০১.২০১৬-ত অসামৰিক বিমান পৰিবহনৰ সঞ্চালক প্ৰধান, নতুন দিল্লীৰপৰা প্ৰাপ্ত চিঠিৰ প্ৰতিলিপি এটা ইয়াৰ দ্বাৰা আপোনালৈ প্ৰেৰণ কৰা হ'ল। ডি জি চি এ-ৰ কাৰ্যালয়ে জনাইছে যে এন এছ অ' পি থকা (সেৱা প্ৰদানকাৰী)সকলে ভাৰাৰ নিৰিখ ধাৰ্য কৰিব পাৰিব আৰু সেই ভাৰাৰ নিৰিখ ডি জি চি এ-ৰ দ্বাৰা নিয়ন্ত্ৰিত নহয়।

ইয়াৰ জৰিয়তে আপোনাক অনুৰোধ কৰা হ'ল অনুগ্ৰহ কৰি আপুনি এই সম্পৰ্কত সকলো জিলা নিৰ্বাচন বিষয়া আৰু অন্যান্য নিৰ্বাচন কৰ্তৃপক্ষক জানিবলৈ দিব যে হেলিকপ্টাৰ/বিমান আদিৰ ভাৰাৰ নিৰিখ সংশ্লিষ্টসকলে সূচী বহিৰ্ভূত অনুজ্ঞাপত্ৰ প্ৰাপ্ত 'অপাৰেটৰ'ৰপৰা পোনপটীয়াকৈ জানি ল'ব পাৰিব।

আপোনাৰ বিশ্বাসী<br>
স্বাক্ষৰ<br>
(অবিনাশ কুমাৰ)<br>
সচিব

সংলগ্নীকৰণ ঃ ওপৰোক্ত (৩৩ পৃষ্ঠা)

**প্ৰতিলিপি ঃ** শ্ৰীৱেদ প্ৰকাশ, অপাৰেচন সঞ্চালক (বিমান পৰিবহন); অসামৰিক বিমান পৰিবহন, কাৰিকৰী কেন্দ্ৰৰ কাৰ্যালয়, ছফদৰজং বিমান বন্দৰৰ বিপৰীত দিশত থকা (বিশেষ বাৰ্তাবাহকৰ জৰিয়তে)
বিচৰা ধৰণৰ তথ্য যোগান আৰু ডি জি চি এ-ৰ ৱেবছাইটত আপডেট কৰাৰ বাবে নিৰ্বাচন কৰ্তৃপক্ষই নিৰ্বাচনৰ সময়ত শেহতীয়া তথ্যৰাজি আহৰণ কৰিব পাৰে)

স্বাক্ষৰ<br>
(অবিনাশ কুমাৰ)<br>
সচিব

# ভাৰতৰ নিৰ্বাচন আয়োগ

## নিৰ্বাচন সদন, অশোকা ৰোড, নতুন দিল্লী - ১১০০০১

নং ৭৬/আদেশাৱলী/ই ই পি এছ/২০১৬/খণ্ড -II                দিনাংক ঃ ৪ জানুৱাৰী, ২০১৬

প্ৰতি,

সকলো ৰাজ্য/কেন্দ্ৰীয় শাসিত অঞ্চলৰ মুখ্য নিৰ্বাচন বিষয়া।

বিষয় ঃ  কোনো চৌহদত নগদ ধন অথবা অন্যান্য মূল্যবান সামগ্ৰীৰ মজুতকৰণ বিষয়ক অভিযোগ পোৱাৰ পিছত ফ্লায়িং স্কোৱাডে গ্ৰহণ কৰিবলগীয়া ‘ষ্টেণ্ডাৰ্ড অপাৰেটিং’ পদ্ধতিৰ প্ৰসংগ।

মহাশয়/মহাশয়া,

নিৰ্বাচনৰ সময়ত নগদ ধন আৰু অন্যান্য সামগ্ৰী বাজেয়াপ্তকৰণ আৰু মোকলাই দিয়াৰ বাবে ফ্লায়িং স্কোৱাড, এছ এছ টিৰ নিয়োগ সম্পৰ্কত নিৰ্দেশাৱলী সন্নিৱিষ্ট এক সৰ্বাত্মক এছ অ’ পি সন্দৰ্ভত আয়োগে ২৯ মে’, ২০১৫-ত পত্ৰ নং ৭৬/আদেশাৱলী/২০১৫/ই ই পি এছ/খণ্ড - II সম্পৰ্কে দৃষ্টি আকৰ্ষণ কৰা হ’ল।

এছ অ’ পিয়ে ভোটদাতাক উপঢৌকন দিবৰ বাবে ব্যৱহৃত হ’ব বুলি সন্দেহ কৰা বৃহৎ পৰিমাণৰ নগদ ধন আৰু অন্যান্য সামগ্ৰীৰ সৰবৰাহ বিষয়ক অভিযোগবিলাকৰ নমুনা সামৰি ল’ব। অৱশ্যে, এই কথা লক্ষ্য কৰা হৈছে যে অভিযোগ নিৰীক্ষণ কোষ আৰু ফ্লায়িং স্কোৱাডবোৰে কোনো চৌহদত নিৰ্বাচনৰ সময়ত বে-আইনীভাৱে ব্যৱহাৰৰ উদ্দেশ্যে মজুত কৰা বৃহৎ পৰিমাণৰ নগদ ধন সম্পৰ্কত অনুসৰণ কৰা পদ্ধতিত স্পষ্টতাৰ অভাৱ হৈছে। সেই অনুসৰি এই সিদ্ধান্ত লোৱা হৈছে যে ভোটদাতাক উপঢৌকন দিবৰ বাবে কোনো চৌহদত বৃহৎ পৰিমাণৰ নগদ ধন বা অন্যান্য সামগ্ৰী মজুতকৰণৰ অভিযোগ নাইবা তথ্য পোৱাৰ পিছত অভিযোগ নিৰীক্ষণ কোষ, ডি ই এম চি অথবা ব্যয় পৰ্যবেক্ষকে নিম্নোক্ত পদ্ধতিবিলাক কঠোৰভাৱে অনুসৰণ কৰিব।

১। এনেধৰণৰ কোনো অভিযোগ পালে অভিযোগ নিৰীক্ষণ কোষে সেই সম্পৰ্কে তৎকালে ব্যয় পৰ্যবেক্ষকক অৱগত কৰাব।

২। আয়কৰ দলৰ তত্ত্বাৱধায়কৰ সৈতে ব্যয় পৰ্যবেক্ষক অথবা ডি ই এম চি-ৰ নোডেল বিষয়াই সমন্বয় স্থাপন কৰিব। প্ৰয়োজন সাপেক্ষে যথোপযুক্ত ব্যৱস্থা গ্ৰহণৰ বাবে আয়কৰ (অনুঃ)-ৰ নোডেল বিষয়কো অৱগত কৰাব লাগিব।

৩। ফ্লায়িং স্কোৱাডৰ এটা দল তৎকালে ঘটনাস্থলীলৈ ৰাওনা হ’ব। তেনে কোনো চৌহদ নিৰীক্ষণৰ বাবে আয়কৰ বিভাগৰ দল আহি নোপোৱা পৰ্যন্ত অথবা অনুমানৰ ওপৰত ভিত্তি কৰি সতৰ্কতাৰে অনুসন্ধানত প্ৰকৃত ঘটনা নহয় বুলি সিদ্ধান্তত উপনীত নোহোৱা পৰ্যন্ত চৌহদটো চকুত পৰা দূৰত্বত ফ্লায়িং স্কোৱাডৰ দলে বিভিন্ন লোকক মোতায়েন কৰিব। প্ৰয়োজন সাপেক্ষে ভিডিঅ’গ্ৰাফীও কৰিব পাৰি।

৪। আয়কৰ বিভাগৰ দল উপস্থিত নোহোৱা পৰ্যন্ত ব্যয় পৰ্যবেক্ষক অথবা ফ্লায়িং স্কোৱাডৰ কোনো সদস্যই চৌহদটোত প্ৰৱেশ নকৰিব।

৫। আয়কৰ আইনত থকা পদ্ধতি অনুসৰি আয়কৰ বিভাগৰ দলে তালাচী আৰু বাজেয়াপ্তকৰণৰ সন্দৰ্ভত ব্যৱস্থা গ্ৰহণ কৰিব। অৱশ্যে, আয়কৰ বিভাগৰ দলে বিচাৰিলে ফ্লায়িং স্কোৱাডৰ দল অথবা ব্যয় পৰ্যবেক্ষক চৌহদটোত প্ৰৱেশ কৰিব পাৰিব। সেই ক্ষেত্ৰত আয়কৰ আইনত থকা নিয়ম কঠোৰভাৱে মানি চলাৰ লগতে কৰ্তৃত্বপত্ৰও আহৰণ কৰিব লাগিব।

৬। আয়কৰ বিভাগৰ দলে তালাচী চলোৱাৰ ক্ষেত্ৰত ডি ই অ’/এছ পি য়ে প্ৰয়োজনীয় সহযোগিতা আগবঢ়াব বুলি আশা কৰা হৈছে।

৭। তালাচীৰ সময়ত চৌহদটোত প্ৰৱেশ কৰা অথবা তাৰপৰা ওলোৱা লোকক পৰীক্ষাৰ বাবে চৌহদৰ নিকটৱৰ্তী স্থানত ফ্লায়িং স্কোৱাডৰ দল উপস্থিত থাকি প্ৰতিবন্ধকতা আৰোপ কৰিব লাগিব। তেনে লোকৰ বাহনত নগদ ধন অথবা অন্যান্য মূল্যৱান সামগ্ৰী ধৰা পৰিলে ফ্লায়িং স্কোৱাডৰ দলে সংশ্লিষ্ট পদ্ধতি অৱলম্বন কৰি সেইবোৰ বাজেয়াপ্ত কৰিব পাৰিব।

৮। এই কথা স্পষ্ট কৰি দিয়া হৈছে যে ব্যয় পৰ্যবেক্ষক অথবা ফ্লায়িং স্কোৱাডে তেনে চৌহদবোৰত নিজাববীয়াকৈ তালাচী চলাব নোৱাৰিব।

৯। ব্যয় পৰ্যবেক্ষকে সংকলিত আদেশাৱলীৰ ৪.২.৮ দফাত থকা নিৰ্দেশ কঠোৰভাৱে মানি চলিব। তেওঁ আইন বলৱৎকাৰী সংস্থাসমূহৰ প্ৰতি সহযোগিতা আগবঢ়োৱাৰ লগতে সকলো সংস্থাৰ মাজত তথ্যৰ অবাধ সৰবৰাহ আৰু বিনিময় সু-নিশ্চিত কৰিব। কোনো সংস্থাৰপৰা তথ্য পোৱাৰ পিছতে সংশ্লিষ্ট আইন বলৱৎকাৰী সংস্থাই ক্ষিপ্ৰতাৰে ব্যৱস্থা গ্ৰহণ কৰিব।

এইখিনি কথা আয়কৰ বিভাগে আৰক্ষী বিভাগ আৰু সকলো নিৰ্বাচন কৰ্তৃপক্ষই যাতে মানি চলে তাৰ বাবে দৃষ্টি আকৰ্ষণ কৰাবলৈ আপোনাক অনুৰোধ জনোৱা হ'ল।

অনুগ্ৰহ কৰি এই পত্ৰৰ প্ৰাপ্তি স্বীকাৰ কৰিব

আপোনাৰ বিশ্বাসী
স্বাক্ষৰ
সত্যেন্দ্ৰ কুমাৰ ৰুডোলা
প্ৰধান সচিব

# এইচ.

# আৰ অ’ ডি ই অ’ চি ই অ’, প্ৰাৰ্থী আৰু ৰাজনৈতিক দলৰ বাবে পৰীক্ষণ তালিকা (Checklists)

# আৰ অ'ৰ বাবে পৰীক্ষণ তালিকা

**(এই পৰীক্ষণ তালিকা বিতং নহয়, কোনোধৰণৰ সন্দেহ থাকিলে বিশদ আদেশাৱলী চাওক)**

**(ক) নিৰ্বাচনৰ দিন ঘোষণাৰ আগেয়ে**

১। সকলো অৰ্হতাবিহীন প্ৰাৰ্থী, যিসকলক জন-প্ৰতিনিধিত্ব আইন, ১৯৫১-ৰ ৮ 'ক' আৰু ১১ 'ক' (খ) ধাৰা (দুৰ্নীতিমূলক আচৰণৰ বাবে) আৰু ১০ 'ক' (নিৰ্বাচনী ব্যয়ৰ হিচাপ সঠিকভাৱে দাখিলত ব্যৰ্থতা) ধাৰা অনুসৰি অৰ্হতাহীন কৰা হৈছিল, তেওঁলোকৰ শেহতীয়া তালিকা ৰাখিব লাগিব। আয়োগৰ website.www.eci.nic.in যোগেও উপলব্ধ।

২। নিম্নোক্ত প্ৰ-পত্ৰসমূহ ডি ই অ'/আৰ অ'ৰ কাৰ্যালয়ত সাজু কৰি ৰখাটো নিশ্চিত কৰিব।
(ক) বেংক ৰেজিষ্টাৰ, কেচ ৰেজিষ্টাৰ, দৈনন্দিন হিচাপৰ ৰেজিষ্টাৰ, এবষ্ট্ৰাক্ট ষ্টেটমেণ্ট (পাৰ্ট ওৱানৰপৰা পাৰ্ট ফাইভলৈ) সহ সকলো প্ৰাৰ্থীৰ নিৰ্বাচনী ব্যয়ৰ ৰেজিষ্টাৰ (সঠিক একাদিক্ৰম নম্বৰ বিশিষ্ট)-ৰ লগতে ১ৰ পৰা ১০ সূচী, এফিডেভিট আৰু প্ৰাপ্তি স্বীকাৰৰ প্ৰ-পত্ৰ।
(খ) ছায়া পৰ্যবেক্ষণ (Shadow Observation) ৰেজিষ্টাৰ।
(গ) ভিডিঅ' Cue Sheet
(ঘ) ফ্লায়িং স্কোৱাড/Static Surveillance দলৰ প্ৰতিবেদন দাখিলৰ প্ৰ-পত্ৰ।
(ঙ) স্থানীয় ভাষাত নিৰ্বাচনী ব্যয় সম্পৰ্কীয় নিৰ্দেশিকাৰ সংকলন।
(চ) অপৰাধমূলক গোচৰ, সম্পত্তি আৰু দেনা সম্পৰ্কীয় ফাৰ্ম ২৬।

৩। আগৰ নিৰ্বাচনবোৰত সংঘটিত ঘটনাৰাজি, সাক্ষৰতা আৰু প্ৰাপ্ত অভিযোগৰ ভিত্তিত সমষ্টিত ব্যয় স্পৰ্শকাতৰ স্থান চিনাক্তকৰণ আৰু এই সম্পৰ্কে আয়োগৰ ওচৰত থকা প্ৰতিবেদন।

৪। জিলাখনৰ ব্যয় নিৰীক্ষণকাৰী দলৰ বাবে ৰাজ্যিক আৰক্ষী আৰু ৰাজ্যিক আবকাৰী বিভাগৰপৰা সু-প্ৰশিক্ষক চিনাক্তকৰণ।

৫। আগৰ নিৰ্বাচনৰ সময়ত দাখিল কৰা এজাহাৰৰ সকলো নিষ্পত্তি নোহোৱা গোচৰ আৰু সেইবোৰৰ যুক্তিযুক্ত সিদ্ধান্ত সম্পৰ্কে অধ্যয়ন আৰু অনুসৰণ।

৬। ফ্লায়িং স্কোৱাড/Static Surveillance দলৰ বাবে কাৰ্যবাহী দণ্ডাধীশ হিচাপে বিজ্ঞপ্তি দিবলগীয়া বিষয়াসকলক চিনাক্তকৰণ।

৭। নিয়োগ কৰিবলগীয়া ব্যয় নিৰীক্ষণ দলবোৰৰ সকলো মানৱ শক্তিক ২/৩ পৰ্যায়ত প্ৰশিক্ষণ প্ৰদানৰ পৰিকল্পনা যুগুতকৰণ।

৮। সকলো দলৰ বাবে যান-বাহন আৰু অন্যান্য আহিলা-পাতিৰ ব্যৱস্থা কৰা।

৯। বি এ জিসকলৰ সৈতে মত বিনিময় কৰি নীতিসন্মত ভোটদান প্ৰক্ৰিয়াৰ প্ৰচাৰৰ ক্ষেত্ৰত তেওঁলোকৰ ভূমিকা সম্পৰ্কে সংবেদনশীল কৰা আৰু নিৰ্বাচনৰ সময়ত বে-আইনী কাৰ্য-কলাপ সম্বন্ধীয় তথ্যৰ যোগান ধৰা।

**(খ) নিৰ্বাচনৰ দিন ঘোষণাৰ পিছত**

১০। নিৰ্বাচনৰ দিন ঘোষণা কৰাৰেপৰা এফ এছ, ডি ডি টি, এম চি এম চি আৰু হিচাপ ৰক্ষাকাৰী দলবিলাকে যাতে কাম আৰম্ভ কৰে, সেইটো নিশ্চিত কৰিব লাগিব।

১১। এফ এছ/এছ এছ টিৰ সকলো বাহনতে যাতে জি পি আৰ এছ স্থাপন কৰা হয়, সেইটো নিশ্চিত কৰিব লাগিব আৰু ফ্লায়িং স্কোৱাডসমূহে এম চি চি-ৰ গোচৰসমূহৰ লগতে ব্যয় সম্পৰ্কীয় গোচৰবিলাক অভিযোগ পোৱাৰ আধা ঘণ্টাৰ ভিতৰতে চোৱা-চিতা কৰিব লাগিব।

১২। নিৰ্বাচন ঘোষণা কৰাৰ দিনাৰেপৰা শেষ হোৱাৰ সময়লৈ ৰাজনৈতিক দলবিলাকে কৰা ব্যয় পৰ্যবেক্ষণ কৰিব লাগিব আৰু নিৰ্বাচনৰ ফলাফল ঘোষণাৰ পিছত দল হিচাপত চি ই অ'ৰ ওচৰত প্ৰতিবেদন দাখিল কৰিব লাগিব।

১৩। এফ এছ, এছ এছ টি অথবা ই অ'ৰ নিৰ্দেশানুযায়ী যথোপযুক্তভাৱে এজাহাৰ দাখিল কৰিব লাগিব।

**(গ) নিৰ্বাচনৰ অধিসূচনা জাৰি কৰাৰ পিছত**

১৪। অধিসূচনা জাৰিৰ দিনাৰেপৰা এছ এছ টিবিলাকে যাতে কাম আৰম্ভ কৰে, তাক নিশ্চিত কৰিব লাগিব।

১৫। অধিসূচনা জাৰিৰ ৭দিনৰ ভিতৰত চি ই অ' আৰু ই চি আইৰ দ্বাৰা প্ৰাপ্ত তাৰকা প্ৰচাৰকৰ তালিকা যুগুত কৰি ৰাখিব লাগিব।

১৬। প্ৰাৰ্থীসকলে দাখিল কৰা সা-সম্পত্তি আৰু দেনা বিষয়ক প্ৰত্যয়নামা (এফিডেফিট) স্কেন কৰিব লাগিব আৰু এইবিলাক পোৱাৰ ২৪ ঘণ্টাৰ ভিতৰত চি ই অ'ৰ ৱেবছাইটত আপলোড কৰিব লাগিব।

১৭। প্ৰতীক চিহ্ন আবণ্টন দিয়াৰ পিছত ব্যয় নিৰীক্ষণ প্ৰক্ৰিয়া সম্পৰ্কে ব্যাখ্যা কৰাৰ বাবে তৎকালে সকলো প্ৰাৰ্থী অথবা এজেণ্টক লৈ এখন সভা অনুষ্ঠিত কৰিব লাগিব। সভাত নিৰ্বাচনী ব্যয় সম্পৰ্কীয় আইনগত ব্যৱস্থাৰ বিষয়ে আৰু এনে ব্যৱস্থাৰাজি মানি নচলিলে তাৰ পৰিণতি সম্পৰ্কেও ব্যাখ্যা কৰিব লাগিব।

১৮। প্ৰচাৰ অভিযান চলি থকাৰ কালত ব্যয় পৰ্যবেক্ষকে হিচাপ পৰিদৰ্শনৰ দিন সম্পৰ্কে জাননী জাৰি কৰিব আৰু হিচাপ পৰিদৰ্শন কৰোৱাত ব্যৰ্থ হোৱা প্ৰাৰ্থীলৈ ব্যয় পৰ্যবেক্ষকৰ নিৰ্দেশানুযায়ী জাননী জাৰি কৰিব লাগিব।

১৯। অভিযোগ নিৰীক্ষণ ব্যৱস্থাটো চোৱা-চিতা কৰিব আৰু প্ৰত্যেকটো অভিযোগ পোৱাৰ ২৪ ঘণ্টাৰ ভিতৰত অনুসন্ধান কৰাটো সুনিশ্চিত কৰিব।

২০। প্ৰয়োজনীয় সকলো নথি যাতে ৱেবছাইটত সন্নিৱিষ্ট হয় আৰু কোনোবাই তাৰ প্ৰতিলিপি বিচাৰি নিৰ্ধাৰিত মাচুল আদায় লৈ শীঘ্ৰে যোগান ধৰাৰ ব্যৱস্থা নিশ্চিত কৰিব।

২১। এফ এছ/এছ এছ টিয়ে বাজেয়াপ্ত কৰাৰ পিছত উপযুক্ত গোচৰৰ ক্ষেত্ৰত এজাহাৰ/অভিযোগ ক্ষিপ্ৰতাৰে দাখিল কৰাটো নিশ্চিত কৰিব লাগিব।

২২। ব্যয় পৰ্যবেক্ষক/সহকাৰী ব্যয় পৰ্যবেক্ষকসকলৰ সৈতে যোগাযোগ ৰাখি সকলো দলে যাতে নিয়াৰিকৈ কাম কৰে, সেই কথা নিশ্চিত কৰিব লাগিব।

২৩। ই অ'/ডি ই অ' আদিয়ে কোনো ত্ৰুটীলৈ আঙুলিয়ালে প্ৰাৰ্থীলৈ জাননী জাৰি কৰিব আৰু প্ৰাৰ্থী/এজেণ্টৰপৰা তাৰ উত্তৰ গ্ৰহণ কৰিব।

২৪। প্ৰাৰ্থীয়ে কৰা ব্যয়ৰ ক্ষেত্ৰত কোনো তথ্য গাপ দিলে/ত্ৰুটী দৃষ্টিগোচৰ হ'লে অথবা প্ৰাৰ্থীয়ে নিৰ্দিষ্ট দিনত নিৰ্বাচনী ব্যয় পৰিদৰ্শনৰ বাবে দাখিল নকৰিলে নাইবা নিৰ্বাচনী প্ৰচাৰৰ ব্যয় শুদ্ধকৈ নেদেখুৱালে সম্ভৱ হ'লে ২৪ ঘণ্টাৰ ভিতৰত প্ৰাৰ্থীলৈ জাননী জাৰি কৰিব।

২৫। প্ৰাৰ্থীলৈ জাৰি কৰা জাননীৰ উত্তৰ যাতে ৪৮ ঘণ্টাৰ ভিতৰত পোৱা যায়, সেইটো নিশ্চিত কৰিব।

# ডি ই অ'ৰ বাবে পৰীক্ষণ তালিকা (Checklist)

## (এই পৰীক্ষণ তালিকা বিতং নহয়, কোনো সন্দেহৰ উদ্ৰেক হ'লে বিশদ নিৰ্দেশাৱলী চাওক)

**(ক) নিৰ্বাচনৰ দিন ঘোষণাৰ আগেয়ে**

১। সহকাৰী ব্যয় পৰ্যবেক্ষকসকলক নিয়োগ কৰিবৰ বাবে আয়কৰ, শুল্ক আৰু কেন্দ্ৰীয় আবকাৰী অথবা কেন্দ্ৰীয় চৰকাৰ নাইবা ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠান অথবা ৰাজ্যিক বিত্তীয় সেৱাৰপৰা বিষয়াসকলক বাছনি কৰিব লাগিব।

২। প্ৰত্যেকটো বিধানসভা সমষ্টিৰ বাবে ফ্লায়িং স্কোৱাডত (৩জন অথবা অধিক), Static Surveillance দলৰ বাবে (৩জন অথবা বেছি) আৰু ভি ডি অ' Surveillance দলৰ বাবে (এজন বা ততোধিক) মানৱশক্তি চিনাক্ত কৰা।

৩। ভি ডি অ' Surveillance দল, ফ্লায়িং স্কোৱাড আৰু Static Surveillance দলৰ বাবে প্ৰয়োজন অনুসৰি ভিডিঅ' কেমেৰা, ৱেব কেমেৰা, জি পি আৰ এছ ব্যৱস্থাৰ দিহা কৰা।

৪। এম চি এম চি-ৰ বাবে টি ভি/টি ভি সংযোগী কম্পিউটাৰৰ ব্যৱস্থা কৰা।

৫। বিভিন্ন ঘটনাৰ পৰ্যায়, সাক্ষৰতা, আগৰবাৰৰ বিধানসভা নিৰ্বাচনৰ সময়ত ভাৰতৰ নিৰ্বাচন আয়োগৰ ওচৰত দাখিল কৰা অভিযোগৰ ভিত্তিত ব্যয়ৰ ক্ষেত্ৰত স্পৰ্শকাতৰ স্থান (ই এছ পি) আৰু ব্যয়ৰ ক্ষেত্ৰত স্পৰ্শকাতৰ সমষ্টিসমূহ (ই এছ চি)-ৰ চিনাক্তকৰণ।

৬। ব্যয় নিৰীক্ষণৰ বাবে নোডেল বিষয়া হিচাপে এ ডি এম পৰ্যায়ৰ এগৰাকী জ্যেষ্ঠ বিষয়াক চিনাক্ত কৰা আৰু ই চি আইক অৱগত কৰোৱা— তেওঁ ব্যয় নিৰীক্ষণৰ সকলো বিষয়াৰ প্ৰধান প্ৰশিক্ষক হ'ব।

৭। ব্যয় নিৰীক্ষণ কাৰ্যসূচীৰ বাবে ৰাজ্যিক আৰক্ষী আৰু ৰাজ্যিক আবকাৰী বিভাগৰ নোডেল বিষয়াক চিনাক্তকৰণ— তেওঁলোকে প্ৰধান প্ৰশিক্ষকৰ দায়িত্ব ল'ব।

৮। আগৰবাৰৰ নিৰ্বাচনৰ সময়ত এজাহাৰ দাখিল হোৱা নিষ্পত্তিহীন সকলো গোচৰ চালি-জাৰি যুক্তিযুক্ত পৰিসমাপ্তিত উপনীত হোৱা।

৯। ফ্লায়িং স্কোৱাড/Static Surveillance দলৰ বাবে কাৰ্যবাহী দণ্ডাধীশ হিচাপে নিযুক্ত হ'ব পৰা বিষয়াসকলক চিনাক্ত কৰা।

১০। ব্যয় নিৰীক্ষণ দলবিলাকত নিযুক্ত হ'বলগীয়া সকলো মানৱশক্তিক ২/৩ টা পৰ্যায়ত প্ৰশিক্ষণ প্ৰদানৰ বাবে পৰিকল্পনা যুগুত কৰা।

১১। সমাৱেশত প্ৰয়োজনীয়, নিৰিখ সম্পৰ্কীয় জাননী, নগদ ধনৰ লেনদেনৰ ক্ষেত্ৰত বাধা-নিষেধ আৰু নিৰ্বাচনৰ সময়ত দল আৰু সংবাদ মাধ্যমৰ ভূমিকা সম্পৰ্কত জিলাখনৰ সংবাদ মাধ্যম আৰু ৰাজনৈতিক দলৰ বিষয়ববীয়াসকলৰ বাবে ই ই এম সম্পৰ্কে কৰ্মশালাৰ আয়োজন কৰা।

১২। নিম্নোক্ত কথাখিনি ছপা কৰা ঃ

(ক) প্ৰাৰ্থীৰ নিৰ্বাচনী ব্যয় ৰেজিষ্টাৰ (একাদিক্ৰম নম্বৰেৰে), বেংক ৰেজিষ্টাৰ, নগদ ধন বিষয়ক ৰেজিষ্টাৰ, দৈনন্দিন হিচাপৰ ৰেজিষ্টাৰ, এবষ্ট্ৰাক্ট ষ্টেটমেণ্ট (পাৰ্ট ওৱানৰপৰা পাৰ্ট ফ'ৰলৈ) আৰু সূচী ১ৰ পৰা ১০ লৈ, প্ৰত্যয়নামাৰ প্ৰ-পত্ৰ আৰু প্ৰাপ্তি স্বীকাৰ পত্ৰ।

(খ) ছায়া পৰ্যবেক্ষণ ৰেজিষ্টাৰ

(গ) ভিডিঅ' Surveillance দলৰ বাবে ভিডিঅ' কিউ শ্বিট

(ঘ) ফ্লায়িং স্কোৱাড/Static Surveillance দলৰ বাবে প্ৰতিবেদনৰ প্ৰ-পত্ৰ

(ঙ) হিন্দী/স্থানীয় ভাষাত নিৰ্বাচনী ব্যয় নিৰ্দেশিকাৰ সংকলন

(চ) অপৰাধমূলক গোচৰ, সা-সম্পত্তি আৰু দেনা সম্পৰ্কীয় ফৰ্ম ২৬

(ছ) ৰাজনৈতিক দলসমূহৰ বাবে ব্যয়ৰ সংশোধিত বিজ্ঞপ্তি ফলাফল ঘোষণাৰ ৭৫ দিনৰ ভিতৰত দাখিল কৰিব লাগিব।

১৩। বুথ পৰ্যায়ৰ সজাগতা গোট (বি এ জি) চিনাক্তকৰণ আৰু জিলা পৰ্যায়ত বি এ জিবিলাকৰ সৈতে নীতিসন্মত নিৰ্বাচনী প্ৰচাৰ, অংগীকাৰ পত্ৰ আদিৰ সংবেদনশীলতা সম্পৰ্কীয় কাৰ্যসূচী গ্ৰহণৰ লগতে তেওঁলোকক অভিযোগ

কেন্দ্ৰত ফটো, ভিডিঅ’, অপকৌশল আদি প্ৰদৰ্শনৰ দিহা কৰা।

১৪। নাগৰিক সমাজ (চি এছ অ’)/এন জি অ’, শিক্ষাবিদ, সংবাদ মাধ্যমৰ ব্যক্তি আৰু বুদ্ধিজীৱীসকলক লৈ নীতিসন্মত নিৰ্বাচনী প্ৰচাৰ সম্পৰ্কে সভা অনুষ্ঠিত কৰি এনে প্ৰচাৰৰ ক্ষেত্ৰত তেওঁলোকক নিজৰ নিজৰ ভূমিকা সম্পৰ্কে সংবেদনশীল কৰি তোলা আৰু ভোটাৰক উপঢৌকন দিলে হ’ব পৰা শাস্তিৰ বিষয়ে সজাগতাৰ সৃষ্টি কৰা।

১৫। নীতিসন্মত ভোটদান সম্পৰ্কত বিজ্ঞাপনৰ বিষয়বস্তু, অডিঅ’-ভিডিঅ’ ভিজুৱেল, শ্ল’গান আদি প্ৰস্তুত কৰা।

১৬। নীতিসন্মত ভোটদান আৰু নিৰ্বাচনত উপঢৌকনৰ বিৰুদ্ধে বিদ্যালয় আৰু মহাবিদ্যালয়সমূহত তৰ্ক, শ্ল’গান, কাৰ্টুন আদিৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰা।

১৭। নীতিসন্মত ভোটদানৰ বাবে অংগীকাৰ পত্ৰৰ ব্যাপক প্ৰচলন আৰু ইয়াৰ বাবে স্বাক্ষৰ সংগ্ৰহ অভিযান ব্যাপক কৰি তোলাটো নিশ্চিতকৰণ।

১৮। প্ৰাৰ্থীৰ নিৰ্বাচনী ব্যয় সম্পৰ্কীয় সকলো গোচৰ (শেহতীয়া বিধানসভাৰ নিৰ্বাচনৰ প্ৰসংগত) নিষ্পত্তি কৰাটো সুনিশ্চিত কৰা।

## (খ) নিৰ্বাচনৰ দিন ঘোষণাৰ পিছত

১৯। (ক) প্ৰাৰ্থীসকলক বেংক একাউণ্ট খোলাৰ সুবিধা দান আৰু চেকবুক প্ৰদান, (খ) ১০ লাখ টকাৰ ওপৰত সন্দেহজনক লেনদেনৰ বাৰ্তা প্ৰেৰণ, (গ) এ টি এম ভানৰ ক্ষেত্ৰত বিত্ত মন্ত্ৰণালয়ৰ ২০.২.২০১৩-ৰ নিৰ্দেশিকা (সংলগ্নীকৰণ-জি ৬) অনুসৰি পদ্ধতি অনুসৰণ সম্পৰ্কে আলোচনাৰ বাবে বেংকবোৰৰ সৈতে বৈঠক আয়োজন কৰা।

২০। জিলাখনত হেলিকপ্টাৰৰ অৱতৰণ আৰু বেগ আদি পৰীক্ষাৰ ক্ষেত্ৰত সংশ্লিষ্ট নিৰ্দেশিকাবিলাক অৱলম্বন কৰা।

২১। নিৰ্বাচনৰ দিন ঘোষণাৰ পিছত জিলাখনৰ ৰাজনৈতিক দলসমূহৰ সৈতে বৈঠকৰ আয়োজন কৰি নিৰ্বাচনী প্ৰচাৰৰ ব্যয়ৰ ক্ষেত্ৰত বিভিন্ন আহিলা অথবা সামগ্ৰীৰ নিৰিখ জাৰি আৰু সেই নিৰিখ সম্পৰ্কত তেওঁলোকৰ স্বাক্ষৰসহ ঐকমত্য গঢ়ি তোলা।

২২। নিৰ্বাচনৰ দিন ঘোষণা কৰাৰ দিনাৰেপৰা জিলা পৰ্যায়ৰ অভিযোগ নিৰীক্ষণ কেন্দ্ৰ, এম চি এম চি, এফ এছ, ভি এছ টি, ভি ভি টি আৰু হিচাপৰক্ষী দলৰ কাম-কাজ আৰম্ভ কৰা। এছ এছ টিয়ে অধিসূচনা জাৰি কৰাৰ পিছত কাম আৰম্ভ কৰিব।

২৩। ৰাজনৈতিক দলসমূহৰ সকলো সমদল-সমাৱেশৰ ভিডিঅ’গ্ৰাফী কৰা, বিধানসভা নিৰ্বাচনৰ ৭৫ দিনৰ পিছত অথবা লোকসভা নিৰ্বাচনৰ ৯০ দিনৰ পিছত ৰাজনৈতিক দলবিলাকে দাখিল কৰা নিৰ্বাচনী ব্যয়ৰ হিচাপ কৰা।

২৪। নিৰ্বাচনৰ সময়ত নগদ ধনৰ সৰবৰাহৰ বিৰুদ্ধে পৰীক্ষণ পদ্ধতি সম্পৰ্কত স্থানীয় ভাষাত পুস্তিকা আদি প্ৰকাশ কৰা।

## (গ) নিৰ্বাচনৰ অধিসূচনা জাৰি কৰাৰ পিছত

২৫। এছ এছ টিবিলাকে যাতে সকলো সমষ্টিতে কাম-কাজ আৰম্ভ কৰে, ই ই এমবোৰে যাতে সমষ্টি আৰু জিলা পৰ্যায়ত কাম-কাজ আৰম্ভ কৰে আৰু ব্যয়ৰ ক্ষেত্ৰত স্পৰ্শকাতৰ সমষ্টিসমূহত যাতে এফ এছ/এছ এছ টিৰ লোকসকলে চি পি এফৰ সৈতে মিলিত হৈ কাম কৰে— সেয়া নিশ্চিত কৰা।

২৬। ডি ই এম চি গঠন আৰু আবেদনৰ পদ্ধতি সম্পৰ্কে অৱগত কৰোৱা, সকলো প্ৰাৰ্থীলৈ এফ এছ/এছ এছ টি-ৰ বাবে এছ অ’ পি-ৰ ব্যৱস্থা কৰা।

২৭। নগদ ধন বাজেয়াপ্তকৰণৰ বিৰুদ্ধে আবেদনৰ প্ৰক্ৰিয়া সম্পৰ্কত স্থানীয় সংবাদ মাধ্যমযোগে প্ৰচাৰৰ ব্যৱস্থা কৰা।

২৮। নিৰ্বাচনৰ অধিসূচনা জাৰি কৰাৰ ৭দিনৰ ভিতৰত চি ই অ’ কাৰ্যালয় অথবা আয়োগে প্ৰত্যেক্ষভাৱে পোৱা তাৰকা প্ৰচাৰকসকলৰ তালিকাৰ টোকা প্ৰস্তুত কৰি ৰখা।

২৯। সকলো স্বীকৃতিপ্ৰাপ্ত ৰাজনৈতিক দলৰ প্ৰাৰ্থীয়ে তেওঁলোকৰ প্ৰত্যয়নামাত উল্লেখ কৰা অপৰাধমূলক গোচৰ,

সা-সম্পত্তি আৰু দেনা সম্পৰ্কীয় তথ্য দাখিল কৰাৰ ২৪ ঘণ্টাৰ ভিতৰত আৰু আন্যান্য প্ৰাৰ্থীৰ ক্ষেত্ৰত মনোনয়ন পত্ৰ পৰীক্ষাৰ এদিন পিছত ৰাজহুৱা বিজ্ঞপ্তিৰ বাবে প্ৰত্যয়নামাবিলাক স্কেন কৰি চি ই অ'ৰ ৱেবছাইটত আপলোড কৰা।

৩০। নিৰ্বাচনৰ অন্তিম ৭২ ঘণ্টাৰ আগৰ সময়ছোৱাত ই ই এমত জড়িত বিভিন্ন দল, যেনে এফ এছ, এছ এছ টি, ভি এছ টি, ভি ভি টি, ই এম চি, আবকাৰী দল, এম চি এম চি, ডি ই এম চি, ২৪×৭ জিলা ই ই এম নিয়ন্ত্ৰণ কক্ষ আদি শক্তিশালী কৰি তুলিব লাগিব আৰু ভোট গ্ৰহণ কেন্দ্ৰৰ ওচৰত মোতায়েন কৰা এফ এছ, এছ এছ টিক প্ৰয়োজন অনুসৰি চি পি এফ-ৰ লোক যোগান ধৰিব লাগিব।

৩১। শেহৰ ৭২ ঘণ্টাৰ সময়ছোৱাত আৰক্ষী নিয়োগৰ পৰিকল্পনা যুগুত কৰিব লাগিব, কিয়নো নিৰ্বাচনী কৰ্তব্যৰ বাবে আৰক্ষী নিয়োগ কৰিবলগীয়া হ'ব পাৰে। শেষত ৭২ ঘণ্টাত কোনো কাৰণতে এফ এছ, এছ এছ টিৰ লোক ভাগ ভাগ নহ'ব।

**(ঘ) নিৰ্বাচন সম্পূৰ্ণ হোৱাৰ পিছত**

৩২। নিৰ্বাচনী ব্যয়ৰ হিচাপ দাখিল অন্তিম দিনটোৰ এসপ্তাহৰ আগেয়ে সকলো প্ৰাৰ্থী/নিৰ্বাচন এজেণ্ট আৰু হিচাপ গ্ৰহণৰ সৈতে জড়িত লোকসকলক লৈ এদিনীয়া প্ৰশিক্ষণ কাৰ্যসূচীৰ দিহা কৰা।

৩৩। ফলাফল ঘোষণাৰ ঠিক পিছতেই ফলাফল ঘোষণৰ ২৬ সংখ্যক দিনটোত অনুষ্ঠিত কৰিবলগীয়া 'হিচাপ মিত-মাট (Reconciliation) বৈঠক'ৰ বাবে প্ৰাৰ্থীসকললৈ পত্ৰ প্ৰেৰণ কৰি তেওঁলোকক ব্যয় সম্পৰ্কীয় প্ৰতিবেদন/বিবৃতিবোৰৰ খচৰাসহ সাজু হৈ আহিবলৈ অনুৰোধ জনোৱা আৰু সেই বৈঠকত ব্যয় পৰ্যবেক্ষকসকল, সহকাৰী ব্যয় পৰ্যবেক্ষকসকল, হিচাপৰক্ষী দলৰ সদস্যসকল, জিলাৰ নিৰ্বাচন ব্যয় নিৰীক্ষণৰ নোডেল বিষয়াই অংশগ্ৰহণ কৰিব।

৩৪। ফলাফল ঘোষণাৰ পিছতে সকলো প্ৰাৰ্থীলৈ পত্ৰ প্ৰেৰণ কৰি ফলাফল ঘোষণাৰ ৩ দিনৰ ভিতৰত হিচাপ দাখিলৰ বাবে জনোৱাৰ লগতে মিত-মাট সম্পৰ্কীয় প্ৰশিক্ষণৰ দিন উল্লেখ কৰিব।

৩৫। নিৰ্বাচনী প্ৰক্ৰিয়াৰ সময়ত প্ৰাৰ্থী গুৰুত্বহীন সামগ্ৰী সম্পৰ্কে যদি জাননী জাৰি কৰা হোৱা নাছিল, ডি ই অ'ই ফলাফল ঘোষণাৰ ১৫ দিনৰ ভিতৰত প্ৰাৰ্থীৰ পৰা উত্তৰ পাবৰ বাবে পত্ৰ প্ৰেৰণ কৰিব। তেনে পত্ৰ/উত্তৰ উভয় সম্পৰ্কে হিচাপ মিত-মাট বৈঠকত প্ৰথমেই বিবেচনা কৰিব লাগিব আৰু জিলা ব্যয় নিৰীক্ষণ কমিটী (ডি ই এম চি)ৰ নথিভুক্ত মতামতসহ ই চি আইক অৱগত কৰাব লাগিব।

৩৬। কোনো প্ৰাৰ্থীৰ হিচাপত যদি কোনো পদ্ধতিগত ত্ৰুটী থাকে, তেতিয়া হিচাপত সেই ত্ৰুটী আঁতৰাবৰ বাবে প্ৰাৰ্থীক তিনি দিনৰ সময় দি ডি ই অ'-ই জাননী জাৰি কৰিব। প্ৰাৰ্থীৰ উত্তৰ জাননীৰ প্ৰতিলিপিসহ ডি ই অ'-ই তেওঁৰ মতামতসহ আয়োগলৈ প্ৰেৰণ কৰিব।

৩৭। হিচাপ দাখিলৰ ক্ষেত্ৰত প্ৰাৰ্থীয়ে বিলম্ব কৰিলে, নিৰ্দিষ্ট দিনতকৈ ১৫ দিন বেছি বিলম্ব নহ'লে ডি ই অ'ই নিজাববীয়াকৈ প্ৰাৰ্থীলৈ জাননী জাৰি কৰি বিলম্বৰ কাৰণ সম্পৰ্কত স্পষ্টীকৰণ বিচাৰিব। ডি ই অ'ই প্ৰাৰ্থীৰ উত্তৰ পৰীক্ষা কৰিব আৰু প্ৰাৰ্থীলৈ প্ৰেৰণ কৰা জাননী আৰু প্ৰাপ্ত উত্তৰ তেওঁৰ মন্তব্যসহ আয়োগলৈ প্ৰেৰণ কৰিব।

৩৮। ডি ই অ'-ই ফলাফল ঘোষণাৰ ৩৭ দিনৰ ভিতৰত নিৰ্দিষ্ট প্ৰ-পত্ৰত (সংকলন/সংলগ্নীকৰণ চি ৩) প্ৰাৰ্থী অনুযায়ী সংক্ষিপ্তসাৰ আৰু পৰীক্ষণ প্ৰতিবেদন চূড়ান্ত কৰি সম্ভৱপৰ ক্ষেত্ৰত ফলাফল ঘোষণাৰ ৩৮ দিনৰ ভিতৰত চি ই অ'ৰ কাৰ্যালয়লৈ প্ৰেৰণ কৰিব।

৩৯। সকলো প্ৰাৰ্থীৰ এবষ্ট্ৰাক্ট ষ্টেটমেণ্ট (পাৰ্ট ওৱানৰপৰা পাৰ্ট ফ'ৰলৈ, সূচী ১ ৰপৰা ১০ সহ)-ৰ স্কেন কৰা প্ৰতিলিপি আৰ অ'ই জাৰি কৰা কোনো জাননী থাকিলে তাৰ লগতে নিৰ্বাচনৰ সময়ত প্ৰাৰ্থীৰপৰা পোৱা জাননীৰ উত্তৰ আৰু প্ৰাৰ্থীয়ে নিৰ্বাচনী ব্যয়ৰ হিচাপ দাখিল কৰাৰ ৩দিনৰ ভিতৰত চি ই অ'ৰ ৱেবছাইটত সন্নিৱিষ্ট কৰিব যাতে সৰ্বসাধাৰণে বাবে তেনে তথ্য বিস্তৃতভাৱে পাব পাৰে।

৪০। ডি ই অ'ৰ পৰীক্ষাৰ প্ৰতিবেদন দাখিলৰ ৩ দিনৰ ভিতৰত প্ৰত্যেক প্ৰাৰ্থীৰ বাবে থকা ডি ই অ'-ৰ প্ৰতিবেদন সুবিধা (Subidha)-ত (সংলগ্নীকৰণ চি ১৬)-ত সন্নিৱিষ্ট কৰিব লাগিব।

## চিইঅ'ৰ বাবে নিৰীক্ষণ তালিকা

(এই নিৰীক্ষণ তালিকা বিস্তৃত নহয়, যিকোনো কাৰণত সন্দেহৰ অৱকাশ থাকিলে অনুগ্ৰহ কৰি বিশদ নিৰ্দেশনাসমূহ লক্ষ্য কৰক)

### এ ঃ নিৰ্বাচন ঘোষণাৰ পূৰ্বে

১। নিৰ্বাচনী ব্যয় নিৰীক্ষণ (ইইএম)ৰ প্ৰশিক্ষণৰ বাবে চিইঅ' কাৰ্যালয়ত মাণ্ডলিক বিষয়া নিয়োগ কৰিবলৈ আয়োগক অৱগত কৰা আৰু ৰাজ্যিক আৰক্ষী বিভাগ, আয়কৰ বিভাগ (চালান), ৰাজ্যিক আবকাৰী বিভাগৰ সৈতে সমন্বয় স্থাপন কৰিব লাগে। ৰাজ্যত নিৰ্বাচন ঘোষণাৰ পূৰ্বে আয়োগৰ সচিব (ইইএম)ক মাণ্ডলিক বিষয়াৰ নামসমূহ, টেলিফোন-মোবাইল নম্বৰ, ই-মেইল আৰু ঠিকনা অৱগত কৰিব লাগে।

২। 'এচি'ৰ অধীনত ব্যয় সংবেদনশীল নিৰ্বাচনী ক্ষেত্ৰ (ইএছচিএছ) আৰু ব্যয় সংবেদনশীল পকেটৰ তালিকা সংকলিত কৰাৰ সূচীৰ লগতে তালিকাখন আয়োগলৈ আগতীয়াকৈ প্ৰেৰণ কৰা, বিশেষকৈ বিধানসভাৰ ম্যাদ সম্পূৰ্ণ হোৱাৰ দিনৰ পৰা ছমাহ পূৰ্বে ব্যয় পৰ্যবেক্ষকসকলৰ বাবে স্থান আৰু জিলা নিৰূপন বাঞ্চনীয়।

৩। নিৰ্বাচনী ব্যয় নিৰ্দেশনাৰ সকলো নিয়মাৱলী স্থানীয় ভাষাত অনুবাদ কৰা আৰু পৰ্যাপ্ত হাৰত ছপা কৰি ইয়াক প্ৰাৰ্থী, ইইএমত নিযুক্ত বিষয়া, সকলো বিভাগৰ মাণ্ডলিক বিষয়া, ডিইঅ'এছ আৰু আৰক্ষী অধীক্ষক, ৰাজনৈতিক দল আৰু সাংবাদিকক বিতৰণ কৰা।

৪। প্ৰাৰ্থী আৰু দলসমূহৰ বাবে ব্যয় নিৰীক্ষণত প্ৰয়োজনীয় সকলো পঞ্জীয়ন বহী আৰু প্ৰ-পত্ৰ ছপা কৰা।

৫। ৰাজ্যত ইইএমৰ বাবে আগতীয়াকৈ নিযুক্ত কৰিবলগীয়া (জিলা পৰ্যায়ৰ ডিইঅ' কাৰ্যালয়ত, আৰক্ষী আৰু আবকাৰী বিভাগত) সকলো মাষ্টাৰ প্ৰশিক্ষক/মাণ্ডলিক বিষয়াক চিনাক্ত কৰা আৰু তেওঁলোকক প্ৰশিক্ষণৰ বাবে সাজু কৰা।

৬। ব্যয় নিৰীক্ষণৰ বাবে প্ৰয়োজনীয় মানৱ শক্তি চিহ্নিত কৰা। ভিএছটি, ভিভিটি, এফএছ, এছএছটি, এমবিএমচি আৰু গাণনিক দলৰ সদস্যক দুই বা তিনিদিনৰ প্ৰশিক্ষণ কাৰ্যসূচীৰ যোগেদি এফএছ/এছএছটি/ডিএছটি/গাণনিক দল/এমচিএমচি/জিলা পৰ্যায়ৰ অভিযোগ কেন্দ্ৰত মানৱ শক্তিক সুদৃঢ় কৰা আৰু উপযুক্তভাৱে প্ৰশিক্ষিত কৰাটো সুনিশ্চিত কৰা।

৭। প্ৰতিখন জিলাত নিৰ্বাচনৰ দিন ঘোষণাৰ পৰা নিৰ্বাচন সমাপ্ত নোহোৱালৈকে ফ্লাইং স্কোৰ্ড' (এফএছ)ৰ কাৰ্যবাহী দণ্ডাধীশ হিচাপে কাৰ্য কৰিব লগা সকলো বিষয়াক পূৰ্বতে চিহ্নিত কৰি ৰখাটো সুনিশ্চিত কৰা।

৮। সকলো দলৰ বাবে বাহন, এমচিএমচি, এফএছ/এছএছটি/ভিএছটি আৰু টিভিৰ বাবে কেব্‌ল কানেকছন, ভিডিঅ' কেমেৰা, ৱেব কেমেৰা ইত্যাদিৰ ব্যৱস্থাপনা ডিইঅ'সকলে সম্পূৰ্ণ কৰাটো নিশ্চিত কৰা।

৯। বাহনসমূহ এফএছটি/এছএছটিয়ে ব্যৱহাৰ কৰাটো নিশ্চিত কৰা আৰু ইয়াত জিপিআৰএছ ব্যৱস্থাপনা সংযুক্ত কৰা।

১০। আয়োগে জাৰি কৰা ইইএম নিৰ্দেশনা সন্দৰ্ভত ৰাজ্যিক পৰ্যায়ত ৰাজনৈতিক দলসমূহৰ বাবে কৰ্মশালা প্ৰস্তুত কৰা। সংবাদ মাধ্যমৰ বাবে ইইএমৰ সন্দৰ্ভত কাৰ্যকৰী কৰ্মশালাৰ আয়োজন কৰা।

১১। ৰাজ্য/জিলাৰ বাবে ডিআইপিআৰ আৰু ডিআইভিপি হাৰৰ লগতে মিডিয়া বিজ্ঞাপনৰ নিৰিখ নিৰূপণ কৰা।

১২। নিৰ্বাচনৰ সময়ত ৰাজ্যলৈ বহিঃৰাজ্যৰ পৰা অবৈধ সুৰা, ড্ৰাগ্‌ছ ইত্যাদিৰ সৰবৰাহ নিয়ন্ত্ৰণৰ বাবে সীমান্তৱৰ্তী ৰাজ্যসমূহৰ আবকাৰী আয়ুক্ত আৰু আৰক্ষী আয়ুক্তসকলৰ সৈতে যোগাযোগ স্থাপন কৰা।

১৩। ৰাজ্যৰ সকলো ব্যৱসায়িক বিমানবন্দৰত বিমানবন্দৰ চোৰাংচোৱা ইউনিট কাৰ্যক্ষম কৰিবলৈ আৰু ৰাজ্যৰ বাকী অ-বাণিজ্যিক বিমানবন্দৰ/এয়াৰষ্ট্ৰীপ/হেলিপেড চিনাক্ত কৰিবলৈ আৰু সঠিক নিৰীক্ষণৰ বাবে ৰাজ্যৰ আয়কৰ সঞ্চালক (অনুসন্ধান)ৰ সৈতে যোগাযোগ স্থাপন কৰা।

১৪। বিএছএফ বা আইটিবিপিৰ সৈতে যোগসূত্ৰ স্থাপন কৰা। ৰাজ্যত যদি আন্তৰ্জাতিক সীমা থাকে তেন্তে নিৰ্বাচনৰ সময়ত তেওঁলোকক নগদ ধন, সুৰা বা ড্ৰাগ্‌ছ সৰবৰাহ সম্পৰ্কে সতৰ্ক কৰা।

১৫। বিগত নিৰ্বাচনৰ সকলো পুৰণি বিচৰাধীন গোচৰসমূহ অনুসৰণ কৰাৰ বাবে, য'ত এফআইআৰ দাখিল কৰা হৈছিল সেইসমূহ ন্যায়সন্মতভাৱে সমাপ্ত কৰা।

১৬। বিগত নিৰ্বাচনৰ সৈতে সম্পৰ্কিত প্ৰাৰ্থীসকলৰ নিৰ্বাচনী ব্যয়ৰ সকলো গোচৰ নিষ্পত্তি কৰাটো সুনিশ্চিত কৰা।

### নৈতিক ভোটদান

১৭। ভোটকেন্দ্ৰৰ পৰ্যায়ৰ পৰা সজাগতা গোট (বিএজি) গঠন কৰি তেওঁলোকক সকলো নৈতিক ভোটিং সামগ্ৰী আৰু ছফ্‌টৱেৰেৰে সজ্জিত কৰা, যাতে কোনো ৰেগিং অথবা ভয়-ভাবুকিৰ ফটো/ভিডিঅ' আপলোড কৰিব পৰা যায়। লগতে ডিইঅ'সকলে

নৈতিক ভোটদান অভিযানৰ বাবে বিএজিৰ সৈতে কাৰ্যকৰী সভা অনুষ্ঠিত কৰা, প্ৰতিশ্ৰুতি পত্ৰত স্বাক্ষৰ কৰা ইত্যাদি নিশ্চিত কৰা।

১৮। নৈতিক ভোটদানৰ সংবাদ প্ৰচাৰ কৰিবলৈ ৰাজ্যৰ সকলো নাগৰিক সমিতি (চিএছঅ'এছ)/বেচৰকাৰী সংস্থা, শিক্ষাবিদ, সংবাদ মাধ্যমৰ ব্যক্তিৰ সৈতে বৈঠক অনুষ্ঠিত কৰা।

১৯। নৈতিক ভোটদান সন্দৰ্ভত অডিঅ', ভিডিঅ', ভিজুৱেল শ্ল'গান আদি বিষয়ক বিজ্ঞাপন প্ৰস্তুত কৰা।

২০। নৈতিক ভোটদান সন্দৰ্ভত বিদ্যালয় আৰু মহাবিদ্যালয়সমূহত তৰ্ক, শ্ল'গান, কাৰ্টুন প্ৰতিযোগিতা আয়োজন কৰাৰ লগতে নৈতিক ভোটদানৰ বাবে আৰু উৎকোচৰ বিৰুদ্ধে প্ৰতিশ্ৰুতি প্ৰ-পত্ৰ/স্বাক্ষৰ অভিযানৰ যোগেদি ব্যাপক প্ৰচাৰ চলোৱা।

২১। নৈতিক ভোটদান তথা উৎকোচৰ দণ্ডমূলক ব্যৱস্থা সন্দৰ্ভত সংবাদ মাধ্যমৰ সংগঠনৰ সৈতে সহযোগিতা গঢ়ি তোলা।

২২। পঞ্জীয়নভুক্ত ৰাজনৈতিক দলসমূহৰ বাৰ্ষিক হিচাপ পৰীক্ষকৰ প্ৰতিবেদন, নিৰ্বাচনী ব্যয়ৰ খতিয়ান আৰু অৰদানৰ প্ৰতিবেদন সন্দৰ্ভত ৱেবছাইটযোগে তথ্য আপডেট কৰা।

২৩। নিৰ্বাচন আয়োগৰ ৰিটাৰ্ণ প্ৰিপেৰ্য়াছ (ইচিআৰপিএছ)ৰ প্ৰশিক্ষণ আৰু প্ৰমাণ-পত্ৰৰ বাবে এটা অংশীদাৰী সংগঠন বাচনি কৰা।

## বি ঃ নিৰ্বাচন ঘোষণাৰ পিছত

২৪। সকলো মুখ্য ৰেলীৰ ব্যয় লক্ষ্য কৰিবলৈ, অভিযোগ সংগ্ৰহ কৰিবলৈ আৰু আদৰ্শ আচৰণ বিধি বলৱৎ কৰিবলৈ নিৰ্বাচনী দিন ঘোষণা কৰাৰ পিছৰে পৰা জিলা পৰ্যায়ৰ অভিযোগ নিৰীক্ষণ কেন্দ্ৰ, এফএছএছ, ভিএছটিএছ, ভিভিটিএছ, গাণনিক দলৰ কাম-কাজ আৰম্ভ কৰা। দিন ঘোষণাৰ পিছত দলসমূহৰ খৰচৰ তথ্য ভিএছটি আৰু এফএছ-এ সংগ্ৰহ কৰিব লাগে আৰু চিইঅ'ক সংকলিত প্ৰতিবেদন দাখিল কৰিব লাগে। যাতে সকলো দলে ব্যয়ৰ বিস্তৃত প্ৰতিবেদন পৰৱৰ্তী সময়ত দাখিল কৰিব পাৰে।

২৫। দিন ঘোষণাৰ তাৰিখৰ পৰা এমচিএমচি-এ কাম আৰম্ভ কৰিব লাগিব।

২৬। স্বীকৃতিপ্ৰাপ্ত ৰাজনৈতিক দলৰ প্ৰাৰ্থীয়ে মনোনয়ন দাখিলৰ ২৪ ঘণ্টাৰ ভিতৰত আৰু অন্যান্য প্ৰাৰ্থীসকলৰ মনোনয়ন পৰীক্ষাৰ এদিন পিছত অপৰাধমূলক গোচৰৰ শপতনামাৰ স্কেন কপি, সম্পত্তি আৰু দায়বদ্ধতাৰ সকলো তথ্য চিইঅ'ৰ ৱেবছাইটযোগে আপলোড কৰিবলৈ জিলা পৰ্যায়ত ব্যৱস্থাপনা গঢ়ি তুলিব লাগিব।

২৭। অধিসূচনাৰ তাৰিখৰ পৰা এছএছটি সঠিকৰূপে গঠন আৰু পৰিচালনা হোৱাটো নিশ্চিত কৰিবলৈ ডিইঅ'সকলক নিৰ্দেশ দিয়া হয়। নিৰ্বাচনী অধিসূচনা জাৰি হোৱাৰ দিনৰ পৰা নিৰ্দিষ্ট তালিকাত দলসমূহৰ প্ৰতিবেদন দাখিল কৰিব লাগে।

২৮। ইএছচিৰ এফএছ/এছএছটিত চিএপিএফ চামিল হোৱাটো নিশ্চিত কৰা।

## চি ঃ নিৰ্বাচনৰ অধিসূচনা জাৰি হোৱাৰ পিছত

২৯। সকলো সমষ্টিত এছএছটি কাৰ্যকৰী হোৱা আৰু ইইএমৰ সকলো দলৰ সমষ্টি আৰু জিলা পৰ্যায়ত সক্ৰিয় হৈ থকাৰ লগতে ব্যয় সংবেদনশীল সমষ্টিত এফএছ/এছএছটিত চিপিএফ চামিল হোৱাটো নিশ্চিত কৰা।

৩০। নিৰ্বাচনৰ সময়ত নগদ ধন বহন কৰাত নিষেধাজ্ঞা, নগদ ধন পৰীক্ষা কৰা আৰু জব্দৰ বিৰুদ্ধে আবেদন প্ৰক্ৰিয়াৰ বিষয়ে স্থানীয় ভাষাৰ সকলো সংবাদ মাধ্যমত প্ৰচাৰ কৰা।

৩১। নিৰ্বাচনী অধিসূচনাৰ ৭ দিনৰ ভিতৰত চিইঅ' কাৰ্যালয় বা আয়োগৰ পৰা পোনপটীয়াকৈ লাভ কৰা ষ্টাৰ প্ৰচাৰকৰ তালিকাত নজৰ ৰাখিবলৈ আৰু ডিইঅ'/আৰঅ'সকলৰ মাজত প্ৰচাৰ কৰা আৰু ৱেবছাইটত আপলোড কৰা।

৩২। অপৰাধমূলক গোচৰ সম্পৰ্কে শপতনামাসমূহৰ প্ৰতিলিপি, সম্পত্তি আৰু দায়বদ্ধতাৰ প্ৰতিলিপি ডিইঅ'সকলে জাননী ফলকত প্ৰদৰ্শিত হোৱা নিশ্চিত কৰা আৰু ইয়াৰ স্কেন কপি ২৪ ঘণ্টাৰ ভিতৰত ৱেবছাইটত আপলোড কৰা।

৩৩। সকলো ব্যয় পৰ্যবেক্ষকৰ দ্বাৰা একাউণ্টৰ তিনিটা পুনৰীক্ষণৰ তাৰিখৰ জাননী দিয়াটো নিশ্চিত কৰা।

৩৪। প্ৰতিটো পুনৰীক্ষণৰ অন্তত প্ৰাৰ্থীসকলৰ পঞ্জীৰ স্কেন কৰা প্ৰতিলিপিসমূহ চিইঅ'ৰ ৱেবছাইটত প্ৰদান কৰা লিংকৰ সৈতে ডিইঅ'ৰ প'ৰ্টেলত আপলোড কৰাটো নিশ্চিত কৰা।

৩৫। ৰাজ্যিক পৰ্যায়ৰ এমচিএমচি গঠন কৰা আৰু যদি কোনো সন্দেহযুক্ত পেইড নিউজ/সংযোজিত গোচৰ থাকে, তেন্তে সময়ানুসাৰে নিষ্পত্তি কৰা।

৩৬। ইএছচি আৰু ইপিএছসকলৰ নিশ্চিদ্ৰ নিৰীক্ষণ চলাটো নিশ্চিত কৰা।

৩৭। এফএছ, এছএছটি, ভিএছটি, ভিভিটি, ইএমচি, আবকাৰী দল, এমচিএমচি, ডিইএমচি, গাণনিক দল, ২৪×৭ জিলা ইইএম নিয়ন্ত্ৰণ কক্ষ আদিৰ দৰে ইইএমসমূহ ভোটদানৰ ৭২ ঘণ্টাৰ ভিতৰত শক্তিশালী কৰি তুলিব লাগিব আৰু প্ৰয়োজন সাপেক্ষে এফএছ, এছএছটি বা চিপিএফ প্ৰদান কৰিব লাগে, যাক ভোটকেন্দ্ৰৰ কাষত নিয়োজিত কৰা হ'ব।

৩৮।	৭২ ঘণ্টাৰ ভিতৰত আৰক্ষী মোতায়েনৰ পৰিকল্পনা থাকিব লাগিব, যিহেতু ভোটদানৰ সময়ত আৰক্ষীৰ প্ৰয়োজন হ'ব পাৰে। লগতে বিগত ৭২ ঘণ্টাৰ ভিতৰত কোনো কাৰণতে এফএছ, এছএছটি ভংগ হ'ব নোৱাৰে।

৩৯।	জব্দৰ প্ৰতিবেদন সকলো মাণ্ডলিক বিষয়াই সময়মতে আয়োগলৈ প্ৰেৰণ কৰাটো নিশ্চিত কৰা।

৪০।	অভিযোগ সন্দৰ্ভত আধা ঘণ্টাৰ ভিতৰত বিহিত ব্যৱস্থা গ্ৰহণ সুনিশ্চিত কৰা।

৪১।	সকলো মুখ্য ৰেলীৰ ভিডিঅ'গ্ৰাফ কৰাটো নিশ্চিত কৰা।

৪২।	এফএছ/এছএছটি/গাণনিক দলে কোনো বিসংগতি চিনাক্ত কৰিলে আৰঅ'সকলে তাৎক্ষণিকভাৱে এজাহাৰ দাখিল কৰাটো সুনিশ্চিত কৰা।

**ডি ঃ ভোটদানৰ দিনা**

৪৩।	আয়োগে বিয়লি ৫ বজাত অনুষ্ঠিত কৰিবলগীয়া সংবাদমেলৰ পূৰ্বে ইইএমৰ পৰা ভোটদানৰ দিনলৈ আৰু ভোটদানৰ দিনলৈকে (অনুবন্ধ-চি৬) সন্দৰ্ভত সংকলিত চিইঅ'ৰ প্ৰতিবেদনত দুপৰীয়া ১ বজাৰ আগত বা ভিতৰত ইচিআইক দাখিল কৰিব লাগিব।

**ই ঃ নিৰ্বাচন সম্পূৰ্ণ হোৱাৰ পিছত**

৪৪।	যদি কোনো এজাহাৰ দাখিল কৰা হোৱা নাই বা আয়কৰ বিভাগক হস্তান্তৰ কৰা হোৱা নাই, তেন্তে ভোটদানৰ ৭ দিনৰ ভিতৰত জব্দ কৰা নগদ ধন/সামগ্ৰী ওভতাই দিয়াটো নিশ্চিত কৰা।

৪৫।	প্ৰাৰ্থীসকলৰ পৰা নিৰ্বাচনী ব্যয়ৰ তথ্য সংগ্ৰহৰ বাবে ডিইঅ' কাৰ্যালয়ৰ কৰ্মচাৰী আৰু প্ৰাৰ্থীসকলৰ বাবে জিলা পৰ্যায়ত প্ৰশিক্ষণ (ফলাফল ঘোষণাৰ ২৩ দিনৰ ভিতৰত) অনুষ্ঠিত কৰাটো নিশ্চিত কৰা।

৪৬।	নিৰ্বাচন সম্পূৰ্ণ হোৱাৰ ২৩তম দিনত প্ৰাৰ্থীসকলৰ সৈতে, যিসকলে মীমাংসাৰ বাবে ব্যয়ৰ একাউণ্ট বিবৃতি/প্ৰতিবেদনৰ সৈতে আহিব, মীমাংসা সভা আয়োজন কৰাটো নিশ্চিত কৰা।

৪৭।	প্ৰতিবেদন পোৱাৰ পিছত (প্ৰাৰ্থীসকলে দাখিল কৰা সকলো একাউণ্টৰ বিস্তৃত বিবৃতি) তিনিদিনৰ ভিতৰত ডিইঅ' কাৰ্যালয়ে ৱেবছাইটত আপলোড কৰিব লাগিব।

৪৮।	ডিইঅ'সকলে প্ৰতিবেদন দাখিলৰ দুদিনৰ ভিতৰত জাননী ফলকত প্ৰাৰ্থীসকলৰ নাম, একাউণ্টৰ তাৰিখ আৰু সময়, স্থান, যি স্থানত এনে একাউণ্ট পৰীক্ষা কৰিব পাৰি, বিৱৰণী দিয়াটো সুনিশ্চিত কৰা।

৪৯।	ডিইঅ'সকলে ফলাফল ঘোষণাৰ ৩৮ দিনৰ ভিতৰত পৰীক্ষা প্ৰতিবেদন চিইঅ'লৈ প্ৰেৰণ কৰাৰ লগতে ফলাফলৰ ৪৫ দিনৰ ভিতৰত আয়োগে এই প্ৰতিবেদন দিয়াটো সুনিশ্চিত কৰা (অনুবন্ধ-চি৩)।

৫০।	ডিইঅ'সকলে পৰীক্ষাৰ প্ৰতিবেদন চূড়ান্ত কৰাৰ পিছত তিনিদিনৰ ভিতৰত 'সুবিধা'ত পৰীক্ষাৰ প্ৰতিবেদনৰ ডাটা এণ্ট্ৰিৰ পৰিকল্পনা প্ৰস্তুত কৰিব লাগিব।

৫১।	নিৰ্বাচনী বিধি ভংগৰ উৎকোচ সম্পৰ্কীয় সকলো আৰক্ষীৰ গোচৰ, য'ত এজাহাৰ দাখিল কৰা হৈছিল বা ন্যায়ালয়ত গোচৰ ৰুজু হৈছিল সেইসমূহ ন্যায়িকভাৱে নিষ্পত্তি কৰা।

৫২।	ৰাজ্যিক পৰ্যায়ৰ এমচিএমচিৰ দ্বাৰা স্থগিত হৈ থকা সন্দেহযুক্ত পেইড নিউজৰ গোচৰবোৰ নিষ্পত্তি কৰা আৰু পেইড নিউজৰ গোচৰৰ তালিকা আয়োগলৈ প্ৰেৰণ কৰা।

৫৩।	পৰীক্ষাৰ প্ৰতিবেদন লাভ কৰাৰ ৭ দিনৰ ভিতৰত মন্তব্যৰ সৈতে পৰীক্ষা আৰু সাৰাংশ প্ৰতিবেদন ডিইঅ'সকলে আয়োগলৈ প্ৰেৰণ কৰিব লাগিব। এইক্ষেত্ৰত চিইঅ'ই নিশ্চিত কৰিব যে ডিইঅ'সকলে ডিইএমচিক প্ৰতিবেদন, জাননী আৰু প্ৰাৰ্থীৰ বিৱৰণীসহ (যদি থাকে) পৰীক্ষাৰ প্ৰতিবেদন প্ৰেৰণ কৰিব।

৫৪।	নিৰ্বাচনৰ সময়ত সংগ্ৰহ কৰা প্ৰমাণ (ভিডিঅ' চিডি আদি) আৰু ছেড' অবজাৰভেচন ৰেজিষ্টাৰ ডিইঅ'সকলে ৰাখিব, যাতে কোনো কাৰণত অভিযোগ উত্থাপন হ'লে ভৱিষ্যতে ইয়াক আয়োগক দাখিল কৰিব পাৰে।

# প্ৰাৰ্থীৰ বাবে নিৰীক্ষণ তালিকা

(এই নিৰীক্ষণ তালিকা বিস্তৃত নহয়, যিকোনো কাৰণত সন্দেহৰ অৱকাশ থাকিলে অনুগ্ৰহ কৰি বিশদ নিৰ্দেশনাসমূহ লক্ষ্য কৰক)

**এ ঃ মনোনয়নৰ সময়লৈকে**

১। মনোনয়ন দাখিলৰ কমেও এটা দিন আগতে নিৰ্বাচনী ব্যয়ৰ উদ্দেশ্যে বিশেষভাৱে এটা পৃথক বেংক একাউণ্ট খোলা।

২। নিৰ্বাচনী বিষয়াৰ পৰা নিৰ্বাচন ব্যয় পঞ্জীয়ন বহী ল'বলৈ বিধিসন্মত ক্ৰমিক সংখ্যা, পৃষ্ঠা সংখ্যা আৰু আৱশ্যক সংখ্যা, য'ত নগদ পঞ্জী, বেংক পঞ্জী আৰু দিন-প্ৰতিদিনৰ হিচাপ পঞ্জী, অন্যান্য বিবৃতি (Iৰ পৰা IV অংশ), শপতনামা, স্বীকৃতি আৰু দাখিল কৰা আৰু আৰঅ'ৰ পৰা নিৰ্বাচন ব্যয়ৰ পৰ্যবেক্ষণ সম্পৰ্কীয় নিৰ্দেশনা পত্ৰ ল'ব লাগিব।

৩। নিৰ্বাচনী ব্যয়ৰ বাবে পৃথক এজেণ্টৰ নাম অৱগত কৰা, যদি থাকে তেন্তে আৰঅ'ক অৱগত কৰা।

৪। ব্যয় এজেণ্টে যাতে ৰিটাৰ্ণিং বিষয়াৰ দ্বাৰা আয়োজিত নিৰ্বাচনী ব্যয় পঞ্জী ৰক্ষণাবেক্ষণ আৰু নিৰ্বাচনী ব্যয়ৰ সন্দৰ্ভত প্ৰশিক্ষণ কাৰ্যসূচীত অংশগ্ৰহণ কৰে তাক সুনিশ্চিত কৰা।

৫। আপোনাৰ সমষ্টিৰ নিৰ্বাচনী ব্যয়ৰ সীমা আৰু নিৰ্বাচনী ব্যয় নিৰীক্ষণ সম্পৰ্কে আইন/নিৰ্দেশনা জানি থোৱা।

৬। ডিইঅ'ৰ পৰা অধিসূচনা বা নিৰ্বাচনী প্ৰচাৰ সামগ্ৰীৰ হাৰৰ প্ৰতিলিপি প্ৰাপ্ত কৰা।

৭। নিৰ্বাচনী ব্যয় নিৰীক্ষণৰ নিৰ্দেশনা সন্দৰ্ভত যদি কোনো সন্দেহ থাকে তেন্তে নিৰ্বাচনী ব্যয় নিৰীক্ষণৰ মাগুলিক বিষয়াৰ সৈতে যোগাযোগ কৰা।

৮। নিৰ্বাচনী ব্যয় নিৰীক্ষণ নিৰ্দেশনাৰ সন্দৰ্ভত সকলো কৰ্মীক প্ৰশিক্ষণ দিয়া।

৯। প্ৰ-পত্ৰ ২৬-ত সম্পত্তি আৰু দায়বদ্ধতা সন্দৰ্ভত শপতনামা নিৰ্বাচন আয়োগৰ ৰিটাৰ্ণ প্ৰিপেৰ্য়াছে (ইচিআৰপি)য়ে ই-ফিলিঙৰ সুবিধা উপলব্ধ কৰাটো নিশ্চিত কৰা। এই সুবিধা ইচিআৰপিয়ে প্ৰাৰ্থীসকলক বিনামূলীয়াকৈ প্ৰদান কৰিব।

**বি ঃ মনোনয়নৰ তাৰিখৰ পৰা ফলাফল ঘোষণাৰ তাৰিখলৈ**

১০। আৰঅ'ৰ পৰা প্ৰাপ্ত নিৰ্বাচনী ব্যয় পঞ্জীত সকলো নিৰ্বাচনী ব্যয়ৰ দিন-প্ৰতিদিনৰ হিচাপ বাহাল ৰখা।

১১। নিৰ্বাচনী প্ৰচাৰৰ বাবে ব্যৱহাৰ কৰিবলগীয়া সকলো বাহনৰ অনুমতি লোৱা আৰু এনে প্ৰতিখন বাহনৰ উইণ্ডস্ক্ৰীণত অনুমতি পত্ৰ প্ৰদৰ্শন কৰাটো নিশ্চিত কৰা।

১২। যদি প্ৰাৰ্থীয়ে কোনো বাহন ব্যৱহাৰ নকৰে, তেন্তে এই সন্দৰ্ভত আৰঅ'ক অৱগত কৰিব লাগিব আৰু অনুমতিপত্ৰ বাতিল কৰিব লাগিব, অন্যথা এনে বাহনৰ ওপৰত ব্যয় গণনা কৰা হ'ব আৰু তেওঁৰ ব্যয়ত যোগ কৰা হ'ব।

১৩। ৰেলী/শোভাযাত্ৰা/ৰাজহুৱা সভা অনুষ্ঠিত কৰিবলৈ অনুমতি লোৱাৰ লগতে পৰিকাল্পনিক ব্যয় পদ্ধতিৰ অনুবন্ধ ডি-১ অনুসাৰে এনে ৰেলী/সভাৰ দিনৰ আগতে আৰঅ'ক দাখিল কৰিব লাগিব।

১৪। ৰেলীৰ বাবে ভাড়া কৰা বাণিজ্যিক বাহনৰ বাবে সকলো ব্যয় হিচাপত অন্তৰ্ভুক্ত কৰাটো নিশ্চিত কৰা।

১৫। আয়োগৰ নিৰ্দেশনা অনুসৰি প্ৰাৰ্থীয়ে অংশ লোৱা ৰেলী/প্ৰদৰ্শিত ফটো/প্ৰচাৰিত নামৰ ক্ষেত্ৰত হোৱা ব্যয় হিচাপত সন্নিৱিষ্ট কৰাটো নিশ্চিত কৰা। এয়া সুনিশ্চিত কৰা যে এই হিচাপৰ সূচী 'ছেড' অবজাৰভেছন'ৰ অনুসাৰে লিপিবদ্ধ হয়। নিৰ্বাচনী ব্যয়ৰ ক্ষেত্ৰত যিকোনো কম অনুমান/কম প্ৰতিবেদনৰ বাবে আৰঅ'ক কাৰণ দেখুওৱাৰ জাননী জাৰি কৰা হ'ব পাৰে।

১৬। আৰ পি আইন, ১৯৫১ৰ ধাৰা ১২৭-এৰ অধীনত নিৰ্বাচনী পোষ্টাৰ প্ৰিণ্ট কৰা আদি, আৰু ডিইঅ'ক তথ্য যোগান ধৰাৰ লগতে অনুবন্ধ এ আৰু বি অনুসৰি প্ৰকাশক আৰু মুদ্ৰকৰ অনুমোদন সাপেক্ষে প্ৰকাশ কৰা সন্দৰ্ভত সজাগতা সৃষ্টি কৰা। জাননী অংশত পোষ্টাৰ আৰু লিফ্লেট ছপা কৰাৰ বিষয়ে প্ৰকাশক আৰু মুদ্ৰকৰ পৰিচয় দাখিল কৰিব লাগিব।

১৭। আৰপি ১৯৫১আইনৰ ১২৩ধাৰা আৰু ভাৰতীয় দণ্ডবিধিৰ ১৭১ বিৰ পৰা ১৭১ আই সন্দৰ্ভত অৱগত হোৱা।

১৮। মনোনয়ন দাখিল কৰাৰ তাৰিখৰ পৰা দিন-প্ৰতিদিনৰ হিচাপ, নগদৰ খতিয়ানপঞ্জী আৰু বেংক পঞ্জী নিয়মীয়াকৈ বাহাল ৰখা আৰু মনোনয়ন দাখিল কৰাৰ তাৰিখত হোৱা সকলো ব্যয় অন্তৰ্ভুক্ত কৰা।

১৯। সকলো পোষ্টাৰ, বেনাৰ, লিফ্লেট মনোনয়নৰ আগতে ছপা/প্ৰকাশ কৰিলেও কিন্তু মনোনয়নৰ পিছত ব্যৱহাৰ/প্ৰদৰ্শন কৰিলেও ই প্ৰাৰ্থীৰ নিৰ্বাচনী ব্যয়ত হিচাপত ধৰা হ'ব বুলি জ্ঞাত থকা।

২০। যদি কোনো ৰাজনৈতিক দল (স্বীকৃত বা অস্বীকৃত)ৰ পৃষ্ঠপোষকতাত প্ৰাৰ্থী অৱতীৰ্ণ হয়, তেন্তে তেওঁ সুনিশ্চিত কৰা প্ৰয়োজন যে ষ্টাৰ কেম্পেইনাৰৰ তালিকা দলীয়ভাৱে আয়োগক দাখিল কৰা হৈছে আৰু চিইঅ'-এ নিৰ্বাচনী অধিসূচনাৰ ৭ দিনৰ ভিতৰত আৰপি ১৯৫১ আইনৰ ৭৭ ধাৰা অনুযায়ী ৰিটাৰ্ণিং বিষয়া/ব্যয় পৰ্যবেক্ষক/নিৰ্বাচনী ব্যয় নিৰীক্ষণ দলসমূহক দাখিল কৰা

হৈছে নে নাই সেই সন্দৰ্ভত সজাগ হোৱা আৰু ইয়াৰ লাভালাভ গ্ৰহণ কৰা।

২১। দলৰ পৰা ষ্টাৰ কেম্পেইনাৰসকলৰ ভ্ৰমণ (হেলিকপ্টাৰৰ দৰে) ব্যয়ৰ বিৱৰণ প্ৰাপ্ত কৰিবলৈ যাতে প্ৰাৰ্থীৰ হিচাপত ইয়াক সন্নিৱিষ্ট কৰিব পৰা যায়, তেওঁৰ সমষ্টিত বিমান/হেলিকপ্টাৰ অৱতৰণৰ ৫ দিনৰ ভিতৰত এই সন্দৰ্ভত আৰঅ'ক অৱগত কৰিব লাগে। আৰঅ'গৰাকীক হেলিকপ্টাৰ/বিমানৰ মালিক/লিজ দিয়া কোম্পানীক ধন পৰিশোধৰ মাচুল, যাত্ৰীসকলৰ নাম আৰু ৰাজনৈতিক দলৰ নাম (যদি দলে নিয়োগৰ বাবে ব্যয় বহন কৰিছিল) দাখিল কৰিব লাগে।

২২। এয়া সুনিশ্চিত কৰা হওক যে ১০,০০০/- টকাতকৈ অধিক ব্যয়ৰ ৰচিদ থাকে। বৰঙণি, ঋণ, জমা, অগ্ৰিম ধনৰ ক্ষেত্ৰত ১০,০০০/- টকাতকৈ অধিক হ'লে নগদ হ'ব নোৱাৰে আৰু এইক্ষেত্ৰত লেনদেন বিশেষভাৱে নিৰ্বাচনী ব্যয় উদ্দেশ্যৰ বাবে খোলা বেংক একাউণ্টৰ জৰিয়তে চেক বা ড্ৰাফ্ট বা বেংক স্থানান্তৰৰ দ্বাৰা হ'ব লাগে।

২৩। দলৰ পৰা লাভ কৰা পুঁজি, নিজৰ পুঁজিৰ পৰা, বিভিন্ন উৎসৰ পৰা সংগৃহীত বৰঙণি/উপহাৰ/ঋণ আদিৰ জৰিয়তে ধন প্ৰাপ্তিৰ সকলো বিৱৰণ ৰখাটো বাঞ্চনীয়। আনকি বকেয়া/পৰিশোধযোগ্য পৰিমাণো অন্তৰ্ভুক্ত কৰিব লাগিব।

২৪। সেৱা/সামগ্ৰীৰ ক্ষেত্ৰত যিসকল লোকে এই সামগ্ৰী লাভ কৰে তেওঁলোকৰ নাম আৰু ঠিকনা হিচাপ পঞ্জীত উল্লেখ কৰিব লাগিব আৰু প্ৰাৰ্থীৰ ব্যয় হিচাপেও যোগ কৰা হ'ব।

২৫। এয়া জনা দৰকাৰ যে নিৰ্বাচনী প্ৰচাৰত ব্যৱহাৰ কৰা বিভিন্ন সামগ্ৰী/সেৱাৰ নিৰিখ ডিইঅ'ই সমষ্টি অনুসাৰে প্ৰাৰ্থী/এজেণ্টসকলৰ সৈতে আলোচনা কৰি নিৰ্ধাৰণ কৰে। এইক্ষেত্ৰত প্ৰাৰ্থীয়ে নিশ্চিত কৰিব লাগে যে হিচাপ পঞ্জী ব্যৱস্থাপনা কৰাৰ সময়ত খৰচৰ হাৰৰ তালিকা অনুসৰণ কৰা হয়।

২৬। ব্যয় পৰ্যবেক্ষকে কৰিব পৰা ৩ টা নিৰীক্ষণৰ সময়ছোৱাত ব্যক্তিগতভাৱে বা এজেণ্টৰ জৰিয়তে উপস্থিত থাকিব আৰু সকলো সম্পূৰ্ণ হিচাপপঞ্জী প্ৰস্তুত কৰিব।

২৭। নিৰ্বাচনী ব্যয়ৰ হিচাপে পোৱা বিসংগতি সম্পৰ্কে আৰঅ'ৰ পৰা জাননী লাভৰ পিছতে ৪৮ ঘণ্টাৰ ভিতৰত সঁহাৰি দিব লাগিব।

২৮। প্ৰাৰ্থীৰ নিৰ্বাচনী ব্যয়ৰ ক্ষেত্ৰত 'পেইড নিউজ' সম্পৰ্কে ধাৰণা থাকিব লাগিব আৰু এনে পৰিৱেশিত পেইড নিউজ গোচৰ থাকিলে প্ৰাৰ্থীৰ নিৰ্বাচনী ব্যয়ত যোগ হ'ব।

২৯। আৰঅ'ৰ দ্বাৰা প্ৰাৰ্থীৰ জাননীলৈ অনা পেইড নিউজৰ সন্দেহযুক্ত ঘটনাৰ বিষয়ে এমচিএমচিয়ে (জিলা স্তৰত) প্ৰদান কৰা আদেশৰ সময়ত সঁহাৰি দিব লাগে, যদি প্ৰাৰ্থীয়ে আদেশটোৰ সৈতে অসন্মত হয়, নিৰ্ধাৰিত সময়ৰ ভিতৰত ৰাজ্যিক পৰ্যায়ৰ মিডিয়া সমিতিৰ সন্মুখত আবেদন কৰিব লাগিব।

৩০। ভোটাৰৰ শ্লিপ বিতৰণৰ ক্ষেত্ৰত প্ৰাৰ্থীৰ বুথ (কিয়ক্স) ব্যৱস্থাপনাৰ বাবে হোৱা ব্যয় অন্তৰ্ভুক্ত কৰা। ব্যয়বোৰৰ ভিতৰত আছে প্ৰাৰ্থীৰ বুথ (কিয়ক্স), থকা-খোৱা, শ্ৰমিক/এজেণ্টসকলক পৰিশোধ কৰা পাৰিশ্ৰমিক আৰু জলপান, খাদ্য আদিৰ ব্যয় (হিচাপৰ বিস্তৃত বিৱৰণ অনুসূচী- ৬) অনুসাৰে প্ৰদান কৰিব লাগিব।

৩১। এয়া সুনিশ্চিত হ'ব যে দলীয় কৰ্মীয়ে ভোটৰ বাবদ ধনৰ লেনদেন কৰিলে আইপিচিৰ ধাৰা ১৭১ বি বা আৰ পি আইন ১৯৫১ৰ ধাৰা ১২৩ (১) ত অনুযায়ী দলৰ কোনো কৰ্মী দোষী হ'ব।

**<u>চি ঃ ফলাফল ঘোষণাৰ পিছত</u>**

৩২। ফলাফল ঘোষণাৰ ২৩ দিনৰ ভিতৰত ডিইঅ'ই আয়োজন কৰা হিচাপ দাখিল প্ৰক্ৰিয়াৰ প্ৰশিক্ষণ আৰু ফলাফল ঘোষণাৰ ২৬ দিনৰ ভিতৰত আয়োজিত একাউণ্ট ৰিকনচিলিউচিং সভাৰ প্ৰশিক্ষণত ব্যক্তিগতভাৱে বা এজেণ্টৰ জৰিয়তে উপস্থিত থাকিব লাগিব।

৩৩। অৱগত হ'ব যে, উল্লেখিত বৈঠকত প্ৰাৰ্থীসকলে তেওঁলোকৰ নিৰ্বাচনী ব্যয়ৰ নিম্ন পৰিমাণ, যদি থাকে মিলাবলৈ আন এটা সুযোগ দিয়া হ'ব। সেয়েহে, প্ৰাৰ্থীসকলে তেওঁলোকৰ চূড়ান্ত হিচাপৰ খচৰা প্ৰস্তুত কৰিব লাগে, যাতে বিসংগতিবোৰ মিলাব পৰা যায়।

৩৪। এয়া জনা দৰকাৰ যে, যদি প্ৰাৰ্থীজনে উল্লেখিত বৈঠকৰ আগতে তেওঁৰ হিচাপ দাখিল কৰিছিল, তেন্তে তেওঁ ফলাফল ঘোষণাৰ ৩০ দিনৰ বিধিবদ্ধ সময়ৰ ভিতৰত জিলা ব্যয় নিৰীক্ষণ সমিতিত দাখিল কৰা হিচাপত সংশোধন কৰিব পাৰে।

৩৫। ফলাফল ঘোষণাৰ ৩০ দিনৰ ভিতৰত ডিইঅ'ক দাখিল কৰিবলৈ নিৰ্বাচনী ব্যয়ৰ হিচাপ য'ত বেংক পঞ্জী, নগদ পঞ্জী, দিন-প্ৰতিদিনৰ হিচাপ পঞ্জী, বিস্তৃত বিৱৰণ (অংশ I ৰ পৰা IV অংশ আৰু অনুসূচী ১ ৰ পৰা ১০), সকলো বিল আৰু ভাউচাৰ (ক্ৰমিক নম্বৰ কৰা) আৰু মূলত শপতনামা, নিৰ্বাচনী ব্যয়ৰ উদ্দেশ্যৰ বাবে খোলা বেংক একাউণ্টৰ বিৱৰণিৰ ছেল্‌ফ এটাষ্ট কপি যথাযথভাৱে পূৰোৱা হৈছে। যদি এই সময়সীমাৰ ভিতৰত আৰু প্ৰয়োজনীয় ধৰণে একাউণ্ট দাখিল কৰা নহয়, আৰপি আইনৰ

১৯৫১ ৰ ইউ/এছ ১০ এ-ক অযোগ্যতাৰ বাবে আয়োগে জাননী জাৰি কৰিব পাৰে।

৩৬। ডিইঅ'ৰ কাৰ্যালয়ৰ পৰা হিচাপ দাখিল কৰাৰ প্ৰমাণ হিচাপে স্বীকৃতিপত্ৰ প্ৰাপ্ত কৰা, এনে পত্ৰত হিচাপ দাখিলৰ তাৰিখ আৰু সময় থাকিব।

৩৭। প্ৰাৰ্থীয়ে নিজে অথবা এজেণ্টৰ যোগেদি বিস্তৃত বিৱৰণ শপতনামা আৰু সকলো বিল আৰু ভাউচাৰ স্বাক্ষৰ কৰিব লাগিব।

৩৮। ডিইএমচিয়ে উল্লেখ কৰা বিসংগতিৰ ক্ষেত্ৰত পঞ্জী পৰিদৰ্শনৰ সময়ত ৰিটাৰ্ণিং বিষয়া বা ব্যয় পৰ্যবেক্ষকক দিয়া উত্তৰৰ প্ৰতিলিপি দাখিল কৰিব লাগিব।

৩৯। একাউণ্ট ই-ফাইল আৰু নিৰ্বাচনী ব্যয়ৰ একাউণ্টৰ বিস্তৃত বিৱৰণ প্ৰাপ্ত কৰাৰ সময়ত অতিৰিক্ত সুবিধা হিচাপে নিৰ্বাচন আয়োগৰ ৰিটাৰ্ণ প্ৰিপেয়াৰ্ছ আৰু চাৰ্টাৰ্ড একাউণ্টেণ্টৰ সহায় ল'ব পাৰিব।

## ৰাজনৈতিক দলৰ বাবে নিৰীক্ষণ তালিকা

(এই নিৰীক্ষণ তালিকা বিস্তৃত নহয়, যিকোনো কাৰণত সন্দেহৰ অৱকাশ থাকিলে অনুগ্ৰহ কৰি বিশদ নিৰ্দেশনাসমূহ লক্ষ্য কৰক)

### এ ঃ নিৰ্বাচন ঘোষণাৰ পিছত

১। সকলো ৰাজনৈতিক দলৰ প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰাৰ কমেও এটা দিন পূৰ্বে নিৰ্বাচনী ব্যয়ৰ উদ্দেশ্যে বিশেষভাৱে এটা পৃথক বেংক একাউণ্ট খোলাটো নিশ্চিত কৰা আৰু মনোনয়ন দাখিলৰ সময়ত ৰিটাৰ্ণিং বিষয়াক সেই একাউণ্টৰ এটা স্ব-প্ৰমাণিত প্ৰতিলিপি দাখিল কৰা।

২। নিৰ্বাচনী ব্যয় নিৰীক্ষণৰ সন্দৰ্ভত থকা নিৰ্দেশনাৰ প্ৰতিলিপি স্থানীয় ভাষাত চিইঅ'ৰ পৰা সংগ্ৰহ কৰা।

৩। ৰাজ্যিক পৰ্যায়ত এজন মাণ্ডলিক ৰাজনৈতিক নেতাক মনোনয়ন কৰা, যি নিৰ্বাচনী ব্যয় নিৰীক্ষণ সন্দৰ্ভত চিইঅ' আৰু আয়োগৰ সৈতে সমন্বয় স্থাপন কৰিব আৰু নিৰ্বাচনী ব্যয়ৰ সন্দৰ্ভত দলৰ কৰ্মী আৰু প্ৰাৰ্থীসকলৰ মাষ্টাৰ প্ৰশিক্ষক হ'ব।

৪। ৰিটাৰ্ণিং বিষয়া/ডিইঅ'ই আয়োজন কৰা নিৰ্বাচনী ব্যয় ব্যৱস্থাপনা সন্দৰ্ভত প্ৰশিক্ষণ কাৰ্যসূচীত মাণ্ডলিক বিষয়াই অংশগ্ৰহণ কৰাটো সুনিশ্চিত কৰা।

৫। বিগত বৰ্ষৰ সকলো বৰঙণিৰ প্ৰতিবেদন আৰু বাৰ্ষিক অডিট প্ৰতিবেদন, বিগত নিৰ্বাচনৰ সকলো নিৰ্বাচনী ব্যয়ৰ বিস্তৃত বিৱৰণ সময়ানুসৰি দাখিল কৰাটো সুনিশ্চিত কৰা। এনে প্ৰতিবেদন দাখিল কৰাৰ বাবে ৰিটাৰ্ণ প্ৰিপেয়াৰ (ইচিআৰপি)ৰ সন্দৰ্ভত নিৰ্বাচন আয়োগৰ বিনামূলীয়া সেৱা গ্ৰহণ কৰিব পাৰে।

৬। নিম্নলিখিতবোৰ কাৰকসমূহ সুনিশ্চিত কৰা—

(ক) প্ৰাৰ্থীক পৰিশোধ কৰা পৰিমাণ (যদি থাকে) কেৱল চেক/ড্ৰাফ্‌ট/বেংক স্থানান্তৰৰ দ্বাৰা হয় (নগদ নহয়)।

(খ) পৰৱৰ্তী সময়ত দলৰ সঠিক নিৰ্বাচনী ব্যয় বিবৃতি প্ৰস্তুত কৰাৰ বাবে নিৰ্বাচন ঘোষণাৰ তাৰিখৰ পৰা ফলাফল ঘোষণা দিনলৈকে সকলো ব্যয়ৰ ৰচিদ আৰু বিৱৰণ ব্যৱস্থাপনা কৰা।

(গ) কেৱল চেক/ড্ৰাফ্‌ট/বেংক স্থানান্তৰৰ যোগেদিহে ১০,০০০/- টকাতকৈ অধিক এজন ব্যক্তি বা অন্যান্যক পৰিশোধ কৰা (নগদ নহয়)।

(ঘ) পৰিশোধযোগ্য/বকেয়া পৰিমাণো ৰেকৰ্ড কৰিব লাগিব আৰু হিচাপত অন্তৰ্ভুক্ত কৰিব লাগিব।

(ঙ) সামগ্ৰী বা আন উপাদান প্ৰদানৰ ৰচিদৰ প্ৰকৃত মূল্যায়ন হ'ব আৰু ইয়াক ব্যয়ৰ হিচাপত অন্তৰ্ভুক্ত কৰিব লাগিব।

### বি ঃ মনোনয়ন দাখিলৰ তাৰিখৰ পৰা ফলাফল ঘোষণাৰ তাৰিখলৈ

৭। নিৰ্বাচনী অধিসূচনা জাৰি কৰাৰ ৭ দিনৰ ভিতৰত চিইঅ' আৰু ভাৰতৰ নিৰ্বাচন আয়োগক ষ্টাৰ প্ৰচাৰকৰ তালিকা প্ৰদান কৰাটো নিশ্চিত কৰা। অন্যথা ষ্টাৰ প্ৰচাৰকৰ ভ্ৰমণত হোৱা সকলো ব্যয় প্ৰাৰ্থীৰ হিচাপত সন্নিৱিষ্ট কৰা হ'ব। যাৰ বাবে আৰপি আইন, ১৯৫১ ৰ ধাৰা ৭৭ ৰ ব্যাখ্যা (২) অনুসাৰে ধন প্ৰাপ্তিৰ লাভালাভ গ্ৰহণ কৰিব নোৱাৰিব।

৮। ৰাজনৈতিক দলৰ প্ৰচাৰৰ বাবে হোৱা ব্যয় হিচাপ দলে দিয়াটো নিশ্চিত কৰা, দলীয় প্ৰচাৰ ব্যয়, প্ৰাৰ্থীৰ বাবে প্ৰচাৰ নাম, ফটো বা সভাৰ ভাগ-বাতোৱাৰা আদিৰ আয়োগৰ নিৰ্দেশনা অনুসৰি প্ৰাৰ্থীসকলৰ হিচাপৰ সৈতে যোগ কৰা হ'ব।

৯। ৰেলী/শোভাযাত্ৰা/ৰাজহুৱা সভা অনুষ্ঠিত কৰাৰ বাবে সংশ্লিষ্ট আৰঅ'ৰ পৰা যথোপযোগ্য অনুমতি লোৱা।

১০। আৰপি আইনৰ ১৯৫১ ৰ ধাৰা ১২৭ এ-ৰ অধীনত পোষ্টাৰ ছপা কৰা সন্দৰ্ভত আৰঅ'ক তথ্য যোগান ধৰাৰ লগতে অনুবন্ধ এ আৰু বি অনুসৰি প্ৰকাশক, মুদ্ৰণৰ অনুমোদন সাপেক্ষে পোষ্টাৰ-লিফ্‌লেট ছপা কৰিব লাগিব আৰু প্ৰকাশক, মুদ্ৰকৰ পৰিচয় দাখিল কৰিব লাগিব।

১১। দলীয় কৰ্মকৰ্তা আৰু প্ৰাৰ্থীসকলক আইপিচিৰ ১৭১ ৰ পৰা ১৭১ ধাৰা ব্যৱস্থাৰ বিষয়ে অৱগত কৰা, বিশেষকৈ প্ৰাৰ্থীৰ কৰ্তৃত্ব অবিহনে প্ৰাৰ্থীৰ সম্ভাৱনা ক্ৰয় বা প্ৰচাৰ কৰিলে সংশ্লিষ্ট ব্যক্তিসকলৰ শাস্তি হ'ব।

১২। আইপিচিৰ ধাৰা ১৭১ ৰ পৰা ১৭১ আৰু আৰপি আইন, ১৯৫১ ৰ ধাৰা ১২৩ আৰু বিশেষকৈ আইপিচিৰ ধাৰা ১৭১ বি আৰু নিৰ্বাচনত অবৈধ ধনৰ লেনদেন সন্দৰ্ভত আৰপি আইন, ১৯৫১ৰ ধাৰা ১২৩(২) ৰ অধীনত দণ্ডমূলক ব্যৱস্থাৰ বিষয়ে দলৰ কৰ্মীসকলক প্ৰশিক্ষিত কৰা।

১৩। আয়োগৰ নিৰ্দেশনা অনুসৰি প্ৰাৰ্থীগৰাকীৰ সমষ্টিত নিৰ্বাচনী সমদলৰ সময়ত অনা প্ৰচাৰ সহযোগীৰ নাম, হেলিকপ্টাৰ আৰু বিমান সেৱা ব্যৱহাৰৰ ক্ষেত্ৰত ব্যয় হোৱা মাচুল সন্দৰ্ভত অৱগত কৰা।

১৪। প্ৰাৰ্থীসকলক অপৰাধমূলক গোচৰ, সম্পত্তি, দায়বদ্ধতা আৰু শিক্ষাগত অৰ্হতাসমূহৰ শপতনামা (প্ৰ-পত্ৰ ২৬)ত ই-ফিলিং কৰাৰ বাবে নিৰ্বাচন আয়োগ ৰিটাৰ্ণ প্ৰিপেয়াৰ আঁচনি (ইচিআৰপি)ৰ অতিৰিক্ত সুবিধা প্ৰাপ্ত কৰিবলৈ দলে পৃষ্ঠপোষকতা কৰা প্ৰাৰ্থীসকলক অৱগত কৰা আৰু নিৰ্বাচনী ব্যয়ৰ হিচাপৰ বিস্তৃত বিবৃতি ই-ফিলিং সম্পৰ্কেও অৱগত কৰা।

<u>চি ঃ ফলাফল ঘোষণাৰ পিছত</u>

১৫। ৰাজনৈতিক দলসমূহে (i) বিবৃতিৰ এটা অংশ দাখিল কৰিব লাগিব, অতিৰিক্তভাৱে (ii) নিৰ্বাচনী ব্যয়ৰ চূড়ান্ত বিবৃতি দলে দাখিল কৰিব লাগিব (বিধান সভা/লোকসভাৰ নিৰ্বাচন সম্পূৰ্ণ হোৱাৰ ৭৫ দিন/৯০ দিনৰ ভিতৰত)। দলটোৱে প্ৰাৰ্থীক প্ৰদান কৰা ধন সন্দৰ্ভত ভাৰতৰ নিৰ্বাচনী আয়োগ (ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক দলৰ ক্ষেত্ৰত) বা ৰাজ্যৰ মুখ্য নিৰ্বাচনী বিষয়াক (অস্বীকৃত দলৰ ক্ষেত্ৰত য'ত দলৰ মুখ্য কাৰ্যালয় অৱস্থিত) বিধান সভা/লোকসভাৰ নিৰ্বাচনৰ ফলাফল ঘোষণা কৰাৰ ৩০ দিনৰ ভিতৰত অৱগত কৰিব লাগিব।

১৬। ৰাজ্যৰ বিধানসভা নিৰ্বাচন সমাপ্ত হোৱাৰ ৭৫ দিনৰ ভিতৰত আৰু লোকসভা নিৰ্বাচন সম্পূৰ্ণ হোৱাৰ ৯০ দিনৰ ভিতৰত নিৰ্ধাৰিত ফৰ্মেটত চাৰ্টাৰ্ড একাউণ্টেণ্টৰ দ্বাৰা যথাযথভাৱে প্ৰমাণিত নিৰ্বাচনী ব্যয়ৰ সমুদায় বিস্তৃত বিবৃতি দাখিল কৰিব লাগিব। স্বীকৃতি প্ৰাপ্ত ৰাজনৈতিক দলবোৰৰ ক্ষেত্ৰত হিচাপসমূহ আয়োগৰ ওচৰত দাখিল কৰিব লাগিব আৰু অস্বীকৃত ৰাজনৈতিক দলৰ ক্ষেত্ৰত হিচাপসমূহ ৰাজ্যৰ চিইঅ'ৰ ওচৰত দাখিল কৰিব লাগিব।

১৭। ইচিআৰপি আৰু চাৰ্টাৰ্ড একাউণ্টেণ্টৰ বিনামূলীয়া সেৱা দলসমূহে তেওঁলোকৰ হিচাপ ই-ফিলিঙৰ সময়ত লাভ কৰিব পাৰিব।

# I.

# বাতৰি কাকত আৰু টিভিত প্ৰাৰ্থী আৰু ৰাজনৈতিক দলৰ অপৰাধৰ অভিযোগ প্ৰচাৰ কৰা।

২০১১ চনৰ লেখ আবেদন (অসামৰিক) নং ৫৩৬ ত দিয়া ৰায় (ৰাজহুৱা স্বাৰ্থ ফাউণ্ডেচন আৰু অৰছ বনাম ইউনিয়ন অৱ ইণ্ডিয়া আৰু এএনআৰ) মাননীয় উচ্চতম ন্যায়ালয়ে, অন্যান্য বিষয়ত নিম্নলিখিত নিৰ্দেশনা প্ৰদান কৰিছে—

(i) প্ৰতিজন প্ৰতিদ্বন্দ্বী প্ৰাৰ্থীয়ে নিৰ্বাচন আয়োগে প্ৰদান কৰা প্ৰ-পত্ৰখন পূৰণ কৰিব আৰু প্ৰ-পত্ৰখনত প্ৰয়োজন অনুসৰি সকলো নিৰ্দিষ্ট থাকিব লাগিব।

(ii) প্ৰাৰ্থীৰ বিৰুদ্ধে স্থগিত হৈ থকা অপৰাধ গোচৰ সন্দৰ্ভত ব'ল্ড আখৰেৰে প্ৰ-পত্ৰত বৰ্ণনা দিব লাগিব।

(iii) যদি কোনো প্ৰাৰ্থীয়ে কোনো নিৰ্দিষ্ট দলৰ টিকটত নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰি আছে, তেন্তে তেওঁ দলটোক তেওঁৰ বিৰুদ্ধে স্থগিত হৈ থকা অপৰাধমূলক গোচৰৰ বিষয়ে অৱগত কৰিব লাগিব।

(iv) সংশ্লিষ্ট ৰাজনৈতিক দলসমূহে প্ৰাৰ্থীসকলৰ বিৰুদ্ধে থকা অপৰাধমূলক গোচৰৰ তথ্য ইয়াৰ ৱেবছাইটত প্ৰকাশ কৰিব লাগিব।

(v) প্ৰাৰ্থীৰ লগতে সংশ্লিষ্ট ৰাজনৈতিক দলে প্ৰাৰ্থীৰ স্থগিত অপৰাধমূলক গোচৰ সন্দৰ্ভত স্থানীয় বহুল প্ৰচাৰিত বাতৰি কাকতত ঘোষণা জাৰি কৰিব লাগিব আৰু ইলেকট্ৰনিক মাধ্যমতো ব্যাপক প্ৰচাৰ কৰিব লাগিব। এইক্ষেত্ৰত যেতিয়া আমি ব্যাপক প্ৰচাৰ কওঁ, আমি বুজাইছো যে মনোনয়ন পত্ৰ দাখিল কৰাৰ পিছত কমেও তিনিবাৰ এয়া কৰা হ'ব লাগিব।

২। ওপৰোক্ত সিদ্ধান্তৰ অনুসৰণত, আয়োগে সঠিক বিবেচনাৰ পিছত, সংসদ আৰু বিধানসভা নিৰ্বাচনত প্ৰাৰ্থীসকলে অনুসৰণ কৰিবলৈ নিম্নলিখিত নিৰ্দেশনা দিছে, যাৰ বিৰুদ্ধে অপৰাধমূলক গোচৰ আছে, হয় অতীতত দোষী সাব্যস্ত হোৱাৰ গোচৰ আৰু এনে প্ৰাৰ্থীয়ে প্ৰতিনিধিত্ব কৰা ৰাজনৈতিক দলসমূহক—

(৩) এই বিষয়টো ৰাজ্যৰ সকলো ৰাজনৈতিক দলৰ নজৰলৈ আনিবলৈ আপোনাক অনুৰোধ জনোৱা হ'ল। তদুপৰি, ৰাজ্যৰ সকলো জিলা নিৰ্বাচনী বিষয়া (ডিইঅ')লৈ এই ইচিআৰপিখন প্ৰেৰণ কৰি তেওঁলোকৰ বিবৃতি শপতনামা আদি অন-লাইন ফাইলিং কৰাৰ বিষয়টো সকলো প্ৰাৰ্থীসহ সংশ্লিষ্ট সকলো পক্ষৰ নজৰলৈ আনিবলৈও অনুৰোধ জনালো।

সংলগ্ন:ওপৰৰ দৰে। আপোনাৰ বিশ্বাসী,

এছডি/-
(অবিনাশ কুমাৰ)
অবৰ সচিব

**ভাৰতৰ নিৰ্বাচন আয়োগ**
**নিৰ্বাচন সদন, অশোকা পথ, নতুন দিল্লী-১১০০০১**

নং ৪৮৫/কম্প/ই-ফাইলিং/২০১৪/ইইপিএছ তাৰিখ: ২৮ অক্টোবৰ, ২০১৪

প্ৰতি

(১) সকলো ৰাজনৈতিক দলৰ সভাপতি/সাধাৰণ সম্পাদক

(২) সকলো ৰাজনৈতিক দলৰ কোষাধ্যক্ষ।

বিষয়: নিৰ্বাচন আয়োগৰ নতুন আঁচনি ৰিটাৰ্ণ প্ৰস্তুতকাৰী (ইচিআৰপি) — ইয়াৰ নিৰ্দেশনা।

মহাশয়/ মহাশয়া,

নিৰ্বাচনী ব্যয় সম্পৰ্কীয় বিবৃতি পূৰণ কৰাত প্ৰাৰ্থী আৰু ৰাজনৈতিক দলসমূহে সন্মুখীন হোৱা অসুবিধাৰ প্ৰতি দৃষ্টি ৰাখি আয়োগে প্ৰাৰ্থী আৰু ৰাজনৈতিক দলৰ দ্বাৰা কিছুমান প্ৰপত্ৰ আৰু বিবৃতি ই-ফাইলিং কৰা আৰম্ভ কৰিছিল। এই সন্দৰ্ভত আয়োগে প্ৰপত্ৰ, শপতনামা আদি অনলাইন ফাইলিংত প্ৰাৰ্থী আৰু দলসমূহক সহায় কৰিবলৈ "নিৰ্বাচন আয়োগ ৰিটাৰ্ণ প্ৰস্তুতকাৰী"ৰ এক নতুন আঁচনি আৰম্ভ কৰিছে।

(২) "নিৰ্বাচন আয়োগ ৰিটাৰ্ণ প্ৰস্তুতকাৰী (ইচিআৰপি) আঁচনি" ৰ বাবে নিৰ্দেশনা ইয়াৰ সৈতে সংলগ্ন কৰা হৈছে। নিৰ্দেশনা অনুসৰি, ইচিআৰপিবোৰক আয়োগে সকলো ৰাজ্যত প্ৰশিক্ষণ দিব আৰু সেইবোৰে আয়োগৰ সন্মুখত তেওঁলোকৰ বিবৃতি/ শপতনামা অনলাইন ফাইলিং কৰাত প্ৰাৰ্থী আৰু ৰাজনৈতিক দলসমূহক বিনামূলীয়াকৈ সহায় প্ৰদান কৰিব।

(৩) নিৰ্দেশ মৰ্মে প্ৰাৰ্থীসহ সকলো সংশ্লিষ্টলোকৰ বিবেচনালৈ অনাৰ লগতে তেওঁলোকৰ বিবৃতি শপতনামা আদি অন-লাইন ফাইলিং কৰাৰ বাবে ইচিআৰপিৰ সেৱা গ্ৰহণ কৰিবলৈ অনুৰোধ জনাইছো।

সংলগ্ন:ওপৰৰ দৰে। আপোনাৰ বিশ্বাসী,

এছডি/- (অবিনাশ কুমাৰ)
অবৰ সচিব

**পৰিশিষ্ট- জে ৩**

## ভাৰতৰ নিৰ্বাচন আয়োগ

## নিৰ্বাচন সদন, অশোকা পথ, নতুন দিল্লী-১১০০০১

নং ৪৮৫/কম্প/ই-ফাইলিং/২০১৪/ইইপিএছ তাৰিখ: ২৮ অক্টোবৰ, ২০১৪

## নিৰ্বাচন আয়োগৰ ৰিটাৰ্ণ প্ৰস্তুতকাৰী নিৰ্দেশনা

নিৰ্বাচন আয়োগে প্ৰাৰ্থী আৰু ৰাজনৈতিক দলসমূহক তেওঁলোকৰ বিবৃতি বা ৰিটাৰ্ণ অনলাইন ফাইলিং কৰাত সহায় প্ৰদান কৰাৰ বাবে “নিৰ্বাচন আয়োগ ৰিটাৰ্ণ প্ৰস্তুতকাৰী” (ইচিআৰপি) আঁচনি আৰম্ভ কৰিছে।

(১) সংজ্ঞা:

(ক) “নিৰ্বাচন আয়োগ ৰিটাৰ্ণ প্ৰস্তুতকাৰী” (ইচিআৰপি)ৰ অৰ্থ হৈছে যিকোনো প্ৰমাণিত কৰ ৰিটাৰ্ণ প্ৰস্তুতকাৰী যাক এই নিৰ্দেশনাৰ ব্যৱস্থা অনুসৰি অংশীদাৰ সংগঠনৰ দ্বাৰা এই আঁচনিৰ অধীনত “নিৰ্বাচন আয়োগ ৰিটাৰ্ণ প্ৰমাণপত্ৰ” আৰু এটা “একক চিনাক্তকৰণ নম্বৰ” জাৰী কৰা হৈছে।

(খ) “অংশীদাৰ সংগঠন”ৰ অৰ্থ হৈছে ভাৰতৰ নিৰ্বাচন আয়োগৰ দ্বাৰা নিৰ্বাচিত এটা সংগঠন বা সংস্থা আৰু যাৰ সৈতে আয়োগে এই ইচিআৰপি নিৰ্দেশনাৰ অধীনত অংশীদাৰ সংগঠন হিচাপে কাম কৰিবলৈ ইয়াক বিবেচনা কৰি এটা চুক্তি কৰিছে;

(২) নিৰ্বাচন আয়োগৰ ৰিটাৰ্ণ প্ৰস্তুতকাৰীৰ বাবে অৰ্হতা।

কেন্দ্ৰীয় প্ৰত্যক্ষ কৰ পৰিষদে (চি বি ডি টি)ঘোষণা কৰা বৰ্তমানৰ কৰ ৰিটাৰ্ণ প্ৰস্তুতকাৰীসকলে নিৰ্বাচন আয়োগ ৰিটাৰ্ণ প্ৰস্তুতকাৰী হিচাপে কাম কৰিবলৈ যোগ্য হ’ব।

(৩) নিৰ্বাচন আয়োগৰ ৰিটাৰ্ণ প্ৰস্তুতকাৰী হিচাপে কাম কৰিবলৈ ব্যক্তিসকলৰ নামভৰ্তি, প্ৰশিক্ষণ আৰু প্ৰমাণিতকৰণ।

- ইচিআই বা ৰাজ্যৰ চিইঅ’য়ে এটা অংশীদাৰ সংগঠন বাছনি কৰিব পাৰে।
- অংশীদাৰ সংগঠন নিৰ্বাচন আয়োগৰ ৰিটাৰ্ণ প্ৰস্তুতকাৰীসকলৰ প্ৰশিক্ষণ আৰু প্ৰমাণিকৰণৰ দায়িত্বত থাকিব।
- অংশীদাৰ সংগঠনক প্ৰশিক্ষণ সামগ্ৰী আৰু ব্যৱহাৰিক প্ৰশিক্ষণৰ ওপৰত সহযোগসহ দুই দিনৰ প্ৰশিক্ষণৰ বাবে প্ৰতি ইচিআৰপিত ১৮০০/- টকা হাৰত প্ৰশিক্ষণ মাচুল পৰিশোধ কৰিব লাগিব। প্ৰশিক্ষণ কাৰ্যসূচীটো প্ৰতিখন ৰাজ্যৰ মুখ্য নিৰ্বাচনী বিষয়াৰ (চিইঅ’)ৰ তত্বাৱধানত অনুষ্ঠিত কৰা হ’ব আৰু অংশীদাৰ সংগঠনক প্ৰশিক্ষণ সন্দৰ্ভত দিব লগা ধন ৰাজ্যৰ চিইঅ’ৰ কাৰ্যালয়ৰ পৰা পৰিশোধ কৰা হ’ব।
- আয়োগে আইআইডিইএমৰ সহযোগত সহযোগী সংগঠনৰ নিৰ্বাচিত মাষ্টাৰ প্ৰশিক্ষকসকলক প্ৰশিক্ষণ প্ৰদান কৰিব।
- প্ৰশিক্ষণ সম্পূৰ্ণ হোৱাৰ পিছত, সফল অংশগ্ৰহণকাৰীসকলক চিইঅ’ৰ দ্বাৰা এখন প্ৰমাণপত্ৰ প্ৰদান কৰা হ’ব, আৰু বিবৃতি/প্ৰতিবেদন অনলাইন ফাইলিং কৰাৰ বাবে ইচিআৰপি হিচাপে নামভৰ্তি কৰা হ’ব।
- অংশীদাৰ সংগঠনটোৱে ইচিআৰপিৰ প্ৰদৰ্শন মূল্যায়ন কৰিব আৰু যদি তেওঁৰ সেৱা সন্তোষজনক নহয় তেন্তে নামটো ইচিআৰপি হিচাপে বিলোপ কৰাৰ পৰামৰ্শ দিব পাৰে।

(৪) নিৰ্বাচন আয়োগৰ ৰিটাৰ্ণ প্ৰস্তুতকাৰীৰ কামৰ পৰিসৰ।

- নিৰ্বাচন আয়োগৰ ৰিটাৰ্ণ প্ৰস্তুতকাৰীয়ে আয়োগৰ দ্বাৰা বিকশিত ছফ্‌টৱেৰৰ আবেদনত নিৰ্বাচন ব্যয় সম্পৰ্কীয় বিবৃতি আৰু শপতনামা অনলাইন ফাইলিং কৰাত প্ৰাৰ্থী আৰু ৰাজনৈতিক দলসমূহক সহায় কৰিব।
- নিম্নোলিখিত ক্ষেত্ৰত অনলাইন ফিলিংৰ বাবে ছফ্‌টৱেৰৰ এপ্লিকেচন প্ৰয়োজনীয় :

প্ৰাৰ্থীসকলৰ বাবে:

(ক) প্ৰাৰ্থীৰ দ্বাৰা সম্পত্তিৰ আৰু ঋণৰ তালিকা আৰু অপৰাধী গোচৰৰ শপতনামা অনলাইন ফাইলিং (প্ৰপত্ৰ ২৬) কৰিব লাগিব।

(খ) আয়োগে নিৰ্ধাৰিত ফৰ্মেট অনুসৰি প্ৰাৰ্থীৰ নিৰ্বাচনী ব্যয়ৰ বিবৃতি অনলাইন ফাইলিং কৰিব লাগিব।

(গ) আয়োগে বিচৰা ধৰণে প্ৰাৰ্থীসকলৰ দ্বাৰা এনে অন্যান্য বিবৃতি/প্ৰতিবেদন দাখিল কৰিব লাগিব।

ৰাজনৈতিক দলৰ বাবে:

(ক) বিধানসভা নিৰ্বাচন সম্পূৰ্ণ হোৱাৰ ৭৫ দিন বা লোকসভা নিৰ্বাচন সম্পূৰ্ণ হোৱাৰ ৯০ দিনৰ ভিতৰত ৰাজনৈতিক দলসমূহে নিৰ্বাচনী ব্যয়ৰ বিবৃতি অনলাইন দাখিল কৰিব লাগিব।

(খ) আয়কৰ ৰিটাৰ্ণ ফাইলিং কৰাৰ আগতে ৰাজনৈতিক দলবোৰৰ দ্বাৰা অৱহিণা প্ৰতিবেদন (প্ৰপত্ৰ ২৪এ) অনলাইন দাখিল কৰিব লাগিব।

(গ) আয়োগে বিচৰা মতে প্ৰয়োজন আন বিবৃতি/প্ৰতিবেদন দাখিল কৰিব লাগিব।

(৫) নিৰ্বাচন আয়োগৰ ৰিটাৰ্ণ প্ৰস্তুতকাৰীসকলৰ মাচুল।

(ক) প্ৰাৰ্থী বা ৰাজনৈতিক দলৰ বিবৃতি অনলাইন ফাইলিং কৰাৰ বাবে প্ৰতি ৰিটাৰ্ণত ১২০০/- টকা হাৰত ইচিআৰপিক মাচুল পৰিশোধ কৰিব লাগিব।

(খ) প্ৰাৰ্থীৰ নিৰ্বাচনী ব্যয় বিবৃতিত সাধাৰণতে অন্যান্য বাধ্যতামূলক পৃষ্ঠাৰ উপৰিও অনুসূচী ১ ৰ পৰা ১০ ত পাঁচ (৫) টা পৃষ্ঠাত ডাটা প্ৰবিষ্টি কৰাৰ প্ৰয়োজন। যদি ডাটা প্ৰবিষ্টিৰ বাবে পাঁচ পৃষ্ঠাতকৈ অধিক পৃষ্ঠাৰ প্ৰয়োজন হয়, তেন্তে ১২০০/- টকাৰ নিৰ্দিষ্ট পৰিমাণৰ উপৰিও প্ৰতি পৃষ্ঠাত ১৫০/- টকাৰ অতিৰিক্ত মাচুল পৰিশোধ কৰিব লাগিব।

(গ) প্ৰাৰ্থীৰ সম্পত্তি আৰু ঋণৰ শপতনামাৰ ক্ষেত্ৰত, সাধাৰণতে আদালতৰ গোচৰ আৰু শিক্ষাৰ অৰ্হতাৰ লগতে ঋণৰ সম্পত্তিৰ বাবে ন (৯) পৃষ্ঠাত ডাটা প্ৰবিষ্ট কৰাৰ প্ৰয়োজন। যদি ওপৰোক্ত ৯ টাতকৈ অধিক পৃষ্ঠাত ডাটা প্ৰবিষ্টিৰ প্ৰয়োজন হয়, তেন্তে ১২০০/- টকাৰ নিৰ্দিষ্ট পৰিমাণৰ উপৰিও প্ৰতি অতিৰিক্ত পৃষ্ঠাত অতিৰিক্ত পৰিমাণ ১৫০/- টকা পৰিশোধ কৰিব লাগিব।

(ঘ) ৰাজনৈতিক দলবোৰৰ নিৰ্বাচনী ব্যয়ৰ বিবৃতিৰ ক্ষেত্ৰত, সাধাৰণতে ১ ৰ পৰা ২২ অনুসূচীত নটা (৯) পৃষ্ঠাৰ প্ৰয়োজন হয়। যদি অনুসূচীত ডাটা প্ৰবিষ্টি নটা (৯) তকৈ অধিক পৃষ্ঠাৰ প্ৰয়োজন হয়, তেন্তে ১২০০/- টকাৰ নিৰ্দিষ্ট পৰিমাণৰ উপৰিও প্ৰতি পৃষ্ঠাত অতিৰিক্ত ১৫০/- টকা পৰিশোধ কৰিব লাগিব।

(ঙ) ৰাজনৈতিক দলৰ অৱদান প্ৰতিবেদনত ডাটা প্ৰবিষ্ট সাধাৰণতে পাঁচটা (৫) পৃষ্ঠাত কৰাৰ প্ৰয়োজন। যদি ডাটা প্ৰবিষ্ট কৰোতে পাঁচ পৃষ্ঠাতকৈ অধিক পৃষ্ঠাৰ প্ৰয়োজন হয়, তেন্তে ১২০০/- টকাৰ নিৰ্দিষ্ট পৰিমাণৰ উপৰিও প্ৰতি অতিৰিক্ত পৃষ্ঠাত অতিৰিক্ত ১৫০/- টকা পৰিশোধ কৰিব লাগিব।

(চ) আন যিকোনো অনলাইন প্ৰপত্ৰ/বিবৃতি দাখিল কৰাৰ বাবে, আয়োগে সময়ে-সময়ে অধিসূচনা কৰা হাৰ অনুসৰি পৰিমাণ পৰিশোধ কৰিব লাগিব।

(৬) পৰিশোধৰ অনুসূচী

(ক) ইচিআৰপিয়ে বিবৃতি/প্ৰতিবেদন অনলাইন দাখিল কৰাৰ পিছত ৰাজ্যৰ ডিইঅ' বা চিইঅ'ৰ নামত বিলখন প্ৰস্তুত কৰিব।

(খ) প্ৰতিটো বিবৃতি/প্ৰতিবেদন অনলাইন দাখিল সফলতাৰে সম্পূৰ্ণ হোৱাৰ পিছত ওপৰত নিৰ্ধাৰিত হাৰত চিইঅ' বা ডিইঅ'ৰ কাৰ্যালয়ৰ দ্বাৰা ইচিআৰপিক মাচুল পৰিশোধ কৰিব লাগিব।

(৭) ইচি ৰিটাৰ্ণ প্ৰস্তুতকাৰী সম্পৰ্কীয় বিৱৰণৰ তত্বাৱধান।

(ক) অংশীদাৰ সংগঠনে ইচিআৰপিৰ নামভৰ্তিৰ পিছত, প্ৰতিটো ইচিআৰপিৰ প্ৰদৰ্শন মূল্যায়ন কৰিবলৈ চিইঅ' বা

আয়োগৰ দ্বাৰা প্ৰয়োজনীয় বিৰৰণবোৰ বাহাল ৰাখিব।

(খ) আঁচনিখনৰ উপযোগীতা মূল্যায়ন কৰাৰ পিছত আয়োগে এই সন্দৰ্ভত সময়ে-সময়ে নিৰ্দেশনা জাৰি কৰিব পাৰে।

(৮) ইচিআৰপিৰ বাধ্যবাধকতা আৰু নিৰ্বাচন আয়োগৰ ৰিটাৰ্ণ প্ৰস্তুতকাৰীক দিয়া প্ৰমাণপত্ৰ প্ৰত্যাহাৰ।

• ইচিআৰপিৰ দ্বাৰা ডাটা প্ৰবিষ্ট কৰোতে যিকোনো ভুলৰ বাবে নিৰ্বাচন আয়োগ দায়বদ্ধ নহয়।

• ইচিআৰপিয়ে নিশ্চিত কৰিব যে প্ৰাৰ্থী আৰু দলৰ দ্বাৰা দিয়া বিবৃতি/প্ৰতিবেদন অনুসৰি অনলাইন ফাইলিংত প্ৰবিষ্ট কৰা তথ্য সঠিক।

• সঠিক ৰিটাৰ্ণ/বিবৃতি/শপতনামা সময় অনুসৰি দাখিল কৰাটো নিশ্চিত কৰাটো প্ৰাৰ্থী বা দলৰ দায়িত্ব আৰু এনে ৰিটাৰ্ণ/বিবৃতি/শপতনামা দাখিল কৰাৰ বাবে আয়োগৰ নিৰ্দেশনা অনুসৰি প্ৰক্ৰিয়াটো অনুসৰণ কৰা হয়।

• আয়োগে নিজে বা অংশীদাৰ সংগঠনৰ পৰামৰ্শ অনুসৰি, এজন ইচিআৰপিক তেওঁৰ কামৰ অভাৱ আৰু তেওঁৰ অপব্যৱহাৰৰ বিষয়ে সতৰ্ক কৰিব পাৰে, আৰু কোনো সুযোগ নিদিয়াকৈ যিকোনো সময়তে ইচিআৰপিৰ প্ৰমাণপত্ৰ বাতিল কৰিব পাৰে।

• আয়োগৰ সিদ্ধান্ত চূড়ান্ত হ'ব আৰু কোনো কৰ্তৃপক্ষৰ সন্মুখত আবেদনযোগ্য নহ'ব।

(৯) ওপৰোক্ত নিৰ্দেশনাবোৰ তাৎক্ষণিক প্ৰভাৱেৰে কাৰ্যকৰী হ'ব।

এছডি/-

(এছ.কে. ৰুডোলা)
সচিব

<u>**পৰিশিষ্ট- জে ৪**</u>

**ভাৰতৰ নিৰ্বাচন আয়োগ**
**নিৰ্বাচন সদন, অশোকা পথ, নতুন দিল্লী-১১০০০১**

নং ৪৮৫/কম্প/ই-ফাইলিং/২০১৪/ইইপিএছ তাৰিখ: ২৮ অক্টোবৰ, ২০১৪

প্ৰতি
সকলো ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ মুখ্য নিৰ্বাচনী বিষয়া

বিষয়: প্ৰাৰ্থীসকলৰ দ্বাৰা সংক্ষিপ্ত বিবৃতি ই-ফাইলিং কৰাৰ বাবে অতিৰিক্ত সুবিধা- পঞ্জীয়ন।

মহাশয়/মহাশয়া,

প্ৰাৰ্থীসকলে আয়োগে নিৰ্ধাৰিত ফৰ্মেটত সংক্ষিপ্ত বিবৃতি, শপতনামা আদিৰ সৈতে জিলা নিৰ্বাচন বিষয়াৰ সন্মুখত নিৰ্বাচনী ব্যয়ৰ একাউণ্ট দাখিল কৰিব লাগিব। আয়োগে প্ৰাৰ্থীসকলৰ দ্বাৰা সংক্ষিপ্ত বিবৃতিৰ ই-ফাইলিং সুবিধাৰ বাবে বিশেষ ব্যৱস্থা কৰিছে।

(২) ইয়াৰ সৈতে সংলগ্ন নিৰ্দেশনা অনুসৰি, (সংযোজন-এ) সংক্ষিপ্ত বিবৃতি ই-ফাইলিং কৰাৰ বাবে এই সুবিধা প্ৰাৰ্থীসকলে তেওঁলোকৰ বাবে কোনো ব্যয় নোহোৱাকৈ ব্যৱহাৰ কৰিব পাৰে। ই-ফাইলিং সুবিধা লাভ কৰিবলৈ ইচ্ছুক প্ৰাৰ্থীসকলে ইণ্টাৰনেটৰ জৰিয়তে ইচিআই ৱেবছাইটত লগ ইন কৰি তথ্য প্ৰবিষ্ট কৰিব পাৰিব।

(৩) ই-ফাইলিং সুবিধাই প্ৰাৰ্থীসকলৰ দ্বাৰা নিৰ্বাচনী ব্যয়ৰ সংক্ষিপ্ত বিবৃতি অনলাইন দাখিল কৰিবলৈ সক্ষম কৰে। এই সুবিধাটোৱে ত্ৰুটি মুক্ত সংক্ষিপ্ত বিবৃতি দাখিল কৰাত অনলাইন সহায় প্ৰদান কৰে।

(৪) সংক্ষিপ্ত বিবৃতিৰ ই-ফাইলিংৰ এই সুবিধা এতিয়া ইংৰাজী আৰু হিন্দী ভাষাত উপলব্ধ।

(৫) সংক্ষিপ্ত বিবৃতিৰ ই-ফাইলিং কৰাৰ বাবে প্ৰাৰ্থীৰ পৰা কোনো ব্যয় আদায় কৰা নহয়। ই-ফাইলিং কৰা সংক্ষিপ্ত বিবৃতি, প্ৰাৰ্থীয়ে চাব পাৰে আৰু ইয়াৰ চূড়ান্ত দাখিল কৰাৰ আগতে যিকোনো সময়তে প্ৰবিষ্ট কৰাবোৰ সংশোধন কৰিব পাৰে।

(৬) অৱশেষত ই-ফাইলিংত সংক্ষিপ্ত বিবৃতি শপতনামা দাখিল কৰাৰ পিছত, প্ৰাৰ্থীসকলে বিবৃতি আৰু শপতনামাৰ প্ৰিণ্ট আউট ল'ব লাগিব, সকলো পৃষ্ঠাত স্বাক্ষৰ কৰিব লাগিব, শপতনামা ন'টাৰী কৰিব লাগিব আৰু সকলো বিল আৰু ভাউচাৰৰ সৈতে ডিইঅ'লৈ প্ৰেৰণ কৰিব লাগিব, নিৰ্বাচনৰ ব্যয়ৰ বাবে খোলা একাউণ্টৰ বেংক বিবৃতি, প্ৰতিদিনৰ একাউণ্ট পঞ্জী ইত্যাদি সকলো বেষ্টনীৰ সৈতে ডিইঅ'ৰ দ্বাৰা যথাযথভাৱে স্বাক্ষৰিত হাৰ্ডকপি প্ৰাপ্ত কৰাৰ পিছতহে একাউণ্টবোৰ দাখিল কৰাৰ প্ৰক্ৰিয়া সম্পূৰ্ণ হ'ব আৰু ডিইঅ'ৰ পৰা সঠিক স্বীকৃতি লাভ কৰিব।

(৭) প্ৰাৰ্থীয়ে আয়োগৰ দ্বাৰা প্ৰশিক্ষণ প্ৰাপ্ত কৰা প্ৰতিখন ৰাজ্যত "ইচি ৰিটাৰ্ণ প্ৰস্তুতকাৰী" (ইচিপি)ৰ সহায় ল'ব পাৰে। ইচিআৰপিসকলে প্ৰাৰ্থীসকলক বিনামূলীয়া সেৱা প্ৰদান কৰিব লাগিব কিন্তু সংলগ্ন নিৰ্দেশনা অনুসৰি তেওঁলোকক কেৱল সংশ্লিষ্ট চিইঅ'ৰ দ্বাৰা প্ৰাৰ্থীক এনে সেৱা প্ৰদান কৰাৰ বাবে ক্ষতিপূৰণ দিয়া হ'ব। ইচিআই ৱেবছাইটত ইচিআৰপিৰ তালিকা উপলব্ধ হ'ব।

(৮) সংক্ষিপ্ত বিবৃতিত ই-ফাইলিং কৰাৰ নিৰ্দেশনাবোৰৰ ব্যাপক প্ৰচাৰ কৰা হ'ব পাৰে আৰু সংশ্লিষ্ট সকলো প্ৰাৰ্থী আৰু ৰাজনৈতিক দলৰ দৃষ্টিগোচৰলৈ আনিব পাৰে। চিইঅ', ডিইঅ' আৰু আৰঅ'সকলে ৰাজনৈতিক দল আৰু প্ৰাৰ্থীসকলৰ সৈতে তেওঁলোকৰ বৈঠকত ই-ফাইলিং সুবিধাৰ বিষয়ে বিৱৰণ ব্যাখ্যা কৰি অৱগত কৰিব লাগে। এই নিৰ্দেশনাৰ এটা প্ৰতিলিপি প্ৰশিক্ষণৰ সময়ত প্ৰাৰ্থীসকলক, তেওঁলোকৰ একাউণ্ট পঞ্জীয়ন কৰাৰ আগতে হস্তান্তৰ কৰা হ'ব।

(৯) অনুগ্ৰহ কৰি এই পত্ৰৰ প্ৰাপ্তি স্বীকাৰ কৰক।

আপোনাৰ বিশ্বাসী,
এছডি/-
(এছ. কে. ৰুডোলা)
সচিব

## সংক্ষিপ্ত বিবৃতি নিৰ্দেশনাৰ ই-ফাইলিং

প্ৰাৰ্থীৰ নিৰ্বাচনী ব্যয় ছফ্টৱেৰৰ সংক্ষিপ্ত বিবৃতি প্ৰাৰ্থীসকলক ইণ্টাৰনেটৰ জৰিয়তে অনলাইনত ত্ৰুটি মুক্ত সংক্ষিপ্ত বিবৃতি দাখিল কৰাত সহায় কৰিবলৈ লক্ষ্য কৰা হৈছে। ছফ্টৱেৰে প্ৰাৰ্থীসকলক সঠিক ফৰ্মেটত তথ্য দাখিল কৰাত সহায় কৰে, সঠিক তথ্য পূৰণ কৰিবলৈ প্ৰতিটো পদক্ষেপত প্ৰাৰ্থীক গাইড কৰে আৰু নিৰ্বাচন আয়োগক অধিক প্ৰণালীবদ্ধ আৰু সংৰক্ষিত ধৰণে প্ৰাসঙ্গিক তথ্য প্ৰক্ৰিয়া কৰিবলৈ সক্ষম কৰে।

(ক) ই-ফাইলিং কৰাৰ আগতে নিৰ্দেশনা:

(১) ছফ্টৱেৰত পঞ্জীয়ন কৰাৰ সময়ত প্ৰতিদ্বন্দিতা কৰা প্ৰাৰ্থীৰ এটা বৈধ ম'বাইল নম্বৰ আৰু ই-মেইল আইডি থাকিব লাগিব। প্ৰাৰ্থীৰ ম'বাইল নম্বৰ আৰু ই-মেইল আইডিলৈ এবাৰৰ বাবে পাছৱৰ্ড (অ'টিপি) প্ৰেৰণ কৰা হ'ব যিটো প্ৰাৰ্থীয়ে পঞ্জীয়ন কৰিবলৈ আৰু লগইন কৰিবলৈ প্ৰয়োজন হ'ব।

(২) প্ৰাৰ্থীক দিয়া পাছৱৰ্ড গোপনীয় ৰাখিব লাগে যাতে অস্বীকৃতিপ্ৰাপ্ত ব্যৱহাৰকাৰীসকলে একাউণ্টত লগইন কৰিবলৈ সক্ষম হ'ব নোৱাৰে। ব্যক্তি বা আন কোনোবাই বৈধ পাছৱৰ্ড অবিহনে বিৱৰণসমূহ প্ৰৱেশ/সংশোধন কৰিব নোৱাৰে।

(৩) প্ৰবিষ্ট কৰা বিৱৰণ প্ৰাৰ্থীৰ দ্বাৰা কৰা প্ৰৱেশৰ ওপৰত নিৰ্ভৰ কৰিব আৰু ছফ্টৱেৰে ইয়াৰ চূড়ান্ত দাখিলৰ পিছত একাউণ্টত কোনো পৰিৱৰ্তনৰ অনুমতি নিদিব।

(৪) অনলাইনত পদক্ষেপ অনুযায়ী প্ৰবিষ্ট কৰিব লাগিব আৰু ডাটা স্বয়ংক্ৰিয়ভাৱে সংৰক্ষণ হয়।

(৫) প্ৰাৰ্থীৰ ব্যয়ৰ সংক্ষিপ্ত বিবৃতিত কেইবাখনো বিৱৰণ পূৰণ কৰাৰ প্ৰয়োজন হোৱা বাবে, ই-ফাইলিংত তথ্য প্ৰবিষ্ট কৰাৰ আগতে সকলো নথিপত্ৰ সাজু ৰাখিব লাগিব। সম্পূৰ্ণ তথ্য পৃষ্ঠা-অনুযায়ী উপলব্ধ হ'ব, আৰু প্ৰতিটো পৃষ্ঠাত প্ৰবিষ্ট কৰা তথ্য সঠিক হোৱাটো নিশ্চিত কৰিবলৈ যত্ন ল'ব লাগিব।

(৬) সকলো পৃষ্ঠা পূৰণ কৰাৰ পিছত, অন্তিম পদক্ষেপত, " ফাইনেলাইজ এণ্ড ছাবমিট" বুটাম ক্লিক কৰক। ইয়াৰ পিছত, কোনো পৰিবৰ্তন কৰিব পৰা নাযায়।

(৭) চূড়ান্ত কৰাৰ পিছত, ব্যৱহাৰকাৰীয়ে প্ৰিণ্টআউট ল'ব আৰু প্ৰাসঙ্গিক পৃষ্ঠাত স্বাক্ষৰ কৰিব, শপতনামা ন'টাৰী কৰিব, সকলো নথিপত্ৰ, পঞ্জী, বিল আৰু ভাউচাৰ আদি সংলগ্ন কৰিব আৰু নিৰ্বাচন সম্পূৰ্ণ হোৱাৰ ৩০ দিনৰ ভিতৰত ডিইঅ'লৈ সংলগ্ন দস্তাবেজৰ সৈতে প্ৰিণ্ট আউট প্ৰেৰণ কৰিব।

(৮) হাৰ্ডকপি দাখিল কৰাৰ পিছত ডিইঅ' কাৰ্যালয়ৰ পৰা এটা সঠিক প্ৰাপ্তি স্বীকাৰ আহৰণ কৰিব লাগিব। ডিইঅ'ৰ পৰা প্ৰাপ্তি স্বীকাৰ লোৱাৰ পিছত একাউণ্ট পঞ্জীয়ন সম্পূৰ্ণ হ'ব।

(খ) পদক্ষেপ: ই-ফাইলিং কৰাৰ বাবে

(I) পঞ্জীয়নৰ বাবে:

(১) www.eci.nic.in সাক্ষাত কৰক আৰু "কেন্দিডেট" লিংকত ক্লিক কৰি অনলাইন পঞ্জীয়ন কৰক।

(২) চাব মেনুলৈ যাওক, প্ৰাৰ্থীৰ নিৰ্বাচন ব্যয় একাউণ্ট অনলাইন দাখিল কৰক।

(৩) ব্যৱহাৰকাৰীয়ে প্ৰথমে " ক্লিক টু ৰেজিষ্টাৰ " ত ক্লিক কৰি পঞ্জীয়ন কৰিব লাগিব।

(ক) ব্যৱহাৰকাৰীয়ে বৈধ ম'বাইল নম্বৰ আৰু ইমেইল-আইডি প্ৰবিষ্ট কৰিব লাগে আৰু আগবাঢ়িব লাগিব।

(খ) ব্যৱহাৰকাৰীয়ে ম'বাইল নম্বৰত আৰু নিৰ্দিষ্ট ইমেইল-আইডিত এছএমএছ হিচাপে অ'টিপি (এবাৰৰ বাবে পাছৱৰ্ড) প্ৰাপ্ত কৰিব।

(গ) ব্যৱহাৰকাৰীয়ে অ'টিপি প্ৰবিষ্ট কৰিব লাগিব আৰু "প্ৰছিড" ক্লিক কৰিব লাগিব।

(ঘ) তাৰ পিছত ৰাজ্য, প্ৰথম নাম, অন্তিম নামৰ দৰে বিৱৰণ পূৰণ কৰক।

(ঙ) পাছৱৰ্ড ছেট কৰক, যিটো ব্যৱহাৰকাৰীয়ে গোপনীয় ৰাখিব লাগিব।

(চ) “ৰেজিষ্টাৰত” ত ক্লিক কৰক আৰু সফল পঞ্জীয়নৰ পিছত, লগইন কৰিবলৈ যাওক আৰু প্ৰাৰ্থীৰ ব্যয়ৰ সংক্ষিপ্ত বিবৃতি পূৰণ কৰিবলৈ আগবাঢ়ক।

(II) সংক্ষিপ্ত বিবৃতি দাখিল কৰাৰ বাবে:

(৪) পঞ্জীভুক্ত ম'বাইল নম্বৰৰ সৈতে লগইন কৰক (ম'বাইল নম্বৰটো ব্যৱহাৰকাৰীৰ নাম হ'ব) আৰু পাছৱৰ্ড প্ৰবিষ্ট কৰক।

(৫) ব্যয় বিবৃতি দাখিল কৰিব লগীয়া নিৰ্বাচনটো বাছনি কৰক,

(৬) নিম্নলিখিত বিৱৰণবোৰ ক্ৰম অনুসৰি পূৰণ কৰক।

(৭) বিৱৰণৰ বাবে, মেনুৱেলৰ মাজেৰে যাওক আৰু নিৰ্বাচনী ব্যয়ৰ সংক্ষিপ্ত বিবৃতি অনলাইন পূৰণ কৰাৰ নিৰ্দেশনাবোৰ পঢ়ক।

(৮) (ক) অংশ-I পূৰণ কৰক: নিৰ্বাচনী ব্যয়ৰ সংক্ষিপ্ত বিবৃতি।

(খ) অংশ-II পূৰণ কৰক: অনুসূচীৰ সৈতে প্ৰাৰ্থীৰ নিৰ্বাচনী ব্যয়ৰ বিবৃতিৰ সংক্ষিপ্ত।

(গ) অংশ-III পূৰণ কৰক: প্ৰাৰ্থীয়ে উত্থাপন কৰা পুঁজিৰ উৎসৰ সংক্ষিপ্ত।

(ঘ) অংশ-IV ত শপতনামা প্ৰপত্ৰ পূৰণ কৰক।

(ঙ) স্বীকৃতি প্ৰপত্ৰৰ প্ৰাসঙ্গিক অনুচ্ছেদবোৰ পূৰণ কৰক।

অংশ-I, অংশ - II, অংশ - III, অংশ - IV আৰু সম্পূৰ্ণ অনুসূচীৰ বিৱৰণৰ সৈতে স্বীকৃতিৰ প্ৰিণ্টআউট লওঁক।

(৯) যদি আপুনি ডাটাবোৰত কিছু ত্ৰুটি বিচাৰি পায়, আপুনি প্ৰাসঙ্গিক পৃষ্ঠাৰ ‘এডিট’ ত ক্লিক কৰি এইবোৰ সংশোধন কৰিব পাৰে।

(১০) যদি আপুনি ডাটা সঠিক বুলি সন্তুষ্ট হয়, তেন্তে “ফাইনেলাইজ এণ্ড ছাবমিট” ত ক্লিক কৰক। এইটো ক্লিক কৰাৰ পিছত, ডাটা সংশোধন কৰিব নোৱাৰি।

(১১) সকলো তথ্য প্ৰবিষ্ট কৰাৰ পিছত, আয়োগৰ দ্বাৰা প্ৰয়োজনীয় ফৰ্মেট অনুসৰি সম্পূৰ্ণ তথ্য স্ক্ৰীণত দৃশ্যমান হ'ব।

(১২) প্ৰাৰ্থীজনে সংক্ষিপ্ত বিবৃতি, শপতনামা, স্বীকৃতিৰ হাৰ্ডকপি স্বাক্ষৰ কৰিব লাগিব, শপতনামাটো ন'টাৰী কৰাৰ আৰু নিৰ্বাচন সম্পূৰ্ণ হোৱাৰ ৩০ দিনৰ ভিতৰত আয়োগে প্ৰয়োজন অনুসৰি সকলো বেষ্টনীৰ সৈতে ডিইঅ'ৰ সন্মুখত দাখিল কৰিব লাগিব।

(১৩) যদি কোনো ‘নিৰ্বাচন আয়োগ ই-ৰিটাৰ্ণ প্ৰস্তুতকাৰী’ (ইচিইআৰপি)য়ে ই-ফাইলিং কৰাত সহায় কৰিছে, অনুগ্ৰহ কৰি নাম আৰু তেওঁৰ পঞ্জীয়ন নম্বৰ উল্লেখ কৰক।

(১৪) হাৰ্ডকপি প্ৰাপ্ত হোৱাৰ পিছত, ডিইঅ'য়ে ই-ফাইলিংত প্ৰবিষ্ট কৰা তাৰিখটো হাৰ্ডকপিৰ সৈতে তুলনা কৰি বৈধ কৰিব আৰু ‘ভেৰিফাইড’ বুটামটো ক্লিক কৰিব লাগিব।

সমৰ্থন:

যিকোনো প্ৰশ্ন বা সহায়ৰ বাবে আমাক ecitechsupport@gmail.com ত মেইল কৰক:

**পৰিশিষ্ট- জে ৫**

**ভাৰতৰ নিৰ্বাচন আয়োগ**
**নিৰ্বাচন সদন, অশোকা পথ, নতুন দিল্লী-১১০০০১**

নং ৪৮৫/কম্প/ই-ফাইলিং/২০১৪/ইইপিএছ তাৰিখ: ২০ নৱেম্বৰ, ২০১৪

প্ৰতি

(১) সকলো ৰাজনৈতিক দলৰ সভাপতি/সচিব।
(২) সকলো ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ মুখ্য নিৰ্বাচনী বিষয়া

বিষয়: ভাৰতৰ নিৰ্বাচন আয়োগৰ সৈতে ৰাজনৈতিক দলৰ দ্বাৰা নিৰ্বাচনী ব্যয়ৰ বিবৃতি ই-ফাইলিং কৰাৰ বাবে অতিৰিক্ত সুবিধা।

মহাশয়/মহাশয়া,

ভাৰতৰ মাননীয় উচ্চতম ন্যায়ালয়ৰ বিচাৰ অনুসৰি সাধাৰণ কাৰণ বনাম ভাৰতৰ ইউনিয়ন আৰু অন্যান্য (এআইআৰ ১৯৯৬ এছ চি ৩০৮১) ৰ ক্ষেত্ৰত ভাৰতৰ নিৰ্বাচন আয়োগে ইয়াৰ পত্ৰ নং ৭৬/ইই/২০১২/পিপিইএমএছৰ দ্বাৰা, ২১ জানুৱাৰী, ২০১৩ তাৰিখে বিধানসভা নিৰ্বাচনৰ ৭৫ দিন বা লোকসভা নিৰ্বাচনৰ ৯০ দিনৰ ভিতৰত ৰাজনৈতিক দলৰ দ্বাৰা নিৰ্বাচনী ব্যয়ৰ বিবৃতি দাখিল কৰাৰ বাবে এটা ফৰ্মেট নিৰ্ধাৰণ কৰিছিল। আয়োগে এতিয়া ই-ফাইলিং সুবিধা আৰু ইচ্ছা প্ৰদান কৰিছে যে ৰাজনৈতিক দলে ইণ্টাৰনেটৰ জৰিয়তে তেওঁলোকৰ নিৰ্বাচনী ব্যয়ৰ বিবৃতি অনলাইন দাখিল কৰিব লাগে।

(২) ইয়াৰ সৈতে সংলগ্ন নিৰ্দেশনা অনুসৰি (সংযোজন-এ) নিৰ্বাচনী ব্যয় ই-ফাইলিং কৰাৰ বাবে এই সুবিধা ৰাজনৈতিক দলসমূহে লাভ কৰিব পাৰে। নিৰ্বাচনী ব্যয়ৰ বিবৃতি ই-ফাইলিং কৰাৰ এই সুবিধা বৰ্তমানৰ বাবে কেৱল ইংৰাজী ভাষাত উপলব্ধ। ই-ফাইলিং সুবিধাই ৰাজনৈতিক দলবোৰৰ দ্বাৰা "নিৰ্বাচনী ব্যয়ৰ বিবৃতি" অনলাইন দাখিল কৰিবলৈ সক্ষম কৰে। এই সুবিধাটোৱে নিৰ্দেশিত প্ৰক্ৰিয়াৰ জৰিয়তে ৰাজনৈতিক দলবোৰৰ দ্বাৰা ত্ৰুটি মুক্ত বিবৃতি দাখিল কৰাত অনলাইন সহায় প্ৰদান কৰিব।

(৩) ই-ফাইলিংত অন্তিম দাখিল কৰাৰ আগতে যিকোনো সময়তে প্ৰবিষ্টবোৰ সংশোধন কৰাৰ সুবিধা আছে। ই-ফাইলিং কৰা নিৰ্বাচনী ব্যয়ৰ বিবৃতি ৰাজনৈতিক দলবোৰে প্ৰিণ্ট আউট কৰাৰ আগতে, চূড়ান্ত প্ৰতিলিপিৰ দ্বাৰা চাব পাৰি।

(৪) ই-ফাইলিং কৰাৰ পিছত, দলৰ দ্বাৰা এটা প্ৰিণ্ট আউট ল'ব লাগিব আৰু সভাপতি/সচিবৰ দ্বাৰা স্বাক্ষৰ কৰিব লাগিব, চাৰ্টাৰ্ড একাউণ্টেণ্টৰ দ্বাৰা প্ৰমাণিত আৰু নিৰ্ধাৰিত তাৰিখৰ ভিতৰত ইচিআই বা চিইঅ'লৈ প্ৰেৰণ কৰা হ'ব। হাৰ্ড কপি প্ৰেৰণ কৰাৰ পিছতহে, ফাইলিংৰ প্ৰক্ৰিয়া সম্পূৰ্ণ হ'ব।

(৫) আয়োগে নিৰ্বাচন আয়োগৰ ৰিটাৰ্ণ প্ৰস্তুতকাৰীৰ (ইচিআৰপি) আঁচনি (প্ৰতিলিপি সংলগ্ন) আৰম্ভ কৰিছে। আঁচনি অনুসৰি, প্ৰশিক্ষিত ইচিআৰপিসকলে ৰাজনৈতিক দলসমূহক বিনামূলীয়া সেৱা প্ৰদান কৰিব, ইচিআইৰ সৈতে তেওঁলোকৰ বিবৃতি ই-ফাইলিং কৰিব আৰু ইয়াৰ বাবে কোনো মাচুল দিব নালাগে।

(৬) ই-ফাইলিং সুবিধা লাভ কৰিবলৈ ইচ্ছুক ৰাজনৈতিক দলে ইচিআই ৱেবছাইটত পোনপটীয়াকৈ বা নিৰ্বাচন আয়োগ ৰিটাৰ্ণ প্ৰস্তুতকাৰীৰ সহায়ত ইচিআই ৱেবছাইটত লগ ইন কৰি তথ্য প্ৰবিষ্ট কৰিব লাগিব।

(৭) ৰাজনৈতিক দলসমূহৰ দ্বাৰা নিৰ্বাচনী ব্যয়ৰ বিবৃতি ই-ফাইলিং কৰাৰ নিৰ্দেশনা আৰু ৰাজ্যখনৰ ইচিআৰপিৰ তালিকা চিইঅ'সকলে সকলো ৰাজনৈতিক দলৰ দৃষ্টিলৈ আনিব পাৰে আৰু ছপা আৰু বৈদ্যুতিক মাধ্যমৰ জৰিয়তে প্ৰচাৰ কৰিব পাৰে। বৈঠকত, ৰাজনৈতিক দলসমূহক এই ব্যৱস্থাবোৰৰ বিষয়েও অৱগত কৰা হ'ব, ই-ফাইলিংৰ সুবিধাৰ বিৱৰণ ব্যাখ্যা কৰা হ'ব আৰু তেওঁলোকৰ যোগাযোগৰ বিৱৰণৰ সৈতে ইচিআৰপিৰ তালিকাও চিইঅ' ৱেবছাইটত আপলোড কৰিব লাগিব।

(৮) অনুগ্ৰহ কৰি এই পত্ৰৰ প্ৰাপ্তি স্বীকাৰ কৰক।

আপোনাৰ বিশ্বাসী,

এছডি/-
(এছ. কে. ৰুডোলা)
সচিব

পৰিচয়:

ৰাজনৈতিক দলবোৰৰ দ্বাৰা নিৰ্বাচনী ব্যয়ৰ বিবৃতি ই-ফাইলিং কৰাৰ ছফ্‌টৱেৰ ৰাজনৈতিক দলসমূহক ইণ্টাৰনেটৰ জৰিয়তে অনলাইনত ত্ৰুটি মুক্ত বিবৃতি দাখিল কৰাত সহায় কৰাৰ লক্ষ্য। ছফ্‌টৱেৰে ৰাজনৈতিক দলসমূহক তথ্য সঠিক ফৰ্মেটত দাখিল কৰাত সহায় কৰে, সঠিক তথ্য পূৰণ কৰিবলৈ প্ৰতিটো পদক্ষেপত ৰাজনৈতিক দলক পথ প্ৰদৰ্শন কৰে আৰু নিৰ্বাচন আয়োগক অধিক প্ৰণালীবদ্ধ আৰু সংৰক্ষিত ধৰণে প্ৰাসঙ্গিক তথ্য প্ৰক্ৰিয়া কৰিবলৈ সক্ষম কৰে।

(ক) ই-ফাইলিং কৰাৰ আগতে নিৰ্দেশনা:

(১) ছফ্‌টৱেৰত পঞ্জীয়ন কৰাৰ আগতে ৰাজনৈতিক দলৰ অনুমোদিত কৰ্মকৰ্তা বা কোষাধ্যক্ষৰ এটা বৈধ ম'বাইল নম্বৰ আৰু ই-মেইল আইডি থাকিব লাগিব। ব্যৱহাৰকাৰীৰ ম'বাইল নম্বৰ আৰু ই-মেইল আইডিলৈ এবাৰৰ বাবে পাছৱৰ্ড (অ'টিপি) প্ৰেৰণ কৰা হ'ব যিটোৰ সহায়ত পঞ্জীভুক্ত আৰু লগইন কৰিব লাগিব।

(২) পাছৱৰ্ড গোপনীয় ৰাখিব লাগে যাতে অস্বীকৃতিপ্ৰাপ্ত ব্যৱহাৰকাৰীসকলে একাউণ্টত লগইন কৰিবলৈ সক্ষম নহয়।

(৩) প্ৰবিষ্ট কৰা বিৱৰণ সম্পূৰ্ণভাৱে ব্যৱহাৰকাৰী আৰু ছফ্‌টৱেৰে কৰা প্ৰবিষ্টৰ ওপৰত নিৰ্ভৰ কৰি চূড়ান্ত দাখিল কৰাৰ আগতে পৰিৱৰ্তনৰ অনুমতি দিব, কিন্তু চূড়ান্ত দাখিল কৰাৰ পিছত নিদিয়ে।

(৪) অনলাইন প্ৰবিষ্ট পৰ্যায় অনুসৰি কৰিব লাগিব আৰু সংৰক্ষণ কৰিব লাগিব।

(৫) সকলো নথিপত্ৰ ই-ফাইলিং মোডত তথ্য প্ৰবিষ্ট কৰাৰ আগতে সাজু ৰাখিব লাগিব, কিয়নো আইটেম বা তথ্যৰ সংখ্যা ই-ফাইল কৰাৰ বাবে প্ৰয়োজন।

(৬) অন্তিম পদক্ষেপ "ফাইনেলাইজ এণ্ড ছাবমিট"ত, সকলো বিৱৰণ সঠিকভাৱে প্ৰবিষ্ট কৰাৰ পিছত ফাইনেলাইজ বুটামত ক্লিক কৰক। একে সময়তে বিৱৰণ সংৰক্ষণ কৰক, এবাৰ ফাইনেলাইজ কৰাৰ পিছত, এইবোৰ আৰু সক্ৰিয় কৰিব নোৱাৰি আৰু ফাইনেল বুলি বিবেচনা কৰা হ'ব।

(৭)চূড়ান্ত কৰাৰ পিছত, ব্যৱহাৰকাৰীয়ে প্ৰিণ্টআউট ল'ব পাৰে আৰু এটা স্বাক্ষৰিত প্ৰতিলিপি নিৰ্বাচন আয়োগ/চিইঅ' কাৰ্যালয়লৈ প্ৰেৰণ কৰিব লাগিব।

(৮) ৰাজনৈতিক দলে ৱেবছাইটত লগ ইন কৰি পোনপটীয়াকৈ ই-ফাইলিং কৰা ৰিটাৰ্ণ দাখিল কৰিব পাৰে।

(খ) ই-ফাইলিংৰ বাবে পদক্ষেপ

(I) <u>এবাৰ পঞ্জীয়নৰ বাবে</u>

(১) www.eci.nic.in সাক্ষ্যাত কৰি, অনলাইন পঞ্জীয়ন কৰক

(২) প্ৰথমবাৰৰ বাবে ব্যৱহাৰকাৰীয়ে প্ৰথমে "ক্লিক টু ৰেজিষ্টাৰ" ক্লিক কৰি পঞ্জীয়ন কৰিব লাগে

(ক) ব্যৱহাৰকাৰীয়ে বৈধ ম'বাইল নম্বৰ আৰু ইমেইল-আইডি প্ৰবিষ্ট কৰিব লাগে আৰু আগবাঢ়িব লাগে

(খ) ব্যৱহাৰকাৰীয়ে ম'বাইল নম্বৰত এছএমএছ হিচাপে আৰু নিৰ্দিষ্ট ইমেইল-আইডিলৈ অ'টিপি (এবাৰৰ বাবে পাছৱৰ্ড) প্ৰাপ্ত কৰিব।

(গ) ব্যৱহাৰকাৰীয়ে অ'টিপি প্ৰবিষ্ট কৰিব লাগিব আৰু আগবাঢ়ি যাব লাগিব।

(ঘ) তাৰ পিছত ৰাজ্য, প্ৰথম নাম, অন্তিম নামৰ দৰে বিৱৰণ পূৰণ কৰক।

(ঙ) পাছৱৰ্ড ছেট কৰক

(চ) "ৰেজিষ্টাৰ" ত ক্লিক কৰক আৰু সফল পঞ্জীয়নৰ পিছত, লগইন কৰিবলৈ যাওক আৰু ৰাজনৈতিক দলৰ ব্যয় পূৰণ কৰক।

(ছ) ব্যৱহাৰকাৰীয়ে পোনপটীয়াকৈ ই-ফাইলিং কৰিব পাৰে বা ইচি ৰিটাৰ্ণ প্ৰস্তুতকাৰীসকলৰ সহায় ল'ব পাৰে, যিয়ে বিবৃতিবোৰ ই-ফাইলিং কৰাৰ বাবে দলটোক বিনামূলীয়া সেৱা প্ৰদান কৰিব।

(জ) সময়ৰ সৈতে সঠিক বিবৃতি দাখিল কৰাটো ৰাজনৈতিক দলৰ দায়িত্ব। সমল আৰু তথ্যৰ বাবে ইচিআৰপি দায়বদ্ধ নহয়।

(II) ই-ফাইলিং ৰ বাবে

(৩) পঞ্জীভুক্ত ম'বাইল নম্বৰৰ সৈতে লগইন কৰক। (ম'বাইল নম্বৰটো ব্যৱহাৰকাৰীৰ নাম হ'ব)

(৪) ব্যয় বিবৃতি দাখিল কৰিব লগীয়া সেই নিৰ্বাচনক বাছনি কৰক,

(৫) নিম্নলিখিত বিৱৰণবোৰ ক্ৰম অনুসৰি পূৰণ কৰক (বিশদভাৱে মেনুৱেল ডাউনলোড কৰাৰ বাবে আৰু ৰাজনৈতিক দলৰ ব্যয় অনলাইন পূৰণ কৰাৰ বাবে বিৱৰণ নিৰ্দেশনা পঢ়ক)

(ক) অংশ-এ পূৰণ কৰক (দলৰ কেন্দ্ৰীয় মুখ্য কাৰ্যালয়ত হোৱা/অনুমোদিত নিৰ্বাচনী ব্যয়ৰ বিৱৰণ)

(খ) অনুসূচী ১ ৰ পৰা অনুসূচী ১১ লৈ পূৰণ কৰক

(গ) অংশ -বি ৰাজ্য ভিত্তিত পূৰণ কৰক (দলৰ ৰাজ্যিক গোটৰ দ্বাৰা বা ৰাজ্যিক দলৰ মুখ্য কাৰ্যালয়ৰ দ্বাৰা কৰা/অনুমোদিত নিৰ্বাচনী ব্যয়ৰ বিৱৰণ যাৰ ভিতৰত আছে ৰাজ্যসমূহৰ বাবে সকলো জিলা পৰ্যায় আৰু স্থানীয় গোট)

(ঘ) অনুসূচী ১২ ৰ পৰা অনুসূচী ২২ লৈ পূৰণ কৰক

(ঙ) যেতিয়া অংশ এ-ৰ সকলো বিৱৰণৰ সৈতে সকলো অনুসূচীৰ (১ ৰ পৰা ১১) আৰু অংশ বি-ৰ সকলো অনুসূচীৰ (১২ ৰ পৰা ২২) সৈতে সঠিকভাৱে পূৰণ কৰা হয়, তেতিয়া অংশ-চি (নিৰ্বাচনৰ সময়ত ৰাজনৈতিক দলৰ দ্বাৰা কৰা সকলো ৰচিদ আৰু ব্যয়ৰ সাৰাংশ যিটো অংশ-এ আৰু অংশ-বিত তালিকাত উল্লেখ কৰা হৈছে) স্বয়ংক্ৰিয়ভাৱে সৃষ্টি হ'ব।

(৬) চূড়ান্ত কৰক আৰু দাখিল কৰক

(৭) সকলো অনুসূচীৰ বিৱৰণৰ সৈতে অংশ-এ, অংশ-বি আৰু অংশ-চিৰ প্ৰিণ্টআউট লওঁক আৰু চাৰ্টাৰ্ড একাউণ্টেণ্টৰ দ্বাৰা প্ৰমাণপত্ৰ লোৱাৰ পিছত স্বাক্ষৰিত হাৰ্ডকপি নিৰ্বাচন আয়োগ বা চিইঅ'ক (অস্বীকৃত পক্ষৰ ক্ষেত্ৰত) দাখিল কৰক।

(৮) ইচিআই বা চিইঅ'ৰ দ্বাৰা হাৰ্ডকপি প্ৰাপ্ত কৰাৰ পিছত জমা প্ৰক্ৰিয়াটো সম্পূৰ্ণ হ'ব।

সহায় :

যিকোনো প্ৰশ্ন বা সহায়ৰ বাবে আমাক ecitechsupport@gmail.com ত মেইল কৰক

# কে.
# সঘনাই সোধা প্রশ্ন
# (এফএকিউ সমূহ)

(ক) প্ৰাৰ্থীসকলৰ বাবে:

(১) প্ৰতিদ্বন্দী প্ৰাৰ্থীৰ বাবে নিৰ্বাচনৰ ব্যয়ৰ নিৰ্ধাৰিত সীমা কিমান?

উত্তৰ- প্ৰতিখন ৰাজ্য/কেন্দ্ৰীয় শাসিত অঞ্চলত বিধানসভা/সংসদীয় সমষ্টিৰ বাবে নিৰ্ধাৰিত সীমা তলত উল্লেখ কৰা হৈছে:

| ক্ৰমিক নং | ৰাজ্য/কেন্দ্ৰীয় শাসিত অঞ্চলৰ নাম | সংসদীয় সমষ্টি | বিধানসভা সমষ্টি |
|---|---|---|---|
| ১ | অন্ধ্ৰ প্ৰদেশ, অসম, বিহাৰ, গুজৰাট, হাৰিয়ানা, হিমাচল প্ৰদেশ, জম্মু আৰু কাশ্মীৰ, কৰ্ণাটক, কেৰালা, মধ্য প্ৰদেশ, মহাৰাষ্ট্ৰ, উৰিষ্যা, পাঞ্জাৱ, ৰাজস্থান, তামিলনাডু, উত্তৰ প্ৰদেশ, পশ্চিম বংগ, ছত্তীশগড়, উত্তৰাখণ্ড, ঝাৰখণ্ড, তেলেংগানা আৰু দিল্লী | ৭০.০০ লাখ | ২৮.০০ লাখ |
| ২ | মণিপুৰ, মেঘালয়, মিজোৰাম, নাগালেণ্ড আৰু ত্ৰিপুৰা | ৭০.০০ লাখ | ২০.০০ লাখ |
| ৩ | অৰুণাচল প্ৰদেশ, গোৱা, ছিকিম, আন্দামান আৰু নিকোবৰ দ্বীপপুঞ্জ, চণ্ডীগড়, দাদৰা আৰু নগৰ হাৱেলি, দমন আৰু দিউ লক্ষ্যদ্বীপ আৰু পুদুচেৰী | ৫৪.০০ লাখ | ২০.০০ লাখ |

দিল্লী আৰু পুদুচেৰীৰ বাহিৰে, অন্যান্য কেন্দ্ৰীয় শাসিত অঞ্চলৰ কোনো বিধানসভা নাই

(২) মই এটা বিধানসভা সমষ্টি /সংসদীয় সমষ্টিৰ এজন প্ৰাৰ্থী। নিৰ্বাচনী ব্যয়ৰ বিষয়ে মোৰ পৰা কি আশা কৰা হৈছে?

উত্তৰ: (ক) সকলো প্ৰাৰ্থীক ৰিটাৰ্ণিং বিষয়াৰ দ্বাৰা নিৰ্বাচনী ব্যয় পঞ্জী প্ৰদান কৰা হ'ব আৰু তেওঁলোকক মনোনয়ন দাখিল কৰাৰ তাৰিখৰ পৰা ফলাফল ঘোষণাৰ তাৰিখলৈ (দুয়োটা তাৰিখ অন্তৰ্ভুক্ত) সঁচাকৈয়ে আৰু সঠিকভাৱে নিৰ্বাচনী ব্যয়ৰ একাউণ্ট বাহাল ৰাখিব লাগিব।

(খ) আৰঅ'ৰ দ্বাৰা নিৰ্ধাৰিত অনুসূচী অনুসৰি নিৰ্বাচন কৰ্তৃপক্ষৰ সন্মুখত প্ৰচাৰৰ সময়ত কমেও ৩ বাৰ নিৰ্বাচনী ব্যয় একাউণ্ট পৰীক্ষা কৰাটো প্ৰয়োজন।

(গ) ফলাফল ঘোষণাৰ ৩০ দিনৰ ভিতৰত সকলো প্ৰাৰ্থীয়ে তেওঁলোকৰ প্ৰকৃত নিৰ্বাচনী ব্যয় একাউণ্ট জিলা নিৰ্বাচন বিষয়াৰ সন্মুখত দাখিল কৰিব লাগিব।

**(৩)** এজন প্ৰাৰ্থীৰ নিৰ্বাচনী ব্যয় পঞ্জীয়ে কি গঠন কৰে, যিটো ফলাফল ঘোষণা কৰাৰ ৩০ দিনৰ ভিতৰত দাখিল কৰা প্ৰয়োজন?
উত্তৰ- প্ৰতিজন প্ৰতিদ্বন্দি প্ৰাৰ্থীয়ে ফলাফল ঘোষণাৰ তাৰিখৰ পৰা ৩০ দিনৰ ভিতৰত ডিইঅ'ৰ ওচৰত নিম্নলিখিত পঞ্জী/বিবৃতি দাখিল কৰিব লাগিব:

(i) প্ৰতিদিনৰ একাউণ্ট পঞ্জী (প্ৰাৰ্থী বা তেওঁৰ নিৰ্বাচনী এজেণ্টৰ দ্বাৰা স্বাক্ষৰিত কালক্ৰমত সকলো বিল আৰু ভাউচাৰৰ সৈতে)।

(ii) নগদ পঞ্জী।

(iii) বেংক পঞ্জী (বেংক বিবৃতিৰ প্ৰমাণিত প্ৰতিলিপিৰ সৈতে)।

(iv) সংক্ষিপ্ত বিবৃতি (অংশ I ৰ পৰা IV) আৰু অনুসূচী ১ ৰ পৰা ১০ প্ৰাৰ্থীৰ দ্বাৰা যথাযথভাৱে স্বাক্ষৰিত

(v) প্ৰাৰ্থীৰ দ্বাৰা যথাযথভাৱে স্বাক্ষৰিত শপতনামা।

(৪) বিশেষভাৱে এজন প্ৰাৰ্থীৰ নিৰ্বাচনী ব্যয়ৰ বাবে এটা পৃথক বেংক একাউণ্ট থকাটো বাধ্যতামূলক নেকি? ইয়াক কেতিয়া আৰু ক'ত খোলা উচিত?
উত্তৰ- হয়, এটা পৃথক বেংক একাউণ্ট থকাটো বাধ্যতামূলক, যিটো প্ৰাৰ্থীয়ে তেওঁৰ মনোনয়ন পত্ৰ দাখিল কৰিব বিচৰা তাৰিখৰ কমেও এটা দিন আগতে যিকোনো সময়তে খুলিব লাগিব। ইয়াক প্ৰাৰ্থীৰ নামত বা তেওঁৰ নিৰ্বাচনী এজেণ্টৰ সৈতে যৌথ নামত খুলিব পৰা যায়। অৱশ্যে, যদি তেওঁ প্ৰাৰ্থীৰ নিৰ্বাচনী এজেণ্ট নহয় তেন্তে প্ৰাৰ্থীৰ পৰিয়ালৰ কোনো সদস্য বা আন কোনো ব্যক্তিৰ সৈতে বেংক একাউণ্ট যৌথ নামত খুলিব নালাগে। একাউণ্টটো ৰাজ্যৰ যিকোনো স্থানত, সমবায় বেংক বা ডাকঘৰকে ধৰি যিকোনো বেংকত খুলিব পাৰি। এই একাউণ্টৰ বিৱৰণ মনোনয়ন দাখিল কৰাৰ সময়ত ৰিটাৰ্ণিং বিষয়াক জমা দিয়া হ'ব। প্ৰাৰ্থীজনে নিৰ্বাচনৰ ব্যয়ৰ বাবে নিৰ্দিষ্ট সকলো পৰিমাণ জমা কৰিব লাগিব আৰু কেৱল এই একাউণ্টৰ পৰা তেওঁৰ সকলো নিৰ্বাচনী ব্যয় কৰিব লাগিব। নিৰ্বাচনী ব্যয়ৰ বাবে এটা সমৰ্পিত/পৃথক বেংক একাউণ্ট খোলাত ব্যৰ্থতা আয়োগে নিৰ্ধাৰিত ধৰণে একাউণ্ট বাহাল ৰখাত ব্যৰ্থ বুলি গণ্য কৰিব।

(৫) সকলো বিল আৰু ভাউচাৰ ব্যয় পৰ্যবেক্ষক আৰু ডিইঅ'ৰ সন্মুখত নিৰ্বাচনী ব্যয় পঞ্জীৰ সৈতে দাখিল কৰাৰ প্ৰয়োজন আছে নে নাই আৰু প্ৰাৰ্থীৰ দ্বাৰা দাখিল আৰু স্বাক্ষৰ কৰা অন্যান্য নথিপত্ৰ ৰখা প্ৰয়োজন আছে নে নাই?
উত্তৰ- হয়, নিৰ্বাচনী নিয়ম, ১৯৬১ ৰ পৰিচালনাত কৰা ব্যৱস্থাৰ অধীনত, সেই সামগ্ৰীবোৰৰ বাহিৰে ব্যয়ৰ প্ৰতিটো সামগ্ৰীৰ বাবে সকলো ভাউচাৰ প্ৰাপ্ত কৰা হ'ব য'ত, ভাউচাৰ প্ৰাপ্ত কৰাটো ব্যৱহাৰযোগ্য নহয়। সকলো ভাউচাৰ নিৰ্বাচনৰ ব্যয়ৰ একাউণ্টৰ সৈতে দাখিল কৰা হ'ব, পৰিশোধৰ তাৰিখ অনুসৰি ব্যৱস্থা কৰা আৰু প্ৰাৰ্থী বা তেওঁৰ নিৰ্বাচনী এজেণ্টৰ দ্বাৰা ক্ৰমিকভাৱে নম্বৰ কৰা আৰু এনে ক্ৰমিক নম্বৰবোৰ একাউণ্টত প্ৰবিষ্ট কৰা হ'ব। শপতনামা আৰু সংক্ষিপ্ত বিবৃতি প্ৰাৰ্থীয়ে নিজেই স্বাক্ষৰ কৰিব লাগিব আনহাতে বাকী নথিপত্ৰবোৰ প্ৰাৰ্থী বা তেওঁৰ নিৰ্বাচনী এজেণ্টৰ দ্বাৰা স্বাক্ষৰ কৰিব লাগিব।

(৬) যদি মই একাউণ্টটো একেবাৰে দাখিল নকৰোঁ বা নিৰ্ধাৰিত সময় আৰু ধৰণে একাউণ্ট দাখিল নকৰোঁ তেন্তে কি হ'ব?
উত্তৰ- যদি এজন প্ৰাৰ্থীয়ে নিৰ্ধাৰিত সময়ৰ ভিতৰত বা আইনৰ দ্বাৰা প্ৰয়োজনীয় ধৰণে তেওঁৰ একাউণ্ট দাখিল কৰিবলৈ ব্যৰ্থ হয় বা তেওঁৰ একাউণ্ট সৰ্বমুঠে দাখিল কৰিবলৈ ব্যৰ্থ হয়, তেন্তে তেওঁৰ বিৰুদ্ধে আৰ.পি. আইন, ১৯৫১ ৰ ধাৰা ১০এ ৰ অধীনত প্ৰক্ৰিয়া আৰম্ভ কৰা হ'ব আৰু বাছনি কৰাৰ বাবে সঠিক প্ৰক্ৰিয়া অনুসৰণ কৰাৰ পিছত আয়োগে তেওঁক অযোগ্য ঘোষণা কৰিব পাৰে, কাৰণ, প্ৰাৰ্থীক অযোগ্য বুলি ঘোষণা কৰা আয়োগৰ আদেশৰ তাৰিখৰ পৰা ৩ বছৰৰ বাবে সংসদৰ যিকোনো গৃহ বা বিধান সভা বা ৰাজ্য/কেন্দ্ৰীয় শাসিত অঞ্চলৰ বিধান পৰিষদৰ সদস্যৰ পৰা বাতিল কৰিব পাৰে।

(৭) একাউণ্ট মীমাংসা সভা কি? এই সভাত প্ৰাৰ্থী এজনৰ উপস্থিতি প্ৰয়োজনীয় নে?

উত্তৰ: প্ৰতিজন প্ৰাৰ্থীৰ বাবে একাউণ্ট দলৰ দ্বাৰা ৰক্ষণাবেক্ষণ কৰা একাউণ্ট বিবৃতিৰ সৈতে প্ৰাৰ্থীৰ দ্বাৰা ৰখা নিৰ্বাচনী ব্যয়ৰ বাবে বিসংগতি(বোৰ), যদি থাকে, পুনৰ মিলাবলৈ ফলাফল ঘোষণা কৰাৰ ২৬ দিনৰ পিছত ডিইঅ'ৰ দ্বাৰা একাউণ্ট মীমাংসা সভা আহ্বান কৰা হয়। এই সুযোগটো প্ৰাৰ্থীসকলে লাভ কৰিব পাৰে, যদি তেওঁলোকে বিচাৰে।

(৮) একাউণ্ট পৰিশোধকাৰী চেকৰ দ্বাৰা ১০,০০০/- টকাৰ অধিক নিৰ্বাচনী ব্যয় কৰাটো প্ৰয়োজনীয় নেকি?
উত্তৰ- হয়, আয়োগৰ উপলব্ধ নিৰ্দেশনা অনুসৰি, প্ৰাৰ্থীসকলে নিৰ্বাচনৰ উদ্দেশ্যৰ বাবে খোলা বেংক একাউণ্টৰ পৰা একাউণ্ট পৰিশোধকাৰী চেকৰ দ্বাৰা সকলো নিৰ্বাচনী ব্যয় কৰিব, য'ত চেক জাৰী কৰা সম্ভৱ নহয়। যদি প্ৰাৰ্থীসকলে যিকোনো ব্যক্তি/ পক্ষক যিকোনো ব্যয়ৰ বাবে পৰিশোধ কৰা পৰিমাণ নিৰ্বাচনৰ সমগ্ৰ প্ৰক্ৰিয়াৰ সময়ত ১০,০০০/- টকাতকৈ অধিক নহয়, তেন্তে এনে ব্যয় নগদ ধনৰ দ্বাৰা কৰিব পাৰি, ইয়াক নিৰ্বাচনৰ উদ্দেশ্যে খোলা বেংক একাউণ্টৰ পৰা উলিয়াব লাগিব। আন সকলো পৰিশোধ সেই বেংক একাউণ্টৰ পৰা একাউণ্ট পৰিশোধকাৰী চেকৰ দ্বাৰা কৰিব লাগিব।

**৯. মনোনয়ন দাখিল কৰাৰ আগতে প্ৰাৰ্থীয়ে কৰা নিৰ্বাচনী ব্যয়ৰ হিচাপ ৰখা প্ৰয়োজন নেকি ?**

**উত্তৰ ঃ** মনোনয়নৰ তাৰিখৰ পৰা ফলাফল ঘোষণাৰ তাৰিখলৈ কৰা ব্যয় প্ৰতিজন প্ৰতিদ্বন্দিতা কৰা প্ৰাৰ্থীৰ দ্বাৰা একাউণ্ট বিবৃতিত ৰাখিব লাগিব। প্ৰাৰ্থীজনে নিৰ্বাচন সম্পৰ্কীয় ব্যয়ো অন্তৰ্ভুক্ত কৰিব লাগিব, যদি ব্যয় প্ৰচাৰ সামগ্ৰীৰ ওপৰত হয় যি প্ৰচাৰৰ সময়ত ব্যৱহাৰ কৰা হয়।

**১০. আয়োগৰ দ্বাৰা নিৰ্বাচনী ব্যয় দাখিল কৰাৰ বাবে অনলাইন সুবিধা উপলব্ধ কৰা হৈছে নেকি ? এইটো বাধ্যতামূলক নেকি ?**

**উত্তৰ ঃ** বৰ্তমান, কেৱল সংক্ষিপ্ত হিচাব অনলাইনত পূৰণ কৰিব পাৰি আৰু হাৰ্ড কপিত নিৰ্বাচনী ব্যয় পঞ্জীয়নৰ অন্যান্য উপাদানৰ সৈতে ডিইঅ'ৰ সন্মুখত দাখিল কৰিব পাৰি। নিৰ্বাচন আয়োগ ৰিটাৰ্ণ প্ৰিপেৰেয়াৰ (ইচিআৰপি)ৰ জৰিয়তে প্ৰাৰ্থীসকলক এই সুবিধা প্ৰদান কৰা হৈছে। সংক্ষিপ্ত হিচাব অনলাইন দাখিল প্ৰাৰ্থীসকলৰ বাবে বৈকল্পিক। এইটো বাধ্যতামূলক নহয় আৰু বৰ্তমান বিভিন্ন প্ৰতিষ্ঠান/সংগঠনৰ দ্বাৰা বিভিন্ন প্ৰপত্ৰ আদি ৰখাৰ প্ৰয়োজনীয়তা বিবেচনা কৰি এই সুবিধা প্ৰদান কৰা হৈছে।

**১১. বিভিন্ন সামগ্ৰীৰ বাবে হাৰ কেনেদৰে সিদ্ধান্ত লোৱা হয় আৰু মই কেনেকৈ হাৰৰ তালিকা পাম ?**

**উত্তৰ ঃ** নিৰ্ধাৰিত প্ৰফৰ্মাত প্ৰাৰ্থীসকলে দৈনিক আধাৰত ৰক্ষণাবেক্ষণ কৰিব পৰা ব্যয়ৰ নিৰীক্ষণৰ সুবিধাৰ বাবে আয়োগে নিৰ্দেশ দিছে যে ডিইঅ'য়ে ৰাজনৈতিক দলৰ প্ৰতিনিধিসকলৰ সৈতে আলোচনা কৰাৰ পিছত প্ৰচলিত হাৰৰ আধাৰত জিলাখনত নিৰ্বাচনী প্ৰচাৰৰ বাবে সাধাৰণতে ব্যৱহৃত সামগ্ৰীৰ হাৰৰ চাৰ্ট সংকলিত কৰিব। ডিইঅ/আৰঅ'য়ে নিশ্চিত কৰিব যে এনে সকলো বস্তুৰ হাৰ তালিকা  সকলো প্ৰাৰ্থী আৰু নিৰ্বাচনী ব্যয় নিৰীক্ষণ কৰা দলসমূহলৈ উপলব্ধি কৰা হয়।

**১২. এজন প্ৰাৰ্থীয়ে তেওঁৰ নিৰ্বাচনী প্ৰচাৰৰ সময়ত ছচিয়েল মিডিয়া ব্যৱহাৰৰ বাবে কেনেকৈ দায়বদ্ধ হ'ব ?**

**উত্তৰ ঃ** এজন প্ৰাৰ্থীয়ে বিজ্ঞাপন বহন কৰাৰ বাবে ইণ্টাৰনেট কোম্পানী আৰু ৱেবছাইটলৈ কৰা পৰিশোধ আৰু সমলৰ সৃষ্টিশীল বিকাশৰ ওপৰত প্ৰচাৰ সম্পৰ্কীয় কাৰ্যক্ষম ব্যয়, তেওঁলোকৰ ছচিয়েল মিডিয়া একাউণ্ট বজাই ৰখাৰ বাবে নিযুক্ত শ্ৰমিকৰ দলক পৰিশোধ কৰা বেতন আৰু মজুৰিৰ ওপৰত পৰিচালনামূলক ব্যয় অন্তৰ্ভুক্ত থাকিব।

**১৩. এজন “ষ্টাৰ প্ৰচাৰকে” মোৰ বাবে ৰেলী অনুষ্ঠিত কৰিলে মই  প্ৰাৰ্থী হিচাপে নিৰ্বাচনৰ ব্যয়ৰ হিচাবে ৰাখিব লাগিব  নেকি ?**

**উত্তৰ ঃ** যদি প্ৰাৰ্থী বা তেওঁৰ নিৰ্বাচনী এজেণ্টে ৰাজহুৱা সমদল বা সভাৰ ক্ষেত্ৰত ষ্টাৰ প্ৰচাৰকৰ সৈতে একেলগে মঞ্চত বহে, তেন্তে তাৰকা প্ৰচাৰকৰ ভ্ৰমণ ব্যয়ৰ বাহিৰে সেই ৰেলীৰ সমগ্ৰ ব্যয় প্ৰাৰ্থীৰ একাউণ্টত যোগ কৰা হ'ব। আনকি যদি প্ৰাৰ্থীজন মঞ্চত উপস্থিত নাথাকে কিন্তু প্ৰাৰ্থীৰ নাম বা প্ৰাৰ্থীৰ ফটো থকা বেনাৰ/ পোষ্টাৰবোৰ ৰাজহুৱা ৰেলীৰ স্থানত প্ৰদৰ্শিত হয় বা সমদল/সভাৰ সময়ত “ষ্টাৰ প্ৰচাৰক”ৰ দ্বাৰা প্ৰাৰ্থীৰ নাম উল্লেখ কৰা হয়। তাৰ পিছত “ষ্টাৰ প্ৰচৰক”ৰ ভ্ৰমণ ব্যয়ৰ বাহিৰে সেই ৰেলী/সভাত সমগ্ৰ ব্যয়, প্ৰাৰ্থীৰ নিৰ্বাচনৰ ব্যয়ৰ একাউণ্টত যোগ কৰা হ'ব। যদি এজনতকৈ অধিক প্ৰাৰ্থী থাকে, ৰেলী/সভাত তেওঁলোক একেলগে মঞ্চত বহে কৰা বা বেনাৰ বা পোষ্টাৰ প্ৰদৰ্শন কৰা, তেনেহ'লে এনে সকলো প্ৰাৰ্থীৰ মাজত ব্যয় সমানে ভাগ কৰিব লাগে আৰু তেওঁলোকৰ নিজ নিজ একাউণ্টত যোগ দিব লাগে।

**১৪. প্ৰচাৰৰ বাবে কিমানখন বাহন ব্যৱহাৰ কৰিব পাৰি ইয়াৰ অনুমতি প্ৰত্যাহাৰ কৰিব পাৰি নে ?**

**উত্তৰ ঃ** নিৰ্বাচনী উদ্দেশ্যৰ বাবে প্ৰাৰ্থী এজনে ব্যৱহাৰ কৰিব পৰা বাহনৰ সংখ্যাৰ কোনো সীমা নাই। প্ৰাৰ্থীজনে এনে বাহন আৰু যিবোৰ অঞ্চলত এইবোৰ প্ৰচাৰৰ বাবে ব্যৱহাৰ কৰা হ'ব, অনুমতি পাবলৈ আৰঅ' বা অনুমোদিত বিষয়াক সবিশেষ প্ৰদান কৰিব লাগিব। অনুমতিৰ মূল প্ৰতিলিপি বাহনখনৰ ৱিণ্ড স্ক্ৰীণত প্ৰদৰ্শন কৰিব লাগে।

অনুমতিপত্ৰত বাহনখনৰ নং, অনুমতি জাৰী কৰাৰ তাৰিখ, প্ৰাৰ্থী নাম আৰু প্ৰচাৰৰ বাবে ইয়াক ব্যৱহাৰ কৰা এলেকা থাকে। প্ৰাৰ্থীজনে তেওঁৰ প্ৰতি দিনৰ একাউণ্ট পঞ্জীত অনুমোদিত বাহনৰ ওপৰত হোৱা ব্যয় বজাই ৰাখিব লাগিব। যদি প্ৰাৰ্থীজনে প্ৰচাৰৰ সময়ত আৰঅ'ৰ দ্বাৰা নিৰ্ধাৰিত তাৰিখবোৰত নিৰ্বাচন কৰ্তৃপক্ষৰ সন্মুখত নিৰীক্ষণৰ বাবে তেওঁৰ নিৰ্বাচনী ব্যয় পঞ্জী দাখিল কৰিবলৈ ব্যৰ্থ হয়, তেন্তে আৰঅ'ৰ দ্বাৰা বাহনৰ অনুমতি প্ৰত্যাহাৰ কৰা হ'ব। কৰ্তৃত্বপ্ৰাপ্ত বিষয়াৰ দ্বাৰা যোগ্য অনুমোদন/অনুমতি অবিহনে প্ৰচাৰৰ বাবে ব্যৱহৃত যিকোনো বাহনপ্ৰাৰ্থীৰ বাবে অননুমোদিতভাৱে প্ৰচাৰ কৰা বুলি গণ্য কৰা হ'ব আৰু আইপিচিৰ অধ্যায় IX A-ৰ দণ্ডমূলক ব্যৱস্থা আকৰ্ষণ কৰিব পাৰে আৰু সেয়েহে, লগে লগে প্ৰচাৰ অনুশীলনৰ পৰা বাহিৰ লৈ যোৱা হ'ব।

# বি. ৰাজনৈতিক দলৰ বাবে

১. **ৰাজনৈতিক দলসমূহে কি বিবৃতি দাখিল কৰিব লাগিব?**

**উত্তৰ ঃ** ৰাজনৈতিক দলসমূহে নিম্নলিখিত বিবৃতি দাখিল কৰিব লাগিব।

অৰিহণাৰ প্ৰতিবেদন— প্ৰতি বছৰে ৩০ ছেপ্টেম্বৰৰ ভিতৰত বা আয়কৰ ৰিটাৰ্ণ দাখিল কৰাৰ বাবে চিবিডিটিৰ দ্বাৰা সম্প্ৰসাৰিত তাৰিখে

বাৰ্ষিক অডিট কৰা একাউণ্ট— প্ৰতি বছৰে ৩১ অক্টোবৰৰ ভিতৰত

নিৰ্বাচনী ব্যয়ৰ বিবৃতি— বিধানসভা নিৰ্বাচন সম্পূৰ্ণ হোৱা ৭৫ দিনৰ ভিতৰত আৰু লোকসভা নিৰ্বাচন সম্পূৰ্ণ হোৱাৰ ৯০ দিনৰ ভিতৰত।

ৰাজনৈতিক দলসমূহে প্ৰাৰ্থীসকলক বিতৰণ কৰা পৰিমাণৰ বিৱৰণ দিয়া অংশ নিৰ্বাচনী ব্যয় বিবৃতি ফলাফল ঘোষণাৰ ৩০ দিনৰ ভিতৰত দাখিল কৰিব লাগিব।

স্বীকৃত ৰাজনৈতিক দলসমূহে ভাৰতৰ নিৰ্বাচন আয়োগৰ ওচৰত ওপৰোক্ত বিবৃতি দাখিল কৰিব লাগিব, আনহাতে অস্বীকৃত ৰাজনৈতিক দলসমূহে নিৰ্ধাৰিত সময় আৰু ধৰণেৰে সংশ্লিষ্ট ৰাজ্য/কেন্দ্ৰীয় শাসিত অঞ্চলৰ মুখ্য নিৰ্বাচনী বিষয়াৰ ওচৰত ইয়াক দাখিল কৰিব লাগিব।

২. **ৰাজনৈতিক দলৰ 'ষ্টাৰ কেম্পেনাৰ' কোন?**

**উত্তৰ ঃ** পঞ্জীভুক্ত ৰাজনৈতিক দলৰ নিৰ্বাচনী প্ৰচাৰক (স্বীকৃত ৰাজনৈতিক দলৰ ক্ষেত্ৰত সংখ্যাত ৪০তকৈ অধিক নহয় আৰু স্বীকৃতিপ্ৰাপ্ত ৰাজনৈতিক দলৰ বাহিৰে আন দলৰ ক্ষেত্ৰত সংখ্যাত ২০তকৈ অধিক নহয়), যাৰ নাম আয়োগ আৰু ৰাজ্যৰ মুখ্য নিৰ্বাচনী বিষয়াক জনোৱা হৈছে, তেনে লোকক নিৰ্বাচনৰ বাবে জাননী জাৰী কৰাৰ তাৰিখৰ পৰা সাত দিনৰ ভিতৰত "ষ্টাৰ প্ৰচাৰক" বুলি কোৱা হয়। এই নেতাসকলে (ষ্টাৰ প্ৰচাৰক) বিমানেৰে বা আন কোনো পৰিবহনৰ দ্বাৰা ৰাজনৈতিক দলৰ কাৰ্যসূচী প্ৰচাৰৰ বাবে কৰা ব্যয় সেই ৰাজনৈতিক দলৰ প্ৰাৰ্থী বা তেওঁৰ নিৰ্বাচনী এজেণ্টৰ দ্বাৰা কৰা/অনুমোদিত নিৰ্বাচনৰ ক্ষেত্ৰত ব্যয় বুলি গণ্য কৰা নহ'ব।

৩. **এজন ব্যক্তি/আন পক্ষ/দলৰ প্ৰাৰ্থীসকলে নগদ ধনত প্ৰাপ্ত কৰিব পৰা দানৰ সীমা কিমান?**

**উত্তৰ ঃ** যিকোনো ব্যক্তি/আন পক্ষৰ পৰা নগদ দান প্ৰাপ্ত কৰাৰ সীমা হৈছে ১০,০০০/- টকা যদি দান ১০,০০০/- টকা অতিক্ৰম কৰে, ইয়াক চেক/ড্ৰাফ্ট বা ই-পৰিশোধৰ জৰিয়তে কৰিব লাগে।

৪. **মোৰ ৰাজনৈতিক দল আন ৰাজনৈতিক দলৰ (বোৰ) সৈতে মিত্ৰতাত আছে, তেন্তে প্ৰাৰ্থীৰ দ্বাৰা নিৰ্বাচনী ব্যয় কেনে হিচাবে হ'ব?**

**উত্তৰ ঃ** মিত্ৰতাত দলসমূহৰ বিষয়ে আইনত কোনো ব্যৱস্থা নাই আৰু সেয়েহে, গোটেই ব্যয়টো প্ৰাৰ্থীৰ দ্বাৰা হিচাবে দিয়া হয় যাৰ বাবে প্ৰাৰ্থীৰ দলৰ সৈতে মিত্ৰতা থকা যিকোনো দলৰ দ্বাৰা প্ৰচাৰ কৰা হৈছে।

৫. **এজন তাৰকা প্ৰচাৰকে নিৰ্বাচনৰ সময়ত নগদ ধন বহন কৰিব পাৰে নেকি?**

**উত্তৰ ঃ** হয়। এজন তাৰকা প্ৰচাৰকে তেওঁৰ ব্যক্তিগত ব্যৱহাৰৰ বাবে বা দলৰ কোষাধ্যক্ষৰ পৰা প্ৰমাণপত্ৰৰ সৈতে যিকোনো দলৰ কৰ্মকৰ্তাৰ বাবে বিশেষভাৱে ১ লাখ টকালৈকে নগদ ধন বহন কৰিব পাৰে।

৬. **"ষ্টাৰ প্ৰচাৰক"ৰ ৰেলীৰ সময়ত ব্যয়ৰ হিচাব কেনেকৈ ৰখা হ'ব?**

**উত্তৰ ঃ** বিমান বা আন যিকোনো উপায়ৰ দ্বাৰা ভ্ৰমণৰ বাবে ৰাজনৈতিক দলৰ (ষ্টাৰ প্ৰচাৰক) নেতাসকলে কৰা ব্যয়ক ৰাজনৈতিক দলৰ ব্যয় হিচাপে গণ্য কৰা হ'ব। যদি নিৰাপত্তাৰক্ষী, চিকিৎসা সেৱক বা দলৰ যিকোনো সদস্যকে ধৰি আন কোনো ব্যক্তিসহ কোনো সেৱক, সংশ্লিষ্ট সমষ্টিটোৰ প্ৰাৰ্থী নহয় বা ষ্টাৰ কেম্পেইনাৰৰ সৈতে

একেলগে ভ্ৰমণ কৰা ইলেক্ট্ৰনিক বা প্ৰিণ্ট মিডিয়াৰ সাংবাদিক, তেনে বাহন / বিমান / হেলিকপ্টাৰ আদিৰ ভাড়া দলৰ ব্যয়ৰ হিচাপত ধৰা হ'ব আৰু যদি ষ্টাৰ কেম্পেইনাৰৰ লগত যোৱা এনে ব্যক্তিৰ নিৰ্বাচনী প্ৰচাৰত কোনো ভূমিকা থাকে, তেন্তে বাহন / বিমান / হেলিকপ্টাৰৰ ভাড়াৰ বাবদ হোৱা ব্যয়ৰ ৫০ শতাংশ প্ৰাৰ্থী (সকল)ৰ ব্যয়ৰ হিচাপত অন্তৰ্ভুক্ত হ'ব।

৭. **যদি এজন ব্যক্তিক Z+ সুৰক্ষা প্ৰদান কৰা হয় তেন্তে তেওঁৰ ব্যয় কেনেকৈ হিচাব কৰা হ'ব?**

**উত্তৰ ঃ** নিৰ্বাচনৰ সময়ত বেচৰকাৰী উদ্দেশ্যৰ বাবে ব্যৱহাৰ কৰিলে 'Z+' (Z plus) নিৰাপত্তা গ্ৰহণ ব্যক্তিসকলে ৰাজ্যিক মালিকানাধীন বুলেট প্ৰুফ বাহনৰ পৰিচালনাৰ ব্যয় সংশ্লিষ্ট ব্যক্তিয়ে বহন কৰিব লাগে। ভ্ৰমণকাৰী ৰাজনৈতিক নেতাসকলৰ ক্ষেত্ৰত, যিসকল "ষ্টাৰ প্ৰচাৰক", ব্যয়ৰ বাবে দলৰ একাউণ্টত হিচাব কৰা হ'ব। যদি ষ্টাৰ প্ৰচাৰক এজন প্ৰাৰ্থী হয়, সমষ্টিত বাহনৰ পৰিচালনাৰ ব্যয় তেওঁৰ নিৰ্বাচনী ব্যয় একাউণ্টত হিচাব কৰা হ'ব। যদি নিৰাপত্তা সুবিধা উপভোগ কৰা দলৰ কৰ্মকৰ্তা এজন ষ্টাৰ প্ৰচাৰক নহয়, আৰু তেওঁ প্ৰাৰ্থীৰ বাবে প্ৰচাৰ কৰে, তেনে প্ৰচাৰৰ বাবে ব্যৱহৃত নিৰাপত্তা বাহনখনৰ পৰিচালনাৰ ব্যয় প্ৰাৰ্থীৰ একাউণ্টত যোগ কৰা হ'ব।

৮. **বেৰিকেড আৰু ৰোষ্ট্ৰাম নিৰ্মাণৰ বাবে হোৱা ব্যয় প্ৰাৰ্থী (বোৰ) বা ৰাজনৈতিক দলৰ একাউণ্টত অন্তৰ্ভুক্ত কৰিব লাগিব নে য'ত এটা ৰাজনৈতিক দলৰ "নেতা" (তাৰকা প্ৰচাৰক) এক ৰেলী/সভাত অংশগ্ৰহণ কৰে?**

**উত্তৰ ঃ** ৰাজহুৱা সমদল/সভাৰ বাবে নিৰাপত্তাৰ বিবেচনাৰ বাবে চৰকাৰী সংস্থা বা যিকোনো ব্যক্তিগত সংস্থাৰ দ্বাৰা কৰা বেৰিকেড/ৰোষ্ট্ৰাম আদি নিৰ্মাণৰ ওপৰত হোৱা ব্যয়, য'ত ৰাজনৈতিক দলৰ এজন "নেতা" অংশগ্ৰহণ কৰিছে, যাৰ সমষ্টিত ৰেলী সভা অনুষ্ঠিত হৈছে সেই প্ৰাৰ্থীৰ একাউণ্টত অন্তৰ্ভুক্ত কৰিব লাগিব। যদি সেই সময়ত কিছুমান প্ৰাৰ্থী মঞ্চত উপস্থিত থাকে, তেন্তে সেই প্ৰাৰ্থীসকলৰ মাজত ব্যয় সমানে ভাগ কৰা হ'ব।

# চি. নিৰ্বাচন যন্ত্ৰ

**১. জিলা ব্যয় নিৰীক্ষণ সমিতি (ডিইএমচি)ৰ সদস্য কোন আৰু ডিউএমচিৰ কামবোৰ কি?**

**উত্তৰ ঃ** ডিইএমচিত আছে (১) সমষ্টিটোৰ দায়িত্বত থকা ব্যয় পৰ্যবেক্ষক, (২) জিলা নিৰ্বাচন বিষয়া (ডিইঅ') আৰু (৩) জিলাখনৰ ব্যয় নিৰীক্ষণৰ দায়িত্বত থকা উপ-ডিইঅ'/বিষয়া। ডিইএমচিয়ে আৰঅ'ৰ দ্বাৰা প্ৰাৰ্থীক প্ৰদান কৰা জাননীত উল্লেখ কৰা প্ৰমাণ পৰীক্ষা কৰাৰ পিছত প্ৰাৰ্থীৰ দ্বাৰা কৰা নিৰ্বাচনী ব্যয় লুকুওৱা গোচৰটো নিৰ্ণয় কৰিব লাগিব আৰু সম্ভৱতঃ প্ৰাৰ্থীৰ পৰা উত্তৰ প্ৰাপ্ত হোৱাৰ তাৰিখৰ পৰা ৭২ ঘণ্টাৰ ভিতৰত, এনে লুকুওৱা ব্যয় প্ৰাৰ্থীৰ নিৰ্বাচনী ব্যয় একাউণ্টত যোগ কৰা হ'ব নে নাই তাৰ উত্তৰ দিব।

**২. জিলা কাৰ্যালয়ত ব্যয় পৰ্যবেক্ষকে কেতিয়া প্ৰতিবেদন কৰে আৰু তেওঁ কি দায়িত্ব পালন কৰিব লাগে?**

**উত্তৰ ঃ** এজন ব্যয় পৰ্যবেক্ষকে তেওঁক আৰোপ কৰা বিধানসভা/জিলা মুখ্য কাৰ্য্যালয়লৈ তিনিবাৰ ভ্ৰমণ কৰিব লাগিব।

**প্ৰথম ভ্ৰমণ—** ৩টা স্পষ্ট দিনৰ বাবে নিৰ্বাচনৰ অধিসূচনাৰ দিনা সমষ্ঠিত ব্যয় পৰ্যবেক্ষক উপনীত হ'ব। এই ভ্ৰমণৰ সময়ত তেওঁ নিৰ্বাচনী ব্যয় নিৰীক্ষণত নিযুক্ত সকলো দলক লগ কৰিব লাগিব। তেওঁ ডিইঅ', এছপি, আৰক্ষীৰ নোডাল বিষয়া, আয়কৰ আৰু ৰাজ্যিক আবকাৰী আৰু অন্যান্য প্ৰৱৰ্তনকাৰী সংস্থাৰ সৈতে সমন্বয় কৰে। তেওঁৰ যোগাযোগ নম্বৰ অৱগত কৰা হয়, যাতে তেওঁ নিৰ্বাচন প্ৰক্ৰিয়াৰ সময়ত যিকোনা অপ্ৰত্যাশিত ঘটনা বা অসদাচাৰৰ বিষয়ে প্ৰাৰ্থী আৰু জনসাধাৰণৰ পৰা অভিযোগপ্ৰাপ্ত কৰিব পাৰে।

**দ্বিতীয় ভ্ৰমণ—** ব্যয় পৰ্যবেক্ষকে পুনৰ দ্বিতীয়বাৰৰ বাবে সমষ্টিটো ভ্ৰমণ কৰিব, প্ৰাৰ্থিত্ব প্ৰত্যাহাৰৰ তাৰিখৰ ঠিক পিছৰ তাৰিখত আৰু সমগ্ৰ প্ৰচাৰ কালত সমষ্টিটোত থাকিব, আৰু নিৰ্বাচনৰ পিছতহে সমষ্টিটো এৰি যাব। অৱশ্যে, তেওঁ ভোট গণনা লৈতে থাকিব লাগিব, যদি তেওঁক আয়োগৰ দ্বাৰা নিৰ্দেশনা দিয়া হয়। এই সময়ছোৱাত তেওঁ ব্যয় নিৰীক্ষণত নিযুক্ত সকলো টীমৰ কাৰ্যকলাপ সময়ে সময়ে পৰীক্ষা কৰে আৰু যিকোনো টীমৰ কাৰ্যকলাপত কিবা শিথিলতা বা অনিয়ম আছে, তেওঁ সেই বিষয়ে ডিইঅ'ৰ দৃষ্টিগোচৰ কৰে। তেওঁ প্ৰচাৰৰ সময়ত প্ৰতিজন প্ৰাৰ্থীৰ ব্যয় পঞ্জী কমেও তিনিবাৰ পৰীক্ষা কৰে আৰু বিসংগতিৰ ওপৰত তেওঁৰ মন্তব্য দিয়ে।

**তৃতীয় ভ্ৰমণ—** ব্যয় পৰ্যবেক্ষকে ফলাফল ঘোষণাৰ ২৫ দিনৰ পিছত পুনৰ এবাৰ জিলা ভ্ৰমণ কৰিব লাগিব আৰু প্ৰাৰ্থীসকলে দাখিল কৰা নিৰ্বাচনী ব্যয়ৰ হিচাবৰ বিবৃতি পৰীক্ষা কৰাত ডিইঅ'ক সহায় কৰিবলৈ জিলাত ৮টা স্পষ্ট দিনৰ বাবে থাকিব। ফলাফল ঘোষণাৰ পিছত ২৬ নং দিনত ডিইঅ'ৰ দ্বাৰা আহ্বান কৰা হিচাব মীমাংসা সভাত তেওঁ উপস্থিত থাকিব লাগে।

**৩. কোন টীমে নিৰ্বাচন ব্যয় নিৰীক্ষণ প্ৰণালীৰ অংশ গঠন কৰে?**

**উত্তৰ ঃ** নিৰ্বাচনী ব্যয় নিৰীক্ষণ প্ৰণালীৰ অংশ গঠন কৰা টীমবোৰ ঃ

ব্যয় পৰ্যবেক্ষক (ইঅ')

**সহকাৰী ব্যয় পৰ্যবেক্ষক (এইঅ'),**

ভিডিঅ' নিৰীক্ষণ টীম (ভিএছটি),

ভিডিঅ' দৰ্শন টীম (ভিভিটি),

একাউণ্টিং টীম (এটি),

অভিযোগ নিৰীক্ষণ নিয়ন্ত্ৰণ কোঠা আৰু কল চেণ্টাৰ,

মিডিয়া প্ৰমাণিকৰণ আৰু নিৰীক্ষণ সমিতি (এমচিএমচি),

ফ্লায়িং স্কোৱাড (এফএছ)

ষ্টেটিক নিৰীক্ষণ টীম (এছএছটি)

৪. **ব্যয় পৰ্যবেক্ষকৰ দ্বাৰা কিমান পৰিদৰ্শন কৰা প্ৰয়োজন?**

**উত্তৰ ঃ** ব্যয়ৰ পৰ্যবেক্ষকৰ দ্বাৰা মুঠ ৩টা পৰিদৰ্শন কৰিব লাগিব। পৰিদৰ্শনৰ তাৰিখবোৰ আৰঅ'ৰ দ্বাৰা সকলো প্ৰাৰ্থীক আগতীয়াকৈ জনোৱা যায়। অন্তিম পৰিদৰ্শন নিৰ্বাচনৰ তাৰিখৰ পৰা ৩ দিন আগতে কৰা নহয়, যাতে মুখ্য অভিযান ব্যয় পৰিদৰ্শনৰ অধীনত অন্তৰ্ভুক্ত কৰা হয়।

৫. **শ্বেড' অৰজাৰ্ভেছন ৰেজিষ্টাৰ (এছঅ'আৰ) কি?**

**উত্তৰ ঃ** প্ৰতিজন প্ৰাৰ্থীৰ ক্ষেত্ৰত হিচাবৰক্ষী টীমৰ দ্বাৰা এক শ্বেড' অৰজাৰ্ভেছন ৰেজিষ্টাৰ (এছঅ'আৰ) এটা প্ৰদৰ্শিত ফৰ্মেটত ৰখা হ'ব। প্ৰাৰ্থীয়ে যি জনাইছে তাৰ সৈতে প্ৰকৃততে মুখ্য ৰেলী/ শোভাযাত্ৰা/সভা আদিত হোৱা ব্যয়ৰ সামগ্ৰীবোৰ পুনৰ পৰীক্ষা কৰিবলৈ ইয়াক বজাই ৰাখিব লাগিব।

৬. **প্ৰমাণৰ ফোল্ডাৰ (এফই) কি?**

**উত্তৰ ঃ** প্ৰত্যেক প্ৰাৰ্থীৰ বাবে শ্বেড' অৰজাৰ্ভেছন ৰেজিষ্টাৰৰ সৈতে হিচাবৰক্ষী টীমৰ দ্বাৰা প্ৰমাণৰ ফোল্ডাৰ ৰক্ষণাবেক্ষণ কৰিব লাগিব। চিদি/দিভিদি/দস্তাবেজ আদিৰ ৰূপত প্ৰমাণ, শ্বেড' অৰজাৰ্ভেছন ৰেজিষ্টাৰত প্ৰবিষ্ট কৰা ব্যয়ৰ বাবে ক্ৰছ ৰেফাৰেন্স কৰা হয়।

৭. **নিৰ্বাচনী প্ৰচাৰ সম্পৰ্কীয় পত্ৰিকা, পোষ্টাৰ আদি প্ৰিণ্ট কৰাৰ ওপৰত কি নিষেধাজ্ঞা আছে?**

**উত্তৰ ঃ** কোনো ব্যক্তিয়ে যিকোনো নিৰ্বাচনী পত্ৰিকা বা পোষ্টাৰ য'ত প্ৰিণ্টাৰ আৰু তাৰ প্ৰকাশকৰ নাম আৰু ঠিকনা বহন নকৰে, তেনে পত্ৰিকা বা পোষ্টাৰ প্ৰকাশ কৰিব নোৱাৰিব। তেওঁ এনে কৰিব নালাগে যেতিয়ালৈকে তেওঁৰ দ্বাৰা স্বাক্ষৰিত আৰু ব্যক্তিগতভাৱে জনা দুজন ব্যক্তিৰ দ্বাৰা প্ৰমাণিত প্ৰকাশক পৰিচয়ৰ বিষয়ে ঘোষণা তেওঁৰ দ্বাৰা ডুপ্লিকেটত প্ৰিণ্টাৰলৈ প্ৰদান কৰা নহয়। তদুপৰি, দস্তাবেজখন প্ৰিণ্ট কৰাৰ পিছত এক যুক্তিসঙ্গত সময়ৰ ভিতৰত, ঘোষণাটোৰ এটা প্ৰতিলিপি প্ৰিণ্টাৰে নথিপত্ৰৰ এটা প্ৰতিলিপিৰ সৈতে একেলগে সংশ্লিষ্ট জিলা নিৰ্বাচন বিষয়ালৈ বা ৰাজ্যৰ ৰাজধানীত প্ৰিণ্ট কৰিলে চিইঅ'লৈ প্ৰেৰণ কৰিব লাগিব। যদি এজন ব্যক্তিয়ে ওপৰত উল্লেখ কৰা ওপৰোক্ত যিকোনো ব্যৱস্থা উলংঘন কৰে, তাৰ পিছত তেওঁক কাৰাদণ্ডৰ শাস্তি দিয়া হ'ব পাৰে যি ছয় মাহলৈ আৰু ২,০০০ টকালৈকে জৰিমনা ৰখা হ'ব পাৰে।

৮. **কিমান দিনৰ ভিতৰত ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক পৰ্যায়ৰ ৰাজনৈতিক দলসমূহে তেওঁলোকৰ দলৰ "নেতা" (তাৰকা প্ৰচাৰক) তালিকা চিইঅ' আৰু ইচিআইলৈ প্ৰেৰণ কৰিব লাগিব?**

**উত্তৰ ঃ** "নেতা" (তাৰকা প্ৰচাৰক)ৰ তালিকা নিৰ্বাচনৰ অধিসূচনা জাৰী কৰাৰ তাৰিখৰ পৰা ৭ দিনৰ ভিতৰত নিৰ্বাচন আয়োগ আৰু ৰাজ্যৰ চিইঅ'ক অৱগত কৰিব লাগে। স্বীকৃত ৰাজনৈতিক দল (ৰাষ্ট্ৰীয়/ৰাজ্য) ৪০ জন ব্যক্তিৰ নাম প্ৰেৰণ কৰিব পাৰে আৰু এটা পঞ্জীভুক্ত ৰাজনৈতিক দলে "ষ্টাৰ প্ৰচাৰক" হিচাপে গণ্য কৰিব পৰা ২০ জন লোকৰ নাম প্ৰেৰণ কৰিব পাৰে। এই "ষ্টাৰ প্ৰচাৰক"ৰ ভ্ৰমণ ব্যয় প্ৰাৰ্থীৰ ব্যয়ত যোগ কৰা নহয়।

৯. **নিৰ্বাচনৰ সময়ত নগদ/উপহাৰ সামগ্ৰী বহন কৰাৰ সীমা কিমান?**

**উত্তৰ ঃ** ফ্লাইং স্কোৱাড / ষ্টেটিক চাৰ্ভিলেচনৰ দলৰ দ্বাৰা পৰীক্ষা কৰাৰ সময়ত, যদি এজন প্ৰাৰ্থী, তেওঁৰ এজেণ্ট, বা দলৰ কৰ্মী বা পোষ্টাৰ বা নিৰ্বাচনী সামগ্ৰী বা যিকোনো ঔষধ, সুৰা, অস্ত্ৰ বা উপহাৰ সামগ্ৰী বহন কৰা বাহন এখনত

৫০,০০০/- টকাতকৈ অধিক নগদ ধন পোৱা যায়, উপহাৰ সামগ্ৰী, সুৰা তথা নিচাযুক্ত দ্ৰব্য আদি, যিবোৰ ১০,০০০/- টকাতকৈ অধিক মূল্যৰ হয়, যিবোৰ ভোটাৰক প্ৰলোভিত কৰা বা আন যিকোনো অবৈধ প্ৰৱন্ধৰ বাবে ব্যৱহাৰ কৰাৰ সম্ভাৱনা আছে, জব্দ কৰা হ'ব।

**১০. নগদ/সামগ্ৰী জব্দকৰণৰ বিষয়ে আয়কৰ বিভাগক কি পৰিস্থিতিত অৱগত কৰা হ'ব?**

**উত্তৰ ঃ** যদি বাহন এখনত ১০ লাখ টকাতকৈ অধিক নগদ ধন পোৱা যায় আৰু কোনো প্ৰাৰ্থী বা এজেণ্ট বা দলৰ কৰ্মকৰ্তাৰ সৈতে কোনো অপৰাধ বা সংযোগ ৰখাৰ কোনো সন্দেহ নাই, তেন্তে এছএছটিয়ে নগদ ধন জব্দ নকৰিব, আৰু আয়কৰ আইনৰ অধীনত প্ৰয়োজনীয় ব্যৱস্থাৰ বাবে আয়কৰ কৰ্তৃপক্ষক তথ্য প্ৰদান কৰিব।

**১১. এজন পীড়িত ব্যক্তিয়ে কোন কৰ্তৃত্বক নিৰ্বাচনৰ সময়ত জব্দ কৰা নগদ ধন আদি মুকলি কৰাৰ বাবে আবেদন/কাষ চপা কৰা উচিত?**

**উত্তৰ ঃ** জিলা স্তৰত জব্দ কৰা নগদ ধনৰ ওপৰত সিদ্ধান্ত লোৱাৰ বাবে সমিতিত নিম্নলিখিত সকল থাকে ঃ

(i) চিইঅ', জিলা পৰিষদ/চিডিঅ'/পিডি, ডিআৰডিএ
(ii) জিলা নিৰ্বাচন কাৰ্যালয়ত ব্যয় নিৰীক্ষণৰ ন'ডেল বিষয়া (আহ্বায়ক) আৰু
(iii) জিলা কোষাগাৰ বিষয়া।

জব্দৰ বিৰুদ্ধে আবেদনৰ প্ৰক্ৰিয়াটো জব্দ দস্তাবেজত উল্লেখ কৰিব লাগিব আৰু জব্দৰ সময়ত ইয়াক ভুক্তভোগী ব্যক্তিজনক অৱগত কৰিব লাগিব। কোনো কাৰণত, নগদ/জব্দ কৰা মূল্যৱান সামগ্ৰী সম্পৰ্কীয় বিষয়টো নিৰ্বাচনৰ তাৰিখৰ পিছত সাত দিনতকৈ অধিক সময়ৰ বাবে স্থগিত ৰখা নহ'ব, যদিহে কোনো এজাহাৰ অভিযোগ দাখিল কৰা নহয়। সমিতিৰ কাৰ্যকলাপ ব্যাপক প্ৰচাৰ কৰিব লাগিব যাতে জনসাধাৰণৰ কোনো অসুবিধা নহয়।

**১২. উৎকোচ/সুৰা/নগদ বিতৰণৰ ঘটনাৰ বিষয়ে ক'ত অভিযোগ কৰা উচিত?**

**উত্তৰ ঃ** প্ৰতিখন জিলাত অভিযোগ নিৰীক্ষণ কোষ/কল চেণ্টাৰ আছে আৰু ইয়াৰ নম্বৰটো সংবাদ মাধ্যমতো প্ৰকাশ কৰা হয়। এই নম্বৰত অভিযোগ কৰিব পৰা হ'ব পাৰে। য'ত উৎকোচ আদিৰ যিকোনো ঘটনা ঘটি আছে বুলি অভিযোগ কৰা হৈছে, ফ্লাইং স্কোৱাদ তৎক্ষণাৎ সেই স্থানত উপনীত হ'ব।